# সীৰলু

The sign of ploughing...



'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৮










শেহতীয়া সময়ছোৱাত 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ উদ্যোগত নলবাৰী, বাগছা আৰু কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তৰৰ গ্ৰাম্য কৃষিজীৱিৰ বাবে ৰূপায়িত হৈছে কেইবাটাও কৃষিভিত্তিক প্ৰকল্প। আটাইকেইটা প্ৰকল্পই গ্ৰাম্যবাসীৰ মাজত আশাৰ সৃষ্টি কৰিছে


গুণগত শিক্ষাৰে অন্বেষণ সমৃদ্ধিশালী ভৱিষ্যতৰ...

SHOISHAV

শৈশৱ | SHOISHAV | शैशव

# সীৰলু

The sign of ploughing...

## 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ

চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যা, এপ্ৰিল, ২০১৮

স্থান

কাৰ্যালয়

গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী

জিলা ঃ নলবাৰী, অসম

শুভেচ্ছাৰে—

শ্ৰীযুত/যুতা..........................................................

..........................................................................

সম্পাদক

সীৰলু, ২০১৮

# সীৰলু

চতুৰ্থ বছৰ ● চতুৰ্থ সংখ্যা, প্ৰকাশ কাল ঃ এপ্ৰিল ২০১৮
'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৮

## Siralu

A annual journal of Gramya Vikash Mancha
published by Gramya Vikash Mancha
Office campus, Barbari, Dist. Nalbari, Assam

## সীৰলু সম্পাদনা সমিতি


| | | |
|---|---|---|
| উপদেষ্টা | ঃ | পৃথ্বিভূষণ ডেকা<br>কিশোৰ কুমাৰ কলিতা |
| সভাপতি | ঃ | ডাঃ ৰাজুমণি শৰ্মা |
| সম্পাদক | ঃ | নয়নজ্যোতি ভূঞা |
| সহযোগী সম্পাদক | ঃ | অৰূপজ্যোতি দাস |
| সদস্য/সদস্যা | ঃ | হীৰকজ্যোতি বৰ্মন<br>হৰমোহন বৰ্মন<br>শ্বাহ আলম আহমেদ<br>জুৰি তালুকদাৰ<br>কিশোৰ কলিতা<br>ববিতা দাস<br>দিপাঙ্কৰ চক্ৰৱৰ্তী<br>চন্দন চক্ৰৱৰ্তী (কনিষ্ঠ) |
| প্ৰকাশক | ঃ | গ্ৰাম্য বিকাশ মঞ্চ |
| বেটুপাত | ঃ | ৰাতুল দাস |
| অংগসজ্জা | ঃ | তৰণী কলিতা |
| মুদ্ৰণ | ঃ | কালাৰপ্লাছ, ৰাজগড় ৰোড,<br>গুৱাহাটী- ৩, ফোন ঃ ৯৮৬৪০-৩৩৫২৯ |


## কৃতজ্ঞতা

এই মুখপত্ৰ প্ৰকাশৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা আৰু প্ৰকাশৰ বাবে লিখনি আগবঢ়োৱা প্ৰতিগৰাকী শুভাকাংক্ষী, স্থিৰচিত্ৰ গ্ৰহণকাৰী, নিবন্ধকাৰ, কবি, গল্পকাৰলৈ।

—সম্পাদনা সমিতি 'সীৰলু'।

*S. K. Das*, ACS
Deputy Commissioner

Office of the
**DEPUTY COMMISSIONER**
Nalbari - 781335, Assam, India
Mobile : 94350-27404
Phone : 03624-220496 (O), 03624-220218 (R)
Fax : 03624-220469 (O), 03624-220371 (R)
E-mail : dc-nalbari@nic.in

# শুভেচ্ছাবাণী



সমাজ সৰলীকৰণ তথা উন্নয়ণৰ স্বাৰ্থত নিৰলস প্ৰচেষ্টাৰে সেৱা আগবঢ়োৱা নলবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰবৰীস্হিত স্বেচ্ছাসেৱী সংস্হা **"গ্ৰাম্য বিকাশ মঞ্চ"**ই ওঠৰতা বছৰ সফলতাৰে অতিক্ৰম কৰাত অতিশয় আনন্দিত হৈছোঁ । ১৯৯৯ চনৰে পৰা অনুষ্ঠানটোৱে নলবাৰী জিলাক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন অঞ্চলত উন্নয়ণমূলক কাৰ্য্যসূচী ৰূপায়ণেৰে সমাজৰ বঞ্চিত তথা দুৰ্বল শ্ৰেণীৰ লোকসকলৰ আৰ্থ সামাজিক উন্নযণৰ ক্ষেত্ৰত যোগোৱা বৰঙণি উল্লখনীয় । গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱীকাক এই ছেগতে মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

এই অনুষ্ঠানটোৰ বিভিন্ন প্ৰগতিশীল চিন্তা-চৰ্চা প্ৰতিফলিত কৰাৰ বাবে অনুষ্ঠানটোৰ বছৰেকীয়া মূখপত্ৰ **"সীৰলু"** ৰ চতুৰ্থ সংখ্যাটি প্ৰকাশ কৰিবলৈ ওলোৱাটো অতিশয় শুভ লক্ষণ । মই আশা কৰো **"সীৰলু"** ৰ প্ৰতিটো পৃষ্ঠাতে সন্নিবিষ্ট হওঁক উন্নয়ণী চিন্তাধাৰা আৰু সুষম বিকাশৰ পথ ।

তাৰিখ : ২০.০৩.২০১৮ ইং
স্হান : নলবাৰী

(এছ.কে. দাস, এ.চি.এচ)
উপায়ুক্ত, নলবাৰী



আৰ্কাইভৰ সামগ্ৰীত পৰিণত হৈছে কমৰেড কানু স্যানালৰ পঁজাঘৰ আনকি সৰ্বহাৰাৰ বিপ্লৱৰ প্ৰস্তাৱ। অথচ একেই আছে শোষণ-তোষণ, জাতি ভেদ, উচ্চ-নীচ, ধনী দুখীয়াৰ বৰ্দ্ধিত ব্যৱধান। সকলো একেই আছে, কেৱল সলনি হৈছে স্বৰূপৰ।

# দ্য লাষ্ট কমিউনিষ্ট!

তিস্তাৰ পাৰে পাৰে অকোঁৰা পকোৰা পথেৰে নামি আহিছিলোঁ কালেংপুঙৰ পৰা। কালেংপুঙৰ পৰা শিলিগুৰি সংযোগী পথচোৱা অতি উপভোগ্য। মাৰ্চ-এপ্ৰিল মাহত এই পথৰ দুয়োপাৰে কেৱল নানা ৰঙী ফুল, যেন কোনোবাই পৰিকল্পিতভাৱে পাতি থৈছে অন্তহীন ফুলনি। ...বাছখন শিলিগুৰিৰ বাছষ্টপেজত ৰৈ যোৱাৰ লগে লগে যাত্ৰীবোৰৰ মাজত একপ্ৰকাৰ দৌৰা দৌৰী লাগিল। ইফালে আৰম্ভ হৈছে কিন্‌কিনীয়া বৰষুণ। মুলতঃ ষ্টেছন অভিমুখী মানুহবোৰে ৰিক্সাই, অটোৰে জঁপিয়াই হ'লেও উঠি গন্তব্য অভিমুখে যাত্ৰা আৰম্ভ কৰিলে।

আমাৰ লক্ষ্য অৱশ্যে নক্সালবাৰী। নক্সালবাৰী এখন গাঁও বা অঞ্চল নহয়, কোৱা হয় ই এটা সত্বাৰ নাম আৰু সেইবাবেই তাৰ প্ৰতি আমাৰ এৰাব নোৱৰা আকৰ্ষণ। আকৰ্ষণৰ কেন্দ্ৰবিন্দু আকৌ এজন মানুহ, তেওঁৰ নাম কাণু স্যানাল। কিন্তু, দুৰ্ভাগ্যজনক কথাটো আছিল, মাত্ৰ সাতদিনৰ আগেয়ে এই লোকজনে এই পৃথিৱীৰ পৰা বিদায় মাগিছিল। অঞ্চলটোৰ শৌৰ্যৰ প্ৰতীক এই কমৰেডৰ মৃত্যুও আছিল এক অপঘাত। তেওঁৰ একান্ত অনুৰাগীৰ বাবে সেয়া আছিল ইচ্ছামৃত্যু। আনহাতে সময়ৰ প্ৰত্যাহ্বানৰ ওচৰত শিৰণত কৰি তেওঁৰে সতীৰ্থ বাওঁপন্থী নেতা আজিজুল হকে সংবাদ মাধ্যমক কৈছিল— 'আমিয়েই কানু স্যানালক মাৰি পেলালো। এই মৃত্যুৰ বাবে দায়ী আমি।'

কিনকিনিয়া বৰষুণে অপচয় কৰা গধূলিতো শিলিগুৰিৰ হোটেলতে কটাই পিছদিনা পুৱাই আমি ওলালো নক্সালবাৰীলৈ বুলি। আমাক নিবলৈ আহিল এগৰাকী প্ৰায় আদহীয়া মানুহ। প্ৰাণনাথ চক্ৰৱৰ্তী। কলকাতাৰ এজন পুৰণি বন্ধুৰ যোগসূত্ৰৰে আমি নক্সালবাৰী যাত্ৰাৰ সঙ্গী কৰিলো প্ৰাণনাথ দাক। হোটেলৰ লবীত হোৱা প্ৰথম চিনাকীতে গম পালো প্ৰাণনাথ চক্ৰৱৰ্তীও পুৰণি কাঢ়া কমিউনিষ্ট, যেন কোনো এটা সময়ক ধৰি ৰাখিব বিচৰা এজন প্ৰতীকী মানুহ।

শিলিগুৰিৰ পৰা নক্সালবাৰীলৈ দূৰত্ব ২৫ কিলোমিটাৰ। বাছেৰে প্ৰায় এঘণ্টা গৈ আমি নামিলোগৈ সেই চ'কটোত, যাৰ নামেই নক্সালবাৰী। পথৰ দুয়োকাষে কিছু সংখ্যক পুৰণি দোকান, নগৰ মহানগৰীৰ ব্যস্ততাই চুবগৈ নোৱৰা এটুকুৰা উদাস ঠাই। বাছৰ পৰা নমাৰ পাছতে প্ৰাণনাথ দাৰ পিছে পিছে আমি আগবাঢ়ি গ'লো এখন চাহ দোকানৰ ফালে। দুই এজনে আগবাঢ়ি আহি তেওঁক মাত দিলে, খবৰ বাতৰি ল'লে। আমাক চিনাকী কৰাই দিয়াত ক'লো— আমি পাৰ্টীৰ মানুহ নহয়, সাংবাদিকহে। এনেয়ে চাহ দোকানীজনৰ এজন গ্ৰাহকৰ লগত উচ্চ বাচ্য শুনিবলৈ পোৱা গ'ল। গ্ৰাহক সত্তৰোৰ্দ্ধ পকা চুলিয়া লোক, কাজিয়াৰ কাৰণ— তিনিজনে খোৱা চাহ চিঙৰাৰ বিপৰীতে অধিক পইচা লোৱাৰ অভিযোগ। প্ৰাণনাথ দা আৰু আমি লগ পোৱা আন দুই তিনিজন লোক উঠি গৈ হস্তক্ষেপ কৰাতহে কাজিয়া ভাগিল, পৰিস্থিতি শান্ত হ'ল। প্ৰাণনাথ দাই এইবাৰ আমাক উৎসাহেৰে সুধিলে— এতিয়া কলৈ যাব কওক। আমি ক'লো— কানু স্যানালৰ ঘৰলৈ। আমাৰ প্ৰস্তাৱ শুনি তেওঁ উচপ্ খাই উঠিল। তেওঁ ক'লে— কিন্তু তেওঁতো নাই, যোৱা ১০ তাৰিখে তেওঁ

ঢুকাল। তাতে আপুনি এতিয়া আৰু কাকো লগ নাপায়। তথাপিও, আমি ক'লো— তেওঁৰ ঘৰটো, পৰিৱেশটোকে চাই যাও...। তেনেতে প্ৰাণনাথ দাৰ নিৰ্দেশ মৰ্মে এখন ভঙা চিগা ৰিক্সা আহি আমাৰ কাষত ৰ'ল।

ধুনীয়াকৈ গোবৰ মাটিৰে মচি থোৱা এটা মাটিৰ ঘৰ। সন্মুখত এখন সৰু চোতাল, বাৰাণ্ডাত পাৰি থোৱা আছে এখন বেঞ্চ। ঘৰে-চোতালে এক নিমাওমাও পৰিৱেশ। প্ৰাণনাথ দা গাঁৱৰ আন এজনৰ সৈতে বাৰাণ্ডাৰ বেঞ্চখনতে বহিল। কেমেৰাটো বেগৰ পৰা উলিয়াই আমি ঘৰটোৰ ভিতৰ সোমালো। দেখিলো— ফটো তুলিবলৈ আচলতে একোৱেই নাই। এটা সৰু কোঠাৰ ভিতৰত এখন কাঠৰ খাট, এখন সৰু কিতাপৰ ৰেগ আৰু মজিয়াৰ মধ্যস্থানৰ সময়ৰ বুকুত হেৰাই যোৱা এজন লৌহ কঠিন মানুহৰ আবক্ষ ফটোৰ সন্মুখত জ্বলি আছে এগছি মাটিৰ চাকি। লক্ষ্য কৰিলো— দুপৰীয়াৰ ৰ'দ ঢাকি পুনৰ গোমা হৈ আহিছে বতৰ। আৰু সেই বাবেই কোঠাৰ ভিতৰৰ আন্ধাৰ ফালি বহু কষ্টেৰেও মাটিৰ চাকি গছিয়ে পোহৰাই তুলিব পৰা নাই ডাঙৰকৈ বন্ধাই অনা ক'লা বগা ফটোখন, যি ফটোৱে ধৰি ৰাখিব বিচাৰিছে বহুতৰ বাবে পাঁচটা দশকৰ যুগনায়ক অথচ কালান্তৰত সময়ৰ ওচৰতে ধৰাশায়ী এজন হাৰি যোৱা সৈনিকক।

সিদিনা মানিক সৰকাৰো হাৰিল। আপাততঃ হৰা জিকাৰ নিৰ্বাচনী খবৰবোৰে অনা নিয়ম মাফিক কথাবোৰৰ ই আছিল ব্যতিক্ৰম। ত্ৰিপুৰাত মানিক সৰকাৰ হাৰিল মানে কৰবাত অঘটন ঘটিছে। ই যেন বাওপন্থাৰ মজিয়াত ঘটি থকা ভুলবোৰক প্ৰতিনিধিত্ব কৰি হঠাৎ বিয়পি পৰা এটা অৱধাৰিত খবৰ। নক্সালবাৰী ঘূৰি উভতি অহাৰ কেইমাহমানৰ পাছতে আমি লগ পাইছিলো ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সৰকাৰক। ২০১০ চনৰ ডিচেম্বৰ মাহৰ এটা গধূলি, মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত দীঘলীয়া বাৰ্তালাপ। এগৰাকী পৰিশীলিত ভদ্ৰলোকৰ সৈতে কথা পতাৰ এক বিশেষ মাদকতা আছে। তেওঁৰ কথাত ত্ৰিপুৰাৰ জনগোষ্ঠীয়, অ-জনগোষ্ঠীয়সকলৰ সহৱস্থানৰ সংগ্ৰাম, পৰিচয় সংকটে অব্যাহত ৰখা অনিশ্চয়তাৰ কথা আৰু তাৰ বৰ্তমানতে সমতা প্ৰতিষ্ঠাৰ বাৰ্তা। স্বাভাৱিকতে তেওঁৰ কথাত আছে গাম্ভীৰ্য, দুচকুত প্ৰত্যয়ভৰা চাৱনি। আমি কথাবোৰ শুনি গ'লো, লিখি গ'লো... প্ৰকাশিত হ'ল দীঘলীয়া সাক্ষাৎকাৰ।

মূলতঃ ডেৰটা দশকত যি আৱহাৱাৰ মাজেৰে আগবাঢ়িছে দেশৰ সমাজ, তাত আত্মহননৰ পথ লৈছে কানু স্যানালৰ দৰে নক্সালবাৰীৰ নায়ক, সংখ্যালঘুত পৰিণত হৈছে দেশৰ সীমান্তৰ কোণত ৰৈ ৰঙা পতাকা উৰুওৱা মানিক সৰকাৰ। স্বাভাৱিকতে প্ৰশ্ন উঠে আচলতে হৈছে কি? কিয় শিপা হেৰুৱাব লাগিছে উপান্ত আৰু সৰ্বহাৰাৰ কথা কোৱাসকল! কেৱল নিৰ্বাচনী ৰাজনীতি বা ফলাফলেৰেই নহয়, এনেও যেন কৰবাত পাহৰণিৰ গৰ্ভত লীন হৈ যাব লাগিছে সেইসকল লোক যাৰ কথাই কামে এদিন শিহৰিত হৈ উঠিছিল মানুহক ভাল পোৱা পৰিবৰ্তনকামী মানুহ। সেয়ে এতিয়া সকলোৰে যুকিয়াই চাবৰ মন গৈছে ভুলবোৰ কোনে ক'ত কৰিছে, ক'ৰ পৰা আৰম্ভ হৈছে বিশ্বাসহীনতাৰ যাত্ৰা...

এতিয়া এনে কিছুমান মানুহ ওলাইছে যি নিজেই ব্যক্তিত্ব তথা সমাজ-সাংস্কৃতিক দিশৰ সুশীল পৰিচয়েৰে মানুহ হিচাপে থিয় হোৱাৰ বাবেই অনুপযুক্ত, অথচ তেওঁলোকেই সমাজ আৰু জাতি গঠনৰ কথা কৈছে। তেওঁলোকে গঠন কৰিব বিচৰা সমাজ আৰু জাতিবোৰৰ বাৰু কোনবোৰ মানুহ সুৰক্ষিত। কেৱল ৰাজনৈতিক ভৱিষ্যতৰ সুৰক্ষাই কাৰোবাৰ জাতি হিচাপে থিয় দিয়াৰ কাৰণ হ'ব পাৰেনে? অনুভৱ হয়— এনে প্ৰেক্ষাপটৰ বাবেই আজি অস্পষ্ট আমাৰ জাতীয়তাবাদ, বিভ্ৰান্ত জাতি সমাজ। শ্ৰেণী শোষণ-তোষণৰ ঊৰ্ধ্বলৈ গৈ সমাজ, জাতি আৰু জাতীয়তাবাদ আমি কেতিয়াবা গঢ়িব পাৰিম নে নোৱাৰিম তাৰ পৰীক্ষা নিৰীক্ষাও যেন আমি আৰম্ভ কৰিবই পৰা নাই। সমাজ কিম্বা জাতি হিচাপে কৰবাত সংঘবদ্ধ হোৱাৰ তাড়না অনুভৱ কৰিলেও মানুহ বিভাজিত হৈ আছে স্থুল ব্যক্তিগত চেতনাৰে। এইখিনিতে হয়তো কাম দিছে বিকাশৰ ৰাজনৈতিক শ্ল'গানে। আৰু লগে লগে শিপাৰ পৰা বিচ্ছিন্ন হৈছে বাওপন্থা, বিফলতাৰ আন্ধাৰত কৰুৱকাইছে সৰ্বহাৰাৰ সপোন দিঠক কৰাৰ ৰাজনৈতিক চেতনা।

ঘূৰি চাব বিচাৰিছো— কি ঘটিছিল ষাঠি কিম্বা সত্তৰৰ দশকত। কি হেৰুওৱাৰ ভয়ত, কি আশাত একত্ৰিত হৈছিল আমাৰ দেশৰ উপান্ত সমাজ। আপাততঃ আজিৰ নক্সালবাৰীত একো নাই। আপোনাৰ মোৰ দৰে খাটি খোৱা মানুহৰ সংগ্ৰাম জৰ্জৰ জীৱনে হয়তো হেঁচা মাৰি থৈছে বিদ্ৰোহৰ স্ফুলিঙ্গকো। আৰ্কাইভৰ সামগ্ৰীত পৰিণত হৈছে কমৰেড কানু স্যানালৰ পঁজাঘৰ আনকি সৰ্বহাৰাৰ বিপ্লৱৰ প্ৰস্তাৱ। অথচ একেই আছে শোষণ-তোষণ, জাতি ভেদ, উচ্চ-নীচ, ধনী দুখীয়াৰ বৰ্দ্ধিত ব্যৱধান। সকলো একেই আছে, কেৱল সলনি হৈছে স্বৰূপৰ। মহাজনৰ ঠাইত আহিছে কোম্পানী। কোম্পানীৰ আঙুলিৰ ঠাৰত সলনি হৈছে জীৱনৰ ব্যকৰণ। কিবা অৰ্থহীন নতুনৰ আৱহাৱাই হয়তো বিধ্বস্ত কৰিছে বহু কমিউনিষ্টৰো চেতনা। উফৰি গৈছে তত্ত্বৰ প্ৰাচীৰ। আৰু সেইবাবেই হয়তো আত্মহননৰ পথ ললে নক্সালবাৰীৰ নায়ক অশীতিপৰ পুৰুষ কানু স্যানালে। তেওঁ যেন শেষজন কমিউনিষ্ট যি ৰৈ আছিল কিবা এটা চাই যোৱাৰ তাড়নাতহে। আৰু অৱলীলাক্ৰমে পৰাজয়ৰ গ্লানি বুকুত লৈ বিদায় ল'লে— 'দ্য লাষ্ট কমিউনিষ্টে!...'

নয়নজ্যোতি ভূঞা



সভাপতিৰ কলম

# পৰিৱৰ্তনৰ আশাৰে আগবাঢ়ো আহক

**মা**নৱতাহীন, আদৰ্শহীন এখন সমাজৰ আমি অংগ। ভয়াৱহভাৱে আঘাত কৰা হৈছে গণতান্ত্ৰিক প্ৰমুল্যবোধক। সকলোৰে মুখে মুখে পৰিৱৰ্তনৰ শ্ল'গান। গণতন্ত্ৰৰ মন্দিৰৰ কোটিপতি অফৰাধীৰ দপদপনি। দেশৰ স্বাৰ্থক জলাঞ্জলি দি ব্যক্তি তথা দলীয় ৰাজনৈতিক নাটকৰ মঞ্চত পৰিণত হৈছে গণতন্ত্ৰৰ মন্দিৰ আনকি জাতি, মাতি, ভেটিৰ সংজ্ঞা সলনি কৰিবলৈও আগবাঢ়ি আহিল এচাম গণতন্ত্ৰৰ পুৰোহিত।

ৰাজনৈতিক দল, চৰকাৰী, অৰাজনৈতিক সংগঠন সকলোৰে গৰিবী হতাওৰ শ্ল'গান আওৰাই থাকিল। গৰিবী হতাওৰ শ্ল'গান শ্ল'গান হৈয়ে থাকিল। কাৰণ এই শ্ল'গান গৰীবৰ স্বাৰ্থত নহয়, সেইসকলৰ উন্নয়নৰ স্বাৰ্থতহে। গণতন্ত্ৰৰ পুৰোহিতসকলৰ প্ৰত্যক্ষ উদ্যোগত কাৰ্যপালিকা আৰু বহুতৰ সহযোগত দুৰ্নীতিয়ে চৰম সীমা অতিক্ৰম কৰিলে। কিন্তু এইবোৰ চিন্তা কৰিবলৈ আমাৰ সাহস নাই কাৰণ আমিও কিবা প্ৰকাৰে এইবোৰত সোমাই পৰিছো। মধ্যযুগীয় ধৰ্মীয় ৰাজনীতি এতিয়াও আমাৰ ৰাজনীতিৰ মূল বিষয় হৈ থাকিল। ধৰ্মক আমি মানৱৰ সৰ্বাংগীন উন্নয়নৰ দিশে আগবঢ়াই নিব নোৱাৰিলো। এনে কিয় হ'ল? যদি আমি আগলৈ ঘূৰি চাওঁ তেন্তে দেখা যায় যে ঐতিহাসিকভাৱে আমাৰ সমাজ ব্যৱস্থা আছিল এক আদৰ্শ সমাজ কিন্তু পৰিকল্পিতভাৱে ইয়াক ধ্বংস কৰিবলৈ অহৰহ চেষ্টা চলোৱা হৈছে যদিওবা এচাম সমাজ সচেতন ব্যক্তি, সংগঠনৰ বাবে ইয়াক ভাঙি দিবলৈ সক্ষম হোৱা নাই।

এনে এক জটিল আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পাকচক্ৰত আমি আমাৰ উন্নয়ন স্থবিৰ হৈ যাব দিম নেকি? আমাৰ নিজস্বতা হেৰাই যাবলৈ দিব নোৱাৰো। এনে প্ৰেক্ষাপটত আমি সকলোৰে সত্যনিষ্ঠা আৰু ত্যাগৰ মনোভাবেৰে আগবাঢ়িব লাগিব। ইয়াৰ বাবে আমাক, লাগিব প্ৰৱল ইচ্ছা আৰু মানসিক শক্তি আহক আমি সকলোৰে হাতে হাত ধৰি এখন শান্তিপূৰ্ণ, সমতাপূৰ্ণ, সমৃদ্ধিশালী আৰু শোষণমুক্ত সমাজ গঢ়াৰ সংকল্প লওঁ।

**কমলেশ্বৰ ভূঞা**
সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ



# অশুভ সময়, বিশুদ্ধ মানুহ, বিভ্ৰান্ত সমাজ ইত্যাদি...

ৰহস্যঘন অতীত, উত্থান-পতন, জয়-পৰাজয়, সৃষ্টি-ধ্বংস, হৰ্ষ-বিষাদ ইত্যাদিৰ মেটমৰা ইতিহাসেৰে সমৃদ্ধ সময় আগবাঢ়ি আছে বোৱতী নদীৰ দৰে। প্ৰকৃতিৰ নীতি, পৰিক্ৰমাৰ এধানিও হীন দেৰি নোহোৱাকৈ আগবাঢ়ি আছে সময়, একেই তৰংগ, একেই কম্পনাংক, সুষম বিচ্যুতি..... প্ৰতি একক সময়ৰ গতিত। এনে গতিৰ প্ৰতি এককত মানুহে ৰছি গৈছে কিম্বা প্ৰত্যক্ষ কৰিছে উত্থান-পতন, জয়-পৰাজয়, সৃষ্টি-ধ্বংস, হৰ্ষ-বিষাদৰ অজস্ৰ ঘটনা-পৰিঘটনা, যুগে যুগে, প্ৰান্তে প্ৰান্তে। সময়ৰ এনে গতিৰ প্ৰতি একক যিদৰে কাৰোবাৰ বাবে শুভ সময়, কাৰোবাৰ বাবে অশুভ সময় হিচাপে চিহ্নিত হৈ আহিছে। ঠিক একেদৰে, সামূহিক ক্ষেত্ৰতো অৰ্থ্যৎ একোখন সমাজৰ বাবেও সময় শুভ বা অশুভ হিচাপে পৰিগণিত হৈ আহিছে। এনে শুভ বা অশুভ হিচাপে চিহ্নিত সময়কো মানুহে বা সমাজে মাত্ৰা প্ৰদান কৰি বিভাজিত কৰে অৰ্থাৎ অতি শুভ, অতি অশুভ ইত্যাদি ধৰণে চিহ্নিত কৰে। এনেদৰেই আগবাঢ়িছে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সময়ৰ গতি, মানুহৰ বিবৰ্তন, সমাজ পৰিক্ৰমা ....।

৮

জীৱনৰ প্ৰত্যাহ্বান নেওচি আগুৱাই থকা মানুহে নিত্য নতুন অভিজ্ঞতা আহৰণেৰে বিষয় ভিত্তিক মানসিক ধাৰণা, জ্ঞান গঢ়ি তোলে। তেনে ব্যক্তিগত ধাৰনা, জ্ঞানে ব্যক্তিৰ বাহ্যিক জগতখনৰ ঘটনা-পৰিঘটনা সম্পৰ্কে বিশ্লেষণাত্মক দৃষ্টিভংগী বা অভিমত প্ৰদান কৰা কাৰ্য্যক প্ৰভাৱান্বিত কৰে। আৰু সেয়াই হয়তো এটা প্ৰজন্মৰ বিষয় ভিত্তক দৃষ্টিভংগী, অভিমত আৰু আনটো প্ৰজন্মৰ বিষয়ভিত্তিক দৃষ্টিভংগী, অভিমতৰ মাজত থকা স্বাভাৱিক পাৰ্থক্যৰ এটা কাৰণ। তেনে পাৰ্থক্যৰ বাবেই হয়তো বহু ক্ষেত্ৰত অতীতৰ সময়ক সামগ্ৰীক ভাৱে শুভ সময় আৰু সাম্প্ৰতিক সময়ক জটিল সময় তথা ভৱিষ্যতৰ সময়ক লৈ উদ্বিগ্নতা সদায়ে দেখা যায়। সামাজিক জীৱনৰ বিভিন্ন মূহুৰ্ত্তত এনে চৰ্চা, মত-অভিমত প্ৰায়েই দেখা যায়। আজিৰ "জটিল সময়" আকৌ ভৱিষ্যতে "শুভ সময়" আছিল বুলি চিহ্নিত হয় আৰু ভৱিষ্যতৰ সমসাময়িক সময় 'জটিল সময়' হিচাপে বিবেচিত হয়,..... এনেদৰেই আগবাঢ়ি আছে সময় সম্পৰ্কে সামগ্ৰীক ধাৰনা। কিন্তু সচাকৈ কোনো 'সময়' শুভ বা অশুভ হয়নে?

আচলতে সময়ৰ তৰংগ একেদৰেই আগবাঢ়ি আছে, কোনো ক্ৰুটি-বিচ্যুতি নাই। প্ৰকৃতি তন্ত্ৰত স্বাধীনভাৱে আগবঢ়া এটি অতি জটিল বিষয় হ'ল 'সময়'। সময় একেই আছে, একো সলনি হোৱা নাই। মুহুৰ্ত্তৰ বাবে 'সময়'ৰ জটিল জালিকাৰ পৰিবৰ্তনে ব্ৰহ্মাণ্ডত তছনছ কৰিহে দিব পাৰে। তথাপি সৰ্বসাধাৰণ মানুহে সময়ক লৈয়ে তুলনা কৰি হৰ্ষ-বিষাদ, উদ্বিগ্নতা, ভিন্ন অভিমত প্ৰকাশ কৰে, অতীততো, আজিও ..।

সময় সম্পৰ্কে মানুহৰ এনে অনুভৱ; অভিব্যক্তি, ধাৰণাৰ বহু কাৰণ আছে। এনে কাৰণ বা কাৰক সম্পৰ্কে আলোচনা, ব্যাখ্যা বা বিতৰ্কও বহু পুৰণি। বিভিন্ন মণিষীয়ে বিভিন্ন ধৰণে ব্যাখ্যা আগবঢ়াইছে। এনে আলোচনা সমূহ বিশ্লেষণ কৰিলে দেখা যায় যে মানুহে সময়ক সাধৰণতে দুইধৰণে তুলনা কৰে, ব্যক্তিগত পৰ্য্যায়ত আৰু সামূহিক পৰ্য্যায়ত। মানুহে ব্যক্তিগত পৰ্য্যায়ত শুভ-অশুভ যিদৰে নিৰূপণ কৰে, সামূহিক ক্ষেত্ৰতো শুভ-অশুভ সময় নিৰূপন কৰে। কিন্তু, ব্যক্তিক লৈয়ে যিহেতু সমাজ গঢ় লয়, গতিকে ব্যক্তি আৰু সমাজৰ অৱস্থিতি বা সম্পৰ্কত সময়ো এটি তুলনাত্মক বিষয় হিচাপে বিবেচিত হৈ আহিছে।

ব্যক্তিৰ মানসিকতাই সমাজক প্ৰভাৱান্বিত কৰে বা সামাজিক ধ্যান ধাৰণা সৃষ্টিত অৰিহনা যোগায়। এনে মানসিকতা সৃষ্টি বা পৰিবৰ্তন প্ৰক্ৰিয়াতো সময়ৰ গতি বা তৰংগ একেই থাকে। সলনি হয় ব্যক্তিৰ বা সমাজৰ চিন্তা, আচৰণ, আশা, আকাংক্ষা ইত্যাদি। এনে চিন্তা, আচৰণ, আশা, আকাংক্ষাৰ পৰিবৰ্তনত বিভিন্ন কাৰণ বা কাৰক থাকে, তাৰ ভিতৰত এটি প্ৰধান কাৰক হ'ল অৰ্থনীতি বা অৰ্থনৈতিক অৱস্থিতিৰ পৰিবৰ্তন নাইবা ভিন্নতা।

এনে কাৰক বা প্ৰভাৱ যেনেকৈ ব্যক্তিগত পৰ্য্যায়ত হয়, তেনেকৈ একোখন দেশৰ ক্ষেত্ৰতো অনুভৱ হয়। এনে ধৰনৰ বৃহৎ পৰিবৰ্তনে এটা প্ৰজন্মৰ ধ্যান ধাৰণা আৰু আন এটা প্ৰজন্মৰ ধ্যান-ধাৰণাৰ ব্যৱধানো বৃদ্ধি কৰে, চিন্তা, আশা, আকাংক্ষাৰ ক্ষেত্ৰতো অসমতা বৃদ্ধি কৰে আৰু তেনে অসমতাই ব্যক্তিগত বা সামাজিক ক্ষেত্ৰত বিভ্ৰান্তি আনি, সাময়িক ভাবে হলেও, বিভ্ৰান্ত সমাজ গঢ় দিয়ে। পৰাম্পৰাগত নীতি নিয়ম ছিন্ন-ভিন্ন হোৱাৰ উপক্ৰম হয়। একাংশৰ বাবে যিটো ভাল বা শুভ, আন একাংশৰ বাবে সেয়া বেয়া বা অশুভ হিচাপে পৰিগণিত হয়। গৰিষ্ঠ সংখ্যক ব্যক্তিয়ে সময়ৰ তৰংগত সেই সময়ত যিটো স্থিতিত থাকে, সমাজ খনৰো সামূহিক স্থিতি তেনেধৰণেই প্ৰতিফলিত হয়। বিভ্ৰান্ত সমাজত ব্যক্তিৰ স্থিতিৰ অধিক প্ৰাধন্যতা দেখা যায় আৰু সমাজখনক সঠিক দিশত আগুৱাই নিয়াত সক্ৰিয় ভূমিকাৰ প্ৰয়োজনীয়তা আহি পৰে। কিন্তু আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান হ'ল, বিভ্ৰান্ত সমাজ ব্যৱস্থাত 'বিশুদ্ধ ব্যক্তি'ৰ অৱস্থিতিক লৈ সমাজৰ গৰিষ্ঠ সংখ্যকে সন্দেহ প্ৰকাশ কৰে বা কোনো পধ্যে মানি নলয়। ব্যক্তিৰ বিশুদ্ধতাক লৈ প্ৰশ্ন কৰে বা পাৰিলে বিশুদ্ধতাক কালিমা সানি ধ্বংস কৰাৰ ষড়যন্ত্ৰ ৰচে। 'ভাল মানুহ নোহোৱাই হ'ল', 'তেনে ব্যক্তি এতিয়া নাই', 'তেনে মানুহ থাকিব পাৰেনে' .... ইত্যাদি, ইত্যাদি বিভ্ৰান্ত সমাজৰ সাধাৰণ চৰ্চাত প্ৰায়েই দেখা যায়। আৰু 'অশুভ ব্যক্তি'ৰ কৰ্ম কাণ্ডকে সমাজে মানিব লগীয়া বা অনুসৰণ কৰিবলগীয়া পন্থা হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰবনতা জাগ্ৰত হয়। ..... সময় কিন্তু একে দৰেই আগবাঢ়ি থাকে। ......

এনেদৰেই সময়ৰ অব্যহত গতিত ব্যক্তি সলনি হয়, সমাজ সলনি হয়। ৰাসায়নিক বিক্ৰিয়াৰ বিভিন্ন উপদানে বিক্ৰিয়াত প্ৰভাৱান্বিত কৰি যিদৰে ফলাফল প্ৰভাৱান্বিত কৰে, সামাজিক ক্ষেত্ৰতো অদৃশ্যমান প্ৰক্ৰিয়াত বিভিন্ন কাৰকে প্ৰভাৱান্বিত কৰি ভৱিষ্যত সমাজখনৰ অৱস্থিতিক প্ৰভাৱান্বিত কৰে। এনে প্ৰক্ৰিয়াত সদায়ে 'বিশুদ্ধ ব্যক্তি' য়ে সুস্থিৰ কৰি আগবঢ়ায় নিয়ে সমাজক, 'অশুভ ব্যক্তি'ৰ সাময়িক উত্থান প্ৰতিহত কৰি সুস্থিৰ সমাজ গঢ় দিয়ে। যিহেতু 'অশুদ্ধতাৰ' উত্থানতে 'বিশুদ্ধতাৰ' প্ৰয়োজনীয়তা আহি পৰে, বিশুদ্ধ ব্যক্তিৰ জীৱনলৈ 'অশুদ্ধতা'ই অনা সকলো বাধা আহি পৰে শুদ্ধতা প্ৰতিষ্ঠা প্ৰক্ৰিয়াত। বিশ্বৰ সকলো মনিষীৰ জীৱনলৈ চালেই স্পষ্টভাৱে দেখা যায় এনে প্ৰত্যাহ্বান, বাধা বা অশুভ শক্তিৰ বৰ্বৰতা।

গতিকে, সামাজেই জন্ম দিয়ে 'বিশুদ্ধ ব্যক্তি', সুস্থিৰ সমাজৰ, য'ত প্ৰচলিত ধাৰনাৰ দৰে সময় সকলোৰে বাবে শুভ হ'ব পাৰে। যিহেতু ব্যক্তিক লৈয়ে সমাজ, গতিকে 'শুভ সময়'ৰ আকাংক্ষাৰে প্ৰতিজন ব্যক্তিয়ে আগবাঢ়ি আহিব লাগিব। 'ব্যক্তিৰ বিশুদ্ধতা'ৰ মাপকাঠীক লৈও বিভিন্ন বিতৰ্ক আছে যদিও তেনে বিতৰ্ক, আলোচনা বিশ্লেষণ কৰিলে দেখা যায়, বাহ্যিক বা সামাজিক ক্ষেত্ৰত ন্যায়নিষ্ঠ, 'নিস্বাৰ্থ' মনোভাৱ আৰু কাৰ্য্য, নিজৰ ক্ষেত্ৰত স্থিতি বা আচৰণৰ শুদ্ধতাৰ মাত্ৰাই 'ব্যক্তিৰ বিশুদ্ধতা' সামগ্ৰিক ভাবে নিৰূপনৰ এক প্ৰধান মাপকাঠি। ঠিক একেদৰে, সামাজিক ক্ষেত্ৰত 'ন্যায়' এক প্ৰধান বিষয়। ন্যায় সন্মত চিন্তা-চৰ্চা, কাৰ্য্যই সমাজৰ 'শুদ্ধতা'নিৰূপন কৰিব পাৰে। তেনেধৰণৰ ন্যায়নিষ্ঠ, নিঃস্বাৰ্থ তথা সুস্থিতি সম্পন্ন ব্যক্তি য'ত থাকিব, তাত সামাজিক ক্ষেত্ৰত 'ন্যায়' প্ৰতিষ্ঠা হ'ব পাৰে। সমাজত এনে ব্যক্তি, চিন্তা-চৰ্চাৰ পৰিবেশ, অৱস্থিতিয়ে একোখন সমাজৰ সুস্থিৰতা, সুবিকাশ আদি প্ৰভাৱান্বিত কৰে।

শুভ সময় হিচাপে চিহ্নিত হ'বলৈ কেৱল নীতি নাইবা ভৌতিক পৰিবৰ্তনেই মাপকাঠি নহয়। ব্যক্তি তথা সমাজৰ মানসিকতা, চিন্তা-চৰ্চা, কাৰ্য্য, আচৰণ আদিৰো পৰিবৰ্তন অতি প্ৰয়োজনীয় বিষয়। ওপৰত আলোচনা কৰা ধৰণে 'বিশুদ্ধ ব্যক্তি'ৰ অৱস্থিতিয়ে তেনে মানসিকতা, চিন্তা-চৰ্চা, আচৰণ, আদি কাৰ্য্য সমাজত ত্বৰান্বিত কৰিব পাৰে আৰু তেনে ব্যক্তিৰ অভাৱে সমাজত ওলোটা প্ৰভাৱ বিস্তাৰ কৰে।

গতিকে, শুভ সময়, অশুভ সময় ইত্যাদি বিশ্লেষণ কৰাতকৈ, ব্যক্তিগত পৰ্য্যায়ত ন্যায় নিষ্ঠতা, নিস্বাৰ্থ মনোভাৱ, কাৰ্য্য আৰু সদ আচৰণৰ বিকাশ, সামাজিক পৰ্য্যায়ত 'ন্যায় প্ৰতিষ্ঠা'ৰ লক্ষ্যৰে ব্যক্তি আগবাঢ়ি গলেহে সমাজ বেছি লাভৱান আৰু সুস্থিৰ হ'ব বুলি আমাৰ ধাৰণা হয়। পৰিবৰ্তিত পৰিস্থিতি, নীতিত এনে লক্ষ্য দিনে দিনে গুৰুত্বহীন হৈ পৰা যেন অনুভৱ হৈছে, যিয়ে সামাজিক বিভ্ৰান্তি অধিক গাঢ় কৰা পৰিলক্ষিত হৈছে।

আগতেই আলোচনা কৰাৰ দৰে, অভিজ্ঞতাৰ ভিত্তিত প্ৰতিজন মানুহৰ চিন্তা-চৰ্চা সলনি হৈ থাকে। চিন্তা-চৰ্চাৰ সলনিয়ে দৃষ্টিভঙ্গী, আচৰণ, ধাৰণাৰ পৰিবৰ্তন কৰে। আনহাতে, সময় প্ৰকৃতিৰ নিয়মানুযায়ী একে তৰংগেৰে আগবাঢ়ি থাকে। কেতিয়াও কালৈকো থমকি নৰয়, ঠিক বোৱতী নদীৰ দৰে। গ্ৰীক দাৰ্শনিক হেৰিক্লিটাছে (খৃঃপূঃ ৫৪৪) এনে অনুভৱকে এষাৰি বিখ্যাত উক্তিৰে এনেদৰে প্ৰকাশ কৰিছে ঃ "No man ever steps in the same river twice, for it's not the same river and he's not the same man."

গতিকে, সময়ক ধিয়াই আগবাঢ়ি থকাতকৈ, আমি নিজেই 'শুভ সময়' গঢ়াৰ লক্ষ্যৰে আগবাঢ়ো আহক। "প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ" গঢ়াৰ লক্ষ্যৰে সেৱা আগবঢ়াই থকা গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজ, চিন্তা-চৰ্চাত আগন্তুক দিনত এনেধৰণৰ প্ৰাসঙ্গিক চিন্তা, আলোচনা, কাৰ্য্যকৰী পদক্ষেপ প্ৰতিফলিত হ'ব বুলি গভীৰ আগ্ৰহেৰে আশা কৰিলো।

✍ পৃথ্বিভূষণ ডেকা
সঞ্চালক, গ্ৰাম্য বিকাশ মঞ্চ



## গ্ৰাম্য বিকাশ মঞ্চৰ

## সম্পাদকৰ কলম

# মুণ্ডাবস্তি, গুৱাবাৰী আৰু বিমলা নগৰৰ কথা...

সমাজখনত উচ্চ নিচৰ মাজত থকা ব্যৱধান ক্ৰমাগত ভাবে বৃদ্ধি পাইছে। সামাজিক জীৱন-যাপনৰ ক্ষেত্ৰত প্ৰতিদিনে মানুহৰ অৰ্থৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। আনহাতে, উন্নয়নমূখী সকলো কামতে ৰাজনৈতিক ক্ষমতালোভীৰ সক্ৰিয়তা ভালেখিনি বৃদ্ধি পাইছে আৰু সিহঁতে মানুহৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিবলৈ লৈছে। যিসকল লোকে প্ৰাকৃতিক সম্পদৰ জৰিয়তে জীৱন-নিৰ্বাহ কৰি আহিছে তেওঁলোকে ক্ৰমাগতভাৱে আৰ্থিক কষ্টৰ মুখা-মুখি হ'ব লগাত পৰিছে। এক জটিল প্ৰত্যাহ্বানৰ মাজেৰে জীয়াই আছে আমাৰ দুখীয়া সমাজ। ৰাজনৈতিক প্ৰভাৱ কিম্বা আওপকীয়া সমাজ ব্যৱস্থাৰ মাজত ককবকাইছে তেওঁলোক। আমাৰ সমাজত যিহেতু কৃষিজীৱিৰ সংখ্যা অধিক গতিকে কৃষক শ্ৰেণীৰ মাজত ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। কৃষকৰ অধিকাৰ তথা কৃষকৰ প্ৰাপ্য আহৰণৰ ক্ষেত্ৰত ৰজাঘৰৰ সদিচ্ছাৰ অভাৱ ঘটিছে। কৃষিজীৱি লোকৰ আঁচনি সমূহ প্ৰকৃত কৃষকৰ মাজলৈ নিয়াৰ ক্ষেত্ৰত বিভাগ সমূহ ব্যৰ্থ হোৱা দেখা গৈছে। ফলত কৃষক সকল কৃষিভূমি এৰি চহৰমুখী হৈছে আৰু প্ৰতিদিনে প্ৰব্ৰজনৰ মাত্ৰা বৃদ্ধি পাইছে। আনহাতে, নতুন প্ৰজন্মও কৃষি কৰ্মৰ পৰা বিচলিত হৈছে। চৰকাৰৰ অলেখ আঁচনিয়ে ঢুকি নোপোৱা কৃষক সমাজত হয়তো তেওঁলোকৰ অক্ষতা তথা সচেতনতাৰ অভাৱ ঘটিছে। এই আটাইবোৰ প্ৰত্যাহ্বানক নেওচি আমি আমাৰ সীমিত সম্পদ তথা জ্ঞানেৰে কিছু সংখ্যক কৃষকক সংগঠিত কৰি তেওঁলোকৰ মৰ্যদা সহকাৰে জীয়াই থকাৰ এক প্ৰয়াস অব্যহত ৰাখিছো।

মুণ্ডাবস্তি, গুৱাবাৰী, বিমলা নগৰ, বগুৰীখুতি ইত্যাদি এনে বহু দুৰ্গম অঞ্চলত গ্ৰাম্য বিকাশ মঞ্চই লৈছে কিছু উন্নয়ন পদক্ষেপ। উগ্ৰবাদত জৰ্জৰিত তথা ভাতৃঘাটি সংঘাতৰ মাজত ককবকাই থকা আদিবাসী, নেপালী, বঙালী, বড়ো, কলিতা সম্প্ৰদায়ৰ লোক সকলক কৃষিৰ জৰিয়তে সংগৱদ্ধ কৰাৰ প্ৰচেষ্টা হাতত তুলি লৈছে গ্ৰাম্য বিকাশ মঞ্চই। চৰকাৰ তথা বিভাগ সমূহলৈ বাট নাচাই নিজৰ ভৰিৰ ওপৰত ঠিয় দিবলৈ লোৱা হৈছে বিভিন্ন পদক্ষেপ। কৃষিৰ জৰিয়তে কৃষকৰ সৱলীকৰণৰ অৰ্থে কৃষক সকলৰ মাজত কৃষক গোট গঠন কৰা হৈছে। এই গোট সমূহে সামূহিক প্ৰচেষ্টাৰে উৎপাদিত ভিন্ন ফচল বজাৰীকৰণৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহন কৰিছে। ইয়াৰ উপৰিও কৃষকৰ অধিকাৰ, চৰকাৰী আঁচনিসমূহৰ তথ্য, সক্ষমতা বৃদ্ধি বিষয়ক জ্ঞান প্ৰদানৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। জলসিঞ্চনৰ আন্তঃগাঠনি, উন্নত পদ্ধতিৰ কৃষি কৰ্ম, প্ৰশিক্ষণ আদিৰ জৰিয়তে কৃষক সকলৰ উৎপাদন বৃদ্ধি পাবলৈ লৈছে। অতি দুৰ্গম তথা উন্নয়নে ঢুকি নোপোৱা অঞ্চলত বাস কৰা কৃষক সকলৰ মাজলৈ গ্ৰাম্য বিকাশ মঞ্চই কঢ়িয়াই নিছে কেতবোৰ অভিলাসী কাৰ্য্যসূচী। কৃষক সকলৰ মাজত আহিছে এক নতুন উদ্যম, এক নতুন উৎসাহ। কৃষকৰ আৰ্থিক সমস্যা লাঘৱ কৰাৰ ক্ষেত্ৰতো গ্ৰাম্য বিকাশ মঞ্চই পদক্ষেপ হাতত তুলি লৈছে। বিভিন্ন ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সহযোগত লাভ কৰা আৰ্থিক সাহাৰ্যৰ জৰিয়তে দুখীয়া কৃষক সকলক লাভাৱান্বিত কৰিছে গ্ৰাম্য বিকাশ মঞ্চই। গ্ৰাম্য বিকাশ মঞ্চই সম্প্ৰসাৰিত কৰিছে ন-ন কৰ্মক্ষেত্ৰ। অনুন্নত অঞ্চল সমূহৰ বাবে প্ৰস্তুত কৰিছে উল্লেখনীয় পৰিকল্পনা। কৃষিজীৱি সমাজ খনক সৰ্বদিশত সমৃদ্ধি তথা সুষম বিকাশৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই সদায় চলাই যাব বিৰতিহীন প্ৰচেষ্টা।

✍ দিবাকৰ ডেকা

সম্পাদক, গ্ৰাম্য বিকাশ মঞ্চ

# সূচীপত্ৰ

## প্ৰবন্ধ/নিবন্ধ


- নতুন উদ্যমৰ আশাৰে... ✍ ডাঃ সুৰেন্দ্ৰ মজুমদাৰ/১৩
- ধৰ্মাচৰণ ✍ গোপাল চন্দ্ৰ লহকৰ/১৫
- আহক, দুখোজমান পিচলৈ যাওঁ ✍ ফণীধৰ ডেকা/১৭
- 'থলগিৰি ঃ অসমীয়া হোৱাৰ গৌৰৱ' গাঁৱৰ মানুহৰ হাতলৈ ধন অহাৰ বাট মুকলি কৰাৰ প্ৰয়াস ✍ মনোৰম গগৈ/২০
- চিন্তাৰ চাক্‌নৈয়াত ✍ যোগেন্দ্ৰ কলিতা/২২
- তথ্যপ্ৰযুক্তি, গ্ৰাম্যাঞ্চলত মহিলাৰ ইণ্টাৰনেটৰ ব্যৱহাৰ আৰু সবলীকৰণ 'গুগ'ল' আৰু 'টাটা ট্ৰাষ্টৰ' সহযোগত এক প্ৰচেষ্টা ✍ প্ৰাঞ্জল চক্ৰৱৰ্ত্তী/২৪
- মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ শিক্ষা সম্পৰ্কীয় ধাৰণা ✍ ড° ধনেশ্বৰ বৈশ্য/২৮
- আমি কেনে মুছলমান আছিলোঁ ✍ ৰাছেল হুছেইন/৩১
- এইবাৰ কিন্তু তুমি আহিবা ✍ অৰূপজ্যোতি দাস/৩৩
- শাৰীৰিক শিক্ষা আৰু বিদ্যালয় ✍ ৰবীন্দ্ৰ চন্দ্ৰ শৰ্মা/৩৫
- পুখুৰীত চূণ আৰু সাৰৰ প্ৰয়োগ ✍ প্ৰতুল ডেকা/৩৮
- মাধ্যমিক শিক্ষা ব্যৱস্থা আৰু অসম ✍ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা/৪০
- মহিলা সবলীকৰণত গ্ৰাম্য বিকাশ মঞ্চ ✍ পংকজ শৰ্মা/৪২
- গীতাৰ আধাৰত জ্ঞানৰ দ্বাৰা আত্মাৰ বিচাৰ ✍ দিপাঙ্কৰ চক্ৰৱৰ্তী/৪৬
- ধৰ্ম আৰু বিজ্ঞান ✍ জিতেন্দ্ৰ নাথ কলিতা (জিতু)/৪৮
- সংবেদন ✍ কল্যাণ দাস/৪৯
- দাসত্ব ✍ চৰিত বৰ্মন/৫০
- অসমত নাৰীৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থান ✍ কিশোৰ কুমাৰ কলিতা/৫১
- বিশেষভাৱে সক্ষম লোক আৰু সামাজিক দায়বদ্ধতা ✍ গীতিকা দত্ত শৰ্মা/৫৭
- সময় গতিশীল নে কেৱল প্ৰত্যাহ্বান ✍ হীৰকজ্যোতি বৰ্মন/৫৯


## কবিতা


- শৈশৱ ✍ জ্যোতিষ দাস/৬২
- সেইবোৰ হেনো বতাহৰ সাধুকথা আছিল ✍ চম্পক শৰ্মা/৬২
- চাতি মাতি বাই ✍ নৱজ্যোতি পাঠক/৬৩
- চাতি মাতি বাই ✍ নৱজ্যোতি পাঠক/৬৩
- কবিতা ✍ শান্তনু শৰ্মা/৬৪
- শ্ৰীদেৱী ✍ হিমাংশু প্ৰসাদ দাস (হিমু)/৬৫

# সূচীপত্ৰ

## ENGLISH SECTION


- **The story of the schools that learn- and those that fail to do so**
  ✍ **Mukut Lochan Kalita/৬৬**
- **Science behind Electricity Power Generation and Present Power Scenario in Assam** ✍ **Nabajyoti Haloi/৭১**
- **End the Episode** ✍ **Bipul Dewry/৭৫**
- **Use of DDT under legal frame work** ✍ **Arunjyoti Das/৭৭**
- **Assamese Children Magazine: it's Past, Present and Future**
  ✍ **Girin Deka/৮২**
- **Is Technology a Threat to Privacy?** ✍ **Jeni Baruah/৮৫**


## প্ৰবন্ধ/নিবন্ধ


- জীৱিকাৰ তাড়ণা আৰু পৰম্পৰাত ভাবুকি ✍ কামিনী মোহন বৰপাত্ৰ গোঁহাঞি/৮৭
- অনুশাসনহীনতা আৰু ছাত্ৰ সমাজ ✍ হিমানী ৰাজবংশী/৮৮
- শিশুৰ বাবে মৰম ✍ ৱবিতা দাস/৯০
- ভয় ✍ গৌৰৱজ্যোতি কলিতা/৯১
- নাৰী এক অনন্য সত্বা ✍ ক্ষিতীশ কুমাৰ কাকতি/৯২

- Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 17 Years ..... ৯৪
- Audited Statement of Account ১০১
- দেশ বিদেশৰ সংবাদ মাধ্যমত প্ৰকাশিত গ্ৰাম্য বিকাশ মঞ্চৰ সফল যাত্ৰাৰ শেহতীয়া বাতৰিৰ কিছু অংশ... ১২৫


# গ্ৰাম্য বিকাশ মঞ্চ


গ্ৰাম্য বিকাশ মঞ্চ এটি অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান। ছ'চাইটি ৰেজিষ্ট্ৰেচন এক্ট 'XXI, ১৮৬০'ৰ অধীনত পঞ্জীকৃত অনুষ্ঠানটোৰ পঞ্জীয়ন নং ঃ RS/NAL/B/246/39 of 2000-2001। অনুষ্ঠানটো ভাৰত চৰকাৰৰ ফ'ৰেইন কণ্ট্ৰিবিউচন ৰেগুলেচন এক্টৰ অধীনত পঞ্জীকৃত। পঞ্জীয়ন নং ঃ 020640005। আয়কৰ আইন ১৯৬১ৰ '৮০ জি অধিনিয়ম' অনুসৰি গ্ৰাম্য বিকাশ মঞ্চত দান বৰণ্ডনি আগবঢ়োৱা দাতা, কৰ ৰেহাইযোগ্য বিবেচিত হ'ব। ঠিকনা ঃ কাৰ্যালয় চৌহদ, কৰ্দৈটোলা, বৰবৰী, জিলা ঃ নলবাৰী (অসম)।



ফোন নং ঃ ০৩৬২৪-২৮৩৮৮৮, ২৮৩৭৭৪। ই-মেইল ঃ gvmassam@gmail.com। ৱেবছাইট ঃ www.gvmassam.ngo।

"প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া"ৰ সপোন এদিন বাস্তৱায়িত কৰিব পাৰিম বুলি গভীৰ আশাবাদী।




# নতুন উদ্যমৰ আশাৰে...

✍ ডাঃ সুৰেন্দ্ৰ মজুমদাৰ
মুখ্য উপদেষ্টা, গ্ৰাম্য বিকাশ মঞ্চ

"প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া"ৰ লক্ষ্যৰে অহৰহ প্ৰচেষ্টাত ব্ৰতী গ্ৰাম্য বিকাশ মঞ্চই সফলতাৰে ওঠৰ বছৰ অতিক্ৰম কৰিলে। নানা ঘাট-প্ৰতিঘাত নেওচি আগবঢ়া অনুষ্ঠানটোৱে নতুন প্ৰজন্মৰ বাবে প্ৰগতিশীল চিন্তা-চৰ্চাৰ এখন সমন্বিত মঞ্চ হিচাপে ইতিমধ্যে জনমানসত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। গ্ৰাম্য বিকাশ মঞ্চৰ এই যাত্ৰাত সহযোগী হিচাপে সেৱা আগবঢ়োৱা প্ৰতিগৰাকী স্বেচ্ছাসেৱক /স্বেচ্ছাসেৱিকা, দাঁতা সংস্থা, জিলা প্ৰশাসন, বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠান তথা সুহৃদ ৰাইজলৈ মই আন্তৰিক শ্ৰদ্ধা, অভিনন্দন আৰু কৃতজ্ঞতা যাঁচিলো। আগন্তুক দিনতো একেই সহযোগ পাম বুলি আশা কৰিলো।

গ্ৰাম্য বিকাশ মঞ্চৰ সাধাৰণ সভাই বিগত সাধাৰণ সভাত আগন্তুক পাঁচ বছৰৰ বাবে (২০১৭-২০২২) তলত উল্লেখ কৰা লক্ষ্য সমূহ সৰ্বসন্মত ভাৱে নিৰ্ধাৰণ কৰিছে।

১/ ১৫,০০০.০০ (পোন্ধৰ হাজাৰ) পৰিয়ালৰ বৰ্তমান পৰ্য্যায়তকৈ ৫০ শতাংশ অধিক আৰ্থিক বিকাশ ত্বৰান্বিত কৰা।

২/ ২০,০০০.০০ (বিশ হাজাৰ) দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ সুৰক্ষিত আৰু নিৰাময় অৱস্থিতি সুনিশ্চিত কৰা

৩/ থলুৱা সংস্কৃতিৰ বিকাশ, সামাজিক সংস্কৃতিত বৈজ্ঞানীক মানসিকতাৰ উৎকৰ্ষ সাধন।

৪/ ১৫,০০০ (পোন্ধৰ হাজাৰ) শিশুৰ আনন্দিত জীৱন আৰু বিকাশ সুনিশ্চিত কৰা।

অনুষ্ঠানৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ গুৰু দায়িত্ব হ'ল এই লক্ষ্য সমূহত উপনীত হ'বলৈ সকলো ধৰণৰ প্ৰচেষ্টা অব্যহত ৰখা। মই আশা কৰো, কাৰ্য্যনিৰ্বাহক সমিতিয়ে এই ক্ষেত্ৰত সুদৃঢ় পদক্ষেপ ল'ব। অনুষ্ঠানৰ লগত জড়িত প্ৰতিজনলৈ মই এই ছেগতে আহ্বান জনাব বিচাৰিছো, নতুন লক্ষ্য প্ৰাপ্তিৰ বাবে নতুন উদ্যমেৰে আগবাঢ়ি যাবলৈ।

মানুহৰ জীৱনটো ক্ষন্তেকীয়া। নিজে আগবাঢ়ি যোৱাৰ লগতে নিজৰ সমাজখনক আগবাঢ়ি যোৱাত কিঞ্চিৎ বৰঙণি দিব পাৰিলেও জীৱনটো ধন্য হ'ব। গ্ৰাম্য বিকাশ মঞ্চই তেনে ধৰণৰ সেৱা আগবঢ়োৱাৰ সুযোগ-সুবিধা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। আশাকৰো, আমাৰ সমাজৰ প্ৰতি গৰাকী নাগৰিকে ধনাত্মক মনেৰে, উৎসৰ্গিত মনোভাৱেৰে জনগণৰ সেৱা কৰিবলৈ আগবাঢ়ি আহিব। জ্ঞান-বিজ্ঞানৰ প্ৰতিষ্ঠা আৰু বিকাশ, আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱা, থলুৱা সংস্কৃতিৰ বিকাশ, প্ৰকৃতিৰ সুৰক্ষা, সামাজিক ন্যায় প্ৰতিষ্ঠা, সম্পদৰ সদব্যৱহাৰৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ন, শিশু-মহিলাৰ সৱলীকৰণ ইত্যাদি কৰ্মৰাজি গ্ৰাম্য বিকাশ মঞ্চই জন্মলগ্নৰে পৰা কৰি আহিছে। তেনে কাৰ্য্যসূচীত জনগণৰ সক্ৰিয় সহযোগ অত্যন্ত প্ৰয়োজনীয়। মই শ্ৰদ্ধাৰ ৰাইজলৈ প্ৰাৰ্থনা কৰিব বিচাৰিছো, গ্ৰাম্য বিকাশ মঞ্চৰ তেনে কাৰ্য্যসূচীত সক্ৰিয়তাৰে সহযোগী হিচাপে জড়িত হ'বলৈ। লগতে, অজ্ঞাতভাৱে যদি ভূল ক্ৰুটি পৰিলক্ষিত হয়, সহযোগী হিচাপে আঙুলিয়াই দিবলৈ, যাতে শুধৰণিৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

স্বেচ্ছাসেৱী সংস্থাৰ উত্তৰণত বিভিন্ন ঘাত-প্ৰতিঘাত থাকে। গ্ৰাম্য বিকাশ মঞ্চও তাৰ ব্যতিক্ৰম নহয়। সকলোৰে সৰ্বাত্মক সহযোগত তেনে ঘাট-প্ৰতিঘাট সহজে অতিক্ৰম কৰিব পৰা যায়। ধনাত্মক চিন্তা, নিঃস্বাৰ্থ সেৱাৰ মনোভাৱে তেনে কাৰ্য্য সহজসাধ্য কৰি প্ৰত্যাহ্বান নেওচি আগুৱাই যোৱাৰ প্ৰেৰণা দিয়ে। আমি আশাবাদী, আপোনাসৱৰ সৰ্বাত্মক সহযোগত, গ্ৰাম্য বিকাশ মঞ্চই তেনে সকলো ঘাট-প্ৰতিঘাত আগন্তুক দিনত হেলাৰঙে অতিক্ৰম কৰি যাব পাৰিব।

শেষত্ মই পুনৰ বাৰ নতুন লক্ষ্য প্ৰাপ্তিৰ বাবে নতুন উদ্যমেৰে আগবাঢ়ি যাবলৈ নিনম্ৰতাৰে অনুৰোধ জনালো। গ্ৰাম্য বিকাশ মঞ্চৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত প্ৰতিজন ব্যক্তিৰ পৰা নতুন যাত্ৰাত সক্ৰিয় সহযোগীতা শ্ৰদ্ধাৰে কামনা কৰিলো। আপোনাসৱৰ সহযোগত আমি "প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়া"ৰ সপোন এদিন বাস্তৱায়িত কৰিব পাৰিম বুলি গভীৰ আশাবাদী। ........





গীতাই যুগ যুগ ধৰি সংকটপূৰ্ণ মুহূৰ্তত মানুহক বাট দেখুৱাই আহিছে আৰু দেখুৱাই থাকিব। গীতা চিৰ প্ৰাসংগিক। মানুহৰ সমস্যাৰ অন্ত নাই। সুখ-শান্তি আৰু নিজৰ কৰ্তব্য বিচাৰি অৰ্জুনৰ দৰে মানুহ আজি দিগভ্ৰান্ত। এনেহেন সংকটময় মুহূৰ্তত গীতাই প্ৰদান কৰিব অভয় বাণী। পুত্ৰমোহত অন্ধ হৈ আনৰ ধন সম্পত্তি অন্যায়ভাৱে কাঢ়ি ল'ব খোজা ধৃতৰাষ্ট্ৰ আজিৰ সমাজতো বিদ্যমান। নাৰী অপহৰণকাৰী জয়দ্ৰথৰ দৰে মানুহ আজিও নোহোৱা নহয়। আনহাতে বিবেক বুদ্ধিসম্পনন অৰ্জুনো আমাৰ সমাজত আজিও আছে।

# ধৰ্মাচৰণ

✍ **গোপাল চন্দ্ৰ লহকৰ**
আমাৰা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়



**বি**ধাতাই সৃষ্টি কৰা সমস্ত প্ৰাণীকুলৰ ভিতৰত মানুহেই সৰ্বশ্ৰেষ্ঠ জীৱ বুলি প্ৰতিপন্ন হৈছে। আৰ্য্য ঋষিসকলৰ ব্যাখ্যা অনুসৰি ধৰ্মই মানুহৰ শ্ৰেষ্ঠত্বৰ কাৰণ (ধৰ্মোহি তেযাম্ অধিকো বিশেষঃ)। আহাৰ, নিদ্ৰা, ভয় আৰু প্ৰজনন ক্ৰিয়া সকলো প্ৰাণীৰে আছে, মানুহৰো আছে, কিন্তু মানুহৰ এনে এটা অতিৰিক্ত বস্ত আছে, সেইটো হ'ল ধৰ্ম।

এই ভাৰতবৰ্ষত কোনো চিন্তাবিদে তেওঁৰ চিন্তাত বা নিজৰ জ্ঞান বিশ্বাসমতে যিটোক সত্য বুলি ধাৰণা হৈছে তাক মুকলি মনেৰে ব্যক্ত কৰাত কোনো দিনে বাধা পোৱা নাই। সেয়ে বিভিন্ন সময়ত বিভিন্ন মনীষীয়ে ধৰ্মৰ বিষয়ে নিজৰ নিজৰ মত ব্যক্ত কৰি গৈছে। ফলস্বৰূপে সৃষ্টি হৈছে বিভিন্ন ধৰ্মমত বিভিন্ন ধৰ্মপথ। সেয়ে আমাৰ ধৰ্মত আমি দেখিবলৈ পাওঁ প্ৰতিমা পূজাৰ পৰা নিৰাকাৰ ব্ৰহ্মাৰ উপাসনা পৰ্যন্ত আৰু যাগ-যজ্ঞৰ পৰা আৰম্ভ কৰি তান্ত্ৰিক আচাৰ অনুষ্ঠান পৰ্যন্ত বহু মত আৰু বহু পথ। তত্ব অনুসন্ধানী মানুহৰ মাজত ইবিলাকৰ কোনটো সত্য কোনটো অসত্য তাক বিচাৰি লোৱা কষ্টসাধ্য হৈ পৰিল। আমাৰ দেশৰ সভ্যতাৰ আদিযুগত যেতিয়া এনে এটা ধৰ্মসংকতে দেখা দিছিল তেতিয়া ভগৱান শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ ৰণাংগনত প্ৰিয় সখা অৰ্জুনৰ আগত এই সকলো ধৰ্ম আৰু ধৰ্মমতৰ মাজৰ পৰা ধৰ্মৰ প্ৰকৃত ৰূপটো তুলি ধৰিলে। এই বৰ্ণনাসমৃদ্ধ গ্ৰন্থখনেই হ'ল শ্ৰীমদ্ভাগৱদগীতা। এই পবিত্ৰ গ্ৰন্থখনতেই আমি পাওঁ সকলো ধৰ্মমতৰ সুসমন্বয়। কোনো মতকেই বাদ নিদিয়াকৈ ইয়াত সমন্বয় সাধন কৰা হৈছে আৰু সেই কাৰণেই গীতা আজি বিশ্বৰ সাৰস্বত প্ৰাংগণত সৰ্বজন সমাদৃত। বহুতে ভাবে গীতা এখন অতি দুৰ্বোধ্য দৰ্শন শাস্ত্ৰ। কিন্তু প্ৰকৃতপক্ষে ভগৱান শ্ৰীকৃষ্ণই সংসাৰৰ সাধাৰণ মানুহৰ কাৰণেই এই গীতাৰ বক্তব্যবোৰ দাঙি ধৰিছে। ধৰ্মৰ অতি জটিল কথাবোৰৰ মাজলৈ নোযোৱাকৈ সৰ্বসাধাৰণৰ কাৰণে গীতাৰ বক্তব্য তুলি ধৰা হৈছে। গীতাৰ এই সহজ নিৰ্দেশিত পথেৰেই মানুহে ধৰ্মৰ চৰম অৱস্থা লাভ কৰিব পাৰে। গীতাৰ সুৰতে সুৰ মিলাই ধৰ্মৰ সংজ্ঞা দিবলৈ গৈ স্বামীজীয়ে কৈছে— 'Religion is the idea which is raising

the brute unto man man unto God.'— His call to the nation. ধৰ্মই মানুহক পশুত্বৰ পৰা মানৱত্বলৈ আৰু মানৱত্বৰ পৰা দেৱত্বলৈ উন্নীত কৰে। বিখ্যাত দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে সনাতন ধৰ্ম সম্বন্ধে কৈছে— 'ই প্ৰৱৰ্তিত ধৰ্মই নহয়। ই কোনো ঐতিহাসিক ঘটনাক কেন্দ্ৰ কৰিও গঢ়ি উঠা নাই। ইয়াৰ বিশিষ্ট লক্ষণ হ'ল ই সদায় মানৱাত্মাৰ অন্তৰ জীৱনৰ ওপৰতহে গুৰুত্ব দিয়ে।' ইয়াৰ পৰা বুজা যায় যে ধৰ্মই মানুহৰ অন্তৰখনহে নিৰ্মল আৰু পবিত্ৰ কৰি মানুহক দেৱত্ব দান কৰে। ইয়াৰ কোনো সাম্প্ৰদায়িক ধৰ্মৰ কথা কোৱা হোৱা নাই। ই সমগ্ৰ মানৱ জাতিৰ ধৰ্ম— মানৱ ধৰ্ম বা সনাতন ধৰ্ম। গীতাৰ মতকে অনুসৰণ কৰি মহাত্মা শংকৰাচাৰ্যই কৈছে— 'হোনাত্মনস্তথান্যেষাং জীৱনং বৰ্দ্ধনঞ্চাপি ধৃয়তে স ধৰ্মঃ।' অৰ্থাৎ যিয়ে নিজৰ লগতে আনৰো জীৱন বৰ্দ্ধনক ধৰি ৰাখে সেয়ে ধৰ্ম। শাস্ত্ৰসমূহতো গীতাৰ মতকে সমৰ্থন কৰা দেখা যায়। এখন বৈষ্ণৱ পুৰাণত কৈছে—

শ্ৰুয়তাং ধৰ্ম সৰ্ব্বস্বং শ্ৰুত্বাচৈবাৱধাৰ্য্যতাম।
আত্মনঃ প্ৰতিকুলানি পৰেষাং ন সমাচৰেৎ।।

—পদ্মপুৰাণ, সৃষ্টি খণ্ড, ১৯/৩৫৫-৫৬

অৰ্থাৎ ধৰ্মৰ সাৰ হ'ল নিজক যিটো আচৰণ কৰিলে আমি আনক বেয়া পাওঁ আনকো তেনে আচৰণ কৰিব নালাগে। বাইবেলতো আমি একে সুৰৰ কথাকে শুনিবলৈ পাওঁ— 'Do unto others as you wish to be done by.' আনহাতে আমি দেখিবলৈ পাওঁ যে পাশ্চাত্য পণ্ডিত বৰ্গও গীতাৰ প্ৰশংসাত পঞ্চমুখ। মনীষী এল.ডি. ৰাৰ্ণেটে গীতাৰ প্ৰসংগত কৈছে— 'জীৱনৰ প্ৰতিটো কৰ্মকেই অনাশক্তিৰ জুইত পুৰি বিশুদ্ধ উপাসনাৰ ৰূপত শোধন কৰি লোৱাৰ যি অপূৰ্ব কৌশল গীতাই প্ৰদান কৰিছে সেয়া মানুহৰ কৰ্মময় জীৱনৰ এক অনন্য অৱলম্বন।' আন এগৰাকী দাৰ্শনিক পণ্ডিত হেনৰি ডেভিদ থ'ৰোই কৈছে যে আধুনিক জগতখন আৰু ইয়াৰ সাহিত্য সম্ভাৰ ভগৱানগীতাৰ তুলনাত তেনেই ক্ষুদ্ৰ আৰু নিকৃষ্ট।' গীতাৰ সৰ্বগ্ৰাসী মহত্বৰ প্ৰভাৱত মুগ্ধ হৈ বিশ্ববিশ্ৰুত বিজ্ঞানী আইনষ্টাইনে সমগ্ৰ গীতাখনকে মুখস্থ কৰি পেলাইছিল। পৰমাণুবিজ্ঞানী অপেন হেইমাৰে ১৯৪৫ চনৰ ১৬ জুলাই তাৰিখে এটম বোমা পৰীক্ষা কৰাৰ সময়ত বোমাটো প্ৰকাণ্ড শব্দ কৰি বিস্ফোৰিত হৈ ভয়ানক ক'লা ধোৱাৰ সৃষ্টি কৰি সমগ্ৰ আকাশ মণ্ডল আগুৰি ভীষণ সন্ত্ৰাসৰ সৃষ্টি কৰাত তেওঁৰ মুখেৰে অতৰ্কিতে গীতাৰ একাদশ অধ্যায়ৰ ৩২নং শ্লোকটো—

'কালোহস্মি লোকক্ষয়কৃৎ প্ৰবৃদ্ধো,
লোকান্ সমাহৰ্ত্তুমিহ প্ৰবৃত্তঃ)'। ওলাই আহিছিল। এনেদৰে প্ৰাচ্য-পাশ্চাত্য বহুতো খ্যাতনামা পণ্ডিতৰ গীতা সম্বন্ধীয় মন্তব্য দেখিবলৈ পোৱা যায়। ইবিলাকৰ ভিতৰত মহাভাৰতৰ টিপ্পনীকাৰ নীলকান্ত সুৰিয়ে এই প্ৰসংগত কোৱা কথাষাৰ উল্লেখযোগ্য। তেওঁ কৈছে—

'ভাৰতে সৰ্ব্ববেদাৰ্থো ভাৰতাৰ্থশ্চ কৃৎস্নশঃ।
গীতায়ামস্তি তেনয়ং সৰ্বশাস্ত্ৰময়ী গীতা।।'

অৰ্থাৎ মহাকাব্য মহাভাৰতত চতুৰ্বেদৰ শাৰ নিহিত হৈ আছে আৰু গীতাত আছে মহাভাৰতৰ সাৰমৰ্ম। সেয়ে গীতা ধৰ্মশাস্ত্ৰ মন্নী এটা সুন্দৰ উপমাৰে সূত মুণিয়ে গীতাক তুলনা কৰিছে। তেওঁৰ মতে বেদৰ সাৰ উপনিষদ্‌বোৰ হ'ল এটা খীৰতি গাই, দোগ্ধা হ'ল ভগৱান শ্ৰীকৃষ্ণ, অৰ্জুন হ'ল গোবৎস, পৰম জ্ঞানীসকল হ'ল ভোক্তা আৰু অমৃততুল্য গাখীৰ হ'ল গীতা।

গীতাৰ মূল বাণী হ'ল কৰ্ম কৰি যোৱা কিন্তু ফলৰ আশা নকৰিবা। এইখিনিতে প্ৰশ্ন উঠিব পাৰে, ফলেই যদি পোৱা নগ'ল তেনেহ'লেনো কাম কৰি লাভ কি? উত্তৰত গীতাই কৈছে কামৰ লগত ফল লাগিয়ে থাকে তাক আশা নকৰিলেও পোৱা যাব। ভাত খোৱা কৰ্মতো কৰিলে পেট ভৰা ফলটোৰ কাৰণে নাভাবিলেও হয়। ফলাকাংক্ষাই মানুহৰ দুখৰ মূল কাৰণ।

গীতাই যুগ যুগ ধৰি সংকটপূৰ্ণ মুহূৰ্তত মানুহক বাট দেখুৱাই আহিছে আৰু দেখুৱাই থাকিব। গীতা চিৰ প্ৰাসংগিক। মানুহৰ সমস্যাৰ অন্ত নাই। সুখ-শান্তি আৰু নিজৰ কৰ্তব্য বিচাৰি অৰ্জুনৰ দৰে মানুহ আজি দিগভ্ৰান্ত। এনেহেন সংকটময় মুহূৰ্তত গীতাই প্ৰদান কৰিব অভয় বাণী। পুত্ৰমোহত অন্ধ হৈ আনৰ ধন সম্পত্তি অন্যায়ভাৱে কাঢ়ি ল'ব খোজা ধৃতৰাষ্ট্ৰ আজিৰ সমাজতো বিদ্যমান। নাৰী অপহৰণকাৰী জয়দ্ৰথৰ দৰে মানুহ আজিও নোহোৱা নহয়। আনহাতে বিবেক বুদ্ধিসম্পনন অৰ্জুনো আমাৰ সমাজত আজিও আছে। এই ক্ষেত্ৰত যুগোপযোগী ভাৱে শান্তিপূৰ্ণ সমাধান পাবলৈ হ'লে গীতাৰ প্ৰাসংগিকতা অপৰিহাৰ্য। গীতাৰ প্ৰদত্ত পথেই ধৰ্মাচৰণৰ প্ৰকৃত পথ।



# আহক, দুখোজমান পিচলৈ যাওঁ

✍ **ফণীধৰ ডেকা**
ভাঃ অধ্যক্ষ, বৰভাগ মহাবিদ্যালয়

**কে**ইদিনমান আগৰ ঘটনা। মোৰ আশীউৰ্দ্ধ বাইদেউজনী অইনবেলিৰ দৰে এইবাৰো আহিছে মাকৰ ঘৰলৈ উদ্দেশ্য শিপোতাবাৰীৰ ৰাস। ৰাসোৎসৱৰ দিন চমু চাপি অহাৰ লগে লগে প্ৰতি বছৰে বাইদেউৰ গাত তৎ নাইকীয়া হয়। ওচৰ চুবুৰিয়াৰ ঘৰে ঘৰে গৈ ১৫ দিনমান আগৰেপৰা বিদায় লোৱা পৰ্ব আৰম্ভ হয়। দীঘলীয়াকৈ (!) মাকৰ ঘৰত আহিব যে। আশীতিপৰ বাইদেউ আজিকালি নিজে আহিব নোৱাৰে। তাহানীৰ 'ঘগ্ৰা' জান পাৰ হৈ ৰাতিপুৱা আহি আবেলি মাকৰ ঘৰৰ পৰা ঘূৰি যোৱাৰ সামৰ্থ বাইদেউৰ বাবে এতিয়া এক বেদনাসিক্ত নষ্টালজিয়া। ঘগ্ৰাপাৰৰ পৰা public vehicleত আহিবলৈও তেওঁ অপৰাগ। পৰিস্থিতিতো অনুধাৱন কৰি যোৱা কিছু বছৰৰ পৰা নানান ব্যস্ততাৰ মাজেৰে হ'লেও সময় উলিয়াই মই বাইদেউক গাড়ীৰে লৈ আহোঁগৈ। এইবাৰ অৱশ্যে মই অনা নহ'ল। ভতিজাটোৱে গুৱাহাটীৰ পৰা ৰাসলৈ আহোতে বাটতে সোমাই জেঠীয়েকক লৈ আহি মোৰ দায়িত্ব পালন কৰিলে। মহাবিদ্যালয়ৰপৰা বাহিৰে বাহিৰে গৈ বাইদেউক দুদিন শিলপোতাবৰীৰ ৰাস দেখুৱালো। কেইদিনমান পিছত ভতিজাটোলৈ ফোন কৰি বাইদেউৰ খবৰ ল'লো আৰু মই যাম বুলি ক'লো। উদ্দেশ্য বাইদেউক নলবাৰীৰ ঘৰলৈ নিয়া। ফোনত কথাটো কোৱা নহ'ল। আবেলি ঘৰলৈ গৈ দেখো পৰিবেশ গোমা। বৌক ভাত দিব কৈ বাইদেউক কাপোৰ পিন্ধিব দিলো। নাই— কাৰো মুখত মাত নাই। মই বাইদেউক পুনৰাই কাপোৰ পিন্ধিব দিয়াৰ লগতে উল্লেখ কৰিলো যে দেৰী হ'লে নলবাৰীৰ ৰাসত সোমোৱা মুস্কিল হ'ব। গতিকে খৰধৰ কৰিব লাগে। হঠাৎ দেখিলো বাইদেউৰ মুখখনত পোহৰ উজলি উঠিল আৰু বাকীবোৰেও গিৰজনি মাৰি হাঁহিবলৈ ধৰিলে। পিছত গম পালো যে বাইদেউক মই ঘগ্ৰাপাৰৰ ঘৰলৈ নিম বুলি ভাবি মই ফোন কৰা সময়ৰে পৰা বাইদেউসহ সকলোৰে অশান্তি। এতিয়া নলবাৰীত নিম বোলোতেহে যেনিবা কেইবাঘণ্টীয়া ট্ৰেজেদিৰ/চাচ্‌পেন্সৰ অন্ত পৰিল...।

নলবাৰীৰ ঘৰত বাইদেউৰ বিশেষ মন নবহে। ইঘৰ সিঘৰ যোৱা অসুবিধা/কাম বন নাই— কিমান বহি থাকিব! ইফালে মাকৰ গাঁওখনৰ বহু মানুহৰ ঘৰত যোৱাই হোৱা নাই। অতএব পুনৰ মাকৰ ঘৰ (!) কুঁৱৰীকুছিলৈ...।

পাৰ হৈ গ'ল প্ৰায় ২০-২৫ দিন। সিফালে ভাগিন নাতি-নাতিহঁতৰ ফোন। মাক-আইতাকক বহুদিন দেখা নাই লৈ, লৈ যাব লাগে। মাজতে ভাগিনে ল'ৰা-ছোৱালী দুটাক এদিন আইতাক দেখাইওঁ লৈ গ'ল।



অৱশেষত বিভিন্ন দিশ বিবেচনা কৰি মই বাইদেউৰ প্ৰত্যাৰ্পণৰ (!) সিদ্ধান্তত উপনীত হ'লো। তিনিদিনমানৰ সময় লৈ ফোনেৰে ভতিজাটোক খবৰটো জনালো। বাইদেউৰ প্ৰয়োজনীয় Hair Oil তথা অন্যান্য বয়বস্তু কিনি অইন দিনাৰ তুলনাত অলপ আগতীয়াকৈ মহাবিদ্যালয়ৰ দায়িত্ব সামৰি গাঁৱৰ ঘৰৰ দুৱাৰমুখ পাইছোহে— শুনিলো ঘৰৰ ভিতৰত ফেকুৰণি। মই ভাত খাওঁ মানে বাঢ়ি গৈছে তাৰ প্ৰকোপ। দাদা-বৌ, বোৱাৰী, আনকি কণমাণি নাতিনীজনীৰ লগত গলাগলিকৈ ফেকুৰিছে বাইদেউৱে? যেন ন-কইনা শহুৰৰ ঘৰলৈ যাব। পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ মই বৌ-বোৱাৰীহঁতকো গাড়ীত ভৰাবলগীয়া হ'ল। ঘগ্ৰাপাৰ, ভায়া কুঁৱৰীকুছি হৈ নলবাৰীৰ ঘৰ পাওঁমানে ৰাতি ১০টা। অকণো কৃত্ৰিমতা নসনাকৈ এটা দীঘলীয়া প্ৰসঙ্গ পাঠকলৈ আগবঢ়াই মই কিবা ব্যক্তিগত কৃতিত্ব ল'ব বিচৰা নাই। পাঠকে মোক ক্ষমা কৰক। প্ৰসঙ্গতো উত্থাপনেৰে মই প্ৰতিজন পাঠকক তেওঁলোকৰ পৰিয়ালৰ পৰম্পৰা তথা ইতিহাসক এবাৰ খুচৰি চাবলৈ অনুৰোধ জনাম। যদি আপোনালোকৰ সময় হয়— মই নিশ্চিত যে মোৰ ওপৰত বৰ্ণিত প্ৰসঙ্গতো আপোনালোকৰ প্ৰতিটো পৰিয়ালতে আৱিষ্কাৰ কৰিব পাৰিব। মোবাইল, ইণ্টাৰনেট, ৰাজনীতি, ক্ষমতাপিয়াস আৰু আত্মকেন্দ্ৰিক বস্তুবাদিতাৰ পৰা অকণমান সময় ফালৰি কটাৰ সময় উলিয়াই ল'ব পাৰিলে আপুনিওঁ আৱিষ্কাৰ কৰিব পাৰিব সদ্যপুৰণি এখন অসমীয়া সমাজ, যিখন সমাজত নাই কোনো কৃত্ৰিমতা, অহমিকাৰ অহেতুক প্ৰতিযোগিতা অথবা অতৃপ্তিৰ মায়াজাল। সেইখন সমাজত সোণজিৰা মাহী থাকিব, জেঠা-জেঠা থাকিব, বাইদেউ-ভিনদেউ, পেহা-পেহী, কুল খুড়া-খুড়ী, মামা-মামী, আইতা-ককা সকলো থাকিব। তেওঁলোকৰ আগমণে আমাৰ ঘৰবোৰ ভৰাই তুলিব, মনবোৰ ৰঙীন কৰি তুলিব। বাৰীৰ শাক-পাচলি, পুখুৰীৰ জীয়া মাছ, বাৰীপিছৰ ঔ টেঙা, বাঁহৰ পাৰ পোৱালীৰে হাঁহি স্ফূৰ্তিৰ মাজেৰে পৰিবেশিত হ'ব সুমধুৰ খাদ্যসম্ভাৰ। পেহী-বাইদেউহঁতে ঠেহ ধৰিব দুদিনমান থাকি যাবলৈ— কাৰণ মাকৰ গাঁওখন সিহঁতৰ ফুৰাই নহ'ল! বাধ্য হৈ পেহা-ভিনদেউহঁতে অকলেই ঘৰলৈ উভতিব। ভিনদেউহঁতক বিদায় দি পেহী বাইদেউহঁতৰ ভাই বোৱাৰীৰ লগত আৰম্ভ হ'ব গাঁওফুৰা পৰ্ব। ৰাতিলৈ সঙ্গীতৰ তাল ল'ব ঢেঁকীটোৱে। পিতা/দাদাই দিনতে কাটি থোৱা কলপাতত সৃষ্টি হ'ব কঁকাল বন্ধা পিঠা। চোতালৰ এমূৰে তিনিটা 'উধান'ৰ ওপৰত প্ৰবৃষ্ট হ'ব প্ৰকাণ্ড থালিটো। চৰিয়াত আহিব 'জুলীয়া' মিঠাই। ৪/৫ টাকৈ 'কঁকাল বন্ধা' পিঠা উদৰস্থ হোৱাৰ পিছত ৰাতিৰ ভাতৰ প্ৰসঙ্গ গৌণ হৈ পৰিব...। এদিন আঘোণৰ ন-খোৱা আহিব, চুড়াপিঠা, চাউলপিঠাৰ ৰাজহুৱা ভক্ষণ হ'ব— এমাহ পিছতেই মাঘবিহু... ফাগুন পৰিলেই চৌদিশে বিয়পি পৰিব কুঁহিয়াৰ শালৰ অনামী গোন্ধ— বিহুচেৰা

এদিন আঘোণৰ ন-খোৱা আহিব, চুঙাপিঠা, চাউলপিঠাৰ ৰাজহুৱা ভক্ষণ হ'ব— এমাহ পিছতেই মাঘবিহু... ফাগুন পৰিলেই চৌদিশে বিয়পি পৰিব কুঁহিয়াৰ শালৰ অনামী গোন্ধ— বিহুচেৰা নহ'বলৈ মা-বৌহঁতৰ 'দহলেচী' সূতাৰ কচৰত— তাতশালৰ খট্‌খটনি...।

১৮

নহ'বলৈ মা-বৌহঁতৰ 'দহলেচী' সূতাৰ কচৰত— তাতশালৰ খট্‌খটনি...।

ভাবকচোন? এইখনেই নহয় জানো আমাৰ ল'ৰালিৰ অসমীয়া সমাজ? তাত ক'ত আছিল ঠগি খোৱাৰ প্ৰসঙ্গ? কত আছিল অসূয়া-অপ্ৰীতিৰ স্থান? পৰশ্ৰীকাতৰতা, আত্মকেন্দ্ৰীকতা, সাম্প্ৰদায়িকতা— আছিলনে? তেনে এখন ৰাজ্য হেনো আজি অপৰাধী কাৰ্যকলাপৰ তালিকাত তালিকাত দেশৰ দ্বিতীয় স্থানত। একেটা স্থান নাৰী নিৰ্যাতনৰ ক্ষেত্ৰতো। আধুনিকতাৰ নামত উন্নয়নৰ ক্ষেত্ৰখনত কিন্তু আমি শেষৰ শাৰীত...!

কিয়? কেনেকৈ সম্ভৱ হৈছে বাৰু এই ৰুদ্ধশ্বাস পৰিস্থিতিৰ? খাব খোজা পাৰ পোৱালীযোৰা মাৰি দিবলৈ মানুহ বিচাৰি ফুৰা অসমীয়া সমাজত আজি পইচা দি মানুহ মৰাব পৰা হ'ল! পিতা-মাতাক সেৱা নজনালে বিহু-সকাম সম্পূৰ্ণ নোহোৱা সমাজখনত আজি জ্যেষ্ঠজনৰ শেষ ঠিকনা হৈ পৰিল বৃদ্ধাশ্ৰম। হে হৰি! আই বসুমতি ফাটমেলো পাতালে...।

আমি যদি অলপ নষ্টালজিক জগতখনলৈ অকণমান সময়ৰ বাবে প্ৰত্যাৰ্পণ কৰো- ব্যৱহাৰিক দিশেৰে তাক বিশ্লেষণ কৰো— বোধহয় এই পংকিল বাস্তৱৰ মূল কাৰকসমূহৰ অনেক উত্তৰ ওলাব।

লৰালিত আমি গাঁৱৰ সমনীয়াবোৰে লগ লাগি বৰবৰীলৈ বাসন্তী পূজা চাব আবিছিলো। মই ধনী ঘৰৰ (!) ল'ৰা হিচাপে পকেটত দহটামান ১০ পইচাৰ মুদ্ৰা আহিছিল। বাকীবোৰৰ পকেটত ৫-১০ পইচাৰ মুদ্ৰা একোটা। পূজাখলাত আমাৰ আৰম্ভণী ফুলৰীৰে (পকৰী)। ১ পইচাৰ দুটাকৈ। মোৰ লগত লগৰীয়াসকল। পইচা মোৰ— ভাগ কিন্তু সমান। তাৰ পিছত 'বুট দিয়া' মিঠাই। পাচ পইচাত এখন। গাইপতি এখনকৈ। ঢুলীয়া-ওজাপালি উপভোগ কৰাৰ মাজে মাজে চলি থাকে কিবাকিবি খোৱাৰ পৰ্ব।

৯-১০ বজাত মামাহঁতৰ (গিৰীশ ডেকা) 'দিল্লীৰ মচনদ' নাটক। টোপনি ভাঙিবলৈ 'নকুল দাদা' (বাসৰ মামাৰ দোকানত ভাগিন বুলি মোক অলপ বেছিকৈ দিয়ে) কিনি তাৰো সমান সমান ভাগ। নাটকো শেষ— পইচাও শেষ। হাঁহি স্ফূৰ্তিৰে পুৱাৰাতি ঘৰমুৱা হওঁ...। এই গোটেই পৰিঘটনাটোত অসূয়া-অসন্তোষৰ বিন্দুমাত্ৰওঁ স্থান নাছিল। মোৰ সৰ্বমুঠ এটকাৰ নৱৈ পইচা মই খুৱাইছিলো লগৰীয়াক— বিন্দুমাত্ৰওঁ আপচোচ নকৰাকৈ। লগৰীয়াৰ সন্তুষ্টিত মনত লাভ কৰিছিলোঁ বিমল আনন্দ। আজি পকেটৰ সেই এটকীয়াতো হেজাৰ-লাখ টকা লৈ পৰিবৰ্তিত হ'ল। পাৰ্চত এতিয়া দুহেজাৰ টকীয়া খমখমীয়া নোট। দিনটোৰ দৰমহা পাঁচ হেজাৰোধিক! অথচ বন্ধু বান্ধৱে এশ টকা বিচাৰিলে মোৰ মুখৰ বৰণ সলনি হয়। দান বৰঙণি বিচাৰি অহা দলক এৰাই চলাৰ মানসিকতা। অভাৱ অভিযোগৰ কিমান যে তালিকা প্ৰস্তুত হৈ থাকে জিভাৰ আগত। মোৰ এনে মানসিকতাৰ সন্মুখত মোৰ ল'ৰালিৰ সেই স্বতঃস্ফূৰ্ত হাঁহি-ধেমালিৰ অন্বেষণ মৰীচিকা নহয়নে? আজি আমি প্ৰায় প্ৰতিজন ব্যক্তিয়েই যেতিয়া এনে মানসিকতা পৰিগ্ৰহ কৰিছো, তেতিয়া এখন সমাজে কেনে স্থিতিত উপনীত হ'ব পাৰে তাক নতুনকৈ দোহৰাৰ প্ৰয়োজন নাথাকে। ব্যক্তি সমষ্টিয়ে সমাজ নহয় জানো? ব্যক্তি বিশেষৰ সাৰাংশইটো সমাজৰ আত্মা। সেই সাৰাংশৰ সমষ্টি যদি ঘৃণিত বস্তুবাদৰ দ্বাৰা আক্ৰান্ত হয়— তেনেহ'লে সমাজৰ পৰিচয় কি হ'ব। আজি সেই ভয়াবহ বাস্তৱৰ গুৰিকথা আমাৰ এনে নীচাত্মক মানসিকতাই নহয়নে?



গতিকে আহকচোন আমি অলপ পিছলৈ উভতি যাওঁ। মাৰ্ক্সবাদৰ 'One step forwarded, two steps backward' বাক্যষাৰি এবাৰ নতুনকৈ অনুধাৱন কৰি চাওঁ। আমি এই বিখ্যাত বাক্যষাৰিৰ বিপৰীতে গৈছো নেকি? আমি যদি দুখোজ পিচুৱাও— বোধহয় সেয়া মঙ্গলৰ অৰ্থেই হ'ব। কাৰণ দুখোজ পিছত এৰি অহা অসমীয়া সমাজখনতে দেখোন লুকাই আছে, আমাৰ শান্তিৰ আত্মা। তাৰ সান্নিধ্যৰ বাবে কেইখোজমান পিছলৈ ঘূৰি যাওঁতে আমি লগত মোবাইলটো, ইন্টাৰনেটৰ সঁজুলি, ডিজিটেলাইজ তথা অন্যান্য আধুনিক ভাব চিন্তাবোৰ কৰবাত জমা কৰি ৰাখি যোৱাৰ প্ৰয়োজন নহ'ব। আহক আমি কেইখোজমান পিছুৱাওঁ আৰু অতৃপ্তি, অৱসাদৰ হুমুনিয়াহ এৰি এটি প্ৰশান্তিৰ দীঘলীয়া উশাহ সেৱন কৰো।



# 'থলগিৰি ঃ অসমীয়া হোৱাৰ গৌৰৱ'
# গাঁৱৰ মানুহৰ হাতলৈ ধন অহাৰ বাট মুকলি কৰাৰ প্ৰয়াস

✍ মনোৰম গগৈ

১.

**ম**হাত্মা গান্ধীয়ে কৈছিল— 'ভাৰতবৰ্ষৰ আত্মা আছে দেশখনৰ গাঁওবোৰত।'

স্বাধীনতাৰ পূৰ্বেই গান্ধীজীয়ে এই কথা কৈছিল। কিন্তু স্বাধীনতাৰ সত্তৰ বছৰ অতিক্ৰম কৰাৰ পিচতো স্বাধীন দেশৰ চৰকাৰবোৰে ভাৰতীয় জনগণৰ এই 'আত্মা'টোক জীয়াই ৰাখিবলৈ আন্তৰিক প্ৰচেষ্টা চলোৱা নাই। এতিয়াও মুঠ জনসংখ্যাৰ সত্তৰ শতাংশতকৈ অধিক লোকে গাঁৱতেই বাস কৰে। চহৰৰ মানুহৰ বাবে হেজাৰ হেজাৰ কোটি টকাৰ ব্যয়ৰে 'স্মাৰ্ট চিটি'ৰ পৰিকল্পনা কৰা হৈছে। চহৰৰ ধনী ধনী মানুহৰ বাবে 'বুলেট ট্ৰেইন' চলোৱাৰ নামতো হেজাৰ হেজাৰ কোটি টকা ব্যয় কৰাৰ আঁচনি লোৱা হৈছে। কিন্তু তাৰ বিপৰীতে 'স্মাৰ্ট ভিলেইজ'ৰ প্ৰস্তাৱ লোৱা নহ'ল। গাঁৱৰ খেতিয়ক ৰাইজৰ সামগ্ৰিক উন্নয়নৰ বাবে বাটেত ধাৰ্য কৰা ধনৰ সৰহখিনিয়েই ৰাজনৈতিক নেতা, আমোলা বিষয়া আৰু ঠিকাদাৰৰ জেপলৈ যোৱা পৰম্পৰা সৃষ্টি কৰা হ'ল। সেয়েহে আজি ভাৰতবৰ্ষৰ গাঁওবোৰ দৰিদ্ৰতাৰ কবলত পৰি বছৰি হেজাৰ হেজাৰ কৃষকে আত্মহত্যা কৰে। কোটি কোটি ভাৰতীয় কৃষকে অতি নিম্নমানৰ জীৱন ধাৰণ প্ৰণালীৰ মাজেৰে দৰিদ্ৰতাৰ সৈতে যুদ্ধ কৰি থাকিবলৈ বাধ্য হৈছে।

অসমৰ কৃষক ৰাইজৰ অৱস্থাও ইয়াৰ ব্যতিক্ৰম নহয়। ১৮২৬ খৃষ্টাব্দৰ পূৰ্বে যিখন অসম সম্পূৰ্ণ স্বনিৰ্ভৰশীল আছিল সেইখন অসমক দুশ বছৰ নৌহওঁতেই প্ৰায় সম্পূৰ্ণ পৰনিৰ্ভৰশীল অসমলৈ পৰ্যবসিত কৰা হ'ল। ব্ৰিটিছে ঔপনিৱেশিক শোষণৰ স্বাৰ্থত যি নতুন ভূমিনীতি প্ৰৱৰ্তন কৰি শোষণ-শাসন চলাই গৈছিল, সেই একেবোৰ কৃষক-বিৰোধী, গাঁওবিৰোধী নীতিকে আমাৰ স্বাধীন দেশৰ শাসকসকলে যোৱা সত্তৰ বছৰে অব্যাহত ৰখাৰ ফলত এদিন ব্ৰিটেইনৰ দৃষ্টিভংগীৰে পৰিচালিত হোৱা অসমখন এতিয়া দিল্লীৰ শাসকসকলৰ লাভালাভৰ দৃষ্টিৰে পৰিচালিত হৈ আহিছে। ইয়াৰে গইনা লৈ অসমৰ উত্তৰ-ভাৰতৰ এচাম চতুৰ বণিকে ধনৰ পাহাৰ গঢ়িছে আৰু তাক বিপৰীতে অসমৰ গাঁৱৰ জনগণৰ অৱস্থা ক্ৰমশঃ লাওলোৱা হৈ পৰিছে।

এনে পৰিস্থিতিতে অসমৰ গাঁৱৰ ৰাইজৰ অৰ্থনৈতিক ভিত্তি সবল কৰিবলৈ আমি সীমিত সামৰ্থৰ মাজতে এক প্ৰণালীবদ্ধ, দীৰ্ঘকালিন পৰিকল্পনা যুগুত কৰি হাতে কামে আগবাঢ়িছো।

সেয়া হৈছে 'থলগিৰি ঃ অসমীয়া হোৱাৰ গৌৰৱ।'

২.

জনগাঁথনি, ভৌগলিক অৱস্থান, বৈচিত্ৰ্য, সংস্কৃতি তথা বতৰ বা জলবায়ুৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ কোনো অঞ্চলৰে সৈতে অসমখন নিমিলে। কেৱল তেল আৰু কয়লাই অসমৰ সম্পদ নহয়। অসমৰ প্ৰধান সম্পদ হ'ল ইয়াৰ অতি সাৰুৱা মাতি, নদী-জান-জুৰি-বিল-পিতনিয়ে ধৰি ৰখা পানী আৰু নাতিশীতোষ্ণ জলবায়ু। আজি যদি আমি অসমৰ থলুৱা অৰ্থনীতি শক্তিশালী ৰূপত গঢ়ি তুলিব লাগে তেন্তে ভূগৰ্ভত সঞ্চিত হৈ থকা সম্পদৰাজিৰ সমানে সমানে এই তিনি অমূল্য সম্পদৰো সদ্ব্যৱহাৰ কৰিব লাগিব। এই কথাটোকে প্ৰাধান্য দি 'থলগিৰি'য়ে অসমৰ গ্ৰাম্য অৰ্থনীতি ন-ৰূপত তুলি ধৰিবলৈ হাতে-কামে আগবাঢ়িছে।

প্ৰথম পৰ্যায়ত অসমৰ থলুৱা জনগণৰ খাদ্য অভ্যাসক কেন্দ্ৰ কৰি গাঁও অঞ্চলত কৃষিকেন্দ্ৰিক তৎপৰতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই কথা বিজ্ঞানসন্মতভাৱে ইতিমধ্যেই প্ৰমাণিত হৈছে যে অসমৰ উৰ্বৰ মাটিত যিকোনো কৃষি-কৰ্মৰ বাবে জীৱ-বিচিত্ৰতা ধ্বংসকাৰী ৰাসায়নিক সাৰ প্ৰয়োগৰ কোনো প্ৰয়োজন নাই। প্ৰয়োজন নাই ৰাসায়নিক কীটনাশক দ্ৰব্যৰ।

গতিকে সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে খেতি কৰি অসমৰ খেতিয়ক ৰাইজে সম্পূৰ্ণ স্বাস্থ্য-উপযোগী, মানবিশিষ্ট খাদ্য উৎপাদন কৰিব পাৰে। লক্ষণীয় কথাটো হ'ল যে আমাৰ পূৰ্বপুৰুষসকলে অসমৰ খেতি-পথাৰত প্ৰায় ৫০০০ বিভিন্ন প্ৰজাতিৰ ধানখেতি কৰিছিল। এই থলুৱা প্ৰজাতিৰ ধানৰ পৰা উলিওৱা চাউলবোৰৰ সৰহভাগেই ঔষধি গুণসম্পন্ন আৰু এইবোৰৰ সোৱাদো অপূৰ্ব। তদুপৰি এই থলুৱা প্ৰজাতিৰ ধানবোৰে বিভিন্ন বেমাৰ-আজাৰ বা কীট-পতংগৰ আক্ৰমণৰ পৰা নিজকে ৰক্ষা কৰিবলৈ প্ৰাকৃতিভাৱেই সক্ষম। আমাৰ এনে বহু থলুৱা প্ৰজাতিৰ ধান আছে, সিবোৰৰ জৈৱিক পদ্ধতিৰে প্ৰাকৃতিকভাৱে খেতি কৰিলে উৎপাদনো যথেষ্ট পৰিমাণে হয়। কিন্তু, আমাৰ অতিকেন্দ্ৰভূত শাসনব্যৱস্থাই অসমৰ মাটি-পানী-জলবায়ুৰ বৈশিষ্ট্য বুজিবলৈ কাহানিও চেষ্টা কৰা নাই। উত্তৰ ভাৰতৰ পাঞ্জাৱ, হাৰিয়ানা, উত্তৰ-প্ৰদেশ আদি ৰাজ্যৰ সৈতে অসমৰ মাটি-পানী-বায়ুৰ কোনো ফালৰ পৰাই অকণো মিল নাই। অথচ আশ্চৰ্যজনক কথাটো হ'ল স্বাধীনতাৰ পৰৱৰ্তী সময়ৰ তথাকথিত সেউজ-বিপ্লৱৰ সময়ৰে পৰা পাঞ্জাৱ হাৰিয়ানা আদিৰ বাবে প্ৰস্তুত কৰা কৃষি-আঁচনিবোৰকে অপৰিৱৰ্তিত ৰূপত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে অসমত প্ৰয়োগ কৰি আহিছে। অসমৰ দৰে প্ৰাকৃতিকভাৱে উৰ্বৰ মাটিতো বাধাহীনভাৱে ৰাসায়নিক সাৰ, কীটনাশক আদি প্ৰয়োগ কৰিবলৈ চৰকাৰী যন্ত্ৰই কৃষকক বাধ্য কৰা বা প্ৰৰোচিত কৰাৰ উদাহৰণৰ আকাল নাই। চৰকাৰীভাৱে যোগান ধৰা বিভিন্ন খাদ্যশস্যৰ বৰ্ণসংকৰ বীজৰ ক্ষেত্ৰতো কথাটো একেই।

ইফালে যোৱা প্ৰায় দুটা শতিকাৰ ভিতৰতে অসমীয়াই নিজৰ পৰম্পৰাগত খাদ্য-সংস্কৃতিৰ পৰা দূৰৈত অৱস্থান কৰি পৰনিৰ্ভৰশীল খাদ্য-ৰীতিক আঁকোৱালি লোৱাৰ ফলত তাৰ নেতিবাচক প্ৰভাৱত অসমৰ খাদ্য-সংস্কৃতি বিধ্বস্ত হৈ পৰিছে। আমাৰ মাটি আৰু জলবায়ু ঘেঁহু খেতিৰ বাবে অকণো উপযুক্ত নহয়। একেদৰে আটা-ময়দাৰ পৰা তৈয়াৰ কৰা কোনো খাদ্য সামগ্ৰীয়েই আমাৰ পৰম্পৰাগত খাদ্য নহয়। অথচ আজি যদি অসমীয়াই নিজৰ খাদ্য তালিকাখনলৈ ভালদৰে লক্ষ্য কৰে, তেন্তে দেখা যাব যে পুৱা চাহৰ সৈতে খোৱা বিস্কুটখনৰ পৰা ব্ৰেড, পৰঠা, লুচি-পুৰী, চিংৰা, কচুৰী, ৰ'ল, ম'ম, চাওচাও, বুন্দিয়া, ভুজিয়া, বাৰ্গাৰ, চেণ্ডুইচ, পিজ্জাকে ধৰি ঘৰৰ বাহিৰে-ভিতৰে অবাধ গতিত এইবোৰ অপৰম্পৰাগত খাদ্য খায়েই অসমৰ মানুহে জীৱনধাৰণ কৰিবলৈ লৈছে। এই বহিৰাগত নতুন খাদ্য-বস্তুবোৰে আমাৰ পাকঘৰ আৰু হোটেল ৰেস্তোঁৰাৰ অধিকাংশ ঠাই অধিকাৰ কৰাৰ বাবেই আমাৰ পৰম্পৰাগত জা-জলপান, পিঠা-পনাবোৰ ক্ৰমশঃ বিলুপ্তিৰ পথত!

আৰু এটা অতি ভয়ংকৰ কথা অসমৰ বেছিভাগ মানুহেই নাজানে। সেয়া হ'ল, আমাৰ খেতিপথাৰত উৎপাদিত ধান-চাউলবোৰৰ তুলনাত পাঞ্জাৱ-হাৰিয়ানাত উৎপাদিত ধান-চাউলেৰে অসমৰ বজাৰ ভৰি পৰিছে। গুৱাহাটীৰ ফাঁচী বজাৰৰ পৰা নিয়ন্ত্ৰিত বহু হেজাৰ কোটিটকীয়া আমদানিকৃত চাউলৰ বজাৰখনে আমাৰ থলুৱা কৃষকৰ বাবে প্ৰবল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সেয়েহে থলুৱা কৃষকক সকলোফালৰ পৰা সহায় কৰিবলৈ 'থলগিৰি' আগবাঢ়ি আহিছে।

৩.

প্ৰথম পৰ্যায়ত 'থলগিৰি'য়ে অসমৰ পৰম্পৰাগত থলুৱা খাদ্যবোৰ অসমৰ বজাৰলৈ উলিয়াই আনিছে। থলুৱা প্ৰজাতিৰ চাউলকে ধৰি খাদ্যশস্যবোৰ বজাৰত সুলভ কৰিবলৈ চেষ্টা কৰিছে। পৰম্পৰাগত জলপান, পিঠাপনাৰ বাণিজ্যিকীকৰণৰ বাবেও হাতে-কামে প্ৰচেষ্টা চলাইছে। গাঁৱৰ মহিলাসকলে প্ৰস্তুত কৰা জা-জলপান, পিঠা-পনাবোৰ বজাৰলৈ অনাত গাঁৱৰে শিক্ষিত যুৱক-যুৱতীসকলে সহযোগ কৰিছে। ফলত 'থলগিৰি'ৰ এই উদ্যোগৰ ফলত অসমৰ গ্ৰাম্যাঞ্চলৰ মহিলাসকলৰ লগতে যুৱক-যুৱতীসকলো কৰ্মতৎপৰ হৈ পৰিছে আৰু এই তৎপৰতাৰ ফলত তেওঁলোকৰ হাতলৈ ধনো আহিছে। আজি যদি অসমৰ জনগণৰ সহযোগত এই তৎপৰতা অব্যাহত ৰাখিব পাৰোঁ, তেন্তে গাঁৱৰ অৰ্থনীতিলৈ ই আশাৰ বতৰা কঢ়িয়াই অনাৰ লগতে শিক্ষিত-অৰ্ধশিক্ষিত নিবনুৱাৰ বাবে বিপুল পৰিমাণৰ কৰ্মসংস্থাপনৰ বাট মুকলি কৰিব। একেদৰে অসমৰ গাঁৱত উৎপাদিত খাদ্য-সামগ্ৰীয়ে বজাৰ দখল কৰিবলৈ সক্ষম হ'লে আমাৰ খেতিয়কসকলেও পূৰ্ণোদ্যমেৰে খেতি-বাতিত মনোনিবেশ কৰিব পাৰিব।

দ্বিতীয় পৰ্যায়ত, গাঁৱৰ শিপিনীসকলে বৈ উলিওৱা মেখেলা-চাদৰ, গামোচাকে ধৰি সকলোধৰণৰ অসমত উৎপাদিত কাপোৰৰ বজাৰ এখন গঢ়ি তুলিবলৈও 'থলগিৰি'য়ে প্ৰচেষ্টা আহিছে। বাহিৰৰ উৎপাদক-বিতৰক তথা পুঁজিপতিগোষ্ঠীক প্ৰত্যাহ্বান জনাবলৈ অসমৰ গাঁৱৰ শিপিনীসকলক সৱলীকৰণ কৰাটো জৰুৰী হৈ পৰিছে বুলি 'থলগিৰি'য়ে বিশ্বাস কৰে।

'থলগিৰি ঃ অসমীয়া হোৱাৰ গৌৰৱ'— এই বৃহৎ প্ৰকল্পটোৰ মূল উদ্দেশ্য হ'ল অসমৰ সম্পদৰ আধাৰত কৰ্মসংস্কৃতিক গুৰুত্ব দি এক সাৰ্থক অৰ্থনৈতিক বিপ্লৱ গঢ়ি তোলা। যোৱা প্ৰায় চাৰিটা দশক জুৰি আমি অসমবাসীয়ে অহিংস-সশস্ত্ৰ সকলোধৰণৰ আন্দোলনত ভাগ ল'লোঁ। কিন্তু এই আন্দোলনবোৰে আমাৰ সামগ্ৰিক সুৰক্ষা তথা উন্নয়ন কোনোটো দিশতে নিশ্চয়তা দিব পৰা নাই। সেয়েহে পূৰ্বৰ অভিজ্ঞতাৰ পৰা আমি নিশ্চিত হৈছোঁ যে অসম আৰু অসমৰ সমূহ থলুৱা বাসিন্দাৰ সামগ্ৰিক উন্নয়ন তথা সুৰক্ষাৰ বাবে এটা প্ৰণালীবদ্ধ, দীৰ্ঘকালিন অৰ্থনৈতিক আন্দোলনৰ প্ৰয়োজন হৈছে। এই আন্দোলনত অসমৰ গাঁৱৰ প্ৰতিজন কৃষক, প্ৰতিগৰাকী জীয়াৰী-বোৱাৰী আৰু প্ৰতিগৰাকী যুৱক-যুৱতীক জড়িত কৰাব পাৰিলে অসমৰ অৰ্থনৈতিক পুনৰুত্থান নিশ্চিত কৰিব পৰা যাব বুলি আমি গভীৰভাৱে বিশ্বাস কৰোঁ।

আহক, সক্ৰিয় অংশগ্ৰহণেৰে আমি এই আন্দোলন সফল কৰি তোলোঁ!

মুখ্য কাৰ্যবাহী, 'থলগিৰি ঃ অসমীয়া হোৱাৰ গৌৰৱ',
ফোন ঃ ৯১০১৯৩৯৭৪৪



# চিন্তাৰ চাক্‌নৈয়াত

✍ যোগেন্দ্ৰ কলিতা
অধ্যক্ষ, বনভাগ মহাবিদ্যালয়, ঘগ্ৰাপাৰ

পৰিবৰ্তিত সমাজ ব্যৱস্থাত মানৱ সমাজৰ প্ৰতিজন মানুহেই অসুখী বুলি ধাৰণা জন্মে। ক্ৰমবৰ্দ্ধমান সামাজিক বিশৃংখলতা অসামাজিক বুলি বোধ জন্মা কৰ্মকাণ্ড, উঠি অহা প্ৰজন্মৰ শিষ্টাচাৰ বহিৰ্ভূত ব্যৱহাৰ, বেপৰোৱা চাল-চলন ইত্যাদি ভিন্ন কাৰণত সমাজৰ প্ৰতিগৰাকী ব্যক্তি এক অব্যক্ত বেদনাত আক্ৰান্ত। মোৰ বোধেৰে তৰ্কৰ খাতিৰত সুস্থ পৰম্পৰাৰ মূল্যবোধৰ বিসৰ্জন, নৈতিক আৰু আধ্যাত্মিকতাৰ ধান, ধাৰণাৰ প্ৰতি নেতিবাচক দৃষ্টিভংগী, আত্মকেন্দ্ৰিক মনোভাবৰ বাবেই সামাজিক বিশৃংখলতাৰ উদ্ভৱ ঘটিছে। ভাষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি সৰ্বত্ৰতে এক বিপদ সংকুল পৰিৱেশ বিশ্বায়নৰ বতাহত উটি ভাহি ফুৰাৰ মানসিকতা গঢ় লৈ উঠাৰ বাবে গোটেই মানৱ সমাজে শিপা চিঙাৰ উপক্ৰম ঘটিছে। যাৰ ফলশ্ৰুতিত বিভিন্ন জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহি পৰিছে। জাতি ৰক্ষাৰ ভাৰত অৱতীৰ্ণ ৰাজনৈতিক নেতা, পালিনেতা, বুদ্ধিজীৱী সকলোৱে সমাজসেৱকৰ নামাৱলী পৰিধান কৰি অন্তৰ্নিহীত ব্যক্তি স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখিয়েহে যে কাম কৰে সেইবোৰ বৰ্তমান সমাজত গোপন হৈ থকা নাই। সেই বাবে হয়তো দেশ বা জাতি ৰক্ষাৰ ভণ্ড কাণ্ডাৰীৰ ভাৰত অৱতীৰ্ণ হোৱা ধুৰন্ধৰ ৰাজনৈতিক নেতা, তথাকথিত বুদ্ধিজীৱী, ৰাইজৰ হাতত লাঞ্ছিত হোৱা দেখা যায়।

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব উত্থানৰ সময়ত ঘটা এনেধৰণৰ সাংঘাটিক বিশৃংখলতা আৰু বিকৃত মানসিকতা অৱসান ঘটাবৰ বাবে আমাক লাগিব সঁচা অৰ্থত কিছুমান ইতিবাচক চৰিত্ৰ। যি চৰিত্ৰৰ আদৰ্শ আৰু কৰ্মৰাজিয়ে সমাজত ইতিমধ্যে উদ্ভুত নেতিবাচক চিন্তাধাৰাৰ

*সমাজৰ এই অস্থিৰ অৱস্থাৰ কাৰণসমূহ চিহ্নিত কৰি সময় থাকোতে যদি তাক নিৰ্বাপিত কৰাৰ বাবে এক বৌদ্ধিক আন্দোলন গঢ়ি নুঠে; তেতিয়াহ'লে মানৱ সমাজ ধ্বংসৰ কৰাল গ্ৰাসত পৰিবলৈ বেছিদিন নাই। প্ৰত্যেক দেশ বা জাতিৰ সকলো ব্যক্তিয়ে যদি জাতীয় চিন্তা চেতনাৰে উদ্বুদ্ধ হৈ যিকোনো সামাজিক সমস্যাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰাৰ বাবে নিজকে মানসিকভাৱে শক্তিশালীৰূপত গঢ় দিব নোৱাৰে; তেতিয়াহ'লে ইতিমধ্যে গা কৰি উঠা অসামাজিক কাম-কাজ তথা সামাজিক বিশৃংখলতাই অক্টোপাচৰ ৰূপ ধৰি এক সাংঘাটিক পৰিবেশৰ সৃষ্টি কৰিব।*

সাধকসকলক এক সঠিক পথৰ সন্ধান দিবলৈ সক্ষম হ'ব। যিসকলৰ দৃঢ় আৰু বলিষ্ঠ পদক্ষেপে সমাজখনক অসততাৰ পৰা সততালৈ উত্তৰণ ঘটাবলৈ সক্ষম হ'ব। এই বিশেষ চৰিত্ৰবোৰ হ'ব লাগিব নিজৰ আত্মস্বাৰ্থক সমূলঞ্চে জলাঞ্জলি দি বৃহত্তৰ স্বাৰ্থৰ বাবে নিজৰ জীৱন আহুতি দিব পৰা মানসিকতাৰ ব্যক্তি। সেইবাবে আমাৰ সমাজৰ প্ৰতিটো অংগতে যেনে— সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, নৈতিক আৰু আধ্যাত্মিক সকলো ক্ষেত্ৰতে একে ইতিবাচক ভূমিকা ল'ব পৰা একো একোজন অভিভাৱকৰ প্ৰয়োজন। এই অভিভাৱক শব্দটোৰ অৰ্থ অতি তাৎপৰ্যপূৰ্ণ। অভি শব্দটোৰ আভিধানিক অৰ্থ হ'ল ওপৰ বা চাৰিওফাল। ভাৱক শব্দৰ দ্বাৰা ইয়াৰ গুৰুত্ব আৰু প্ৰাধান্য প্ৰকট কৰি তুলিছে। অৰ্থাৎ অভিভাৱক শব্দৰ ব্যাপকতাই এইটো বুজাইছে যে যিগৰাকী ব্যক্তিয়ে এটা পৰিয়াল বা সমাজৰ বিভিন্ন ক্ষেত্ৰত সফলতা আনিবলৈ যি কৌশল বা ত্যাগ স্বীকাৰ কৰে সেইজনেই হ'ল সফল অভিভাৱক। এই অভিভাৱক শব্দটো অকল ল'ৰা-ছোৱালীৰ মাক-দেউতাকে বুজায় তেনে ঠেক অৰ্থত আৱদ্ধ কৰি ৰাখিব পৰা শব্দ নহয়। সফল অভিভাৱকত্বই এখন সমাজ, এটা সংস্থা, এটা ৰাজনৈতিক দল, এখন ৰাষ্ট্ৰ যিহৰে নহওক তেওঁৰ কৃতকৰ্মই সমাজত সফলতাৰ জোৱাৰ আনিবলৈ সক্ষম হ'ব লাগে।

সভ্যতাৰ চৰম শিখৰত আৰোহণ কৰা বুলি কাৰ্যক্ষেত্ৰত দাবী কৰা বা দাবি কৰিব পৰা সময়তো মানৱতাৰ পৰিপন্থী কাৰ্যহে বেছি সংঘটিত হোৱা দেখিবলৈ পোৱা গৈছে। হত্যা, ধৰ্ষণ, লুণ্ঠন ইত্যাদি দানৱীয় বা অমানৱীয় কাৰ্যকলাপৰ প্ৰকোপ দিনে দিনে বৃদ্ধি হোৱাহে পৰিলক্ষিত হৈছে। বিশ্ব ভাতৃত্ব সমতা আৰু মানৱতাৰ জয়গান গায় জলন্ত সত্যক ঢাকিব বিচৰা ভণ্ড কাৰ্যবোৰে সামাজিক বিশৃংখলতাৰ ঘাই কাৰক হিচাপে চিহ্নিত



হৈছে। সেইবাবে সমাজৰ এই অস্থিৰ অৱস্থাৰ কাৰণসমূহ চিহ্নিত কৰি সময় থাকোতে যদি তাক নিৰ্বাপিত কৰাৰ বাবে এক বৌদ্ধিক আন্দোলন গঢ়ি নুঠে; তেতিয়াহ'লে মানৱ সমাজ ধ্বংসৰ কৰাল গ্ৰাসত পৰিবলৈ বেছিদিন নাই। প্ৰত্যেক দেশ বা জাতিৰ সকলো ব্যক্তিয়ে যদি জাতীয় চিন্তা চেতনাৰে উদ্বুদ্ধ হৈ যিকোনো সামাজিক সমস্যাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰাৰ বাবে নিজকে মানসিকভাৱে শক্তিশালীৰূপত গঢ় দিব নোৱাৰে; তেতিয়াহ'লে ইতিমধ্যে গা কৰি উঠা অসামাজিক কাম-কাজ তথা সামাজিক বিশৃংখলতাই অক্টোপাচৰ ৰূপ ধৰি এক সাংঘাটিক পৰিবেশৰ সৃষ্টি কৰিব। যি পৰিৱেশ হ'ব অকল্পনীয় আৰু আমাৰ চিন্তা চেতনাই চুকি নোপোৱা স্তৰৰ।




# তথ্যপ্রযুক্তি, গ্রাম্যাঞ্চলত মহিলাৰ ইণ্টাৰনেটৰ ব্যৱহাৰ আৰু সৰলীকৰণ

## ‘গুগ’ল’ আৰু ‘টাটা ট্ৰাষ্টৰ’ সহযোগত এক প্ৰচেষ্টা



✍ প্ৰাঞ্জল চক্ৰৱৰ্ত্তী
উপ-সভাপতি, গ্ৰাম্য বিকাশ মঞ্চ

বৰ্তমানৰ ২১ শতিকাৰ যুগত ইণ্টাৰণেট, ইয়াৰ ব্যৱহাৰ আৰু প্ৰসাৰ, বিভিন্ন কাৰ্যক্ষেত্ৰত ইয়াৰ সুবিধাৰ বিষয়ে নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। ২১ শতিকাৰ আৰম্ভণিৰ পৰা ইণ্টাৰণেটৰ ব্যৱহাৰ আৰু প্ৰসাৰ সকলো ক্ষেত্ৰতে অতি দ্ৰুত গতিত আগবাঢ়িছে। বৰ্তমান সময়ত ইণ্টাৰনেট আৰু ডিজিটেল যন্ত্ৰ-পাতি আৰু ইয়াৰ ব্যৱহাৰে ক্ষিপ্ৰ যোগাযোগত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু হয়তো আগন্তুক দিনত ইয়াতকৈও বেছি প্ৰসাৰ আৰু ব্যৱহাৰ বাঢ়িব। বৰ্তমান সময়ত ইণ্টাৰণেটৰ ব্যৱহাৰে গ্ৰাম্যাঞ্চলৰ যিকোনো কোণত বহিও গ্ৰাম্যাঞ্চলৰ খেতিয়ক, ক্ষুদ্ৰ ব্যৱসায়ী, শিপিনীয়েও বজাৰৰ তথ্য, তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য, যিকোনো বেচিব বা কিনিবলগীয়া সামগ্ৰীৰ উচিত মূল্যৰ তথ্য পাব পৰা হৈছে। ইয়াৰ উপৰিও ইণ্টাৰনেটৰ ব্যৱহাৰে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত যিকোনো বিষয়ৰ তথ্য, জ্ঞানৰ আদান-প্ৰদান, নতুন চিন্তাৰ বতৰা অতি ক্ষীপ্ৰ গতিত ইজনে আনজনক বা পৃথিৱীৰ এটা কোণৰ পৰা আনটো কোণলৈ পঠাব বা দিব পৰা হৈছে। এই ক্ষেত্ৰত বিত্তীয় ব্যৱস্থাত ২১ শতিকাৰ নৱ আৱিষ্কাৰ নগদ ধন নোহোৱাকৈ লেনদেন (Cashless Transaction), মোবাইলৰ জৰিয়তে বেংকৰ জমা ধনৰ লেনদেন (Mobile Banking), বজাৰলৈ নগৈ যিকোনো লাগতিয়াল সামগ্ৰী ঘৰতে বহি ক্ৰয়ৰ (Online shoping) যি সুবিধা ইণ্টাৰনেট ব্যৱস্থাই আগবঢ়াইছে সেই সকলো বিলাক সঁচাকৈ চকুত লগা আৰু মানুহৰ সময় বচোৱা সেৱা। বৰ্তমানৰ ব্যস্ততাপূৰ্ণ পৃথিৱীত প্ৰতিখন দেশৰ নাগৰিকে এই সেৱা সমূহক আকোৱালি লৈছে আৰু দিনক দিনে এনেকুৱা ধৰণৰ ইণ্টাৰেণটৰ সেৱাৰ প্ৰসাৰ ঘটিছে।

গোটেই পৃথিৱীতে ইণ্টাৰনেটৰ প্ৰসাৰৰ লগে লগে ভাৰতটো নৱ-নিৰ্বাচিত চৰকাৰৰ মাননীয়

প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডীদেৱৰ নেতৃত্ব ও প্ৰচেষ্টাত ২০১৫ চনৰ ১ জুলাই তাৰিখত 'ডিজিটেল ইণ্ডিয়া' নামেৰে এক নতুন অভিযান আৰম্ভ কৰে। উক্ত অভিযানৰ আধাৰত ভাৰতবৰ্ষৰ সকলো গ্ৰাম্য অঞ্চলত দ্ৰুত ইণ্টাৰনেট সেৱা আগবঢ়োৱাৰ লগতে ভাৰতবৰ্ষৰ প্ৰতিটো প্ৰান্ততে সুৰক্ষিত আৰু স্থায়ী ডিজিটেল আন্তঃগাঁঠনি, সকলো ধৰণৰ চৰকাৰী সেৱা ডিজিটেল মাধ্যমলৈ পৰিৱৰ্তনকৰণ আৰু ডিজিটেল শিক্ষা সাৰ্বজনীন কৰণক মূল বিষয় বস্তু হিচাপে লোৱা হৈছিল। উক্ত অভিযানৰ আধাৰত ইতিমধ্যে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰ সমূহেও বিভিন্ন আঁচনিৰ অধীনত যথেষ্ট প্ৰচেষ্টা আগবঢ়াইছে আৰু এক পৰ্যায়লৈকে সফলতাও লাভ কৰিছে। ভাৰতবৰ্ষ যিহেতু এখন উন্নয়নশীল দেশ আৰু ইয়াক উন্নত দেশৰ শাৰীত থিয় কৰাবলৈ পুৰুষ আৰু মহিলা উভয়েৰে অৰিহণা যথেষ্ট প্ৰয়োজনীয় ঠিক তেনেদৰে দেশৰ উন্নয়নত চহৰ অঞ্চলৰ লগতে গ্ৰাম্য অঞ্চলৰ লোক সকলৰো অৱদান অতি প্ৰয়োজন। কিন্তু অতি পৰিতাপৰ বিষয় এই যে ভাৰত চৰকাৰৰ 'ডিজিটেল ইণ্ডিয়া' অভিযানৰ ঘোষণাৰ পিছতো ভাৰতবৰ্ষৰ চহৰ অঞ্চলৰ তুলনাত গ্ৰাম্য অঞ্চলত ইণ্টাৰনেটৰ ব্যৱহাৰকাৰী অতি নগন্য। ঠিক তেনেদৰে গ্ৰাম্য অঞ্চলত মহিলাৰ ইন্টাৰনেট ব্যৱহাৰকাৰী আৰু পুৰুষ ব্যৱহাৰকাৰীৰ পৰিসংখ্যা যদি চোৱা হয় তেতিয়া হয়তো আমাৰ সকলোৰে চকু কপালত উঠিব। উক্ত তথ্য পোহৰলৈ আহে 'গুগল' নামৰ আন্তৰ্জাতিক প্ৰতিষ্ঠানটোৱে যেতিয়া সহযোগী প্ৰতিষ্ঠান সমূহৰ লগত উক্ত বিষয়টোক লৈ সমগ্ৰ ভাৰততে এক সমীক্ষা সম্পূৰ্ণ কৰে আৰু এক আচৰিতপৰিসংখ্যা আমাক দিবলৈ সামৰ্থ হয় য'ত আমি দেখা পাওঁ ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলৰ মহিলাৰ ইন্টাৰনেট ব্যৱহাৰকাৰী আৰু পুৰুষ ব্যৱহাৰকাৰীৰ অনুপাত ১:১০, অৰ্থাৎ প্ৰতি দহ গৰাকী ইন্টাৰনেট ব্যৱহাৰকাৰীৰ মাত্ৰ এগৰাকীহে মহিলা। গতিকে তেনে এখন দেশত মহিলাৰ সৱলীকৰণ, মহিলাৰ উন্নয়ন বা ভাৰত চৰকাৰৰ "ডিজিটেল ইণ্ডিয়া" অভিযান কিমান সফল হ'ব সেইটো চিন্তনীয় আৰু তেনে এখন দেশ উন্নয়নশীল দেশৰ পৰা কেতিয়া উন্নত দেশৰ শাৰীত ঠিয় হ'ব পাৰিব সেইটোও ভাবিবলগীয়া।

ভাৰতবৰ্ষৰ গ্ৰাম্য অঞ্চলৰ মহিলা ইন্টাৰনেট ব্যৱহাৰকাৰীৰ ওপৰত উল্লেখ কৰা অনুপাতৰ প্ৰতি লক্ষ্য ৰাখি 'গুগল' নামৰ আন্তৰ্জাতিক প্ৰতিষ্ঠানটোৱে ভাৰতবৰ্ষত মহিলা ইন্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি লগতে পুৰুষ আৰু মহিলা ইন্টাৰনেট ব্যৱহাৰকাৰীৰ অনুপাতৰ যি বৈশাদৃশ্য তাক আঁতৰোৱাৰ লগতে অনুপাতৰ ভাৰসাম্য ৰক্ষাৰ পৰিকল্পনা কৰিছিল। যিহেতু ভাৰতবৰ্ষ এখন অতি জনবহুল দেশ আৰু দেশৰ জনসংখ্যাৰ অনুপাতত মহিলাই এক বৃহৎ অংশ দখল কৰি আছে গতিকে মহিলা সকলৰ মাজত ইণ্টাৰনেটৰ প্ৰসাৰ ঘটিলে ভাৰতবৰ্ষ যে এখন ইন্টাৰনেটৰ বৃহৎ বজাৰ হ'ব সেইটোও উক্ত প্ৰতিষ্ঠানটোৱে উপলব্ধি কৰিছিল। তেনেকুৱা এক সামাজিক লগতে ব্যৱসায়িক দিশৰ ওপৰত লক্ষ্য ৰাখি 'গুগ'ল' নামৰ আন্তৰ্জাতিক ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে ভাৰতবৰ্ষৰ সৰ্ববৃহৎ মানৱ হিতৈষী, সামাজিক অনুষ্ঠান 'টাটা ট্ৰাষ্ট'ৰ লগত যুটীয়া ভাৱে লগ লাগি ২০১৫ চনৰ জুলাই মাহত আৰম্ভ কৰিছিল ডিজিটেল শিক্ষাৰ এক সৰ্ববৃহৎ অভিযান যাক কোৱা হৈছিল 'ইন্টাৰনেট সাথী বা ইন্টাৰনেট সংগী ডিজিটেল শিক্ষা কাৰ্যসূচী'। প্ৰথম অৱস্থাত পৰীক্ষা মূলক ভাৱে যদিও ৰাজস্থানত উক্ত কাৰ্যসূচীৰ আৰম্ভ কৰা হৈছিল কিন্তু পিছৰ পৰ্যায়ত উক্ত কাৰ্যসূচীৰ সফল পৰীক্ষাৰ অন্তত ভাৰতবৰ্ষৰ প্ৰায় বাৰখন (১২) ৰাজ্যলৈ ইয়াৰ পৰিসৰ বৃদ্ধি কৰা হৈছিল। উক্ত কাৰ্যসূচী বা প্ৰকল্পটোৱে পিছৰ




পৰ্যায়ত নাৰীৰ ডিজিটেল শিক্ষাৰ পৃথিৱীৰ ভিতৰতে এটি সৰ্ববৃহৎ প্ৰকল্প হিচাপে স্বীকৃতি লাভ কৰিছিল।

'গুগ'ল' আৰু 'টাটা ট্ৰাষ্ট'ৰ এই সৰ্ববৃহৎ নাৰীৰ ডিজিটেল শিক্ষাৰ অভিলাষী আঁচনিৰ অংশ হোৱাৰ সুযোগ লাভ কৰিছিল গ্ৰাম্য বিকাশ মঞ্চই। নাৰীৰ সৱলীকৰণ, নাৰীৰ শিক্ষা আৰু উন্নয়ন যিহেতু গ্ৰাম্য বিকাশ মঞ্চৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ অন্তৰ্গত গতিকে ডিজিটেল শিক্ষাক মাধ্যম হিচাপে লৈ নাৰীৰ সৱলীকৰণৰ উক্ত অভিযানত গ্ৰাম্য বিকাশ মঞ্চই সহযোগিতা আগবঢ়াইছিল আৰু অসমত প্ৰথম পৰ্যায়ত চাৰিখন জিলাত যেনে নলবাৰী, কামৰূপ (গ্ৰাম্য), বাক্সা আৰু বৰপেটা জিলাত উক্ত অভিযান চলাই নিয়াৰ বাবে চুক্তিবদ্ধ হৈছিল। উক্ত অভিযানৰ অংশ হিচাপে উল্লেখিত জিলাকেইখনৰ বাৰটা উন্নয়ন খণ্ডৰ প্ৰায় ৫৩৯ (পাঁচশ উনচল্লিশ) খন গাঁও সাঙুৰি লোৱা হৈছিল। উক্ত গাঁওসমূহৰ পৰা প্ৰায় ১৬০ (একশ ষাঠী) গৰাকী

মহিলা চিনাক্ত কৰি তেখেতসকলৰ প্ৰশিক্ষণৰ দিহা কৰা হৈছিল। এই মহিলাসকলক ইন্টাৰনেট সাথী বা ইন্টাৰনেট সংগী হিচাপে নামাকৰণ কৰা হৈছিল। উক্ত প্ৰশিক্ষণ কালতে প্ৰতি গৰাকী মহিলাক 3G ইণ্টাৰনেট সংযুক্ত স্মাৰ্টফোন আৰু টেবলেট হাতত তুলি দিয়া হৈছিল। আচৰিতভাৱে উক্ত দুদিনীয়া প্ৰশিক্ষণৰ কাৰ্যসূচীতে কোনো দিনে স্মাৰ্টফোন, টেবলেট বা ইন্টাৰনেটৰ বিষয়ে অৱগত নোহোৱা বা হাতেৰে স্মাৰ্টফোন, টেবলেট চুই নোপোৱা বা চুব ভয় কৰা মহিলাই দুই হাতৰ আঙুলিৰ স্পৰ্শত স্মাৰ্টফোন বা টেবলেটৰ ব্যৱহাৰ, ইন্টাৰনেট সংযোগ বা গুগলত দেশ-বিদেশৰ বিভিন্ন তথ্য সংগ্ৰহৰ দৰে বিষয় সমূহ অতি ক্ষীপ্ৰতাৰে আহৰণ কৰি লৈছিল। পৰৱৰ্ত্তী পৰ্যায়ত প্ৰতি গৰাকী প্ৰশিক্ষণপ্ৰাপ্ত মহিলাক এটা 3G ইণ্টাৰনেট সংযুক্ত টেবলেট, ২ টা 3G ইন্টাৰনেট সংযুক্ত স্মাৰ্টফোন, টেবলেট আৰু স্মাৰ্টফোন সমূহক চাৰ্জ দিব পৰাকৈ পাৱাৰ বেংক, এটি ডাঙৰ ছাতি আৰু এখন অতি চকুত লগা ধৰণে প্ৰস্তুত কৰি উলিওৱা দুচকীয়া চাইকেলৰ ব্যৱস্থা কৰা হৈছিল। এনেকৈয়ে গাঁওৰ মহিলা সমূহক ইণ্টাৰনেট আৰু ডিজিটেল শিক্ষা দিয়াৰ বাবে ইন্টাৰনেট সংগী সকলক মহিলাৰ ডিজিটেল বা ইন্টাৰনেট শিক্ষাৰ একো একো গৰাকী কেডাৰ হিচাপে প্ৰস্তুত কৰি তোলা হৈছিল। উক্ত ইন্টাৰনেট সংগী সকলে ওপৰোক্ত সামগ্ৰী সমূহ পোৱাৰ পিছত অতি উৎসাহেৰে গাঁওৰ অন্যান্য মহিলাক ইন্টাৰনেট আৰু ডিজিটেল শিক্ষা দিয়াৰ কামত ব্ৰতী হৈছিল। ইন্টাৰনেট সংগী সকলে তেওঁলোকৰ স্মাৰ্টফোন বা টেবলেট সমূহৰ মাধ্যমেৰে মূলত সেই ডিজিটেল যন্ত্ৰ সমূহ কেনেকৈ সক্ৰিয় বা বন্ধ কৰা হয়, কেনেকৈ সেই ডিজিটেল যন্ত্ৰ সমূহত ইন্টাৰনেট সংযোগ কৰা হয়, কেনেকৈ স্মাৰ্টফোন বা টেবলেটত থকা কেমেৰাৰ সহায়েৰে ফটো লোৱা হয় বা ভিডিঅ' কৰা হয়, কেনেদৰে পৃথিৱীৰ বিভিন্ন তথ্য গুগ'ল বা অন্যান্য মাধ্যমত বিচৰা হয়, কেনেদৰে শিপিনী সকলে তেওঁলোকৰ তাঁতশালৰ বাবে বিভিন্ন ধৰণৰ আৰ্হি বা নক্সা বিচাৰিব পাৰে, জৈৱিক কৃষিৰ বিভিন্ন তথ্য কেনেকৈ সংগ্ৰহ কৰিব পাৰি, কেনেকৈ মহিলা সকলৰ বিভিন্ন ধৰণৰ মেহেন্দিৰ আৰ্হি বা ন'া বিচৰা হয় আৰু নগদ ধনৰ ব্যৱহাৰ নোহোৱাকৈ কেনেকে বেংকত থকা ধনৰ লেন-দেন কৰা হয় সেই বিষয় সমূহ সাঙুৰি লোৱা হৈছিল। ইয়াৰ উপৰিও পিছৰ পৰ্যায়ত মহিলা সকলৰ অত্যাশ্যকীয় সামগ্ৰী সমূহ বজাৰলৈ নগৈ কেনেকৈ ঘৰত বহিয়ে কিনিব পৰা যায় সেই সম্পৰ্কেও প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল। প্ৰথম পৰ্যায়ৰ উক্ত প্ৰকল্পটোত যদিও মহিলাসকলৰ সহযোগিতাৰ সন্দেহ কৰা হৈছিল কিন্তু লক্ষণীয়ভাৱে গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ পৰা ইন্টাৰনেট আৰু ডিজিটেল শিক্ষাৰ এই অভিযানত যথেষ্ট সহাৰি, সহযোগিতা আৰু উৎসাহ লাভ কৰা দেখা গৈছিল। প্ৰথম পৰ্যায়ৰ এবছৰীয়া কাৰ্যসূচীত নলবাৰী, কামৰূপ (গ্ৰাম্য), বাক্সা আৰু বৰপেটা জিলাত উক্ত কাৰ্যসূচীয়ে এক আলোড়নৰ সৃষ্টি কৰিছিল আৰু এই জিলা চাৰিখনৰ প্ৰায় ১,১০,০০০ (এক লাখ দহ হাজাৰ) মহিলাই ইন্টাৰনেট সাথী সকলৰ মাধ্যমেৰে প্ৰশিক্ষণ গ্ৰহণ কৰি গ্ৰাম্য অঞ্চলত মহিলাসকলৰ মাজত ইন্টাৰনেট আৰু ডিজিটেল শিক্ষাৰ প্ৰসাৰ ঘটাইছিল। পিছৰ পৰ্যায়ত গ্ৰাম্য অঞ্চলৰ মহিলাসকলে ইন্টাৰনেট আৰু ডিজিটেল যন্ত্ৰৰ মাধ্যমেৰে ঘৰতে বহি পৃথিৱীৰ যিকোনো ঠাইৰ তথ্য, খবৰ, অগ্ৰগতি সম্পৰ্কে জানিব পাৰিছিল আৰু সেইটোৱে মহিলাসকলৰ সামগ্ৰীক উন্নয়ন, বিকাশ আৰু সৱলীকৰণত অৰিহণা যোগাইছিল।

ইণ্টাৰনেট সাথী অভিযানৰ আটাইতকৈ সফল অৱদান দেখা পোৱা গৈছিল তেতিয়া, যেতিয়া এই ব্যৱস্থাই গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ জীৱিকাৰ ওপৰত প্ৰভাৱ পেলাইছি। বহু ক্ষেত্ৰত গাঁৱৰ আত্ম সহায়ক গোটৰ মহিলা সকলে ইণ্টাৰনেট সংগী গৰাকীৰ সহায়ত আত্ম সহায়ক গোটৰ পৰিচালনা, ৰীতি-নীতি, নথি-পত্ৰ ৰখাৰ পদ্ধতি সম্পৰ্কে তথ্য লোৱাৰ উপৰিও আত্ম সহায়ক গোটে বেংক আৰু চৰকাৰৰ পৰা পাব পৰা সুবিধা সম্পৰ্কে তথ্য লৈ পিছৰ পৰ্যায়ত তেনেকুৱা পক্ষৰ পৰা সুবিধা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ লগতে বহু কেইগৰাকী ইণ্টাৰনেট সংগীয়ে ইণ্টানেটৰ মাধ্যমত জৈৱিক কৃষি, আত্মসহায়ক গোট পৰিচালনা, বিজ্ঞানসন্মত কৃষি আৰু জীৱ-জন্তু পালন সম্পৰ্কে তথ্য সংগ্ৰহ কৰি তাক ভালদৰে অধ্যয়ন কৰি নিজকে একোগৰাকী গাঁও পৰ্যায়ৰ সমল ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰি অন্য এক জীৱিকাৰ পথ মোকলাই লৈছিল। বহুকেইগৰাকী মহিলাই বিভিন্ন ব্যৱসায়িক তথ্য সংগ্ৰহ কৰি গাঁও অঞ্চলত বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ আৰম্ভণি কৰি পৰিয়ালৰ আয়ত বৰঙণি যোগাইছিল যাৰ দ্বাৰা মহিলাসকলে পৰিয়ালৰ লগতে সমাজৰ পৰা স্বীকৃতি লাভ কৰিছিল। এনেকুৱা এক পৰিৱেশে মহিলাসকলৰ মনত সাহস দিছিল আৰু ইয়ে মহিলাসকলৰ সৱলীকৰণত সহযোগিতা আগবঢ়াইছিল।

ইণ্টাৰণেট সংগী প্ৰকল্পৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল 'গুগ'ল' আৰু 'টাটা ট্ৰাষ্ট'ৰ ফালৰ পৰা বিভিন্ন সময়ত বিভিন্ন পৰ্যায়ত ইন্টাৰেনট সংগী সমূহৰ মাজৰ পৰা বাচনি কৰি তেওঁলোকক বিভিন্ন ধৰণৰ ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ সভা বা সন্মিলনত অংশ গ্ৰহণ কৰাৰ উপৰিও তেওঁলোকক দেশ-বিদেশৰ বিভিন্ন শীৰ্ষ স্থানীয় ব্যক্তি, চেলিব্ৰেটি, দেশ বিদেশৰ নেতাৰ লগত একে শাৰীত মঞ্চত বহাৰ সুযোগ দি তেওঁলোকক সাহস যোগাইছিল আৰু ইণ্টাৰনেট সংগী সকলে ইয়াৰ দ্বাৰা সামাজিক স্বীকৃতি লাভ কৰাৰ লগতে এক পৰ্যায়ৰ প্ৰতিষ্ঠাও লাভ কৰিছিল। যদিও সৰ্বভাৰতীয় পৰ্যায়ত তেনেকুৱা বহুকেইগৰাকী ইন্টাৰনেট সংগীয়ে বহুকেইখন ৰাষ্ট্ৰীয় বা আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলনত ভাগ লোৱাৰ সৌভাগ্য পাইছিল কিন্তু অসমৰ মুঠ তিনি গৰাকী ইণ্টাৰেনট সংগীয়ে তিনিখন পৃথক পৃথক সন্মিলনত ভাগ লৈ অসমলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে নিজৰ আত্ম বিশ্বাস আৰু সাহস বৃদ্ধিৰ সুযোগ পাইছিল। এই ক্ষেত্ৰত প্ৰথমে নাম লব লাগিব কামৰূপ

(গ্ৰাম্য) জিলাৰ কুসুমপুৰ নামৰ এখন ভিতৰুৱা গাঁৱৰ ৰুমি শৰ্মাৰ। এইগৰাকী ইণ্টাৰনেট সংগীয়ে ২০১৬ চনৰ অ'ক্টোবৰ মাহত নতুন দিল্লীৰ 'দ্যা কাৰাবাণ' নামৰ আলোচনীয়ে অনুষ্ঠিত কৰা 'লিংগ সৱলীকৰণ' শীৰ্ষক সন্মিলনত ভাগ লৈ মূল মঞ্চত আলোচনাত অংশ গ্ৰহণ কৰিছিল। উক্ত সন্মিলনতে কেন্দ্ৰীয় মন্ত্ৰী মেনকা গান্ধী, ৰাজস্থানৰ মুখ্যমন্ত্ৰী বসুন্ধৰা ৰাজে, চেলিব্ৰেটি, শৰ্মিলা ঠাকুৰ, ছবি পৰিচালিকা নন্দিতা দাস আদিকে ধৰি 'গুগ'ল' আৰু 'টাটা ট্ৰাষ্ট'ৰ উচ্চ পৰ্যায়ৰ বিষয়া উপস্থিত আছিল। দ্বিতীয়তে সুবিধা লাভ কৰিছিল নলবাৰী জিলাৰ সঠামৌ নামৰ ভিতৰুৱা গাঁৱৰ ডালিমী দাস নামৰ এগৰাকী ইণ্টাৰনেট সংগীয়ে। এই গৰাকী মহিলাই ২০১৬ চনৰ নবেম্বৰ মাহত মুম্বাই মহানগৰীত অনুষ্ঠিত 'গ্লোবেল চিটিজেন অব ইণ্ডিয়া' অনুষ্ঠানৰ মূল মঞ্চত বলিউডৰ চেলিব্ৰেটিসকলৰ লগতে গুগল ইণ্ডিয়াৰ মুখ্য বিষয়া ৰাজন আনন্দনৰ সৈতে প্ৰায় এক লাখ দৰ্শকৰ সন্মুখত ঠিয় হোৱাৰ লগতে পৰিচিতি হোৱাৰ সুযোগ পাইছিল। উক্ত কাৰ্যসূচীতে ডালিমী দাসে বলিউডৰ বিশিষ্ট অভিনেতা অমিতাভ বচ্চন, চলমান খান, বৰুণ ধাৱন, অভিনেত্ৰী চোনম কাপুৰ, চোনাক্ষী সিন্‌হা, ফ্ৰেইডা পিণ্টো ইত্যাদিক লগ পায় কথা পাতি মনত সাহস গোটাইছিল। ঠিক তেনেদৰে তেনেকুৱা আন্তৰ্ৰাষ্ট্ৰীয় সন্মিলনত ভাগ লোৱা তৃতীয় গৰাকী ইণ্টাৰনেট সংগী হ'ল কামৰূপ (গ্ৰাম্য) জিলাৰ উখুৰা নামৰ গাঁৱৰ অৰ্চনা ডেকা। এই গৰাকী ইণ্টাৰনেট সংগীয়ে অলপতে ২০১৭ চনৰ নবেম্বৰ মাহত হাইদৰাবাদত হৈ যোৱা 'গ্লোৱেল এনট্ৰিপ্ৰিনিউৰশ্বীপ সুমিত ২০১৭' শীৰ্ষক সন্মিলনত ভাগ লৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ উদ্যোগী সকলৰ সৈতে মত বিনিময়ৰ সুযোগ আৰু সুবিধা পাইছিল। উক্ত সন্মিলনতে ইণ্টাৰেনট সংগী গৰাকীয়ে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ দুহিতা ইভাংকা ট্ৰাম্পক নিজ চকুৰে দেখি অভিভূত হৈ পৰিছিল আৰু মনত সাহস আৰু উদ্যম পাইছিল। লক্ষণীয়ভাৱে ওপৰত উল্লেখ কৰা তিনিও গৰাকী ইণ্টাৰনেট সংগীৰে উল্লেখিত কাৰ্যসূচী আৰু সন্মিলনত অংশ গ্ৰহণ কৰি অহাৰ পিছত নিজৰ জীৱনৰ এক পৰিৱৰ্তন ঘটিছিল আৰু তেওঁলোকৰ বিকাশ আৰু সৱলীকৰণত অৰিহণা যোগাইছিল।

গুগল আৰু টাটা ট্ৰাষ্টৰ এই অভিযানৰ ফলত অকল অসমতেই নহয় সৰ্বভাৰতীয় পৰ্যায়ত বেলেগ বেলেগ ৰাজ্যৰ মহিলা সকলো উপকৃত হৈছিল। গুগল আৰু টাটা ট্ৰাষ্টে ভাৰতবৰ্ষৰ প্ৰায় ৫০ শতাংশ গ্ৰাম্য অঞ্চল অৰ্থাৎ প্ৰায় তিনি লাখ গাঁও সামৰি লোৱাৰ পৰিকল্পনা কৰিছিল যদিও প্ৰথম পৰ্যায়ত প্ৰায় এক লাখ গাঁও উক্ত অভিযানৰ অন্তৰ্ভুক্ত কৰিববৈলে সমৰ্থ হৈছিল আৰু উক্ত অভিযানৰ সফল ৰূপায়ণৰ বাবে প্ৰায় ত্ৰিশ হাজাৰ গৰাকী মহিলাক ইণ্টাৰনেট সংগী হিচাপে নিয়োগ কৰি গ্ৰাম্য অঞ্চলৰ মহিলা সকলৰ মাজত ইণ্টাৰনেট আৰু ডিজিটেল ব্যৱস্থাৰ প্ৰসাৰ ঘটোৱাৰ ব্যৱস্থা কৰিছিল। লক্ষণীয়ভাৱে উক্ত অভিযানৰ জৰিয়তে সৰ্বভাৰতীয় পৰ্যায়ত প্ৰায় এক কৌটি (১০ মিলিয়ন) গৰাকী মহিলা উপকৃত হৈছিল। প্ৰথম পৰ্যায়ৰ উপকৃত ৰাজ্য সমূহৰ ভিতৰত মূলত মহাৰাষ্ট্ৰ, পশ্চিম বংগ, উত্তৰ প্ৰদেশ, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, মধ্য প্ৰদেশ, ত্ৰিপুৰা আৰু অসম এই দহখন ৰাজ্য সামৰি লোৱা হৈছিল।

প্ৰথম পৰ্যায়ৰ উক্ত ইণ্টাৰনেট সংগী প্ৰকল্পৰ সফল সমাপ্তিৰ পিছত উক্ত প্ৰকল্পৰ ফলাফল সম্পৰ্কে এক গৱেষণা কৰা হৈছিল আৰু উক্ত গৱেষণাত ইণ্টাৰনেট সংগী প্ৰকল্পই মহিলা সবলীকৰণৰ দিশৰ লগতে গ্ৰাম্যাঞ্চলৰ মহিলা সকলৰ মাজত ইণ্টাৰনেট আৰু ডিজিটেল শিক্ষাত যে এক ধণাত্মক বৰঙণি আগবঢ়াইছে সেই কথা পোহৰলৈ আহিছিল। লক্ষণীয়ভাৱে উক্ত প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ সমাপ্তিৰ অন্তত অৰ্থাৎ ২০১৭ চনত চলোৱা এক সমীক্ষাত গ্ৰাম্য অঞ্চলৰ




মহিলাৰ মাজত ইণ্টৰনেট ব্যৱহাৰকাৰীৰ অনুপাত ২০১৫ চনৰ সমীক্ষাত পোৱা ১ঃ১০ ৰ পৰা ৩ঃ১০ লৈ বৃদ্ধি হৈছিল। মুঠৰ ওপৰত 'গুগল' আৰু 'টাটা ট্ৰাষ্ট'ৰ এই যুটীয়া প্ৰচেষ্টাই সৰ্বভাৰতীয় পৰ্যায়ত মহিলা সৱলীকৰণৰ দিশত এক নতুন জাগৰণ আনিবলৈ সক্ষম হৈছে। ইতিমধ্যে প্ৰথম পৰ্যায়ৰ প্ৰামাণিক সফল সামৰণিয়ে দুয়োটা পৃথিৱী বিখ্যাত অনুষ্ঠানকে দ্বিতীয় পৰ্যায়ৰ কাম আৰম্ভ কৰাৰ বাবে অনুপ্ৰাণিত কৰিছে। ইতিমধ্যে দ্বিতীয় পৰ্যায়ৰ কাম সুচাৰুৰূপে চলায় নিয়াৰ বাবে টাটা ট্ৰাষ্টে FREND (Foundation for Rural Entreprenurship Development) নামেৰে এটি নতুন সংস্থাৰ জন্ম দিছে। সি যি কি নহওক ইণ্টাৰনেট সংগী প্ৰকল্পৰ এই অভিযানত দুয়োটা পৰ্যায়তে গ্ৰাম্য বিকাশ মঞ্চই অসমৰ বিভিন্ন জিলাৰ (১১ খন জিলাৰ) মহিলাসকলক ইণ্টাৰনেট আৰু ডিজিটেল শিক্ষাৰ মাজেৰে মহিলা সবলীকৰণ প্ৰক্ৰিয়াটো আগবঢ়াই নিয়াৰ এটি নতুন পথ বিচাৰি পাইছে আৰু উক্ত সবলীকৰণ প্ৰক্ৰিয়াই গ্ৰাম্য অঞ্চলৰ মহিলা সকলক সমাজত মৰ্যাদা সহকাৰে জীয়াই থকাৰ লগতে সমাজ পৰিৱৰ্তনৰ ভাৰ লব পাৰিব বুলি আশা কৰা হৈছে।

আইনষ্টাইনৰ মতে— ***'To me the worst thing seems to be for a school principally to work with methods of fear, force and artificial authority. Such treatment destroys the sound sentiment, the sincereity, and the self-confidence of the pupil. It produces the submissive subject.'***

# মহান বিজ্ঞানী এলবার্ট আইনষ্টাইনৰ শিক্ষা সম্পৰ্কীয় ধাৰণা





ড° ধনেশ্বৰ বৈশ্য
প্ৰবক্তা, বৰভাগ মহাবিদ্যালয়

মহান বিজ্ঞানী এলবার্ট আইনষ্টাইনে বিজ্ঞান জগতলৈ অপৰিসীম অৱদান আগবঢ়াই গৈছে। বিশ্বখ্যাত পদাৰ্থ বিজ্ঞানী গৰাকীয়ে জীৱনৰ সুদীৰ্ঘকাল বৈজ্ঞানিক গৱেষণা আৰু অনুসন্ধানৰ জৰিয়তে যিমান নতুন ধাৰণা আৰু তত্ত্ব উদ্ভাৱন কৰি গৈছে ইয়ে তেওঁক বিশ্বৰ বিজ্ঞানৰ ইতিহাসত অনন্তকালৰ বাবে অমৰ কৰি ৰাখিব। পিছে আইনষ্টাইনে যে কেৱল আপেক্ষিকতাবাদ, আলোক বিদ্যুৎক্ৰিয়া আদিৰ ওপৰতে গৱেষণা কৰি মহান তত্ত্বসমূহ আগবঢ়াই গৈছিল তেনে নহয়। তেখেতে বিজ্ঞানৰ জগতখনৰ বাহিৰেও ৰাজনীতি, মানৱতা, নৈতিকতা, শিক্ষা ইত্যাদি বিষয়ৰ ওপৰতো সুস্পষ্ট ধাৰণা দাঙি ধৰি গৈছে। সেয়েহে আইনষ্টাইনক এগৰাকী মহান বিজ্ঞানীৰ উপৰিও এগৰাকী মহান মানৱ হিচাপে গন্য কৰা হয়। এইখিনিতে আমি স্পষ্ট কৰিব বিচাৰিছো যে আমি এগৰাকী ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ হিচাপে মহান বিজ্ঞানী আইনষ্টাইনৰ বৈজ্ঞানিক ধাৰণাসমূহ আমাৰ বোধৰ হয়তো বাহিৰত। এই ক্ষুদ্ৰ লিখনিটোৰ জৰিয়তে তেখেতে শিক্ষা সম্পৰ্কে দাঙি ধৰা ধাৰণাখিনিকহে আলোচনা কৰিবলৈ চেষ্টা কৰিম।

এলবার্ট আইনষ্টাইনৰ জন্ম হৈছিল ১৮৭৯ চনৰ ১৪ মার্চ তাৰিখে জাৰ্মাণীৰ উলম্ (ULM) নামৰ ঠাইত। অশ্যে তেওঁ ডাঙৰ-দীঘল হৈছিল আৰু প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰিছিল জাৰ্মাণীৰ মিউনিখত। আৰম্ভণিতে ছাত্ৰ হিচাপে তেওঁ মুঠেও মেধাসম্পন্ন নাছিল আৰু কিছুমান শিক্ষকেতো তেওঁক মানসিকভাৱে বাধাগ্ৰস্ত (Mentally Retarded) বুলি ভাবিছিল। ন বছৰ বয়সলৈকে তেওঁ স্পষ্ট আৰু সাৱলীলভাৱে কথা ক'ব নোৱাৰিছিল। অৱশ্যে ছয় বছৰ বয়সতে তেওঁ বেহেলা বজাবলৈ শিকিছিল আৰু আজীৱন বেহেলাবাদন কাৰ্য তেওঁ অব্যাহত ৰাখিছিল। বাৰ বছৰ বয়সৰপৰা জ্যামিতি শিকাৰ ওপৰত তেওঁৰ প্ৰবল নিচা জাগে আৰু ষোল্ল বছৰ বয়সতে তেওঁ কলন গণিতৰ (Calculus) ওপৰত বুৎপত্তি লাভ কৰে। অৰ্থাৎ প্ৰথমতে আইনষ্টাইনৰ পদাৰ্থ বিজ্ঞানৰ পৰিৱৰ্তে গণিতৰ ওপৰতহে প্ৰবল আগ্ৰহ আছিল। ষোল্ল বছৰ বয়সত আইনষ্টাইনৰ মাধ্যমিক শিক্ষাৰ আনুষ্ঠানিক সমাপ্তি হৈছিল। ইয়াৰ পিছত তেওঁ চুইজাৰলেণ্ডৰ জুৰিখত অৱস্থিত 'ফেডাৰেল ইনষ্টিটিউট অৱ্ টেকনোলোজি'ত (Federal Institute of Technology) নাম ভৰ্তিৰ বাবে চেষ্টা কৰিছিল আৰু ইয়াৰ বাবে অনুষ্ঠিত হোৱা প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। পিছে গণিতশাস্ত্ৰৰ বাহিৰে আন বিষয়ত তেওঁ দক্ষতা দেখুৱাব নোৱৰা বাবে প্ৰৱেশ পৰীক্ষাত অনুত্তীৰ্ণ হয়। তেওঁ ফেডাৰেল ইনষ্টিটিউটৰ অধ্যক্ষৰ পৰামৰ্শক্ৰমে চুইজাৰলেণ্ডৰ আৰাউত অৱস্থিত 'কেনোনেল স্কুল' (Canonal School)ৰ পৰা ডিপ্ল'মা পাঠ্যক্ৰম গ্ৰহণ কৰে আৰু ১৮৯৬ চনত প্ৰত্যক্ষভাৱে ফেডাৰেল ইনষ্টিটিউট অৱ্ টেক্‌নোলোজিত নামভৰ্তি কৰাৰ সুযোগ লাভ কৰে। ইয়াত অধ্যয়ন কৰি থকা সময়তে তেওঁৰ মনলৈ আহে যে গণিতশাস্ত্ৰতকৈ পদাৰ্থ বিজ্ঞানতহে তেওঁৰ অধিক ৰাপ আছে আৰু ইয়াৰ পিছত পদাৰ্থ বিজ্ঞানৰ অধ্যয়ন, গৱেষণা তেওঁৰ জীৱনৰ মুল ধ্যান হৈ পৰে। এনেদৰে সৃষ্টি হয় মহান পদাৰ্থ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ।

আইনষ্টাইনৰ শিক্ষাৰ ধাৰণাৰ ওপৰত তেওঁ শিল্প জীৱনত লাভ কৰা অভিজ্ঞতাই যথেষ্ট প্ৰভাৱ পেলাইছিল। এগৰাকী শিক্ষাৰ্থীৰ নিভাজ প্ৰতিভা আৰু ব্যক্তিত্বৰ বিকাশৰ জৰিয়তে সামূহিক কল্যাণ সাধন কেনেকৈ কৰিব পাৰি তাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে বিদ্যালয় মানে বন্ধ কোঠা নহয় আৰু নিৰ্দিষ্ট কিছুজ্ঞান প্ৰদান কৰা অনুষ্ঠান নহয়। ই হৈছে চিৰ প্ৰৱাহমান জ্ঞানক এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বিস্তাৰিত কৰাৰ এক মাধ্যম আৰু এখন মানৱীয় সমাজৰ সুস্থতাক ধৰি ৰখাৰ এক উপায়। তেওঁৰ মতে আধুনিক সমাজ আৰু অৰ্থনৈতিক ব্যৱস্থাত পৰিয়ালৰ গাঁথনি দুৰ্বল হৈ পৰাৰ বাবে এইক্ষেত্ৰত বিদ্যালয়ৰ দায়িত্ব অধিক হৈছে। আইনষ্টাইনে ১৯৩৬ চনৰ ১৫ অক্টোবৰ তাৰিখে আমেৰিকাত দিয়া 'On Education' শীৰ্ষক এক ভাষণত এনেদৰে কৈছিল— 'The school has always been the most important means of transferring the wealth of traditions from one generation to the next. This applies today in an even higher degree than in former times, for through modern development of the econimic life, the family as bearer of tradition and education has been waekened. The continuance and health of human society is therefore in a still higher degree dependent on the school formerly.'

আইনষ্টাইনৰ মতে বিদ্যালয়ৰ উদ্দেশ্য কেৱল শিক্ষাৰ্থীক কোনো বিশেষ বিষয় কিছুমানৰ ওপৰত জ্ঞান প্ৰদান কৰা দক্ষ কৰি তোলাটো হ'ব নালাগে। বিদ্যালয়ে শিক্ষাৰ্থীসকলৰ মনত তেনে গুণ আৰু সাৰ্থকতা বৃদ্ধিৰ বাবে কাম কৰা উচিত যিয়ে তেওঁলোকক সামূহিক কল্যাণৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰে। সৃষ্টি হয় সামূহিক উন্নয়নৰ মূল্যবোধ। অৱশ্যে আইনষ্টাইনে শিক্ষাৰ্থীসকলৰ ব্যক্তিগত ব্যক্তিত্ব আৰু লক্ষ্য বাধাগ্ৰস্ত হোৱাটোও বিচৰা নাছিল। তেওঁৰ মতে শক্তিশালী ব্যক্তিত্বসম্পন্ন ব্যক্তিৰ সমষ্টিয়ে এখন প্ৰবল সমাজ সৃষ্টি কৰে। তেওঁৰ ভাষাত... But that doesnot mean that individuality should be destoyed and the individual become a mere tool of the community, like a bee or an ant. For a community of standardized individuals without personal originality and personal aims would be a poor community without possibilities of development. আইনষ্টাইনে অনুভৱ কৰিছিল যে শিক্ষাৰ্থীক কেৱল কোনো নিৰ্দিষ্ট কিছুমান বিষয়ত বিশেষজ্ঞ কৰি তুলিব খোজা প্ৰৱণতাই এক সুসংগঠিভাৱে বিকশিত ব্যক্তি সৃষ্টি কৰিব নোৱাৰে। শিক্ষাই শিক্ষাৰ্থীক মানুহৰ অভিপ্ৰায়, তেওঁলোকৰ ভ্ৰান্তি আৰু বেদনা বুজি পাবলৈ সহায় কৰিব লাগিব যাতে ইয়াৰ জৰিয়তে ভৱিষ্যতে শিক্ষাৰ্থসকলে ব্যক্তি আৰু সম্প্ৰদায়ৰ মাজত প্ৰকৃত সম্পৰ্ক গঢ়ি তোলাত ভূমিকা পালন কৰিব পাৰে।

আইনষ্টাইনৰ মতে বিদ্যালয়ৰ প্ৰধান উদ্দেশ্য হ'ব লাগে ছাত্ৰ-ছাত্ৰীসকলক যিকোনো বিষয় শিকাৰ বাবে আগ্ৰহী কৰি তোলে। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ সত্যক আৱিষ্কাৰ কৰিবলৈ থকা আগ্ৰহক শক্তিশালী কৰি তোলে। শিশুৰ মনত কেৱল ব্যক্তিগত উচ্চাকাংক্ষা জগাই তোলা বা কোনো কাৰ্যৰ বাবে জোৰকৈ আগ্ৰহী কৰি তোলাটো শিক্ষাৰ উদ্দেশ্য হ'ব নালাগে। ভীতিগ্ৰস্ত কৰি শিশুক প্ৰদান কৰা শিক্ষাই কেতিয়াও কোনো বিষয়ৰ প্ৰতি শিশুক আগ্ৰহী কৰি তুলিব নোৱাৰে। বৰঞ্চ ই শিশুৰ গভীৰ ভাবানুভূতি অকপটতা আৰু আত্মবিশ্বাস ধ্বংস কৰে।

তেওঁ কৈছে— 'To me the worst thing seems to be for a school principally to work with methods of fear, force and artificial authority. Such treatment destroys the sound sentiment, the sincereity, and the self-confidence of the pupil. It produces the submissive subject.' সেয়েহে তেওঁ শিক্ষকসকলে যাতে শিশুক ভীতিগ্ৰস্ত কৰি শিক্ষা প্ৰদান কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব দিছিল। আইনষ্টাইনে স্পষ্টভাৱে উল্লেখ কৰিছিল যে বিদ্যালয়ত শিক্ষাৰ্থীয়ে কৰা কামৰ মাজেদি আনন্দ উপভোগ কৰিব পাৰিব লাগিব। তেওঁলোকে কৰা কামৰ ফলাফলত আনন্দ পাব লাগিব আৰু তেওঁলোকৰ জ্ঞান আৰু ফলাফলে মানৱ সমাজক আনন্দিত কৰিব লাগিব। বিদ্যালয়ে তেওঁলোকৰ মনত এনে মনঃস্তাত্ত্বিক ভেটি তৈয়াৰ কৰিব লাগিব। আইনষ্টাইনে আনন্দজনক পৰিৱেশৰ মাজেদি ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত শিক্ষকক কিছু স্বাধীনতা প্ৰদান কৰাটো বিচাৰিছিল। শিক্ষাৰ উপাদান আৰু শিক্ষাদানৰ পদ্ধতিৰ ক্ষেত্ৰত তেওঁ শিক্ষকক সম্প্ৰসাৰিত স্বাধীনতা দিয়াটো বিচাৰিছিল। শিক্ষা জীৱনত শিক্ষাৰ্থীয়ে শৈক্ষিক কামৰ মাজেদি লাভ কৰা আনন্দৰ অনুভৱ পৰৱৰ্তী জীৱনত এগৰাকী ব্যক্তি হিচাপে সম্পাদন কৰা যিকোনো কাৰ্যৰ মাজেদি অনুভৱ কৰিব পাৰিব বুলি আইনষ্টাইনে দৃঢ় বিশ্বাস কৰিছিল।



প্ৰতিযোগিতামূলক ব্যৱস্থা আৰু তাৎক্ষণিক উপযোগিতাৰ ভিত্তিত অপৰিপক্ক বিশেষিকৰণৰ ওপৰত আৰোপ কৰা অত্যধিক গুৰুত্বই শিক্ষাৰ্থীৰ স্পৃহা নষ্ট কৰে বুলি আইনষ্টাইনে বিশ্বাস কৰিছিল। শিক্ষাৰ মূল্য নিৰ্ভৰ কৰে যুৱ মনত স্বাধীন সমালোচনাত্মক চিন্তাধাৰা বিকাশ কৰাৰ মাজেদি। পিছে শিক্ষাৰ্থীৰ ওপৰত জাপি দিয়া বিভিন্ন বিষয়ৰ অত্যধিক বোজাই এনে স্বাধীন চিন্তাধাৰা বিকাশক বাধাগ্ৰস্ত কৰে। শিকন আৰু শিক্ষণ হৈছে মূল্যৱান উপহাৰ, ই কোনো কঠিন কৰ্তব্য নহয়।



বিশ্বব্ৰহ্মাণ্ডৰ গৱেষণাত গভীৰভাৱে জড়িত হৈ থাকিও মহান বিজ্ঞানী আইনষ্টাইনে বিজ্ঞানৰ উপৰিও সমাজৰ আন দিশৰ উত্তৰণৰ চিন্তাৰ পৰা নিজকে বিৰত ৰাখিব পৰা নাছিল। এখন সৰ্বাংগ সুন্দৰ সমাজ তেওঁৰ কাম্য আছিল। কিছুমান ব্যক্তিত্বসম্পন্ন মানুহেৰে গঢ়া বিশ্ব সমাজে বিশ্বৰ সকলো ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যা নিৰশন কৰিব পাৰে বুলি আইনষ্টাইনে গভীৰভাৱে বিশ্বাস কৰিছিল। মানৱতাবাদৰ প্ৰতি আছিল তেওঁৰ একান্ত সমৰ্থন। শিক্ষাৰ জৰিয়তেহে ব্যক্তিত্বসম্পন্ন আৰু মানৱতাবাদী মানৱ সৃষ্ট হ'ব বুলি আইনষ্টাইনে শোষণ কৰিছিল দৃঢ় আশা।

বিশ্বব্ৰহ্মাণ্ডৰ গৱেষণাত গভীৰভাৱে জড়িত হৈ থাকিও মহান বিজ্ঞানী আইনষ্টাইনে বিজ্ঞানৰ উপৰিও সমাজৰ আন দিশৰ উত্তৰণৰ চিন্তাৰ পৰা নিজকে বিৰত ৰাখিব পৰা নাছিল। এখন সৰ্বাংগ সুন্দৰ সমাজ তেওঁৰ কাম্য আছিল। কিছুমান ব্যক্তিত্বসম্পন্ন মানুহেৰে গঢ়া বিশ্ব সমাজে বিশ্বৰ সকলো ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যা নিৰশন কৰিব পাৰে বুলি আইনষ্টাইনে গভীৰভাৱে বিশ্বাস কৰিছিল। মানৱতাবাদৰ প্ৰতি আছিল তেওঁৰ একান্ত সমৰ্থন। শিক্ষাৰ জৰিয়তেহে ব্যক্তিত্বসম্পন্ন আৰু মানৱতাবাদী মানৱ সৃষ্ট হ'ব বুলি আইনষ্টাইনে শোষণ কৰিছিল দৃঢ় আশা।

শেষত মহান বিজ্ঞানীগৰাকীয়ে আগবঢ়োৱা দুটা উক্তিৰে সামৰিছোঁ— 'For a successful man is he who receives a gret deal from his fellowmen, usually incomparabhy more than corresponds to his service to them. The value of a man, however, should be seen in what he gives and not in what he is able to receive.' (Albert Einstein- 'On Education')

'It is also vital to a valuable education that independent critical thinking be developed in the young human being, a development that is greatly jeopardized by overburdening him with too much and with too varied subjects (point system). (Albert Einstein, 'Education for Independent Thought' New York Times, 5\10\1952)

(উক্ত লিখনিটো প্ৰস্তুত কৰোতে মূলত ঃ Albert Einsteinৰ 'Ideas and opinion' গ্ৰন্থখনৰ পৰা সহায় লোৱা হৈছে।)



# আমি কেনে মুছলমান আছিলোঁ



✍ ৰাছেল হুছেইন

১৯ এপ্ৰিলত 'আমাৰ অসম'ত শ্ৰদ্ধাৰ ড° হীৰেন গোহাঁই ছাৰৰ 'আমি কেনেকুৱা হিন্দু আছিলোঁ?' শীৰ্ষক ৰচনাখন পঢ়ি অলেখ ভাবনা মনৰ মাজত অহৰ্নিশে অহা-যোৱা কৰাৰ বাবেহে এই লেখাটো লিখাৰ সাহসকণ কৰিব পাৰিছোঁ। হয়তো শিৰোনামৰ প্ৰশ্নটো কাহানিও মনলৈ অহা নাছিল। এখন উদাৰ, ধৰ্মীয় গোড়ামীৰ পৰিচিতি নথকা সমাজ আৰু বন্ধু-বান্ধৱৰ সংস্পৰ্শত থকাৰ বাবেই হয়তো এনে প্ৰশ্নৰ উদ্ৰেক নোহোৱাটোৱেই আছিল স্বাভাৱিক। তদুপৰি স্ব-ধৰ্মৰ সত্তাটো আমাৰ সামগ্ৰিক পৰিচিতিৰ ক্ষেত্ৰত কেতিয়াও প্ৰাসংগিক হৈ উঠা নাছিল বাবে ধৰ্মৰ প্ৰসংগটো পৰি ৰৈছিল অন্তৰৰ গহন কোণত। গোহাঁই ছাৰৰ লেখাটোৱে আমাক সামান্য স্মৃতিকাতৰ কৰি তুলিলে বাবে নিজকে ধৰ্মীয় দৃষ্টিকোণৰ পৰা চালি-জাৰি চোৱাৰ অনুপ্ৰেৰণা পাইছোঁ।

মোৰ বাবা হাইদৰ হুছেইনৰ ঘৰ হৈছে নলবাৰী জিলাৰ অন্তৰ্গত বৰভাগ মৌজাৰ বড়িডতৰা গাঁৱত। ককাৰ নাম চাহাৰ আলী। মোৰ জন্ম গুৱাহাটীতে যদিও শৈশৱৰে পৰা আমাৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল গাঁও আৰু গাঁৱত থকা মোৰ প্ৰয়াত ককা আৰু আইতা। দুৰ্গা পূজা, মাঘ বিহু, ব'হাগ বিহু, ঈদ আদি অনুষ্ঠানবোৰত যেতিয়া আমি স্কুল বন্ধ পাইছিলোঁ, তেতিয়া বাবাক খাটনি ধৰিছিলোঁ গাঁৱৰ ঘৰলৈ যাবলৈ। বাইদেউ মেৰিনা, ভাইটি বনজিত আৰু মোৰ নেৰানেপেৰা অনুৰোধত বাবাৰ হাতত ধৰি গাঁৱৰ ঘৰলৈ ওলাইছিলোঁ। মূল গড়কাপ্তানী পথটোৰ পৰা আমাৰ বড়িডতৰা গাঁৱলৈ অকণমান বাট খোজকাঢ়ি যাব লাগে। গাঁৱলীয়া সেই কেঁচা বাটেৰে গ'লে মাজতে পোৱা যায় কেইবাটাও চুপা। বাবাক দেখি সেই চুপাবোৰৰ পৰা বাবাৰ সমবয়সীয়া চুই-চাৰিজন ওলাই আহিছিল। বাবাই আমাক সেইসকলৰ লগত চিনাকি কৰাই দিছিল— 'এইজন যতীন খুৰা। নমস্কাৰ দে। তইঁতক যে কওঁ হাইস্কুলত থাকোঁতে মই সৰস্বতী পূজাৰ ছেক্ৰেটাৰী হৈছিলোঁ, তেতিয়া ই আছিল কমিটীৰ প্ৰেছিডেণ্ট'। আমাৰ মাজৰ ফুকলীয়া ভাইটিক যতীন খুৰা নামৰ মানুহজনে কোলাত উঠাই লগে লগে সুধিছিল— 'কেইদিনমান থাকিবা?'

ভাইটিয়ে তপৰাই উত্তৰ দিছিল— 'আমি পূজা চাবলৈহে আহিছোঁ। একদম পূজা চাইহে উভতিম।'

আমাৰ ককা প্ৰয়াত চাহাব আলী আছিল এজন সাধাৰণ খেতিয়ক। নিজৰ খেতিডৰাত অনবৰত ব্যস্ত থকা মানুহজনে দুই-এবিধ কবিৰাজি বিদ্যাও জানিছিল। সেয়েহে প্ৰতি পুৱা কাষৰৰ হিন্দু গাঁৱৰ পৰা অহা মানুহেৰে ককাহঁতৰ চোতালখন ভৰি থাকিছিল। কাৰোবাক যদি ভৰিৰ বিষৰ বাবে পানী জৰা লাগে, তেন্তে আন কাৰোবাক লাগে তেল জৰা। কোনোধৰণৰ মাননি স্বীকাৰ নকৰা ককাই প্ৰতিজন লোকক এপিয়লা চাহ নোখোৱাকৈ পঠিওৱা নাছিল। পূজাৰ বন্ধৰ সময়ত গাঁৱৰ ঘৰত থকা আমাৰ দৰে নাবালকসকলৰ বাবে তেতিয়া কোন হিন্দু, কোন মুছলমান, দুয়োটা ধৰ্মীয় সম্প্ৰদায়ৰ মাজত পাৰ্থক্যই বা কি— তাক বুজাটো কঠিন আছিল। তদুপৰি সামাজিক আৰু সাংস্কৃতিকভাৱে একাকাৰ হৈ পৰা আমাৰ পিতৃগাঁৱত সেই পাৰ্থক্যটো আৱিষ্কাৰ কৰাটোও আছিল এক মুৰ্খামিৰ পৰিচয়।

বিগত সময়ছোৱাত সৰস্বতী পূজা, শান্তিপুৰ শ্লুইচ গেট সাৰ্বজনীন দুৰ্গা পূজা আদিৰ সক্ৰিয় সদস্য হোৱাৰ লগতে দুবাৰমান গুৰু দায়িত্বও পালন কৰিছোঁ। এসময়ত দুৰ্গা পূজাৰ সময়ৰ বাবাৰ হাতত ধৰি পাণ্ডুৰ ৰেষ্ট কেম্পৰ দুৰ্গা পূজা খোজকাঢ়ি চোৱাৰ লেখীয়াকৈ এতিয়া নিজৰ ল'ৰা দুটাক পূজা মণ্ডপবোৰ দেখুৱাই ঘূৰাই ফুৰোঁ। হোলী বা দেৱালীৰ সময়ত সিহঁত দুটাই অধীৰ আগ্ৰহেৰে বাট চাই ৰয় মই সিহঁতলৈ কিনি নিয়া ফাকুৱা আৰু ফট্‌কাৰ বাবে। প্ৰতিবছৰে বিশ্বকৰ্মাৰ সময়ত সম্ভৱতঃ প্ৰথম উখল-মাখল লাগে মোৰ কালাপাহাৰস্থিত উদ্যোগ পামৰ কাৰখানাত।

ধৰ্মীয় কোনো বিৰোধ, অসহিষ্ণুতা প্ৰদৰ্শন নকৰাকৈ হিন্দু-মুছলমান উভয়ে সমিলমিলেৰে বাস কৰা সেই বড়িডতৰা গাঁও মোৰ বাবা আৰু আমাৰ পৰিয়ালটোৰ সকলো সদস্যৰ বাবে আছিল এক সমন্বয়ৰ প্ৰতীক। কেৱল বড়িডতৰাই নহয়, বৰভাগ মৌজাৰ সকলোবোৰ গাঁৱতেই আছিল একেই পৰিৱেশ। ঈদ, দুৰ্গা পূজা, সৰস্বতী পূজা আদি অনুষ্ঠানত ইজনে সিজনৰ আনন্দৰ সমভাগী হ'ব পৰাৰ বাবেই হয়তো আমাৰ শৈশৱৰ আটাইতকৈ আকাংক্ষিত আৰু প্ৰিয় অনুষ্ঠানটো আছিল দুৰ্গা পূজা। হৰেক ৰকমৰ বেলুন উৰুৱা, ন ন কাপোৰ কিনা আদি প্ৰত্যাশাবোৰ পুহি ৰখা হৈছিল দুৰ্গা পূজালৈ। সেয়েহে বহু দিনলৈ আমি বুজি উঠা নাছিলোঁ দুৰ্গা পূজা হিন্দুৰ নে মুছলমানৰ? আমাৰ শৈশৱৰ মনবোৰৰ বাবে এনে প্ৰশ্নবোৰো আছিল অবান্তৰ। হাইস্কুলত থকা সময়ত সৰস্বতী পূজাৰ ছেক্ৰেটাৰী হোৱা মোৰ বাবাৰ কথা শুনি অথবা একেটা পুখুৰীতে হিন্দু-মুছলমানে পানী খোৱা পৰম্পৰা দেখি আমাৰ লগৰ কোনো বন্ধু-বান্ধৱৰ মাজতো ধৰ্মৰ প্ৰশ্নবোৰ উঠা নাছিল।

তেনেই সহজ আৰু নিষ্কলুষ জীৱন আছিল সেয়া। সেই অসূয়া-অপ্ৰীতিহীন সৰলতাই জীৱন ধৰি যেন আমাক প্ৰভাৱিত কৰি ৰাখিছিল। পৰৱৰ্তী সময়ত বাবাৰ পদাংক অনুসৰণ কৰি মই কেৱল হিন্দু-বন্ধুবোৰে লোৱাৰ বাবেই হাইস্কুলত সংস্কৃত পঢ়িছিলোঁ (আজিৰ পৰা পঞ্চাছ বছৰ আগতে বাবাই যেতিয়া লগৰকেইজনে সংস্কৃত পঢ়াৰ বাবে সংস্কৃত লৈছিল, তেতিয়া বড়িডতৰা গাঁৱৰ মুছলমান চুপাত কোনেও বাবাক আৰবী কিয় নল'লি বুলি প্ৰশ্ন তোলা নাছিল)। উল্লেখ্য, সেই একেখন বড়িডতৰা গাঁৱৰ পৰা ২০১০ চনত ইনামূল আব্দুলা নামৰ ছাত্ৰ এজনে উচ্চতৰ মাধ্যমিক পৰীক্ষাত সংস্কৃত বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিছিল। বিগত সময়ছোৱাত সৰস্বতী পূজা, শান্তিপুৰ শ্লুইচ গেট সাৰ্বজনীন দুৰ্গা পূজা আদিৰ সক্ৰিয় সদস্য হোৱাৰ লগতে দুবাৰমান গুৰু দায়িত্বও পালন কৰিছোঁ। এসময়ত দুৰ্গা পূজাৰ সময়ৰ বাবাৰ হাতত ধৰি পাণ্ডুৰ ৰেষ্ট কেম্পৰ দুৰ্গা পূজা খোজকাঢ়ি চোৱাৰ লেখীয়াকৈ এতিয়া নিজৰ ল'ৰা দুটাক পূজা মণ্ডপবোৰ দেখুৱাই ঘূৰাই ফুৰোঁ। হোলী বা দেৱালীৰ সময়ত সিহঁত দুটাই অধীৰ আগ্ৰহেৰে বাট চাই ৰয় মই সিহঁতলৈ কিনি নিয়া ফাকুৱা আৰু ফট্‌কাৰ বাবে। প্ৰতিবছৰে বিশ্বকৰ্মাৰ সময়ত সম্ভৱতঃ প্ৰথম উখল-মাখল লাগে মোৰ কালাপাহাৰস্থিত উদ্যোগ পামৰ কাৰখানাত। বিগত কেইবাবছৰে ছেপ্টেম্বৰ মাহ আহিলেই বন্ধুমহলৰ (মোৰ কিমানজন বন্ধু হিন্দু আৰু কিমানজন মুছলমান, তাক আজিলৈকে হিচাপ কৰা নহ'ল) পৰা তাগিদা আহে— এইবাৰ বিশ্বকৰ্মা পূজাত কি খুৱাবি?

কাৰোবাক দেখুৱাবলৈ অথবা কাৰোবাক সন্তুষ্ট কৰিবলৈ মোৰ ককাৰ পৰা আৰম্ভ কৰি মোৰ বাবা বা মই সম্ভৱতঃ এইবোৰ কৰা নাই। আমাৰ লগৰ অলেখ হিন্দু-মুছলমান লোকে জীৱন তথা সংস্কৃতিৰ এক অংশ বুলি মানিয়েই হয়তো ধৰ্মীয় পৰিচিতিক আওকাণ কৰি আত্মীয়কৰণ (Assimilation) প্ৰক্ৰিয়াৰে গঢ় লৈ উঠা 'অসমীয়া সংস্কৃতি'ত এনেদৰে জীণ গৈছে। এতিয়া আমাৰ মাজত কোনোবাই ধৰ্মীয় পৰিচিতিৰ প্ৰশ্নটো (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত অৱতীৰ্ণ হওঁতে এজনে মোৰ বিৰুদ্ধে ইছলামিক সন্ত্ৰাসবাদী বুলি এক অভিযোগ আনি নিৰ্বাচনত জয়ী হৈছিল। সুখৰ কথা যে এনে এক অপপ্ৰচাৰৰ বিৰুদ্ধে মোৰ সমৰ্থনত থিয় হোৱা সৰহভাগ বন্ধুৱেই আছিল হিন্দু) তোলাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক। ধৰ্মক মনৰ গহন কোণতেই থাকিবলৈ দিয়ক, সমাজ অথবা আমাৰ সামগ্ৰিক জীৱনত তাক আধিপত্য স্থাপন কৰিবলৈ দিব নালাগে। তেতিয়া অন্ততঃ আমি সুখত থাকিব পাৰিম।

*লেখক এগৰাকী নিবন্ধকাৰ, বিশিষ্ট ব্যৱসায়ী তথা গ্ৰাম্য বিকাশ মঞ্চৰ শুভাকাংক্ষী*

ৰঙালী বিহুত তুমি আহিবা। মনত পৰেনে ফাৰগুশ্বন কলেজৰ কেন্টিনত তুমি মই যে কিবা বিষাদত গাইছিলো, 'কুলি কেতেকীয়ে ইনালে বিনালে...'। তুমি এইবাৰ জৰুৰ আহিবা। আমাৰো কিছু গান আছে ইনাই বিনাই গাব লগা। তুমি কিন্তু ফ্লাইটত নাহিবা। এইবেলি ট্ৰেইনতে আহিবা, পাৰিলে শ্লিপাৰ শ্ৰেণীত...। অসম নৌপাওতেই কোচবিহাৰতেই তুমি তোমাৰ ডবাৰ দুৱাৰ খুলি দিবা, মোক নিশ্চয় তাতেই পাবা। দিগন্তলৈ জুমি চোৱা চোন...পথাৰবোৰ চোৱাচোন কেনেদৰে সেউজীয়াৰ পৰা নীলা হৈ পাহাৰলৈ পৰিবৰ্তিত হৈছে। চোৱা লেপটপৰ মনিটৰতকৈ কিমান বিশাল অসমীৰ আকাশ...!!

# এইবাৰ কিন্তু তুমি আহিবা

✍ অৰূপজ্যোতি দাস

যৌৱন মানেই নেহেৰু পাৰ্কত হিয়া দিয়া নিয়া নিশ্চয় নহয়। যৌৱনৰ অন্য কিছু অৰ্থও থাকে। এগৰাকী গায়কে গাইছিল, "Don't fall in love with a dreamer" তৎসত্ত্বেও যৌৱন কিন্তু সপোনৰে জগত। পঢ়া-শুনা শেষ হোৱাই নাই, বাস্তৱৰ সৈতে মুখ ঠেকেছা খোৱাই নাই, সময়বোৰ কিমান ভাল লগা আছিল নহয় জানো?... কোনো প্ৰত্যন্ত গাঁও অথবা সৰু চহৰখনত বাস কৰা পিতৃ-মাতৃয়ে মাহৰ পইচা কেইটা কেনেদৰে যোগাৰ কৰি হোষ্টেল বা মেছলৈ পঠিয়াইছে সেইবোৰ লৈ চিন্তা কৰিবলগীয়া নাই... মাথোঁ সন্মুখত অলেখ জীয়া সপোন। যৌৱন যেনেদৰে প্ৰেমৰ সময় তেনেদৰে বিদ্ৰোহৰো, বিপ্লৱৰো। যৌৱনতে কোনোবাই কলম তুলি লৈছে ভাব প্ৰকাশৰ বাবে, কোনোবাই উৰুৱাইছে চিগাৰেটৰ ধোঁৱা আৰু কোনোবাই উৰাইছে বাৰুদৰ ধোঁৱা। কটন কলেজৰ কোনোবা এটি ছাত্ৰাবাসৰ বেৰত কোনো অখ্যাত শিল্পীয়ে লিখা দেখিছিলো, "প্ৰেম কামনাৰ ভদ্ৰ প্ৰকাশ"... এৰা এয়াই যৌৱন, সকলো কথাৰে নতুন ইন্টাৰপ্ৰিটেশ্বন।

সময়বোৰ ক'ব নোৱাৰাকৈয়ে পাৰ হৈ যায়। অৱশ্যে এয়াও তৰ্কৰ বিষয়। সময় হেনো পাৰ হৈ নাযায়, যি পাৰ হৈ যায়... যি আগুৱাই যায়... সেইবোৰ হ'লো আমি। সময় হেনো নিজৰ ঠাইতে ৰৈ আছে। যিকি নহ'ওক, এইবোৰ তাৰ্কিক-বুদ্ধিজীৱিৰ বিষয় বস্তু, আমাৰ দৰে ভাবুকৰ নহয়।

মনত পৰিছে, যেতিয়া আমাৰ মনবোৰ-অন্তৰবোৰ বাস্তৱে ধৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাছিল, তেতিয়া আমি কেইজনমান মুষ্টিমেয় বন্ধুৱে, খুবেই মুষ্টিমেয় বন্ধু কেইজনমানে ভৱিষ্যৎ সম্পৰ্কে কিছুমান সংকল্প লৈছিলো অথবা অন্য অৰ্থত কিছুমান ডাঙৰ ডাঙৰ কথা কৈছিলো। কোনোবাই কৈছিল মই বনিয়াগিৰি নকৰো (অৰ্থটো এনেকুৱা আছিল যে অন্য দহজনৰ দৰে তেওঁ মেনেজমেন্টৰ পাঠ্যক্ৰম নপঢ়ে), কোনোবাই কৈছিল মই জুবিনৰ দৰে গান গাম আৰু কোনোবাই কৈছিল, 'মই চিনেমা বনাম...'। মুঠৰ ওপৰত বহু কথা, বহু সপোন। আমাৰ সপোনবোৰৰ কোনো মিল নাছিল, আমাৰ মাজত যিহৰ মিল আছিল সেয়া আছিল সপোনবোৰৰ প্ৰতি থকা আমাৰ সকলোৰে আনুগত্য। এইবোৰ বহুদিন আগৰ কথা...। সময় পাৰ হৈ গ'ল...। কিমান দিন বাৰু...? এবছৰ, দুবছৰ... সাত বছৰ! ক'ব নোৱাৰাকৈয়ে, আমাৰ কাৰো অনুমতিলৈ অপেক্ষা নকৰি সাতোটা বছৰে আমাৰ সকলোৰে জীৱনৰ পৰা বিদায় মাগিলে! কোনোবাই কৈছিল, মানুহে হেনো সদায় কঠিন শিলৰ দৰে হৈ থকাটো উচিত নহয়, কেতিয়াবা কেতিয়াবা মানুহ পানীৰ দৰে তৰল হৈ পৰা উচিত, কিয়নো তৰল পানীয়েহে সকলো বাধা বিঘিনি পাহাৰ-পৰ্বত অতিক্ৰমি আগুৱাই যাব পাৰে। যোৱাটো সাত বছৰে আমিও ক'ব নোৱাৰাকৈয়ে আমাৰ সপোনবোৰ অলপ অলপকৈ পিচুৱাই জীৱনৰ সংগ্ৰামত তৰল ৰূপত অৱতীৰ্ণ হৈ আজি যেন ক'ৰবাত আহি ৰৈ গৈছোহি।

সাত বছৰ নিশ্চয় কম সময় নহয়। আৰু সাত বছৰ হ'লে দেখোন বনবাসৰ সমপৰ্যায়ৰ হ'ব! সাত বছৰ

তৰল হৈ বৈ যোৱাৰ অন্তত, অনুভৱ কৰিছো অলপ বৈ যোৱাৰ,... বৈ দীঘলকৈ উশাহ লোৱাৰ আৰু উভতি চোৱাৰ। যোৱা কেইদিনমানৰ পৰা অন্তৰৰ ভিতৰত তাগিদা অনুভৱ কৰিছিলো, পুৰণি মানুহখিনিক বিচাৰি উলিওৱাৰ, বিশেষকৈ বিশেষ এজনক। ম'বাইলৰ সপক্ষে-বিপক্ষে বহু কথা কোৱা যায়, তথাপিও এই মোবাইলৰ জৰিয়তেই তিনিহাজাৰ (কমো হ'ব পাৰে বেচিও হ'ব পাৰে) কিল'মিটাৰ আতৰত থকা পুৰণি বন্ধু ৰোহনৰ সৈতে মুহূৰ্ততে কথা পাতিবলৈ সক্ষম হ'লো। মুহূৰ্তৰ ভিতৰতে ৰোহনে তিনিহাজাৰ কিল'মিটাৰ অতিক্ৰমি মোৰ কানৰ কাষত কৈ উঠিল, "অৰূপ দা, আজিৰ দিনটোত মোৰ আপোনাক মোৰ ওচৰতে পাবলৈ বৰ মন গৈছে... বহু কথা আছে ক'বলৈ, আপোনাৰ মনত আছেনে আমি যে আন্নাৰ দোকানত তিনিটকাৰ চিউৰা (এবিধ মাৰাঠী খাদ্য) খাইছিলো, কিমান আনন্দৰ দিন আছিল সেইবোৰ... মোৰ সেই দিনবোৰলৈ পুনৰ উভতি যাবলৈ মন গৈছে।" ৰোহনৰ কণ্ঠত সঁচাকৈয়ে সেই দিনবোৰলৈ উভতি যোৱাৰ এক কাতৰ ইচ্ছা প্ৰকাশ পাইছিল। মুহূৰ্তৰ ভিতৰতে আমাৰ মাজত থকা শ্ৰেণী বিভাজন-ভৌগোলিক দূৰত্ব তৰল হৈ বৈ গ'ল। শ্ৰেণীৰ কথা এই কাৰণেই কৈছো, ৰোহনে যিটো বহুজাতিক কোম্পানীত কাম কৰে সেই কোম্পানীটোৱে ৰোহনক দৰমহা দিয়ে আধালাখমান টকা, ৰোহনে যিখন হোটেলত সদস্তে সোমাব, সেইখনৰ পিনে মই হয়তো ঘূৰি চোৱাটোৱে উচিত নহ'ব। ৰোহনৰ কণ্ঠই মোক ক'ব নোৱাৰাকৈয়ে অতীতলৈ গতিয়াই দিলে। স্মৃতিৰ মনিটৰত পুৰণি ফাইলবোৰে ভুমুকি মাৰিবলৈ ককবকাই উঠিল।

আমাৰ দুয়োৰে মাজত পাৰ্থক্য বহুতো। ৰোহন মোতকৈ সৰু। মই নামনিৰ কামৰূপী কোচ ৰাজবংশী। ৰোহন উজনিৰ মান্য অসমীয়া কোৱা আহোম। ইতিহাসৰ পাতত আমি ঘোৰ শত্ৰু। তথাপিও আমাৰ ছাত্ৰ জীৱনত আমি দুয়ো কেনে মধুৰ দিন অতিবাহিত কৰিছিলো! যেতিয়া আমাৰ বন্ধুবৰ্গসকল সন্ধিয়া বিশেষ বিশেষ ঠাই কিছুমানত আড্ডাত ব্যস্ত আছিল, তেতিয়া আমি আমাৰ কেইজনমান উত্তৰ-পূবৰ বন্ধুৰ সৈতে উত্তৰ-পূবৰ কোনো বিশেষ এটি ছাত্ৰ সংগঠনৰ কাৰ্য্যালয়ত ব্যস্ত আছিলো দুই এদিনতে পাতিবলগীয়া নৱাগত আদৰণি সভাখনক লৈ অথবা তাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰিবলগীয়া ৰক্তদান শিবিৰটোক লৈ। ৰোহন হয়তো ব্যস্ত হৈ পৰিছিল আমাৰ স্মৰণিকাখনৰ লে আউটক লৈ নাইবা নৱাগত আদৰণি সভাৰ সাংস্কৃতিক সন্ধিয়াত সি গাবলগীয়া গান কেইটাক লৈ। তাৰপিচত... হঠাৎ এদিন ৰোহনে ধেমালিতে কোনো প্ৰস্তুতি নোহোৱাকৈ এম বি এ-ৰ পৰীক্ষাত বহিল। বিধিৰ বিপাক, সি এটা বিশেষ কেন্দ্ৰৰ বাচনি পৰীক্ষাত শীৰ্ষস্থানো লাভ কৰিলে। এই আকস্মিক সাফল্য আৰু সুখক ৰোহনে বাধা দিব নোৱাৰিলে। ক'ব নোৱাৰাকৈয়ে ৰোহনে এদিন কিছুমান সপোনক অনিৰ্দিষ্ট কাললৈ পিচুৱাই দি আমাৰ মুঠিৰ পৰা ওলাই গ'ল। অন্ত পৰিল আমাৰ উজাগৰী ৰাতিৰ... বিনিদ্ৰ ৰজনীৰ। অন্ত পৰিল মাথোঁ এপেগ পান কৰিয়ে 'চন্দ্ৰ তৰা থাপ মাৰি আনি থেকেছি পেলোৱাৰ ইচ্ছাৰ...', গালিবৰ শ্বায়েৰি, ভূপেন হাজৰিকাৰ 'জীয়াই থাকি এখনি সমাজ গঢ়া'ৰ পণ, জুবিনৰ গান আৰু অসমৰ সাৰ্বভৌমত্বৰ যুক্তি-অযুক্তিৰ অপূৰ্ব ককটেইলৰ।...ৰোহন গুছি গ'ল।

আপাত দৃষ্টিত ৰোহন আজি সুখী। আৰু মই?...'দীল নে জো চাহা, হমনে ৰহী কিয়া, কভী ফুৰচত মে চোচেংগে অচ্ছা কিয়া য়া বুৰা কিয়া...' অন্তৰে যি বিচাৰিল সেয়াই কৰিলো, সময় পালে কেতিয়াবা ভাবিম ভাল কৰিলো নে বেয়া কৰিলো।

১৯৯৯-ৰ চেপ্তেম্বৰ মাহৰ কোনো এদিনাখন নৱাগত সভাৰ প্ৰস্তুতি চলায় আছো। অথচ তাৰেই পিচদিনাখন সেই ঠাই এৰি প্ৰায় চিৰদিনলৈ অসমলৈ উভতিম। ই আৰু কেনে বিদায় হাজাৰজনক আদৰি নিৰলে আঁতৰি যাব লাগিব! কাষত চিৰসংগী, কৰ্মী ৰোহন নাই...। ৰোহনে মেনেজমেন্টৰ পাঠ্যক্ৰমত প্ৰস্তুতি চালাইছে তাৰ সপোনবোৰক দূৰতে বিদূৰ কৰাৰ। নতুন কিছুসংখ্যক ল'ৰাছোৱালীৰ সৈতে কাম কৰিছো, চেষ্টা কৰিছো সপোনবোৰৰ উত্তৰাধিকাৰী বিচাৰি উলিওৱাৰ। ৰোহন আহিল, খুবেই ব্যস্ত... কোনোমতে অলপ সময় থাকি গুছি গ'ল। ৰোহন, তোমাৰ পৰা বিদায় যে লোৱা নহ'ল...! শেষ বিদায়ৰ পৰত ৰেল ষ্টেশ্বনত হেজাৰজনৰ মাজত তুমিতো নাছিলা... চোৱা অলপ অলপকৈ ট্ৰেইনখনে নিষ্ঠুৰভাৱে বিশাল ষ্টেশ্বনটোক তুচ্য কৰি মনিব নোৱাৰাকৈ এৰি থৈ আহিল, ক'তা তুমিটো ট্ৰেইনৰ কাষে কাষে হিয়া ভগা প্ৰেমিকৰ দৰে দৌৰি নাহিলা...।

নেটৱৰ্ক ব্যস্ত (busy)... অথবা তুমি ব্যস্ত। নহ'লে তোমাৰ মোবাইলটোৱে বৰ দুষ্ট। কথা পাতিম মোবাইলত। চিম কাৰ্ডেই হিয়াৰ দৰে থৌকি-বাথৌ লগাব। অথবা আমি অলপ সময় নীৰৱে থাকিম। তাৰপিচত একেলগে আকাশলৈ চাম। একেই জোনটো... আহা পুনৰাই তাক থাপ মাৰি অনাৰ প্ৰয়াস কৰো! তোমাৰ ফ্লেটৰ খিৰীকিৰে বাৰু জোনবাই কিমান দূৰ?

এইবাৰ অসমত বৰষুণ একেবাৰে হোৱা নাই। ভোগালী হেনো কঙালী হ'ব! তথাপিও কিন্তু ৰঙালী বিহুত তুমি আহিবা। মনত পৰেনে ফাৰগুশ্বন কলেজৰ কেন্টিনত তুমি মই যে কিবা বিষাদত গাইছিলো, 'কুলি কেতেকীয়ে ইনালে বিনালে...'। তুমি এইবাৰ জৰুৰ আহিবা। আমাৰো কিছু গান আছে ইনাই বিনাই গাব লগা। তুমি কিন্তু ফ্লাইটত নাহিবা। এইবেলি ট্ৰেইনতে আহিবা, পাৰিলে শ্লিপাৰ শ্ৰেণীত...। অসম নৌপাওতেই কোচবিহাৰতেই তুমি তোমাৰ ডবাৰ দুৱাৰ খুলি দিবা, মোক নিশ্চয় তাতেই পাবা। দিগন্তলৈ জুমি চোৱা চোন...পথাৰৰ চোৱাচোন কেনেদৰে সেউজীয়াৰ পৰা নীলা হৈ পৰিলৈ পৰিবৰ্তিত হৈছে। চোৱা লেপটপৰ মনিটৰতকৈ কিমান বিশাল অসমীৰ আকাশ...!! এইবাৰ কিন্তু তুমি আহিবা!!

(লেখক চেণ্টাৰ ফৰ কোচ ৰাজবংশী ষ্টাডিজ এণ্ড ডেভেলপমেণ্ট'ৰ সঞ্চালক তথা গ্ৰাম্য বিকাশ মঞ্চ শুভাকাংক্ষী)

আজিৰ প্ৰতিযোগিতামূলক বিশ্বত নিজৰ মেৰুদণ্ড পোন কৰি থিয় হ'বলৈ আৰু এটা সু-সভ্য আৰু সু-শৃংখল জাতি হিচাপে গৰ্বেৰে জীয়াই থাকিবলৈ অন্য পাঠ্যক্ৰমৰ সৈতে শাৰীৰিক শিক্ষাক প্ৰাথমিক পৰ্যায়ৰ পৰাই বাধ্যতামূলক ভাৱে আগুৱাই নিয়াৰ কোনো বিকল্প নাই।

# শাৰীৰিক শিক্ষা আৰু বিদ্যালয়

✍ ৰবীন্দ্ৰ চন্দ্ৰ শৰ্মা
শাৰীৰিক শিক্ষা নিৰ্দেশক, পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়

গ্ৰীক ভাস্কৰ্যসমূহ চকুত পৰিলে সেইদেশৰ বীৰ যোদ্ধাসকলৰ শাৰীৰিক শৈলী, গঠন আৰু সৌন্দৰ্য সততে চকুত পৰে। গ্ৰীক যোদ্ধাসকলৰ এই শাৰীৰিক গঠন আৰু সৌন্দৰ্য গোটেই বিশ্বৰ বাবে এক কৌতুহলৰ বিষয়। সততে প্ৰশ্ন হয় কিয়? সেই কাৰণে গ্ৰীচ সভ্যতা আটাইতকৈ পুৰণি সভ্যতা। সুস্থ, সবল শৰীৰ এইদৰে জ্ঞানচৰ্চা কৰাতেই এই সাফল্যৰ মূল চাবি-কাঠি। সেই কাৰণেই গ্ৰীকসকল পৃথিৱীৰ এটা উন্নত আৰু সভ্য জাতি। সেই কাৰণেই গ্ৰীক বীৰ আলেকজেণ্ডাৰে খৃষ্টপূৰ্ব ২৭ তেই সাত সাগৰ তেৰ নদী পাৰ হৈ ভাৰতবৰ্ষ পাইছিলহি।

আমি যদি আজিও উন্নত দেশ, জাতি সমূহৰ কথা আলোচনা কৰোঁ তেতিয়াও গম পাম যে তেওঁলোকৰ দেশৰ ল'ৰা-ছোৱালীবোৰে বাধ্যতামূলক শাৰীৰিক শিক্ষাৰ মাজেৰে বিদ্যালয়ত জীৱন অতিবাহিত কৰি আহিছে। জাৰ্মাণ, জাপান, ইংলেণ্ড, ফ্ৰান্স, হলেণ্ড, ৰাছিয়া, চীন প্ৰত্যেকেই একোটা সুসভ্য আৰু উন্নতি জাতি যাৰ সফলতাৰ আঁৰত আছে সু-সংহত প্ৰাথমিক শিক্ষা ব্যৱস্থা আৰু এই প্ৰাথমিক শিক্ষা ব্যৱস্থাত শাৰীৰিক শিক্ষা বাধ্যতামূলক হৈ আছে। আমাৰ দেশৰ শিক্ষাৰ কাণ্ডাৰীসকলে বিভিন্ন দেশ ভ্ৰমণ কৰি সেই দেশৰ শিক্ষা ব্যৱস্থাৰ বুজ লৈ আহে যদিও শাৰীৰিক শিক্ষাৰ বিষয়টোক আওকাণ কৰি চলে।

বৈদিক যুগতো যিসকল ৰাজবংশীয় ল'ৰাই শিক্ষা প্ৰাঙ্গণৰ বাবে গুৰুৰ ওচৰলৈ গৈছিল গুৰুৱে প্ৰথমেই তেওঁলোকৰ স্বাস্থ্যৰ বুজ লৈহে শিক্ষাদান পৰ্ব আৰম্ভ কৰিছিল। গ্ৰন্থ চৰ্চাৰ লগে লগে শাৰীৰিক সক্ষমতাৰ শিক্ষাসমূহ দান কৰিছিল। বিশেষকৈ মল্লযুদ্ধ, দৌৰা, ঘোঁৰাদৌৰ, ৰথচালনা, ধনুৰ্বিদ্যা আদি চালনা এই শাৰীৰিক শিক্ষাসমূহ তেতিয়াৰ দিনৰ শিক্ষাৰ এটা অঙ্গ আছিল।

চক্ৰেটিচৰ দিনৰ পৰা মহাত্মা গান্ধীলৈ সকলোৱে বিদ্যালয়ত কঠোৰ শাৰীৰিক শিক্ষাৰ মাজেৰে আহিব লাগিব। প্ৰখ্যাত গ্ৰীক দাৰ্শনিকজনৰ বিদ্যালয়ৰ বিষয়সমূহত ভূগোল, বুৰঞ্জী, জ্যোতিষ শাস্ত্ৰ, গঠন, জিমনাষ্টিক গণিত সন্নিবিষ্ট আছিল আৰু এই মহান দাৰ্শনিকজনে দৰ্শনশাস্ত্ৰ আৰু জিমনাষ্টিক অধিক ভাল পাইছিল।

মহাত্মা গান্ধীৰ দিনতো অন্যান্য বিষয়ৰ লগতে বাধ্যতামূলক শাৰীৰিক শিক্ষা আছিল। আনকি দেউতাকৰ অসুখৰ বাবে এদিন জিমনাষ্টিক ক্লাচত উপস্থিত থাকিব নোৱাৰাৰ বাবে তেওঁ জৰিমনা ভৰিব লাগিছিল।

এই কথাবোৰৰ উল্লেখ এই কাৰণেই কৰা হ'ল যে সুদূৰ অতীতৰ বিদ্যালয়ৰ এই আৰ্হিবোৰ এতিয়া অন্তৰ্ধান হ'ল কিয়? এয়ে নেকি মানৱ সম্পদ গঢ়াৰ বুনিয়াদ? এইটো স্বীকাৰ্য যে দেশৰ শতকৰা ২০% ল'ৰা-ছোৱালীৰ চেগা-চোৰোকাকৈ শাৰীৰিক শিক্ষাৰ গোন্ধ নোপোৱাকৈয়ে বিদ্যালয় শিক্ষা সাং কৰিব লগা হৈছে।

স্বাধীনতাৰ পিছৰ পৰা দেশত কিছুসংখ্যক শাৰীৰিক শিক্ষাৰ অনুষ্ঠান গঢ় লৈ উঠিছে যদিও সি এপাচি শাকত এটা জালুকৰ লেখীয়া। এতিয়াও দেশত প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত ৮০%তেই শাৰীৰিক শিক্ষাৰ কোনো ব্যৱস্থা নাই। দেশৰ বৰ বৰ লোকসকলৰ ল'ৰা-ছোৱালী পঢ়া কিছু ব্যক্তিগত বিদ্যালয়ত কিছু

পৰিমাণে এই ব্যৱস্থাটো আছে যদিও ই আলংকাৰিক স্বৰূপ। অসমত মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়সমূহত ১০% মানত একোজন শাৰীৰিক নিৰ্দেশক আছে যদিও নিৰ্দিষ্ট পাঠ্যক্ৰম নথকাৰ বাবে তেওঁলোকৰে সমস্যা হৈছে আৰু আঞ্চলিকভাৱে ক্ৰীড়া অনুষ্ঠানসমূহৰ লগত জড়িত হৈ কিছু পৰিমাণে হ'লেও বিষয়টোক আগুৱাই নিয়াৰ প্ৰয়াস কৰিছে।

চৰকাৰীভাৱে শাৰীৰিক শিক্ষাৰ প্ৰচাৰ ঘটোৱাৰ ঢাক ঢোল বজাই থাকিলেও চৰকাৰী বিদ্যালয়ৰ ৫০% বিদ্যালয়তে খেলপথাৰ নাই। থকাখিনিৰো অৱস্থা তথৈবচ। বেছিভাগ সময়ে বানপানীৰ তলত থাকে আৰু বাকীখিনি সময় বিভিন্ন ধৰ্মানুষ্ঠান, ভ্ৰাম্যমান নাট্যদল আৰু ৰাজনৈতিক সভা সমিতি আৰু অন্যান্য সভা সমিতিৰ দখলতে থাকে। তেনেস্থলত শাৰীৰিক শিক্ষাৰ মঞ্চখন কিমান সুৰক্ষিত ভাবি চাবৰ হ'ল।

দুখন টিনৰ চালি আৰু চাৰি-পাঁচটা তৰ্জাৰ বেৰ থকা কোঠা থাকিলেই কথিত প্ৰাইভেট স্কুল পাতিব পৰা হ'ল। লাগিলে ২ কঠা মাটিত ২০০-৩০০ ছাত্ৰ-ছাত্ৰীৰে পাণ জপাদি ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰি সমগ্ৰ অসমতে হাজাৰ হাজাৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় চলি আছে। তাতে আকৌ খেলপথাৰৰ প্ৰয়োজন আহে ক'ৰ পৰা। এনেকৈয়ে শাৰীৰিক শিক্ষাৰ গোন্ধ নোপোৱাকৈ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী দেশৰ ভৱিষ্যলৈ গৈ আছে।

বি.জে.পি. চৰকাৰে যোৱা দুটা বছৰত আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন কৰি এটা চমকেই সৃষ্টি কৰিলে। গোটেই দেশত কোটি কোটি টকা খৰচ কৰি আৰম্বৰপূৰ্ণ যোগ শিবিৰ পাতিলে। লাভ হ'ল কিমান? সমগ্ৰ বিশ্বতে ৫০ খনৰো অধিক দেশে এই যোগ দিৱস অনুষ্ঠিত কৰিলে। কিন্তু ভাৰতৰ নিচিনা ১৩০ কোটি লোকৰ বাসস্থানত এই যোগ দিৱস কিমান যোগাত্মক প্ৰভাৱ পেলালে। আজিও দেশৰ লাখ লাখ বিদ্যালয়ত নিয়মিত শাৰীৰিক শিক্ষাৰ ক্লাচ নহয়। নতুবা ইয়াৰ বাবে থাকিবলগা প্ৰয়োজনীয় আন্তঃগাথনি আৰু মনোভাৱৰ অভাৱ। অথচ এই 'যোগ'ৰ আৱিষ্কাৰ ভাৰতীয় মহান ঋষিমুনিসকলৰ আৱিষ্কাৰ। তেওঁলোকে যোগৰ বলতেই অসম্ভৱকো সম্ভৱ কৰি তুলিছিল। 'যোগ'ৰ জন্ম স্থলীতেই আজি শাৰীৰিক শিক্ষা লাঞ্চিত।

ভাৰতীয় হিন্দু দৰ্শনৰ আটাইতকৈ বৰেণ্য ব্যক্তি স্বামী বিবেকানন্দ। তেওঁ অনুধাৱন কৰিছিল যে ভাৰতীয় মহাজাতি যদি বিশ্বৰ আগত মূৰ দাঙি থিয় হ'ব লাগে ভাৰতীয় যুৱক যুৱতী শাৰীৰিকভাৱেও তজবজীয়া আৰু সক্ষম হ'ব লাগিব। সেইবাবেই তেওঁ শাৰীৰিক শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। ভাৰতীয় মানুহৰ ঈশ্বৰ প্ৰাপ্তিৰ বাসনা লক্ষ্য কৰি তেওঁ আনকি এইটোও কৈছিল যে বেদ অধ্যয়নতকৈ ফুটবল খেলেৰে অধিক সোনকালে ভগৱানক পাব পাৰি। যোগ বা আন শৰীৰ চৰ্চাৰ দ্বাৰা যে শৰীৰটো সুস্থ ৰাখিব পাৰি কোনো বেমাৰ আজাৰ নোহোৱাকৈ তাৰ লৈ লক্ষ্য ৰাখি তেখেতে কৈছিল যে আমাক দহখন হাস্পতালৰ সলনি এখন খেলপথাৰ দিয়ক।

কথাই কথাই হিন্দু দৰ্শনৰ বাণী আওৰোৱাসকলে এই মহাগুৰুজনৰ বাণী সৰোগত কৰিলেনে? কিয় আজি ভাৰতীয় ফুটবল দলৰ অৱস্থা বিশ্বৰ শ্ৰেষ্ঠ দলবোৰৰ তুলনাত ১০০ৰো তলত। ৯২ চনৰ পৰা আৰম্ভ হোৱা ৰাম মন্দিৰ, বাবৰি মছজিদকলৈ দেশ তল ওপৰ লগোৱা দুয়ো পক্ষৰ ধৰ্মান্ধ নেতাসকলে কিয় স্বামী বিবেকানন্দৰ আদৰ্শ সাৰোগত কৰি ক'ব নোৱাৰিলে ভাৰতত উপাসনাগৃহ বহুত আছে আমি এই স্থানত এখন বিশ্বপ্ৰসিদ্ধ ষ্টেডিয়াম বনাও বা চিকিৎসাৰ অভাৱত দৈনিক হাজাৰ হাজাৰ মানুহৰ মৃত্যু হয় তাৰ বাবে এখন কিন্তু প্ৰসিদ্ধ হাস্পতাল এখন বনাওঁ। তেওঁলোকে এইবোৰ কথা এই কাৰণেই ক'ব নোৱাৰে যে এইবোৰ কৰিলে ইমান দিনে ধৰ্মৰ নামত ৰাজনীতি কৰি খোৱা তেওঁলোকৰ সান্দহ খোৱা বালি তল যাব।

এবাৰ ভাৰত চৰকাৰৰ এজন প্ৰতিনিধি ব্ৰাজিললৈ এখন বিশ্ব পৰ্যায়ৰ আলোচনাচক্ৰত অংশগ্ৰহণ কৰিবলৈ যাওতে ব্ৰাজিলৰ এজন উচ্চ পৰ্যায়ৰ প্ৰতিনিধিজনে ভাৰতীয় প্ৰতিনিধিজনক প্ৰশ্ন কৰিছিল, আপোনালোক গীতা, মহাভাৰত, ৰামায়ণৰ দেশৰ মানুহ, কিয় আপোনালোকে বিশ্বৰ দুৱাৰে দুৱাৰে সাহায্য বিচাৰি ফুৰিব লাগে। আমি পঢ়া গীতা, মহাভাৰত, ৰামায়ণৰ সততো আপোনালোক সম্পূৰ্ণ স্বাৱলম্বী হৈ আনক সহায়হে কৰিব লাগে। তেনেস্থলত আপোনালোকৰ ক্ষেত্ৰত ওলোটা কিয়?

সেই একেই সুৰত যদি আমি কও আমি মহাপৰাক্ৰমী ভীম, মহা ধনুৰ্ধৰ অৰ্জুন, অকলব্য, কৰ্ণৰ দেশৰ মানুহ তেনেহ'লে আমাৰ দেশত কিয় জাকে জাকে মল্লযোদ্ধা, ধনুৰ্বিদ, ভাৰউত্তোলকৰ সৃষ্টি নহ'ল কিয় আমাৰ দেখে বছৰৰ পিছত বছৰ জুৰি অলিম্পিকৰ এটা পদকৰ আশাত ৰৈ থাকিব লাগে। আমাৰ মানসিকতা, আমাৰ অসমৰ মানসিকতা আৰু আমাৰ জাতীয় পৰিচয় অক্ষুণ্ণ ৰখাত অপৰাগ। ওপৰোক্ত আদৰ্শবোৰ থকাৰ পিছতো আমি উন্নত প্ৰশিক্ষণৰ বাবে বিদেশলৈ দৌৰিব লাগে।

'Brain drain'লে অকল যে অকল বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতহে হৈছে তেনে নহয়। শাৰীৰিক শিক্ষা আৰু sports activitiesৰ ক্ষেত্ৰতো হোৱা দেখা গৈছে। শাৰীৰিক শিক্ষাৰ প্ৰতি জনসমাজ তথা চৰকাৰৰ আওকলীয়া মনোভাৱৰ বাবেই বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৰেই Athlit সকলো উচ্চ প্ৰশিক্ষণৰ বাবে বিদেশলৈ ঢাপলি মেলিব লাগে।

বিজ্ঞান মানসিকতা আৰু ধৰ্মীয় কাম-কাজ কেতিয়াও হাতত হাত ধৰি আগনাবাঢ়ে। আপুনি যদি টাইফয়েদ ৰোগীৰ বাবে হাস্পতাললৈ নগৈ কোনো ভণ্ড ওজাৰ পানী জ্বৰা খাবলৈ যায় বা সত্যনাৰায়ণ পূজা পাতে বেমাৰী ভাল নোহোৱাটো নিশ্চিত। আনহাতে বিজ্ঞান মানসিকতাৰে যদি আপুনি হাস্পতাললৈ গৈ উপযুক্ত ডাক্তৰৰ সহায় লয় বেমাৰ কমিব।

উন্নত দেশৰ মানুহে তেওঁলোকৰ নাতি-পুতিক লগত

লৈ কোনো টেনিছ একাডেমী, বেডমিণ্টন একাডেমী, মল্লযুদ্ধৰ একাডেমী বা ফুটবল খেলিবলৈ যায়। যি সময়ত আমাৰ দেশত নাতি পুতিক হাতত ধৰি মানুহে মন্দিৰলৈ যায়, নামঘৰলৈ যায়। তেনেহ'লে সেই দেশৰ ল'ৰা-ছোৱালী সুস্থ-সবল নহে, পাৰ্গত নহে আমাৰ দেশৰ ল'ৰা-ছোৱালী হ'ব নেকি? সেই দেশবোৰত প্ৰতি তিনি কিলোমিটাৰত যিকোনো শাৰীৰিক শিক্ষাৰ চেণ্টাৰ এটা পাব। টেনিচ্, বেডমিণ্টন, ফুলবল যিয়েই নহওক লাগে। কিন্তু আমাৰ দেশত খোজেপতি পাব বিভিন্ন ধৰ্মৰ উপাসনা গৃহ। নঙঠা ফকীৰ মহাত্মা গান্ধীয়ে এনেয়ে এইবোৰ কথা কৈ গ'ল বোলে ৰাইজ আপোনালোকে মন্দিৰ, মছজিদ পতাতকৈ ভাৰতৰ প্ৰতিঘৰ মানুহে একোটা পায়খানা সজাত গুৰুত্ব দিয়ক। এইবোৰ কথা কৈয়েই কোনো বিশেষ দলৰ আনুগত্যৰ গুলিত বেচেৰা গান্ধী এই পৃথিৱীৰ পৰা বিদায় মাগিলে।

মুঠৰ ওপৰত সুস্থ সুঠাম জাতি এটাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে সেই দেশৰ শিশু বিকাশত কোনবোৰ বিষয়ে গুৰুত্ব লাভ কৰে তাৰ ওপৰত। ভেটিটো মজবুত হ'লে ঘৰটো বহুদিনলৈ টিকি থাকিব। নহ'লে সামান্য বতাহত হাউলী পৰিব।

**প্ৰতিযোগিতা** ঃ মাতৃ গৰ্ভত থকাৰ পৰাই মানৱ শিশু এটাই শাৰীৰিক অনুশীলন আৰম্ভ কৰে। হাত ভৰি লৰচৰ কৰা কথাবোৰেই এইটো প্ৰমাণ কৰে। জন্মৰ পিছত সি পুনৰ শাৰীৰিক অনুশীলন আৰম্ভ কৰে হাত-ভৰি লৰচৰ কৰি আৰু ডাঙৰ হোৱাৰ লগে লগে আঠুকাঢ়ি খোজ কঢ়া, দৌৰা-দৌৰি কৰাৰ মাজেৰে সি নিজে নজনাকৈ শাৰীৰিক অনুশীলন আৰম্ভ কৰে।

শাৰীৰিক শিক্ষাৰ এই প্ৰতিযোগিতাবোৰ বাৰু কেনেকৈ সৃষ্টি হৈছে— এডাল গছৰ পৰা এটা ফল সৰি পৰিল, কিছু দূৰৈত খেলি থকা শিশুজাক দৌৰ দিলে ফলটো পাবলৈ। যিয়েই বেগাই দৌৰিলে সিয়েই ফলটো পালে। আদিম কালত মানুহে জন্তুৰ পিচে পিচে দৌৰি গৈ জন্তুটো চিকাৰ কৰিছিল। চিকাৰী জন্তুৱে কেতিয়াবা মানুহক খেদি খেদি হত্যা কৰিছিল। যিজনে জন্তুতকৈ বেগাই দৌৰিব পাৰিছিল সি ৰক্ষা পৰিছিল। দুটা অঘৰী মানুহৰ দলৰ মাজত কাজিয়া লাগিল। যুদ্ধত এটা দলৰ মানুহ বহুত মৰিল। আনটো দল বিজয়ী হওঁ হওঁ। পৰাজিত হ'ব লগা দলটোৰ বাকীথকা মানুহখিনি প্ৰাণৰ ভয়ত দৌৰি পলাবলৈ আৰম্ভ কৰিলে। বিজয়ী হ'বলগা দলটোৰ মানুহখিনিয়ে সিহঁতক পিচে পিছে খেদি গ'ল। পলৰীয়া দলটোৰ মানুহখিনি যদি বেগাই দৌৰিব পাৰে সিহঁত বাচি যাব। আৰু খেদি যোৱা দলটোৰ মানুহে যদি বেগাই দৌৰিব পাৰে সিহঁতে পলৰীয়া দলটোক হত্যা কৰিব। আৰু এনেকৈয়ে হৈছিল দৌৰ প্ৰতিযোগিতাৰ আৰম্ভ। পৰৱৰ্তী দিনত সভ্যতাৰ পূন্যপীঠ গ্ৰীচ দেশত হৈছিল অলিম্পিক প্ৰতিযোগিতা।

Faster, longer, higher, এই তিনিটা ধৰ্মক সাৰোগত কৰি উক্ত প্ৰতিযোগিতাবোৰ আৰম্ভ হৈছিল।

শত্ৰুৰ হাতৰ পৰা ৰক্ষা পৰিবলৈ দৌৰি থাকোতে সন্মুখত এটা প্ৰকাণ্ড থিয় শিল পালে যিয়ে এইটো জঁপিয়াই পাৰ হ'ব পাৰে সি বাচি যায়। যি নোৱাৰে সি শত্ৰুৰ হাতত মৃত্যুবৰণ কৰিব লাগিব। এনেকৈয়ে আৰম্ভ হয় ওপৰলৈ আৰু দূৰলৈ জপিওৱা প্ৰতিযোগিতা।

লুকাই থকা জন্তু এটাক দূৰৈৰ পৰা ধনুকাঁড়েৰে শৰবিদ্ধ কৰি বা জন্তুটোৱে কৰা শব্দ অনুসৰণ কৰি কাঁড় মৰাৰ পৰাই আৰম্ভ হয় আৰ্চাৰী প্ৰতিযোগিতা। বহু দূৰতৈ থকা জন্তু এটাক বা শত্ৰু সৈন্যক এপাত জাঠিৰে আঘাত কৰিব পৰাটোৰ পৰাই আৰম্ভ হয় যাঠি দলিওৱা প্ৰতিযোগিতা।

হাতত একো অস্ত্ৰ নথকাকৈ দুটা শত্ৰু মুখামুখী হৈ সুদা হাতেৰে যুঁজ বাগৰ কৰি শত্ৰুক পৰাস্ত কৰা কৌশলৰ পৰাই আৰম্ভ হয় মল্লযুদ্ধ আৰু অন্যান্য mrtial artসমূহৰ প্ৰতিযোগিতা।

(বৰ্তমান সমাজত গোটেই বিশ্বত নাৰী নিৰ্যাতনৰ পৰিপ্ৰেক্ষিতত স্কুলীয়া ছাত্ৰীসমূহক আত্মৰক্ষাৰ বাবে বিভিন্ন কলা-কৌশলৰ মাধ্যমেৰে শাৰীৰিক শিক্ষা প্ৰদান কৰাত গুৰুত্ব দিব লগা হৈছে। আমাৰ দেশত কিছুমান স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে এই কামটো আৰম্ভ কৰাটো শুভ লক্ষণ।)

আদিম কালৰ আত্মৰক্ষাৰ ব্যৱহাৰিক সঁজুলি বা যুদ্ধৰ অস্ত্ৰবোৰৰ ব্যৱহাৰৰ ফলতেই বৰ্তমানৰ তৰোৱাল চালনা, লাঠি চালনা, ঘোঁৰা দৌৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হয়। নৌকা চালনা প্ৰতিযোগিতা আৰম্ভণি একেই।

ঘূৰণীয়া গছৰ টান ফল এটা বা যুদ্ধত মৃত্যু হোৱা সৈনিকৰ ঘূৰণীয়া লাওখোলাটো শিশুসকলে ভৰিৰে লঠিয়াই ইফালৰ পৰা সিফাললৈ মাৰি পঠিওৱা কাৰ্যৰ পৰাই আৰম্ভ হয় আধুনিক বিশ্বৰ আটাইতকৈ জনপ্ৰিয় ফুটবল খেল। এনেকৈয়ে অতীজৰ বুকুত অজানিতে বৰ্তমানৰ অতি জনপ্ৰিয় আৰু ৰোমাঞ্চকৰ প্ৰতিযোগিতাসমূহৰ গজালি মেলিছিল। কালক্ৰমত এই প্ৰতিযোগিতাসমূহে একোটা জাতিক একোখন যুদ্ধজয়ৰ সোৱাদ দি আহিছে।

আজিৰ প্ৰতিযোগিতামূলক বিশ্বত নিজৰ মেৰুদণ্ড পোন কৰি থিয় হ'বলৈ আৰু এটা সু-সভ্য আৰু সু-শৃংখল জাতি হিচাপে গৰ্বেৰে জীয়াই থাকিবলৈ অন্য পাঠ্যক্ৰমৰ সৈতে শাৰীৰিক শিক্ষাক প্ৰাথমিক পৰ্যায়ৰ পৰাই বাধ্যতামূলক ভাৱে আগুৱাই নিয়াৰ কোনো বিকল্প নাই।

যিখন দেশত প্ৰতিঘৰ মানুহৰ অনাময় ব্যৱস্থা নাই, বিজুলী পোহৰ নাই, অনাহাৰত, বিনা চিকিৎসাই হাজাৰ হাজাৰ মানুহ মৃত্যুমুখত পৰে, কৃষকে ফচলৰ প্ৰকৃত মূল্য নাপাই ঋণৰ বোজাত আত্মহত্যা কৰে, ১০ কি.মি. পথ অতিক্ৰমি এটুপি খোৱা পানী সংগ্ৰহ কৰিব লাগে, ডিজিটেল যুগত মুকলি গছৰ তলত পাঠ গ্ৰহণ কৰে, মালিকৰ গুলিত শ্ৰমিকৰ দেহ থকা সৰকা হয় প্ৰতিখন বিদ্যালয়ত আৰু প্ৰতিখন পঞ্চায়তত শাৰীৰিক শিক্ষাৰ বাবে একোখন খেলপথাৰ নাথাকে তেনে এখন দেশত মঙ্গল গ্ৰহলৈ যান পঠোৱা আৰু হাজাৰ কোটি টকাৰে বনোৱা এটমিক ব'মৰ কাৰ্যতঃ মূল্য কিমান ভাবি চাবৰ হ'ল।



# পুখুৰীত চূণ আৰু সাৰৰ প্ৰয়োগ

✍ প্ৰতুল ডেকা

অসম তথা অসমীয়াৰ মাছ প্ৰিয় খাদ্য। অসমৰ প্ৰায় শতকৰা ৯৫ ভাগ মানুহে মাছ খাই ভাল পায় যদিও চাহিদা অনুপাতে আমাৰ ৰাজ্যৰ উৎপাদন নহয়। আমাৰ স্বাস্থ্যৰ বাবে প্ৰয়োজনীয় প্ৰ'টিন, ভিটামিন মিনাৰেল আদি মাছৰ দেহৰ পৰা আহৰণ কৰিব পাৰি। কিন্তু আমাৰ ৰাজ্যখনত প্ৰয়োজনীয় মাছ উৎপাদন নোহোৱা বাবে বাহিৰৰ পৰা আমদানি কৰিবলগা হৈছে। আমাৰ ৰাজ্যখন জলসম্পদত চহকী যদিও মাছ উৎপাদনৰ দিশত বৈজ্ঞানিক কলা-কৌশল সম্পৰ্কত অজ্ঞতাৰ বাবে আমি মাছ উৎপাদনত আজি পৰ্যন্ত স্বাৱলম্বী হ'ব পৰা নাই। ৰাজ্যখনৰ মাছৰ উৎপাদন যোৱা দহ বছৰত যথেষ্ট বৃদ্ধি পাইছে (তালিকা-১ত মাছৰ উৎপাদন দিয়া হ'ল) যদিও আমি স্বনিৰ্ভৰশীল হ'ব পৰা নাই। ৰাজ্যখনক বছৰি প্ৰায় ৩৫০ লাখ টন মাছৰ প্ৰয়োজন হয় যদিও উৎপাদন হয় ২৯৭ লাখ টন। অসমৰ ক্ষেত্ৰত মাছৰ উৎপাদন বৃদ্ধিৰ বাবে চৰকাৰৰ লগতে স্বেচ্ছাসেৱী সংগঠনসমূহেও আগবাঢ়ি আহিলে অদূৰ ভৱিষ্যতে আমাৰ জলৰাশিৰ প্ৰকৃত ব্যৱহাৰৰ দ্বাৰা আমাৰ ৰাজ্যখনৰ চাহিদা পূৰণৰ উপৰিও আমি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যলৈ মাছ ৰপ্তানি কৰিবলৈ সক্ষম হ'ম। ইয়াৰ উপৰিও নিবনুৱা সমস্যা সমাধানতো কিছু পৰিমাণে অৰিহণা যোগাব। অসমৰ প্ৰায়ভাগ মানুহৰ ঘৰত পুখুৰী আছে যদিও তাৰ প্ৰকৃত ব্যৱহাৰ নোহোৱা বাবে উৎপাদনৰ অন্তৰায় হৈ আছে। আমি এই নিবন্ধত পুখুৰীত চূণ আৰু সাৰ প্ৰয়োগ কৰি মৎস্য উৎপাদন বৃদ্ধিৰ কথা আলোচনা কৰিম।

তালিকা-১ ঃ অসমৰ মাছৰ উৎপাদন (২০০০-০১ৰ পৰা ২০১৫-১৬লৈ) দিয়া হ'ল (লাখ টন হিচাপত)

(সূত্ৰ ঃ ষ্টেটিছটিকেল হেণ্ডবুক অব্ ফিচাৰিচ)

| | |
|---|---|
| ২০০১-০১ | ১৫৮.৬২ |
| ২০০১-০২ | ১৬১.৪৫ |
| ২০০২-০৩ | ১৬৫.৫২ |
| ২০০৩-০৪ | ১৮১.১০০ |
| ২০০৪-০৫ | ১৮৬.৩১ |
| ২০০৫-০৬ | ১৮৮.০০ |
| ২০০৬-০৭ | ১৮১.৪৮ |
| ২০০৭-০৮ | ১৯০.৩২ |
| ২০০৮-০৯ | ২০৬.১৫ |
| ২০০৯-১০ | ২১৮.৮২ |
| ২০১০-১১ | ২২৭.২৪ |
| ২০১১-১২ | ২২৮.৬২ |
| ২০১২-১৩ | ২৫৪.২৭ |
| ২০১৩-১৪ | ২৬৬.৭০ |
| ২০১৪-১৫ | ২৮২.০০ |
| ২০১৫-১৬ | ২৯৭.০০ |

**পুখুৰীত চূণ প্ৰয়োগৰ মূল উদ্দেশ্য**

পুখুৰী প্ৰস্তুত কৰাৰ পিছত চূণ দিয়াটো অতি প্ৰয়োজনীয়। পানীৰ অম্লগুণ হ্ৰাস কৰা, পি এইচৰ উত্থান-পতন ৰোধ কৰাৰ উদ্দেশ্যে বাফাৰ প্ৰস্তুত কৰাৰ বাবে, পানীৰ কঠিনতা বৃদ্ধিৰ বাবে তথা পুখুৰীত বেছি পৰিমাণৰ গেদ থাকিলে অথবা পুখুৰীটো বহু বছৰ নিৰ্সিঁচিলে চূণ প্ৰয়োগ কৰা হয়। পানীত থকা বীজাণু আদি নষ্ট কৰাৰ বাবে চূণ ব্যৱহাৰ কৰা হয়।

এই চূণকেইবা প্ৰকাৰৰ আছে—

(১) কৃষিত ব্যৱহৃত চূণ ঃ কেলচাইট ($CaCo_2$) আৰু দ'লমাইট ($Ca(Co_3)^2$),

(২) সেমেকা চূণ ঃ শ্লেকড্ লাইম ($CaOH^2$),

(৩) পোৰা চূণ ঃ কুইক লাইম (CaO)

প্ৰত্যেক চূণৰে অম্লগুণ হ্ৰাস কৰাৰ প্ৰৱণতা বেলেগ বেলেগ। $CaCo^3$ (কেলচাইট)-এ ১০০ শতাংশ, দ'লমাইট-এ ১০৯ শতাংশ, শ্লেকড লাইম-এ ১৩৬ শতাংশ, কুইক-এ ১৭৯ শতাংশ অম্লতা হ্ৰাস কৰিব পাৰে। কুইক লাইমৰ অম্লতা হ্ৰাস কৰাৰ ক্ষমতা বেছি আৰু আমাৰ মীন পালকসকলে এইবিধ চূণ ব্যৱহাৰ কৰে। কুইক লাইমৰ প্ৰয়োগৰ পৰিমাণ ভুলবশতঃ বেছি হ'লেও খুব বেছি পৰিমাণে মাছৰ দেহত ক্ৰিয়া নকৰে। কিন্তু চূণ প্ৰয়োগৰ পৰিমাণ পানীৰ গুণাগুণ পৰীক্ষা কৰিহে থিৰ কৰি ল'ব লাগে। চূণৰ ভুল কিম্বা অতিৰিক্ত প্ৰয়োগে আন বিষয়তো ক্ৰিয়া কৰিব পাৰে। তালিকা-২অত মাটিৰ পি.এইচ. অনুসৰি চূণ প্ৰয়োগৰ পৰিমাণ দিয়া হ'ল।

**প্ৰয়োগ পদ্ধতি ঃ**

তলিত চূণ প্ৰয়োগ

পুখুৰীৰ তলিত চূণ প্ৰয়োগ কৰিবলৈ হ'লে তলিত বোকা থাকিব নালাগিব। পুখুৰীৰ তুলিখনৰ পৰা বোকা উঠাই দিয়াৰ পাছত সূৰ্যৰ পোহৰত সম্পূৰ্ণৰূপে শুকুৱাই লৈ শুকান চূণ ছটিয়াই দিব লাগে। তাৰ পিছত হালবাই চূণখিনি মাটিৰ লগত মিহলাই দিব লাগে। মাছৰ পোনা মেলাৰ এমাহ আগতে প্ৰথম কিস্তিৰ চূণ প্ৰয়োগ কৰিব লাগে।

তালিকা ঃ ২- কুইক লাইমৰ প্ৰয়োগ

| পি এইচ | অম্লতা/ক্ষাৰকতা | চূণৰ পৰিমাণ (কিঃগ্ৰাঃ) প্ৰতি হেক্টৰত | প্ৰতি বিঘাত |
|---|---|---|---|
| ৭.০-৬.৫ | নিৰপেক্ষ | ৪০০ | ৫৪ |
| ৬.৫-৬.০ | অলপ আম্লিক | ১০০০ | ১৩৪ |
| ৬.০-৫.০ | আম্লিক | ১২০০ | ১৬০ |
| ৫.০-৪.০ | অতি আম্লিক | ২০০০ | ২৬৭ |

চূণ প্ৰয়োগক পুখুৰীত সাৰ প্ৰয়োগৰ প্ৰথম পদক্ষেপ হিচাপে ধৰা হয়। পুখুৰীত চূণ দিয়াৰ ৭-১০ দিন পিছত সাৰ প্ৰয়োগ কৰা হয়। পুখুৰীত সাৰ প্ৰয়োগৰ মূল উদ্দেশ্য হ'ল প্ৰাকৃতিক খাদ্যৰ যোগান ধৰা। কাৰ্পজাতীয় মাছে প্ৰধানকৈ উদ্ভিদ প্লৱক (phytoplankton) নাইবা জীৱপ্লৱক (Zooplankton) আহাৰ হিচাপে গ্ৰহণ কৰি জীৱন ধাৰণ কৰে। মাছৰ শ্ৰীবৃদ্ধিৰ বাবে এই প্লৱকৰ নিয়মিত উৎপাদন প্ৰয়োজনীয়। পুখুৰীত সাৰ প্ৰয়োগ কৰিলে এই প্লৱকবোৰৰ বংশ বিস্তাৰ হয়। ফলত এই প্লৱকসমূহৰ যথেষ্ট উৎপাদন হয়। গতিকে সাৰে প্ৰত্যেক্ষভাৱে নহ'লেও পৰোক্ষভাৱে মাছৰ শ্ৰীবৃদ্ধিৰ সহায় কৰে। পুখুৰীত প্ৰয়োগ কৰা সাৰ দুই প্ৰকাৰৰ— জৈৱিক সাৰ আৰু অজৈৱিক সাৰ।

**জৈৱ সাৰৰ প্ৰয়োগ ঃ** চূণ দিয়াৰ সাতদিনৰ পিছত জৈৱ সাৰ, যেনে— কেঁচা গোবৰ পুখুৰীত দিব লাগে। এবিঘা মাটিৰ এটা পুখুৰীত প্ৰতিবছৰে মুঠ ১৫০০ কিলোগ্ৰাম পৰিমাণৰ জৈৱ সাৰ দিয়া প্ৰয়োজন। প্ৰথম কিস্তিত ৪০০ কিলোগ্ৰাম প্ৰয়োগ কৰি পিছত প্ৰতিমাহে ১০০ কিলোগ্ৰাম এই সাৰ দি থাকিব লাগে।

**ৰাসায়নিক সাৰৰ প্ৰয়োগ ঃ** জৈৱ সাৰ দিয়াৰ ৭-১০ দিনৰ পিছত ৰাসায়নিক সাৰ পুখুৰীত দিব লাগে। প্ৰয়োগৰ খুব কম দিনৰ ভিতৰতেই এইবিধ সাৰে উদ্ভিদ প্লাৱকৰ উৎপাদন বৃদ্ধি কৰি পুখুৰীত পোনা মেলাৰ উপযোগী কৰি তোলে। এক বিঘা পানী কালিৰ এই পুখুৰীত সাৰৰ নিৰিখ তলত দিয়া হ'ল—

(১) ইউৰিয়া ঃ প্ৰতিমাহে ২.০ কিলোগ্ৰাম

(২) ছিংগল ছুপাৰ ফচফেট ঃ প্ৰতিমাহে ৩.০ কিলোগ্ৰাম

(৩) মিউৰেট অব্ পটাছ ঃ প্ৰতিমাহে ১.০ কিলোগ্ৰাম।

পুখুৰীৰ পানীত সেউজীয়া ৰঙৰ শেলুৱৈ বেছিকৈ হোৱা যেন দেখিলে সাৰ প্ৰয়োগ সাময়িকভাৱে বন্ধ ৰখা উচিত। পুখুৰীত সাৰ প্ৰয়োগৰ ১৫ দিনৰ পিছত নিৰ্ধাৰিত নিৰিখ মতে মাছৰ পোনা মেলিব লাগে।

মানুহে যেনেকৈ ঘৰ এটা বনোৱাৰ পিছত তাত ৰং, তেল লগাই পৰিষ্কাৰ কৰি উপযোগী কৰি লও তেনেদৰে মাছৰ বাসস্থান পুখুৰীটোও মাছ পালনৰ বাবে উপযুক্ত কৰি ল'ব লাগে। উল্লিখিত নিয়মানুসাৰে চূণ তথা সাৰ প্ৰয়োগ কৰি মাছৰ উপযোগী কৰি ললে যথেষ্ট সুফল পোৱা যায়। বৰ্তমান অসমত পৰি থকা জলাশয়, পিটনিসমূহ যদি বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি মীন পালন কৰা হয়, তেন্তে অসমত মাছৰ উৎপাদন বৃদ্ধি কৰিব পৰা যাব। আমাৰ উঠি অহা যুৱক-যুৱতিসকলে মীন পালনক পূৰ্ণ বৃত্তি হিচাপে গ্ৰহণ কৰিলেহে অসমত মাছৰ উৎপাদন বৃদ্ধি হ'ব। যাৰ ফলত নিজৰ লগতে দহৰ আৰু দেশৰো উপকাৰ কৰিবলৈ সক্ষম হ'ব? নিজৰ ঘৰৰ পাছফালে থকা পুখুৰীটো যদি পৰিষ্কাৰ কৰি চূণ-সাৰ প্ৰয়োগ কৰি মাছৰ পোনা মেলা হয়, তেনেহ'লে নিজেই প্ৰমাণ চাব পাৰিব মাছৰ উৎপাদন তথা শ্ৰীবৃদ্ধিত চূণ আৰু সাৰৰ ভূমিকা কিমান। আহক, আমি তাক পৰীক্ষা কৰো আমাৰ নিজৰ পুখুৰীটোত।

লেখক এগৰাকী মীন বিষয়া, অসম চৰকাৰ, পাম পৰিচালনা প্ৰশিক্ষণ কেন্দ্ৰ,
ৰাণী, গুৱাহাটী-৭৮১১৩১, কামৰূপ, দূৰভাষ নং-৯৭০৬১৬৮৫৬২, ৯৮৫৪০৭৯২১৮

# মাধ্যমিক শিক্ষা ব্যৱস্থা আৰু অসম

✍ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মা
সমন্বয়ক, শংকৰদেৱ একাডেমী, নলবাৰী

ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাটোক ৰাজহুৱা আৰু ব্যক্তিগত-এই দুটা প্ৰধান ভাগত ভগাব পাৰি আৰু এই ব্যৱস্থাটো মূলতঃ পৰিচালিত হয় কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় পূঁজিৰ জৰিয়তে। ভাৰতবৰ্ষৰ সংবিধানে ছয় বছৰ বয়সৰ পৰা চৌধ্য বছৰ বয়স পৰ্যন্ত সকলোবোৰ লৰা-ছোৱালীক ৰেহাই আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিছে আৰু ইয়াক মৌলিক অধিকাৰ বুলি ঘোষণা কৰিছে।

২০১১ চনৰ সমীক্ষা মতে ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষা ব্যৱস্থাটোৰ যথেষ্ট উন্নতি ঘটিছে আৰু শৈক্ষিক হাৰ সাত বছৰ বয়সৰ পৰা দহ বছৰ বয়সৰ জনসংখ্যা ভিতৰত তিনি চতুৰ্থাংশ বৃদ্ধি পাইছে। ভাৰতবৰ্ষৰ অৰ্থনীতিৰ উন্নয়নৰ ক্ষেত্ৰত উন্নতশীল শিক্ষা ব্যৱস্থাই প্ৰভূত অৰিহণা যোগাইছে। উচ্চ শিক্ষা, গবেষণা আদিৰ উন্নয়নেও দেশৰ প্ৰগতিত সহায় আগবঢ়াইছে। ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত নামভৰ্ত্তিৰ সংখ্যা যোৱা দশকত স্থিৰ হৈ আছে যদিও ২০১৩ চনত মুঠ সংখ্যাৰ অনুপাতৰ ২৪ শতাংশ চুইছেগৈ তথাপি এতিয়াও ভাৰতবৰ্ষৰ বুনিয়াদী শিক্ষাৰ নামভৰ্ত্তিৰ অনুপাত উন্নত দেশ সমূহতকৈ নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰিছে আৰু ভাৰতবৰ্ষৰ বাবে প্ৰাথমিক শিক্ষা ব্যৱস্থাটো সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত আজি এক chalange ৰূপে পৰিগণিত হৈ পৰিছে।

সাম্প্ৰতিক আমাৰ দেশত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে, বিশেষকৈ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত। ভাৰতবৰ্ষত চৰকাৰী বিদ্যালয়ৰ লগে লগে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে ২৯ শতাংশ ঠাই অধিকাৰ কৰিছে য'ত ছয় বছৰৰ পৰা চৌধ্য বছৰ বয়সৰ লৰা-ছোৱালীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আছে।

ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত এক বুজন সংখ্যক আসন বিভিন্ন জাতি-জনজাতি, অন্যান্য পিচপৰা শ্ৰেণী নতুবা অন্যান্য ক্ষেত্ৰত সংৰক্ষিত কৰি ৰখা হৈছে। মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু অন্যান্য ৰাজ্য চৰকাৰ পৰিচালিত শিক্ষানুষ্ঠানতো এনে শ্ৰেণীৰ কাৰণে কম পক্ষেও ৫০ শতাংশ আসনৰ সংৰক্ষণৰ ব্যৱস্থা আছে আৰু কেতিয়াবা ৰাজ্য ভেদে এই সংখ্যা বা অনুপাতৰ তাৰতম্য হয়। ২০১৪ চনত মহাৰাষ্ট্ৰ চৰকাৰৰ এনে সংৰক্ষণ আছিল ৭৩ শতাংশ, যিটো সৰ্বভাৰতীয় প্ৰেক্ষাপটত সৰ্ববৃহৎ আছিল।

ভাৰত চৰকাৰে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। সকলো শিশুৰ বাবে শিক্ষা বাধ্যতামূলক এনে নীতিৰে শিশু শ্ৰমিক ব্যৱস্থাও নিষিদ্ধ কৰিছে চৰকাৰে। তথাপিতো সামাজিক আৰু অৰ্থনৈতিক অসমতাৰ কাৰণে ৰেহাইমূলক শিক্ষাব্যৱস্থা আৰু শিশু শ্ৰমিক নিষিদ্ধকৰণত সফল হব পৰা নাই। ভাৰতবৰ্ষৰ ৮০ শতাংশ প্ৰাথমিক বিদ্যালয়েই হৈছে চৰকাৰৰ দ্বাৰা প্ৰাদেশিকৃত যিটো দেশৰ সৰ্ববৃহৎ শৈক্ষিক ব্যৱস্থা হিচাবে পৰিগণিত হৈছে।

শিক্ষা ব্যৱস্থাটো উন্নয়নৰ নামত দেশৰ কৰ্তৃপক্ষই বিভিন্ন ব্যৱস্থা হাতত লৈছে। তথাপিতো ৰাজনৈতিক সদিচ্ছাৰ অভাব তথা প্ৰয়োজনীয় সা-সুবিধাৰ অভাৱত এই ব্যৱস্থাই আশানুৰূপ গতি লাভ কৰিব পৰা নাই। ছাত্ৰ-শিক্ষকৰ সমানুপাতৰ অভাব, বিদ্যালয়ৰ আন্তঃগাঠনিৰ অভাব আৰু শিক্ষক প্ৰশিক্ষণৰ উপযুক্ত ব্যৱস্থাৰ অভাৱে এই ব্যৱস্থাটোক বাৰুকৈয়ে মাধমাৰ সধোৱা দেখা গৈছে। চৰকাৰেও অৱশ্যে প্ৰাথমিক শিক্ষা ব্যৱস্থাটোক উন্নত মানৰ কৰি তোলাৰ কাৰণে বিভিন্ন আচনি, প্ৰচেষ্টা হাতত লৈছে। ১৯৯৪ চনত চৰকাৰে প্ৰাথমিক শিক্ষা ব্যৱস্থাটোক ভাৰতবৰ্ষত সাৰ্বজনীন প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ পৰ্যায়লৈকে উন্নত কৰাৰ মানসেৰে "District Education Revitalisation Programme (DERP)" প্ৰৱৰ্ত্তন কৰিছিল, য'ত আঁচনিখনৰ বাবে ৮৫ শতাংশ ধন কেন্দ্ৰীয় চৰকাৰে আৰু ১৫ শতাংশ ধন ৰাজ্য চৰকাৰ সমূহে ব্যয় কৰিব লগা হৈছে। DERP ব্যৱস্থাপনাৰ অধীনত দেশত প্ৰায় ১.৬ লাখ বিদ্যালয় স্থাপন কৰা হৈছে য'ত ৮৪০০০ খন বিকল্প শিক্ষাৰ বিদ্যালয়ো আছে আৰু ই দেশৰ ৩৫ লাখ শিশুক সামৰি লৈছে। এই ব্যৱস্থাটোক UNICEF আৰু অন্যান্য আন্তঃৰাষ্ট্ৰীয় বহুবোৰ আচনিয়েও সামৰি লৈছে। ইয়াৰ সুফল লাভ কৰি ২০১৬ চনত কেৰেলা ৰাজ্যই প্ৰাথমিক শিক্ষাৰ স্বাক্ষৰতাৰ ক্ষেত্ৰত এশ শতাংশ সফলতা লাভ কৰা ৰাজ্য হিচাবে চিহ্নিত হৈছিল।

প্ৰাথমিক শিক্ষাৰ এই আঁচনি সমূহৰ ফলতেই বিভিন্ন ৰাজ্যত নামভৰ্ত্তিৰ সংখ্যা ৯৩ ৰ পৰা ৯৫ শতাংশ পৰ্যন্ত বৃদ্ধি পায়। এই ব্যৱস্থাৰ অংশ বিশেষ হিচাপে কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোক গোলকীকৰণ কৰাৰ ক্ষেত্ৰত সৰ্বশিক্ষা অভিযানৰ জৰিয়তে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু যিটো ব্যৱস্থাই পৃথিৱীৰ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত গ্ৰহণ কৰা এনে ব্যৱস্থা সমূহৰ এটি সৰ্ববৃহৎ ব্যৱস্থাৰূপে পৰিচিতি লাভ কৰিছে। এই সমগ্ৰ নেটৱৰ্কটোত বিশাল সংখ্যক পূঁজিৰ ব্যৱহাৰ কৰা

হৈছে। নামভৰ্ত্তিৰ সংখ্যা যথেষ্ট বাঢ়িছে, কিন্তু শিক্ষাৰ গুণগত মানদণ্ডৰ ওপৰত এতিয়া সকলো সন্দিহান হৈছে।

মাধ্যমিক শিক্ষা ব্যৱস্থাই ১২ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সৰ শিশুক সামৰি লয়। ২০০১ চনৰ লোকপিয়ল অনুসৰি এই গ্ৰুপত আছে প্ৰায় ৮.৮৫ কৌটি শিশু। মাধ্যমিক পৰ্যায়ৰ শেষৰ দুটা বছৰক উচ্চতৰ মাধ্যমিক বুলি কোৱা হয় আৰু মাধ্যমিক পৰ্যায়ৰ দশম শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা দুটা ছাত্ৰ-ছাত্ৰীৰ কাৰণে অতি গুৰুত্বপূৰ্ণ হৈ পৰে। কিয়নো যি কোনো ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ সঠিক পথ ইয়াৰ পিছতেই মুকলি হয়। বিশ্ববিদ্যালয় অনুদান আয়োগ, এন.চি.আৰ টি আৰু চি.বি.এচ.ই য়ে দেশৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ বয়স নিৰূপণ কৰি দিছে। সেই অনুসৰি বছৰটোৰ ৩০ মে তাৰিখত ১৫ বছৰ সম্পূৰ্ণ হোৱা ছাত্ৰ বা ছাত্ৰী এগৰাকীক মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হয়। এইটোও উল্লেখ কৰিব পাৰি যে উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হোৱাৰ পাছত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা পৰিচালিত মেডিকেল, ইঞ্জিনিয়াৰিং নতুবা উচ্চ শিক্ষাৰ আন আন পাঠ্যক্ৰমত নামভৰ্ত্তি কৰাৰ সুবিধা গ্ৰহন কৰিব পাৰে। অৱশ্যে ছাত্ৰ অথবা ছাত্ৰীজনে নিৰ্দিষ্ট বাচনি পৰীক্ষাৰ মাধ্যমেৰে আগবাঢ়িব লাগিব। ভাৰতীয় মাধ্যমিক শিক্ষা ব্যৱস্থাৰ আন এক লেখত লবলগীয়া দিশ হৈছে বিভিন্ন বৃত্তিগত পাঠ্যক্ৰমৰ প্ৰবৰ্ত্তন। সৰ্বভাৰতীয় অভিযানৰ পিছত ভাৰতবৰ্ষত প্ৰসাৰণ ঘটোৱা ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আচনিয়ে শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত কিছুমান চমকপ্ৰদ আচনি গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত সকলো পক্ষৰ সৰল আৰু সক্ৰিয় সহযোগেহে মূল উদ্দেশ্য সফল হোৱাত সহায় কৰিব।

চৰকাৰে ১৯৭৪ চনত ভাৰতবৰ্ষত বিশেষভাবে সক্ষম লৰা-ছোৱালীসকলৰ (IEDC) কাৰণে এক যৌথ অভিযান আৰম্ভ কৰিছিল যিটো পৰৱৰ্ত্তী সময়ত Inclusive education ব্যৱস্থালৈ পৰিবৰ্ত্তন কৰা হৈছিল। কেন্দ্ৰীয় বিদ্যালয় সংগঠন, কেন্দ্ৰীয় চৰকাৰৰ আন এক প্ৰচেষ্টা যিটো প্ৰথম অৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ দেশৰ বিভিন্ন ঠাইত সিচৰিত হৈ থকা কৰ্মচাৰীসকলৰ লৰা-ছোৱালী সকলৰ শৈক্ষিক উন্নয়নৰ অৰ্থে আৰম্ভ কৰা হৈছিল। ১৯৬৫ চনত আৰম্ভ কৰা এই ব্যৱস্থাৰ উদ্দেশ্য আছিল সমগ্ৰ দেশতে সমপাঠ্যক্ৰমৰ আধাৰত একক শিক্ষা ব্যৱস্থা প্ৰবৰ্তন কৰা। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা-নীতিয়ে পৰিবেশ সচেতনতা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা আৰু পৰম্পৰাগত বিভিন্ন মূল যেনে যোগাভ্যাস আদিৰ সম্যক শিক্ষাও ছাত্ৰ-ছাত্ৰীৰ মাজলৈ লৈ আহিছে। মুঠৰ ওপৰত সাম্প্ৰতিক শিক্ষা ব্যৱস্থাটো এক বিশ্বমূখী কৰাৰ বাবে সকলো প্ৰকাৰৰ ব্যৱস্থা অব্যাহত আছে। আকৌ চহৰ অঞ্চলত ৫০ শতাংশতকৈও অধিক ছাত্ৰ-ছাত্ৰী ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়ন কৰি আছে। গ্ৰাম্যাঞ্চলতো এই সংখ্যা কম নহয়। ২০০৪-২০০৫ চনৰ তথ্যানুসৰি প্ৰায় ২০ শতাংশ গ্ৰাম্যাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত নামভৰ্ত্তি কৰিছিল। আজিৰ তাৰিখত সেই অনুপাত নিশ্চয় অধিক হ'ব। মধ্যবিত্ত শ্ৰেণীৰেই নহয় নিম্ন মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালৰ সন্তানকো এতিয়া মাক-দেউতাকে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষাদান কৰাৰ অধিক আগ্ৰহ প্ৰকাশ কৰিছে। এনেকুৱা বেছি সংখ্যক বিদ্যালয়ৰেই শিক্ষাৰ মাধ্যম ইংৰাজী হয়। তথাপিতো তাত হিন্দী আৰু সেইখন ৰাজ্যৰ মাতৃভাষাটো বাধ্যতামূলকভাবে শিকোৱাৰ ব্যৱস্থা কৰা হয়।

কিছুমান গৱেষণালব্ধ তথ্য অনুসৰি ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰে প্ৰায়েই চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰতকৈ বেছি ভাল ফলাফল প্ৰদৰ্শন কৰি আহিছে। ইয়াৰ এটা লক্ষ তাকে অনুষ্ঠান সমূহক উচ্চতৰ স্তৰলৈ লৈ যোৱাৰ। অৱশ্যে দেশৰ দুখীয়া শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকল এই সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে নিৰ্দিষ্ট বিদ্যায়তনিক পাঠ্যক্ৰমৰ উপৰি আনুসংগিক কাৰ্যতো ছাত্ৰ-ছাত্ৰীক ব্যস্ত ৰাখি পাৰদৰ্শি কৰি তোলাৰ প্ৰয়াস কৰা পৰিলক্ষিত হয়। ব্যক্তিগত খণ্ডৰ ছাত্ৰ-শিক্ষকৰ অনুপাতো বহুক্ষেত্ৰত উন্নত দেখা যায়। আনহাতে বিদ্যালয়ৰ প্ৰশাসনৰ তৰফৰ পৰা এনে বিদ্যালয়ত পৰিচালনাৰ ক্ষেত্ৰত কঠোৰ হোৱা দেখা যায়- যি কাৰ্যই অভিভাৱক সকলক আকৰ্ষিত কৰে।

ভাৰতবৰ্ষত পিতৃ-মাতৃয়ে লৰা-ছোৱালীক গৃহ শিক্ষাও প্ৰদান কৰিব পাৰে। তেওঁলোকে নিজ ইচ্ছা অনুসৰি নিজৰ সন্তানক ঘৰতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পাৰে, চৰকাৰে এনেক্ষেত্ৰত হস্তক্ষেপ নকৰে। চৰকাৰে আনহাতে ৰাষ্ট্ৰীয় মুক্ত শিক্ষা ব্যৱস্থাও National Institute of Open Schooling (NIOS)ৰ অধিনত প্ৰবৰ্ত্তন কৰিছে। য'ত শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত শিশুৱে মুক্ত শিক্ষা ব্যৱস্থাত অংশগ্ৰহণ কৰিব পাৰে। শেহতীয়া তথ্য অনুসৰি দেশৰ প্ৰায় ১৪ লাখ ছাত্ৰ-ছাত্ৰীয়ে দূৰ আৰু মুক্ত শিক্ষা ব্যৱস্থাৰ অধিনত নামভৰ্ত্তি কৰিছে উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা গ্ৰহণৰ অৰ্থে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে দূৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সাম্প্ৰতিক সময়ত দেশত বহুবোৰ মুক্ত আৰু দূৰ নিয়ন্ত্ৰণ বিশ্ববিদ্যালয় নতুবা উচ্চ শিক্ষাৰ অনুষ্ঠানে বিভিন্ন পাঠ্যক্ৰমৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষিত কৰি তুলিছে।

আমাৰ শিক্ষা ব্যৱস্থাই আমাক বহুটো দিছে যদিও ভাৰতবৰ্ষৰ নিচিনা জনবহুল দেশ এখনত এই ব্যৱস্থাটো আজি এক বৃহৎ সংখ্যক নিয়োগহীন স্নাতক সৃষ্টিৰ ক্ষেত্ৰ হিচাবেহে পৰিগণিত হোৱা বুলি বহুক্ষেত্ৰত সমালোচিত হৈছে। যিয়েই নহওক ভাৰতবৰ্ষত এক শৈক্ষিক বিপ্লৱৰ প্ৰয়োজন আছে যিটোৱে দেশৰ সামগ্ৰিক পৰিবেশটো সলনি কৰি দিয়াত সহায় কৰিব। এই ক্ষেত্ৰত চৰকাৰখনৰ কৰণীয় বহু আছে য'ত দেশৰ জনসাধৰণে সহায় কৰিব লাগিব। আধুনিক অৰ্থনীতি নিৰ্ভৰ কৰে সম্পূৰ্ণকৈ গুণগত মান আৰু কুশলী কৰ্মৰ প্ৰসাৰণৰ ওপৰত আৰু এই প্ৰসাৰণ সম্ভৱ হব পাৰে কেৱল মাত্ৰ উপযুক্ত শিক্ষাৰ জৰিয়তেহে।



# মহিলা সৱলীকৰণত গ্ৰাম্য বিকাশ মঞ্চ

✍ পংকজ শৰ্মা
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ



সমাজত মহিলা সমতা তথা তেখেতসকলক নেতৃত্ব দিব পৰাকৈ সক্ষম কৰি সমাজৰ অবহেলিত তথা আৰ্থিকভাৱে পিছপৰা পৰিয়ালক সৱল লগতে সক্ষম কৰাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই এক ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি আহিছে। তাৰে এক পথ সন্ধানত National Rural Livelihood Mission (NRLM)ৰ পৰোক্ষ সহযোগত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জৰিয়তে ৰাজ্যৰ পাঁচটা স্বেচ্ছাসেৱী অনুষ্ঠানে সাতখন জিলাৰ চৈধ্যতা উন্নয়ন খণ্ডত 'মহিলা কৃষক সৱলীকৰণ প্ৰকল্প' ২০১৪ চনৰ এক মাৰ্চৰ পৰা ২০১৭ চনৰ ৩১ আগষ্টলৈ ৰূপায়ন কৰে। এই প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত সহায় আগবঢ়াইছে ভাৰত চৰকাৰৰ গ্ৰামীণ বিকাশ মন্ত্ৰণালয় আৰু ছাৰ ডোৰাবজী টাটা ট্ৰাষ্ট (মুম্বাই)।

প্ৰকল্পৰ মুল উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট গাঁৱৰ দুখীয়া পৰিয়ালসমূহৰ এক গোট কৰি মহিলা আত্মসহায়ক গোটৰ জৰিয়তে প্ৰয়োজনীয় প্ৰশিক্ষণ, কৃষিৰ ক্ষেত্ৰত আত্মনিয়োগ কৰি পৰিয়ালৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ লগতে একগাঁও ভিত্তিক মহিলা সংগঠন গঢ়ি তোলা; যি সংগঠনে মহিলাৰ ক্ষেত্ৰত এক দিক্ নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে।' সেই উদ্দেশ্যৰে নলবাৰী জিলাৰ বেচৰকাৰী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চও (Gramya Vikash Mancha (GVM)) প্ৰায় চাৰিহাজাৰ একশ মহিলাক সামৰি নলবাৰী জিলাৰ পূব-নলবাৰী, বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত দহখনকৈ গাঁও আৰু বাগছা জিলাৰ— তামুলপুৰ, বাগছা (মছলপুৰ) উন্নয়নখণ্ডৰ অন্তৰ্গত দহখনকৈ গাঁৱক সামৰি ৰূপায়ণ কৰিছে।

প্ৰকল্পৰ জৰিয়তে প্ৰতিখন গাঁৱতে ৮-১২টা মহিলা আত্মসহায়ক গোটৰ সদস্যাক একত্ৰিত কৰি গাঁও ভিত্তিক এটাকৈ গ্ৰাম্য সংগঠন (Village organisation) চমুকৈ (vo) জন্ম দিয়ে। নিৰ্দিষ্ট সময়ত পৰ্যায়ক্ৰমে চল্লিশখন গাঁৱত এটাকৈ গাঁওভিত্তিক মহিলা সংগঠনৰ আত্মপ্ৰকাশ ঘটে। মহিলা সংগঠনসমূহৰ সমানসংখ্যক প্ৰতিনিধিৰে কাৰ্যকৰী সমিতি গঠন, সংবিধান প্ৰস্তুত, বেংক একাউণ্ট আদিৰ ব্যৱস্থা হাতত লোৱা হয়।

গ্ৰাম্য বিকাশ মঞ্চই প্ৰকল্পৰ লগত জড়িত প্ৰতিটো আত্মসহায়কগোট আৰু গ্ৰাম্য সংগঠনৰ কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সদস্যাক কাৰ্যবিৱৰণী, পঞ্চসুত্ৰ, নগদ (ৰোকৰ) বহী, খতিয়ান বহী,

ঋণবহী, ব্যক্তিগত জমা বহী, বেংক একাউণ্ট, ভাউচাৰ আদি কিদৰে লিখিব তথা তথ্য সংৰক্ষিত কৰিব পাৰি এই সম্পৰ্কে বিভিন্ন ধৰণে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। যাতে প্ৰতিটো গ্ৰাম্য সংগঠন, প্ৰতিটো আত্মসহায়ক গোটৰ লগতে ব্লক ফেডাৰেচনে নিয়মিতভাৱে কাম-কাজসমূহ আগবঢ়াই নিব পাৰে। ইয়াৰ উপৰিও গাঁওভিত্তিক নিয়োজিত মহিলা সমল ব্যক্তি (CRP)সকলক নেতৃত্ব দিব পৰাকৈ গুণৰ অধিকাৰী হোৱাৰ ক্ষেত্ৰত সহায় হোৱাকৈ মহিলাসকলৰ লগতে তেখেতসকলৰ পৰিয়ালৰ সদস্যক মাছপোহা, গাহৰি পালন, ছাগলীপালন, শ্ৰীপদ্ধতি অৱলম্বন কৰি ধান খেতি কৰা, কেচুসাপ উৎপাদন, উদ্যানশস্য, বিশেষ ধৰণৰ কৃষিৰ ক্ষেত্ৰ পৰিদৰ্শনৰ ব্যৱস্থা আদি জৰিয়তে প্ৰশিক্ষণ দিয়া হয়। যাতে মহিলাসকলে কৃষিক্ষেত্ৰত আকৰ্ষিত হ'ব পাৰে। ইয়াৰ উপৰিও আৰ্থিক দিশ টনকীয়াল কৰাৰ উদ্দেশ্য আগত ৰাখি প্ৰতিটো গ্ৰাম্য সংগঠনলৈ দুই লাখৰ পৰা চাৰি লাখ টকা পৰ্যায়ক্ৰমে আৰ্থিক অনুদান প্ৰদান কৰা হয়। উক্ত অনুদানৰ উপৰিও GVMৰ তৰফৰ পৰা প্ৰতিটো গ্ৰাম্য সংগঠনলৈ দহখনকৈ নিৰনি, এখনকৈ ঠেলা লগতে কিছুসংখ্যক সংগঠনলৈ প্ৰথম পৰ্যায়ত ৰবিশস্য কৰাৰ বাবে ৮০০০/- টকা অনুদানৰ লগতে বীজসংৰক্ষণ ভঁৰাল আৰু কাৰ্যালয় নিৰ্মাণৰ বাবে ১০,০০০/- টকাৰপৰা ৮০,০০০/- টকালৈ অনুদান প্ৰদান কৰা হয়।

আনহাতে গ্ৰাম্য সংগঠনৰ সংবিধান তথা নিয়ম অনুসৰি ক্ষুদ্ৰ বিনিয়োগ পৰিকল্পনাৰে চিনাক্তকৰা দুখীয়া মহিলাৰ জীৱিকা সুনিশ্চিত কৰিবলৈ নিৰ্ধাৰিত নীতি-নিয়ম অনুসৰি মীনপালনৰ বাবে ১২০০০.০০ টকা, পশুপালনৰ বাবে ৫,০০০/-, কেচুসাৰ উৎপাদনৰ বাবে ৩০০০.০০ টকা, উদ্যানশস্যৰ বাবে ১২,৫০০.০০ টকা, ৰবিশস্যৰ বাবে ১০,০০০/-, জলসিঞ্চনৰ আহিলাৰ বাবে ৩০০০.০০ৰ পৰা ৮,০০০.০০ টকা, সামুহিক মীন পালনৰ বাবে ১,০০,০০০.০০ (একলাখ) টকাকৈ অনুদান প্ৰদান কৰা হয়। উক্ত অনুদানসমূহ গ্ৰাম্য সংগঠনৰ নিয়মমতে কম সুতত বিত্তীয় লেন-দেনৰ জৰিয়তে ক্ষুদ্ৰ বেংক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। যি অনুদানসমূহ ঘূৰ্ণীয়মান পুঁজিৰে প্ৰতিখন গাঁৱত মহিলাসকলে চলাই ৰখাত সক্ষম হ'ব পাৰিছে।

**মহিলা সৱলীকৰণৰ সহযাত্ৰী ঃ**

- কৃষি বিভাগৰ দ্বাৰা উৎপাদন বৃদ্ধিৰ বাবে গ্ৰাম্য সংগঠনক ৰবি শস্য বীজ, জৈৱিক সাপ, কেচুসাৰ উৎপাদন কক্ষ, কীটনাশক লগতে কৃষিৰ আহিলা বিনামূলীয়াকৈ প্ৰদান।
- পশু চিকিৎসা বিভাগৰ জৰিয়তে বিনামূলীয়া শিবিৰৰ ব্যৱস্থা।
- নলবাৰী জিলা গ্ৰামীণ বিকাশ অভিকৰণ আৰু ২নং খাতা গাঁও পঞ্চায়তৰ সহযোগিতাত 'মহাত্মা গান্ধী নিশ্চিত নিয়োগ ৰোজগাৰ'ৰ জৰিয়তে পঞ্চাশটা পৰিয়ালক পকীযুক্ত জৈৱিক সাৰ উৎপাদন কক্ষ স্থাপন।
- দুয়োখন জিলাৰ কিছুসংখ্যক মহিলাক কৃষিবিভাগৰ তৰফৰ পৰা সুলভ মূল্যত কৃষিত জলসিঞ্চনৰ ব্যৱস্থা আহিলা প্ৰদান।
- নলবাৰী জিলাৰ বড়িগোগ বনভাগ উন্নয়নখণ্ডৰ চত্ৰা আৰু সঠামৌ জনজাতি বসতিপূৰ্ণ গাঁৱৰ মহিলা আত্মসহায়ক গোটক বি.টি.চি. প্ৰধান মাননীয় শ্ৰীহাগ্ৰামা মহিলাৰীৰ আৰ্থিক সাহায্য প্ৰদান।
- কৃষি বিজ্ঞান কেন্দ্ৰ (নলবাৰী)ৰ তৰফৰ পৰা ছত্ৰা গাঁৱৰ দুখীয়া আত্মসহায়ক গোটৰ সদস্যাক বৰ্নসংকৰ জাতৰ ছাগলী, হাঁহ আৰু কুকুৰা প্ৰদান।
- নলবাৰী জিলাৰ উপায়ুক্ত ক্ৰমে মাননীয় ড° ওমপ্ৰকাশ, মাননীয় অনন্তলাল জ্ঞানী; DRDAৰ প্ৰকল্প বিষয়া, ৰাজহচক্ৰ বিষয়া, উন্নয়ন খণ্ড বিষয়া, জিলা কৃষি বিষয়া, মহকুমা কৃষি বিষয়া, পশু চিকিৎসা বিষয়া, কৃষি বিজ্ঞানী আৰু নলবাৰী সমষ্টিৰ মাননীয় বিধায়ক শ্ৰীঅশোক শৰ্মা ডাঙৰীয়াই উক্ত প্ৰকল্প বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ।
- ৰাজ্য তথা দেশৰ বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠানৰ কৰ্মীবৃন্দৰ দ্বাৰা দুয়োখন জিলাৰ কিছুসংখ্যক গ্ৰাম্য সংগঠনৰ কাম-কাজ পৰিদৰ্শন আৰু সদস্যাৰ লগত ভাব বিনিময় উদাহৰণ হিচাপে তিলানা, সঠামৌ, চত্ৰা, চতমা, চটাইবাৰী আদি।

**আশাৰ এক ৰেঙণি**

- গাঁওভিত্তিক এক সৱল সংগঠিত মহিলা সংগঠনৰ জন্ম। যি সংগঠনে প্ৰকল্পৰ জৰিয়তে লাভ কৰা অনুদান তেওঁলোকৰ মাজত ঋণ প্ৰদানৰ জৰিয়তে জীৱিকামূলক কাম-কাজেৰে পৰিয়ালসমূহৰ আৰ্থিক অৱস্থা টনকীয়াল কৰিবলৈ চেষ্টা কৰা।
- প্ৰতিখন গাঁৱৰ ব্ৰাহ্মণ, কলিতা, মুছলমান, বড়ো, বঙালী, হিন্দু আদি মহিলাসকলৰ মাজত মিলাপ্ৰীতিৰ সৃষ্টি লগতে উমৈহতীয়াভাৱে কৃষিকৰ্মত জড়িত হোৱা।
- গাঁওভিত্তিক দুখীয়া মহিলাসকলৰ মাজত গ্ৰাম্য সংগঠনসমূহ এক ক্ষুদ্ৰ গ্ৰাম্য বেংক।
- প্ৰতিটো উন্নয়ন খণ্ড সামৰি নিৰ্দিষ্ট সংখ্যক village organisationৰ উমৈহতীয়া মঞ্চ হিচাপে ব্লক ফেডাৰেচন গঠন।
- ৰাজহুৱা দান-বৰঙণিৰ জৰিয়তে প্ৰায় সংখ্যক গ্ৰাম্য সংগঠনে ৰাজহুৱা/ব্যক্তিগত স্থানত কাৰ্যালয় নিৰ্মাণ কৰি মাহিলী সভা বা বৈঠক অনুষ্ঠিত কৰা য'ত গ্ৰাম্য সংগঠনৰ হিচাপ-নিকাচ আৰু মহিলাৰ সামাজিক সমস্যা সমাধানৰ আলোচনা কৰা।
- কৃষিত ৰাসায়নিক সাৰৰ পৰিবৰ্তে কেচুসাৰ প্ৰয়োগ লগতে কেচুসাৰ ব্যৱসায়িকভিত্তিত উৎপাদনত মহিলাৰ আত্মনিয়োগ। এই ক্ষেত্ৰত চতমা, সঠামৌ, তিলানা, চটাইবাৰী, মুগকুছি, তিলানা বিশেষভাৱে উল্লেখযোগ্য।
- মহিলাসকলে বিভিন্ন চৰকাৰী, বেচৰকাৰী, বিত্তীয় প্ৰতিষ্ঠান, বেংক আদিৰ সৈতে সাহসিকতাৰে যোগসূত্ৰ স্থাপন কৰিবলৈ আগবাঢ়ি আহিছে।
- বড়িগোগ বনভাগ জীৱনজ্যোতি ব্লক ফেডাৰেচনৰ প্ৰায়

১১০০ মহিলাই একলগ হৈ ৮ মাৰ্চ ২০১৭ইং তাৰিখে 'ঘগ্ৰাপাৰ খেলপথাৰ'ত 'আন্তৰ্জাতিক নাৰী দিৱস' পালনৰ কাৰ্যসূচী ৰূপায়ণ।

- পূব নলবাৰী ব্লক ফেডাৰেচনৰ সাধাৰণ সভাত নলবাৰী জিলাৰ মাননীয় বিধায়ক শ্ৰীঅশোক শৰ্মাই ফেডাৰেচন কামকাজ সুকলমে পৰিচালনাৰ বাবে ২,০০,০০০.০০ টকা গৃহনিৰ্মাণৰ বাবে প্ৰদানৰ ঘোষণা (স্থান ঃ অময়াপুৰ, যজ্ঞভূমি), ৭/১০/২০১৭ ইং)
- নলবাৰী আৰু বাক্সা জিলাৰ প্ৰায় ৪১০০ মহিলাৰ মাজত সংগঠিত ৪০টা গ্ৰাম্য সংগঠন সদস্যাৰ মাজত ঋণ হিচাপে প্ৰায় এক কোটি সাতাইশ লাখ তিনিহাজাৰ টকা (৩১ আগষ্ট ২০১৭) মজুত আছে।

প্ৰকল্পৰ জৰিয়তে বিভিন্ন গ্ৰাম্য সংগঠনৰ অনুদানৰ সাধাৰণ তথ্য (৩১ আগষ্ট ২০১৭ ইং)

| উন্নয়ন খণ্ড | ক্ৰমিক নং | গাঁও | গ্ৰাম্য সংগঠনৰ নাম | জিভিএমৰ (ঋণ) অনুদান | SHGৰ মাজত থকা মুঠ ঋণ | বেংক আৰু VOৰ নগদ মুলধন | গ্ৰাম্য সংগঠন মুঠ মূলধন |
|---|---|---|---|---|---|---|---|
| বড়িগোগ বনভাগ উন্নয়ন খণ্ড | ১। | সঠামৌ | সমন্বয় | ৩৩৯,৫০০ | ২৫৭৩০০ | ১০৩৭৮২ | ৩৬১০৮২ |
| | ২। | আখৰা | মহামিলন | ১৯২৫০০ | ১৫১১০০ | ৪৫৭০০ | ১৯৬৮০০ |
| | ৩। | নিজমগতা | শান্তিময় | ১৬৬০০০ | ৭৯১০০ | ৮২৮২১ | ১৬১৯২১ |
| | ৪। | বুৰবুৰী | অগ্ৰণী | ২০৪০০০ | ১৬৯৭০০ | ২৬৯৭২ | ১৯৬৬৭২ |
| | ৫। | চতমা | সেউজ | ১৮১৫০০ | ২১০৫০০ | ৪৭১২ | ২১৫২১২ |
| | ৬। | গুৱাকুছি | মিলনতীৰ্থ | ২২৯০০০ | ১৬২৮০০ | ৭৬১০৩ | ২৩৮৯০৪ |
| | ৭। | থানচাতকুছি | বেলি | ১০৭০০০ | ১০৫৯০০ | ২০৪৩০ | ১২৬৩৩০ |
| | ৮। | আকণা | সাধনা | ১৮৫০০০ | ১৫৭৬০০ | ৩৫২২৬ | ১৯৩২২৬ |
| | ৯। | চত্ৰা | আকাশীতৰা | ১৭২৫০০ | ১৩৪৩০০ | ৪৯০০০ | ১৮৩৩০০ |
| | ১০। | চটাইবাৰী | পুবালী | ৩১৪০০০ | ২৩৯০০০ | ৯৭৩৩৪ | ৩০৬৩৩৪ |
| পূব নলবাৰী উন্নয়ন খণ্ড | ১১। | বৰআজাৰা | নয়নতৰা | ২৩০০০০ | ২৪১৭৩০ | ৫১৫০ | ২৪৬৮৮০ |
| | ১২। | তিলানা | নাৰীজাগৰণ | ১৯০০০০ | ১৭৫০০০ | ৪৭৫২৬ | ২২২৫২৬ |
| | ১৩। | জানিগোগ | জাগ্ৰত | ২৩৪৫০০ | ২৬১৮৫০ | ৫০৬০৫ | ২৬৭৪৫৫ |
| | ১৪। | মুগকুছি | মুকুতি | ১৮৭০০০ | ১৩৮০০০ | ৬৬২০০ | ২২২৯১৬ |
| | ১৫। | দেহৰকালাকুছি | শংকৰ-আজান | ২০২০০০ | ২০৪০০০ | ৯৮৭৯ | ২১৩৮৯৭ |
| | ১৬। | কুমাৰীকাটা | অৰুণোদয় | ২১৮০০০ | ২০০০০০ | ২২৯১৬ | ২২২৯১৬ |
| | ১৭। | নিজবাঁহজানী | দশমী | ২৯৭০০০ | ৩১৫৪৫০ | ২১৮৮ | ৩১৭৬৩৮ |
| | ১৮। | প.খা. কালাকুছি | ৰামধেনু | ২৫৩৫০০ | ২৩০০০০ | ২৩২৮৭ | ২৫৩২৮৭ |
| | ১৯। | নামদোঙা | আশীৰ্বাদ | ২০২৫০০ | ১৭০০০০ | ৩৫৫৯২ | ২০৫৫৯২ |
| | ২০। | জাহা | ৰংমিলি | ২১০৫০০ | ১৮৯৫০০ | ৪২০০১ | ২৩১৫০১ |
| তামুলপুৰ | ২১। | চাৰাংবাৰী | আশীৰ্বাদ | ২৭৪০০০ | ৩০২০০০ | ১৪৮০৪ | ৩১৬৮০৪ |
| | ২২। | দলংপাৰ | সংঘমিত্ৰা | ৩১৮৫০০ | ৩২৫১০০ | ৬৬৩৮৪ | ৩৩১৭৩৪ |
| | ২৩। | উলুবাৰী | ত্ৰিবেণী | ৩০৭৫০০ | ২৭৫৮০০ | ৭১১৬ | ২৮২৯১৬ |
| | ২৪। | অময়াপুৰ | আভা | ২২০৫০০ | ২১২৪০০ | ৩৫৩৩ | ২১৫৯৩৩ |
| | ২৫। | পুনিয়া | পূৰ্ণভকত | ৩২০০০০ | ৩৬৭০০০ | ১৭৫৮৭ | ৩৮৪৫৮৭ |
| | ২৬। | কালাকুছি | ৰংগিলা | ২৭৩০০০ | ২৭৮৫০০ | ৯৩৮৩ | ২৮৭৮৮৩ |
| | ২৭। | কুমাৰীকাটা | মিলিজুলি | ২৫২০০০ | ২৫৭০০০ | ৭৭০ | ২৫৭৭৭০ |
| | ২৮। | আঙ্গাৰকাটা | মায়া | ২৯৪০০০ | ২০০০০০ | ১০৫০০০ | ৩০৫০০০ |
| | ২৯। | হাতুডুৱা | সৃজনী | ২৯৪০০০ | ৫৫৮৫০ | ১৬৪৬২৬ | ২২০৪৭৬ |
| | ৩০। | সাপকাটা | ৰাংঢালী | ১৯৫৫০০ | ১৯৪১০০ | ১৭২৮২ | ২১১৩৮২ |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| বাগছা (মুছলপুৰ) | ৩১। | বনহোপা | প্ৰগতি | ৩৪১০০০ | ১৯৮৪০০ | ১৭০৪৮০ | ৩৬৮৮৮০ |
| | ৩২। | দিহিৰা | হিমালয় | ৩২৫০০০ | ২৬৯৭৭৫ | ৬৩০০৫ | ৩৩৩০০০ |
| | ৩৩। | লক্ষীমপুৰ | পূবালী | ২৪২০০০ | ১৫৭২০০ | ৯৮০৪৪ | ২৫৫২৪৫ |
| | ৩৪। | অহোপা | মা-জনতা | ৩২৭৫০০ | ২৯০৬০০ | ৭০৯৪৪ | ৩৬১৫৪৪ |
| | ৩৫। | ধনশ্ৰীপুৰ | মিলিজুলি | ২৪৫০০০ | ২১৪৫০০ | ৩৮১৩৩ | ২৪৮৬৩৩ |
| | ৩৬। | অৰ্নিবিল | কৰম | ২৬২০০০ | ২১৬০০০ | ৫৭০০০ | ২৭৩০০০ |
| | ৩৭। | সুৰনশ্ৰী | লটাচ | ৩০৮০০০ | ১৭৪৩২৫ | ১৪৭১৪৯ | ৩২১৪৭৪ |
| | ৩৮। | ভুটানখুটি | খইনাপুখুৰী | ২২৮০০০ | ১৪৯৭০০ | ৮১০০০ | ২৩০৭০০ |
| | ৩৯। | বনহোপা | সমন্বয় | ২২৫৫০০ | ২৪৩৬৮৩ | ৫১৮০ | ২৪৮৮৬৩ |
| | ৪০। | পলাশগুৰি | সুৰুজ | ২৪৮০০০ | ১৮৮৬৫০ | ৫৯৫০৫ | ২৪৮১৫৫ |




কাৰ্যক্ষম হৈ আছে। পৰৱৰ্তী দহ বছৰত এই মূলধন দুইকোটি ত্ৰিশ লাখ টকালৈ বৃদ্ধি হোৱাৰ আশা কৰা হৈছে।

শেষত প্ৰতিখন গাঁৱৰ মহিলা গ্ৰাম্য সংগঠনৰ সদস্যাসমূহ সমল ব্যক্তি, জিভিএম কাৰ্যনিৰ্বাহক সদস্য/সদস্যা লগতে প্ৰকল্পত জড়িত সমূহ কৰ্মীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনিচ্ছাকৃত ভুলৰ ক্ষমা বিচাৰিলোঁ।



গ্ৰাম্য বিকাশ মঞ্চই নলবাৰী, বাক্সা জিলাৰ পূব নলবাৰী, বড়িগোগ বনভাগ, তামোলপুৰ আৰু বাগছা (মুছলপুৰ) উন্নয়ন খণ্ডৰ চল্লিশখন গাঁৱক সামৰি লৈ মহিলাসকলক জীৱিকাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ সফলভাৱে কৰিছে। এইক্ষেত্ৰত জিভিএময়ে চল্লিশটা গ্ৰাম্য সংগঠনৰ মাজত প্ৰদান কৰা এক কোটি তিয়াল্লিশ লাখ চাৰিহাজাৰ টকাৰ বিগত সময়ছোৱা প্ৰতিটো গ্ৰাম্য সংগঠনে বিভিন্ন শিতানত খৰচ কৰাৰ পিছত যোৱা ৩১ আগষ্ট, ২০১৭ ইংলৈকে এক কোটি সাতাইশ লাখ তিনিহাজাৰ টকা সঠিকভাৱে

বিনাকাৰণত নিজৰ স্বাৰ্থৰ হেতু হিংসা কৰাটো অধৰ্ম আখ্যাদি অহিংসাকে পৰম ধৰ্ম বুলি গীতাত ব্যাখ্যা কৰা হৈছে। সত্য, ক্ৰোধ নকৰা, ত্যাগ, মনৰ শান্তি, নিন্দা নকৰা, দয়া, সুখৰ প্ৰতি আকৰ্ষিত নোহোৱা, ক্ষমা, ধৈৰ্য, শৰীৰ শুদ্ধতা, ধৰ্ম পৰিহাৰ নকৰা, অহংকাৰ নকৰা ইত্যাদিবোৰ সত্বগুণী বা দৈবিক সম্পত্তি বুলি অভিহিত হৈছে গীতাত। এইবোৰ লগত লৈহে মানুহে পৰমাত্মাৰ ভক্তি কৰিব পাৰে, জীৱনৰ কৰ্তব্য পালন কৰিব পাৰে আৰু কৰ্মফলৰ আশাক ত্যাগি জীয়াই থাকিব পাৰে আৰু যিয়ে এইবোৰ কৰিব পাৰে তেওঁ সন্তোষ প্ৰাপ্ত কৰে।

# গীতাৰ আধাৰত জ্ঞানৰ দ্বাৰা আত্মাৰ বিচাৰ

✍ দিপাঙ্কৰ চক্ৰবৰ্তী
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ



**আ**মাৰ সমাজত বহুতে প্ৰকৃতি আৰু পুৰুষ এই দুয়োটাক ভুল বুজি আজিও প্ৰকৃতি বুলি নাৰী (Female) আৰু পুৰুষ (male)ৰ ধাৰণাটোকে প্ৰচাৰ চলাই আহিছে। আচলতে প্ৰকৃতি আৰু পুৰুষ কি? এই কথাবিলাকে গীতাৰ ব্ৰহ্মবিদ্যাত বহলভাৱে ব্যাখ্যা কৰিছে। মাটি, পানী, বায়ু, অগ্নি আৰু আকাশ এই পঞ্চমহাভুতেৰে নিৰ্মাণ হয় মানুহৰ শৰীৰ। মাটিৰে গঢ় লোৱা শৰীৰেৰে এজন মানুহৰ পৰিচয় দেহেৰে হয়, না গঢ় লয় সম্বন্ধই। জ্ঞানী, ধাৰ্মিক, বিদ্যান যিদৰে এই পঞ্চমহাভূতেৰে নিৰ্মাণ হয়, ঠিক একেদৰে অজ্ঞানী, অধৰ্ম, মুৰ্খও পঞ্চমহাভুতেৰে নিৰ্মাণ হয়। মানুহৰ স্বভাৱ, আচাৰ-ব্যৱহাৰ আৰু কৰ্ম একে পঞ্চমহাভূতৰে নিৰ্মিত শৰীৰ হৈও মানুহ ভেদে ভিন্ন ভিন্ন হয় সৃষ্টিৰ তিনিটা গুণৰ উপাদানৰ আয়ত্বৰ ওপৰত নিৰ্ভৰ কৰি। সৃষ্টিৰ এই তিনিটা গুণ হৈছে— তমস (অন্ধকাৰ), ৰাজস (অহংকাৰ) সত্ব বা সত্য (জ্ঞান)। ভাল-বেয়া, উচিত-অনুচিতৰ বিচাৰ নকৰি মাত্ৰ জীৱন অতিবাহিত কৰাকে তামসিক ব্যৱহাৰ বোলে, যেনেকৈ পশু-পক্ষী জীয়াই থাকে কেৱল নিজৰ শাৰীৰিক ইচ্ছাক পূৰণ কৰিবলৈকে। আনহাতে যেতিয়া ব্যক্তিয়ে প্ৰত্যেক পৰিস্থিতিতে ধৰ্মৰ, সত্যৰ, পৰম্পৰাৰ বিচাৰ আৰু পৰ্যালোচনা কৰি জীৱন কটায়, তেতিয়া তেনে জীৱনক সাত্বিক জীৱন বোলে। এই দুই ধৰণৰ গুণৰ আয়ত্বৰে গঢ় লোৱা দুই শ্ৰেণী মানুহৰ মাজত আৰু এটা শ্ৰেণী আছে যাৰ ওচৰত জ্ঞানতো আছে, কিন্তু শৰীৰ আৰু মনৰ ইচ্ছা-আকাংক্ষাৰ আগত ভাল-বেয়া, উচিত-অনুচিতৰ বিচাৰ মিছা হৈ পৰে। এনেকুৱা মানুহ ৰাজস অৰ্থাৎ অহংকাৰেৰে পূৰ্ণ মনেৰে জীয়াই থাকে। এই তিনিটা গুণৰ সংমিশ্ৰণে মানুহৰ স্বভাৱ গঢ় দিয়ে। কিন্তু মানুহ কেৱল পাঁচ মহাভূত বা পাঁচ পদাৰ্থ নহয়, নহয় পাঁচ জ্ঞানেন্দ্ৰীয় বা পাঁচ কৰ্মেন্দ্ৰীয় আৰু নহয় তিনিগুণৰ সমাহাৰ মাত্ৰ। মানুহক চলন-ফুৰন আৰু কাৰ্য কৰিবলৈ প্ৰয়োজন হয় শক্তিৰ আৰু এই শক্তিকে চেতনা বুলি কোৱা হয়।

মানুহৰ চেতনাৰ লগত পাঁচ মহাভূত, পাঁচ জ্ঞানেন্দ্ৰীয় বা পাঁচ কৰ্মেন্দ্ৰীয় আৰু তিনি গুণৰ সমাহাৰে হৈছে প্ৰকৃতি (Nature)। এতিয়া মানুহ নামৰ যন্ত্ৰত বাস কৰে পুৰুষ। অৰ্থাৎ এই পুৰুষেই হ'ল পৰমাত্মাৰ অংশ যাক কোৱা হয় আত্মা। যেতিয়া পৰমাত্মাৰ অংশ আত্মাৰূপেৰে দেহত বাস কৰে অৰ্থাৎ

যেতিয়া প্ৰকৃতি আৰু পুৰুষৰ মিলন ঘটে তেতিয়া মানুহ জীৱিত হয়। আত্মাই শৰীৰৰ মাধ্যমেৰে শৰীৰৰ সুখ-দুখ অনুভৱ কৰে। শৰীৰক নাশ কৰিব পাৰি কিন্তু আত্মাক নাশ কৰিব নোৱাৰি। পুৰণি বস্ত্ৰ ত্যাগ কৰি যেনেকৈ মানুহে নতুন বস্ত্ৰ ধাৰণ কৰে তেনেকৈ আত্মাইও পুৰণি শৰীৰ ত্যাগ কৰি নতুন শৰীৰ ধাৰণ কৰে। অন্ধ মানুহেওঁ জীয়াই থাকে, বোবাইও জীয়াই থাকে, যাৰ হাত ভৰি নাই তেওঁ জীয়াই থাকে। অৰ্থাৎ এইটো স্পষ্ট যে শৰীৰেই মানুহ নহয়। অচেতন বা মূৰ্চ্ছা যোৱা অৱস্থাটো মানুহ জীয়াই থাকে, অৰ্থাৎ চেতন তত্ত্বও মানুহ নহয়। গীতাৰ অমৰ কলাৰ মতে যিয়ে ব্যক্তিয়ে এনেদৰে নিজৰ ভিতৰত চলাথ কৰে তেওঁ বুজি উঠে যে তেওঁ শৰীৰ নহয়, ইন্দ্ৰীয় নহয়, ভাবনা নহয়, বিচাৰ নহয়, জ্ঞানো নহয়। যেতিয়া পৰম ব্ৰহ্মৰ ভাগ হয়, তেতিয়া পুৰুষ আৰু প্ৰকৃতিৰ সৃষ্টি হয় আৰু পুৰুষ অৰ্থাৎ পৰমাত্মাৰ অংশই আত্মা নামেৰে প্ৰকৃতিৰ প্ৰত্যেকবস্তুতে বাস কৰিবলৈ লয়। লাহে লাহে এই আত্মাক মোহৰ অন্ধকাৰে ঘেৰি লয়। এই মোহ নিদ্ৰাৰ পৰা জাগ্ৰত হৈ স্বয়ং নিজক পৰমাত্মাৰ অংশ ৰূপে পুনৰ উপলব্ধি কৰিব পৰাটোৱে আত্মাৰ কৰ্তব্য, উদ্দেশ্য আৰু জীৱন কাৰ্য। অথচ অধিক সংখ্যক আত্মাই নিজৰ দেহকে সকলো বুলি জ্ঞান কৰে, দেহৰ পৰা যে তেওঁ ভিন্ন এই কথা গমকে নাপায়। শৰীৰে যি সোৱাদ, সুখ-দুখ, গোন্ধ আদিৰ অনুভৱ পায় সেইবোৰকে নিজৰ অনুভৱ বুলি মানি লয়। যেতিয়ালৈকে নিজকে শুদ্ধাত্মা কৰি ল'ব নোৱাৰিব, যেতিয়ালৈকে অধৰ্ম ত্যাগ কৰি ধৰ্মত দৃঢ় নহ'ব তেতিয়ালৈকে এনেকুৱা আত্মাই জন্ম লৈ থাকিব, তেওঁলোকৰ শৰীৰৰ মৃত্যু ঘটি থাকিব।

যি পথত চলি মানুহে নিজকে আত্মাৰ ৰূপত দেখা পায়, পৰমাত্মাৰ অংশৰূপে নিজকে বুজি পায়, পৰম কৰুণাৰে সমগ্ৰ জীৱজগত, সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডক সাৱটি ল'ব খোজে সেই পথকে ধৰ্ম বোলে। যেতিয়া মানুহে নিজকে পৰমাত্মাৰ অংশৰূপে জানে তেতিয়া তেওঁৰ এইটো অনুভূতি আহি যায় যে এই সৃষ্টিখনেই পৰমাত্মা আৰু পৰমাত্মাই সৃষ্টি।

যি মানুহে সৃষ্টি আৰু পৰমাত্মাৰ মাজত কোনো পাৰ্থক্য নাই বুলি বুজি পায় তেওঁ কেতিয়াও অইন মানুহ, অন্য প্ৰাণীৰ প্ৰতি কঠোৰ আৰু নিৰ্দয় হ'ব নোৱাৰে যি কোনো প্ৰাণীকে দিয়া আঘাত সেই প্ৰাণীৰ লগতে সমগ্ৰ সংসাৰ, সমগ্ৰ সৃষ্টিকে আঘাতৰ কষ্ট দিয়ে সেই সূক্ষ্ম অনুভূতিক তেওঁ ধাৰণ কৰিব পৰা হয়।

সংসাৰত এজন মানুহ, এটা প্ৰাণী পীড়িত হৈ থকালৈকে বাস্তৱিকতে সম্পূৰ্ণ সংসাৰতে সম্পূৰ্ণ সুখ সম্ভৱ যে নহয় এইটো উপলব্ধিৰে মানুহৰ মন কৰুণাৰে ভৰি পৰাকে ধৰ্ম বোলে।

আনহাতে যেতিয়া কাৰোবাৰ ওপৰত তমসগুণৰ ছাঁ পৰে তেতিয়া তেওঁ আনৰ প্ৰতি কঠোৰ, নিৰ্দয় আৰু স্বাৰ্থপৰ হৈ পৰে। পৰমাত্মাৰ প্ৰতি ধাৱমান হ'ব নোৱৰা হৈ যায়। অৰ্থাৎ অধৰ্ম আত্মাক পৰমাত্মাৰ পৰা দূৰলৈ লৈ যোৱা উপায় বা পথৰ নাম। গতিকে ক'ব পাৰি যে অধৰ্ম অজ্ঞানতাৰ দ্বিতীয়তো নাম।

শৰীৰ ভোগ আৰু আননন্দ মাথোন মৃত্যুলৈকে। অৰ্থাৎ ই বাস্তৱিক নহয়, কেৱল মায়া, যিয়ে এই কথা বুজি পায় তেওঁৰ বাবে কৰ্মযোগী হোৱাটো সৰল হৈ পৰে। প্ৰত্যেক কৰ্ম কাৰ্য, কিন্তু প্ৰত্যেক কাৰ্যই কৰ্ম নহয়। কৰ্ম সেইবোৰ কাৰ্যক কয় যাৰ লগত ফলৰ আশা জড়িত হৈ থাকে। যেতিয়া কিবা কাৰ্যফলৰ আশাত কৰা যায় তেতিয়া তাক সকাম কাৰ্য বোলে আৰু যেতিয়া কিবা কাৰ্য কোনো ফলৰ আশা নকৰি কৰা যায় তেতিয়া তাক নিষ্কাম কাৰ্য বোলে। বাস্তৱিকতে মানুহক কোনো কাৰ্যই নাবান্ধে সেই কাৰ্যৰ লগত জড়িত আশাই তেওঁক বান্ধে।

ভক্তিৰ বাবে মানুহে সত্য-অসত্যৰ জ্ঞান লাভ কৰে। এই জ্ঞানৰ বাবেই তেওঁৰ পৰমাত্মাৰ দৰ্শন লাভ হয়। যাৰ পৰমাত্মাৰ দৰ্শন লাভ হয় তেওঁ প্ৰকৃতাৰ্থত কৰ্মযোগী হৈ যায়। এই কৰ্মযোগীয়ে জন্ম শৃংখলৰ পৰা মুক্তি পাই মোক্ষপ্ৰাপ্তি লাভ কৰে। যিয়ে নিজৰ আত্মাৰ দৰ্শন কৰিব পাৰে তেওঁ পৰমাত্মাৰ দৰ্শন কৰিব পাৰে।

পৰমাত্মাৰ জ্ঞান লাভ কৰি মানুহে জন্ম-মৃত্যুৰ চক্ৰাকাৰ পথৰ পৰা ঊৰ্দ্ধলৈ গৈ সচ্চিদানন্দ স্বৰূপ প্ৰাপ্ত কৰি পৰমাত্মাত লীন গৈ স্বয়ং পৰমাত্মা হৈ যায়, যেনেকৈ পানীৰ সৰু টোপাল এটি সাগৰত পৰি স্বয়ং সাগৰত পৰিণত হয়।

বিনাকাৰণত নিজৰ স্বাৰ্থৰ হেতু হিংসা কৰাটো অধৰ্ম আখ্যাদি অহিংসাকে পৰম ধৰ্ম বুলি গীতাত ব্যাখ্যা কৰা হৈছে। সত্য, ক্ৰোধ নকৰা, ত্যাগ, মনৰ শান্তি, নিন্দা নকৰা, দয়া, সুখৰ প্ৰতি আকৰ্ষিত নোহোৱা, ক্ষমা, ধৈৰ্য, শৰীৰ শুদ্ধতা, ধৰ্ম পৰিহাৰ নকৰা, অহংকাৰ নকৰা ইত্যাদিবোৰ সত্বগুণী বা দৈৱিক সম্পত্তি বুলি অভিহিত হৈছে গীতাত। এইবোৰ লগত লৈহে মানুহে পৰমাত্মাৰ ভক্তি কৰিব পাৰে, জীৱনৰ কৰ্তব্য পালন কৰিব পাৰে আৰু কৰ্মফলৰ আশাক ত্যাগি জীয়াই থাকিব পাৰে আৰু যিয়ে এইবোৰ কৰিব পাৰে তেওঁ সন্তোষ প্ৰাপ্ত কৰে। জ্ঞানযোগ ব্ৰহ্মবিদ্যাৰ অন্তিম চৰণ। পৰমাত্মাৰ দৰ্শন কৰিব পৰাটোৱে হৈছে বাস্তৱিক জ্ঞান। এইটোৱে একমাত্ৰ জ্ঞান যি বিশ্বৰ সকলোবোৰ জ্ঞান বা বিজ্ঞানৰ ভেটি বা আধাৰ। এই জ্ঞানেই মানুহক প্ৰকৃত মুক্তিৰ দুৱাৰ খুলি দিয়ে।

গতিকে প্ৰত্যেক ব্যক্তি জ্ঞানী, ধাৰ্মিক আৰু কৰ্মযোগী হৈ সমাজৰ পৰিবৰ্তনৰ গুৰুদায়িত্ব ল'ব লাগে। লগতে গীতাই এই দৰ্শন আদৰ্শ পালন কৰাৰ প্ৰয়াস কৰিব লাগে।

**ধৰ্মৰ বিজ্ঞানসন্মত লক্ষ্য আৰু উদ্দেশ্য হ'ল পৰমব্ৰহ্ম (ডিভাইন পাৱাৰ) প্ৰাপ্তি। জীৱনৰ প্ৰতি থকা প্ৰীতিক অনুৰাগ বোলে, সেই অনুৰাগ মানুহৰ মাজত কৰ্মৰে আগবঢ়াব পাৰিলে মানৱ সেৱা বোলে। মানৱ সেৱাই পৰম ধৰ্ম। য'তে ধৰ্ম ততেই জয়।**

# ধৰ্ম আৰু বিজ্ঞান

জিতেন্দ্ৰ নাথ কলিতা (জিতু)
খণ্ড সমন্বয়ক, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান
সদস্য, গ্ৰাম্য বিকাশ মঞ্চ



বিশ্ব ব্ৰহ্মাণ্ডত এক অবিনাশী মহাজাগতিক শক্তি আছে যি শক্তিক পৰমব্ৰহ্ম বুলি কোৱা হয়। এই শক্তিকে বিভিন্নজনে বেলেগ বেলেগ নামেৰে আৰু বিভিন্ন পদ্ধতিৰে স্মৰণ কৰে। ধৰ্ম যিয়েই নহওক প্ৰত্যেক ধৰ্মৰে লক্ষ্য আৰু উদ্দেশ্য হ'ল মানৱৰ মাজত ঐক্য, শান্তি আৰু সম্প্ৰীতি অটুট ৰখা আৰু সৃষ্টিক ভাল পোৱা। ধৰ্ম হ'ল স্বচ্ছ, নিকা আৰু ই সত্য আৰু শান্তিৰ আধাৰত প্ৰতিষ্ঠিত। য'ত সৃষ্টি নাই তাত ধৰ্মও নাই। বিজ্ঞান আৰু যুক্তিৰ মাজেৰেহে ধৰ্মক বেছি ভালকৈ জানিব পাৰি। বিজ্ঞান অবিহনে ধৰ্ম অন্ধ আৰু ধৰ্ম অবিহনে বিজ্ঞান খোৰা বুলি কোৱা হয়। আত্মাৰ অনুভূতিৰ উপলব্ধিৰ দ্বাৰাহে সৎ বা মহৎ কাম সিদ্ধি হয়। আত্মসংযম, আত্ম নিয়ন্ত্ৰণ আৰু আত্মানুশাসনৰ অভ্যাসসমূহ গঢ়ি আত্মবন্দেৰে বিভিন্ন মাৰ্গৰে আমি আশ্বৰ প্ৰাপ্তিৰ চেষ্টা কৰাকে আধ্যাত্মিক বা পাৰমাৰ্তিক চিন্তা-চৰ্চা বুলি কোৱা হয়। ধ্যান, প্ৰাণায়াম আৰু যোগ সাধনাৰ দ্বাৰা আমি ধীৰ স্থিৰ হোৱাৰ লগতে আমাৰ একাগ্ৰতা আৰু আত্মবল বৃদ্ধি কৰিব পাৰো। আমাৰ মগজুৰ কোষবোৰৰ মাজত এনে কিছুমান কোষ আছে যিবোৰ কোষ গোটেই জীৱন কালেই সক্ৰিয় হ'বলৈ নাপায়। এই কোষবোৰ ধ্যান প্ৰাণায়ামৰ দ্বাৰা সক্ৰিয় বা জাগ্ৰত কৰিব পাৰি। ধ্যান প্ৰাণায়ামৰ দ্বাৰা সক্ৰিয় বা জাগ্ৰত কৰিব পাৰি। ধ্যান প্ৰাণায়ামৰ আৰু যোগ ব্যায়ামৰ আমাৰ দেহৰ শাৰীৰিক আৰু মানসিক দুয়োটা স্বাস্থ্যৰ উত্তৰণ ঘটাব পাৰি। আধ্যাত্মিক বা পাৰমাৰ্থিক চিন্তা-চৰ্চাই নৈতিক দিশত উন্নতি ঘটোৱাৰ লগতে আত্মজ্ঞান প্ৰদান কৰে। ধৰ্ম, ভাষা, সাহিত্য, কলা-সংস্কৃতি কোনো ব্যক্তি বা জনসমষ্টিৰ আত্মপ্ৰকাশ আৰু ই এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। এই মেৰুদণ্ড পোনকৈ ৰাখিবলৈ যি শক্তিৰ প্ৰয়োজন সেয়াই হ'ল আত্মবোধ। আত্মবোধ থাকিলেহে ধৰ্ম, ভাষা, সাহিত্য কাগজৰ পাতত, সংস্কৃতি মঞ্চ আৰু কেছেট আদিত সীমাবদ্ধ হৈ নাথাকি হৃদয়লৈ আনিব পাৰি। স্বধৰ্ম পালনৰ বাবে কষ্ট কৰিব পৰাটো ভাল কিন্তু কেতিয়াও কোনো ধৰ্মকে নিন্দা কৰিব নালাগে। মনুষ্যত্ব ৰক্ষা কৰি বিভিন্ন জাতি আৰু সম্প্ৰদায়ৰ মাজত মানৱ সদভাৱনা ৰাখি সাম্য বিস্তাৰ কৰাই ধৰ্মৰ মূলমন্ত্ৰ। মানুহে বিশ্বৰ নিয়ন্ত্ৰণত ইন্ধন যোগাব নোৱাৰিব পাৰে কিন্তু নিজৰ নিয়ন্তা হিচাপে থাকিলে বিশ্বৰ ইন্ধন যোগোৱা হয়। ধৰ্মশাস্ত্ৰৰ বাণীসমূহ জানিলেই বা পঢ়িলেই নহ'ব তাক বিজ্ঞানসন্মতভাৱে হাতে কামে লগাবলৈ নিৰন্তৰ আত্মাৰে যত্ন কৰিব লাগিব। মানুহৰ অন্তৰাত্মাত যি বিশ্বাস আৰু শক্তি থাকে তাকে ব্যৱহাৰ কৰি মানুহ উচ্চ পৰ্যায় পায়গৈ। মস্তিষ্ক হ'ল এটা পেৰাচুতৰ দৰে আৰু ই তেতিয়াহে কাম কৰে যেতিয়া ই খোল খায়। মস্তিষ্কক সময়ৰ সতে সৎ প্ৰয়োগ কৰি কোনো

কাম কৰা আৰু শিকাৰ বাবে অহৰহ লগাই থাকিলে আমি জয়ী হ'ব পাৰো। মনৰ প্ৰফুল্লতা আৰু কামৰ মাজত এক নিবিড় সম্বন্ধ থাকে আৰু প্ৰফুল্ল মনেৰে কৰিলে উত্তৰোত্তৰ সফলৰ দিশেই আগবাঢ়ে। সুবিচাৰ বুদ্ধি আৰু আত্মবলেৰে আৰম্ভ কৰা কামটো সফলতাৰে সমাপ্ত হয় কিন্তু প্ৰকৃত সফলতা এক লক্ষ্যস্থান নহয় ই এক গতিহে। ধৰ্মৰ বিজ্ঞানসন্মত লক্ষ্য আৰু উদ্দেশ্য হ'ল পৰমব্ৰহ্ম (ডিভাইন পাৱাৰ) প্ৰাপ্তি। জীৱনৰ প্ৰতি থকা প্ৰীতিক অনুৰাগ বোলে, সেই অনুৰাগ মানুহৰ মাজত কৰ্মৰে আগবঢ়াব পাৰিলে মানৱ সেৱা বোলে। মানৱ সেৱাই পৰম ধৰ্ম। য'তে ধৰ্ম ততেই জয়।

# সংবেদন

✍ কল্যাণ দাস
সহঃশিক্ষক পশ্চিম বড়িগোগ ধীৰদত্ত উঃমাঃ বিদ্যালয়

অন্তৰ্জ

সাংবাদিকতাক মূল বিষয় হিচাপে লৈ অধ্যয়ন কৰি থকা আমাৰ প্ৰাক্তন ছাত্ৰ এজনে মোক ক'লে যে তেওঁলোকৰ শিক্ষানুষ্ঠানত কাম কৰা এগৰাকী শিক্ষয়িত্ৰী তথা জ্যেষ্ঠ সাংবাদিকৰ মতে জীৱনত সফলতাৰ বাবে চুটি পথ লোৱাটো অনুচিত আৰু নতুন প্ৰজন্মই প্ৰতিটো ক্ষেত্ৰত সফলতাৰ চুটি পথ বিচৰাৰ তীব্ৰতা ক্ৰমাৎ বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। মই নিজেও মন কৰিছো কেৱল নতুন প্ৰজন্মই নহয় বহু জ্যেষ্ঠৰ মনতো এনে ধৰণৰ চিন্তাই বাহ লৈছে। যিকোনো এটা কামত হাত দিলেই তাৎক্ষণিক ফল এটা বিচাৰে। ল'ৰা বা ছোৱালী এজনীক সংগীত বিদ্যালয় এখন নামভৰ্তি কৰাই দিলে ল'ৰা বা ছোৱালীজনীয়ে গায়ক হিচাপে মঞ্চত উঠিব বিচাৰে বা মাক দেউতাকেও মঞ্চত উঠাব বিচাৰে। ক্ৰিকেট বেট এখন হাতত দিয়াৰ লগে লগে শচীনৰ লেখীয়া এজন দক্ষ ক্ৰিকেটাৰ হ'ব বিচাৰে। প্ৰকৃত সমাজ সেৱাৰ যোগেদি ৰাজনীতিক হোৱাৰ পৰিৱৰ্তে যিকোনো এটা আন্দোলনৰ নেতৃত্ব দি ৰাজনীতিক হ'ব বিচাৰে। শিশুবোৰক বিদ্যালয়ত নাম লগাই দি মাক-দেউতাকে জীৱনৰ প্ৰথম পৰীক্ষাটোতে এশ শতাংশ নম্বৰ পোৱাটো বিচাৰে। আমি শিক্ষকবোৰেও নম্বৰ কেন্দ্ৰিক অধ্যয়নৰ পোষকতা কৰিছো। ছাত্ৰজনৰ কথাখিনি শুনি মই ক'লো ৰাস্তাবোৰ বহল কৰিছে মানুহে সোনকালে লক্ষ্যস্থান পাবলৈ। যান বাহনবোৰ অত্যাধুনিক প্ৰযুক্তিৰে তৈয়াৰ কৰিছে তীব্ৰবেগত গন্তব্যস্থান পাবলৈ। হাজাৰ কিলোমিটাৰ দূৰৈৰ মানুহ এজনক পলকতে লগ পাবলৈ দূৰ সংযোগ ব্যৱস্থাৰ আৱিষ্কাৰ কৰিছে। সম্প্ৰতি মোবাইল ফোনৰ জৰিয়তে যিকোনো স্থানৰ পৰা মানুহ এজনে অইন এজনক লগ পোৱাৰ ব্যৱস্থা কৰিছে। গতিকে সফলতাৰ চুটি পথ বিচৰাত মানুহৰ দোষ ক'ত? গভীৰ অনুভৱ নথকা কিছুমান ৰাজনীতিকৰ দ্বাৰা দেশখন পৰিচালিত হৈছে। দেশৰ শাসন ব্যৱস্থাত অসুস্থ মানসিকতাৰ প্ৰভাৱ পৰিছে। মানুহৰ ভৱিষ্যৎ সম্বন্ধে অস্পষ্ট ধাৰণাৰ সৃষ্টি হৈছে। গতিকে সফলতাৰ চুটি পথ বিচৰাত মানুহৰ দোষ ক'ত? কোনোবা এজনে বিচাৰি আছে চৰকাৰৰ অনুমোদন পালে প্ৰায় বিশজন মানুহে নিযুক্তি পোৱা কাম এটা আৰম্ভ কৰিব পাৰিব। লগে লগে অইন এজনে প্ৰশ্ন কৰিছে বিধায়কৰ লগত চিনাকি আছেনে? সাংসদৰ কোনোবা ঘনিষ্ঠৰ লগত আত্মীয়তা আছেনে? আমি বিজ্ঞানত অগ্ৰগতি লাভ কৰিছো ঠিকেই কিন্তু সেই আৱিষ্কাৰৰ জৰিয়তে সমাজখনক আন্তৰিকতাৰে আগবঢ়াই নিয়াত বিফল হৈছো। গৰিষ্ঠসংখ্যক মানুহে আজি সমাজত সকলো দিশত অসুৰক্ষিত অনুভৱ কৰে। বাস্তৱত দেদিখছো তেনেকুৱা ব্যৱস্থাও নাই। পথাৰত হাল বোৱা সময়ত নাইবা শস্য চপোৱা সময়ত ভৰ দুপৰীয়া কিবা এটা অঘটন হ'লে খেতিয়কজনে সহায় পোৱাৰ কোনো ব্যৱস্থা নাই অথচ দেশৰ অৰ্থনীতিত প্ৰত্যক্ষ অৰিহণা যোগাই আছে খেতিয়কজনে। ইটা বনোৱা ইণ্ডাষ্ট্ৰীত শ্ৰমিক এজনৰ কিবা এটা শাৰীৰিক অসুবিধা হ'লে চিকিৎসাৰ বাবে কোনো ভাল ব্যৱস্থা নাই। এই দুই শ্ৰেণীৰ নাগৰিকে মানুহৰ মুখ্য উদ্দেশ্য পূৰণত অৰিহণা যোগাই আছে। এওঁলোকে সমাজত সকলো দিশত বেছিকৈ অসুৰক্ষিত অনুভৱ কৰে। শ্ৰমজীৱী, কৃষিজীৱী মানুহৰ অসুৰক্ষা দেশৰ বাবে বিপজ্জনক কথা। গতিকে সুবিধা পালেই সফলতাৰ চুটিপথ বিচাৰিবই। কিতাপৰ বিষয়বস্তুক বাদ দিলে মানুহৰ ধ্যান-ধাৰণা, জীৱনৰ মাজত শ্ৰদ্ধা, মৰম, ভালপোৱা ক্ৰমশঃ কমি আহিছে। ইয়াৰ ভিতৰত যিবোৰ মানুহ সংবেদনশীল, সহনশীল তেওঁলোক সমাজৰ পৰা কিছুপৰিমাণে বিচ্ছিন্ন হোৱা আৰম্ভ হৈছে। সমাজখন এখন ডাঙৰ বিদ্যালয়। পাঠ্যপুথিৰ পৰা পোৱা জ্ঞান-বিদ্যাক বাদ দি বাকী সকলোবোৰ কথা এই বিদ্যালয়খনতে মানুহে শিকে। গতিকে আমি বাস কৰা সমাজখন সুস্থ হোৱাটো বাঞ্ছণীয়।

সুবিধা পালেই সফলতাৰ চুটিপথ বিচাৰিবই। কিতাপৰ বিষয়বস্তুক বাদ দিলে মানুহৰ ধ্যান-ধাৰণা, জীৱনৰ মাজত শ্ৰদ্ধা, মৰম, ভালপোৱা ক্ৰমশঃ কমি আহিছে।





চিন্তা

# দাসত্ব

✍ চৰিত বৰ্মন
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

**মা**নুহ জাতিটো পৰিবেশৰ দাস। পৰিবেশক বাদ দি কোনো মানুহে বৰ্তি থাকিব নোৱাৰে। পৰিবেশে সকলোকে বাধ্য কৰায়। পৰিবেশ বুলিলে সুশৃংখল আৰু উশৃংখল পৰিবেশকে বুজায়। এটা জাতিৰ জাতীয় সত্বাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰবিলৈ হ'লে জাতিটোৰ বৈশিষ্ট, অৰ্থাৎ চাফ চিকুণ, পিন্ধা, উৰা, খোৱা, বোৱা, কথা-বতৰা, চলন-ফুৰন, শিক্ষা-দীক্ষা, উৎসৱ-পাৰ্বণ, বসবাস, ঘৰ-দুৱাৰ, কাম-কাজ, আচাৰ ব্যৱহাৰ ইত্যাদি সকলোবোৰ পৰিবেশৰ দাসত্ব জীৱন। এই পৰিবেশৰ সকলোবোৰ দিশ একোটা জাতিৰ সংস্কৃতি আৰু এই সংস্কৃতিয়েই হ'ল জাতিৰ সত্বাৰ ৰাজহাড়ৰ অংশ। অসমীয়া জাতি কাহানিবাই বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত হৈছে একমাত্ৰ জাতীয় সত্বাৰ বাবেহে। পৃথিৱীত এনে জাতি বহু আছে যিয়ে আজিও বিশ্ব দৰবাৰত স্থান পোৱাহি নাই। সেয়েহে আমি অসমীয়া জাতীয় সত্বাত জন্মগ্ৰহণ কৰাটো গৌৰৱান্বিত। কিন্তু এচাম অসমীয়াই জাতীয় সত্বাক পাহৰি উশৃংখল জীৱন যাপন কৰি জাতীয় সত্বাত কালিমা সানি পশ্চিমীয়া জাতিৰ জাতীয় সত্বাক আদৰিবলৈ নিজৰ মা-দেউতা, ভাই-ভনী, বন্ধু-বান্ধৱক পাহৰি অসমীয়া সমাজত শান্তি, সংহতি বিনষ্ট কৰি সমাজত উশৃংখল পৰিবেশৰ সৃষ্টি কৰি আহিছে আৰু তাকে দেখি লাহে লাহে অসমীয়া সমাজখন তেনে পৰিবেশৰ দাস হোৱা পৰিলক্ষিত হৈছে আৰু কিছুবছৰ যদি এনেদৰে চলি থাকে তেতিয়াহ'লে উশৃংখল পৰিবেশৰ দাসত্বই অসমীয়া জাতিৰ জাতীয় সত্বা বিশ্বৰ বুকুত হেৰাই পেলাব লাগিব।

অসমীয়া জাতি কাহানিবাই বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত হৈছে একমাত্ৰ জাতীয় সত্বাৰ বাবেহে।



# অসমত নাৰীৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থান

✍ কিশোৰ কুমাৰ কলিতা

মহিলাৰ মৰ্যাদাৰ প্ৰসংগটো উত্থাপন কৰাৰ ক্ষেত্ৰত কোনো এক নিৰ্দিষ্ট সমাজৰ ক্ষেত্ৰত বহু ধাৰাৰ (multidimensional) প্ৰেক্ষাপটত ইয়াক বিচাৰ কৰা হয়। কোনো এক সমাজৰ সামাজিক, আৰ্থিক, সাংস্কৃতিক, প্ৰশাসনিক আদি সকলো প্ৰক্ৰিয়াত মহিলাক কিধৰণৰ স্থান প্ৰদান কৰা হয়, সমাজৰ স্তৰবদ্ধ অৱস্থাটোত মহিলাসকলে কোনটো স্তৰত থাকি সা-সুবিধা-বিশেষাধিকাৰ আদি লাভ কৰে তাৰ ভিত্তিতেই মহিলাৰ সামাজিক মৰ্যাদা কি ধৰণৰ তাক নিৰূপণ কৰিব পাৰি। তদুপৰি বিধিগত ব্যৱস্থাৰ জৰিয়তে বা আধুনিক গণতান্ত্ৰিক প্ৰতিষ্ঠানবোৰৰ জৰিয়তে সামাজিক স্তৰবদ্ধ (social hiearchy) ব্যৱস্থাটোত মহিলাৰ অৱস্থান কিদৰে সলনি হৈ আহিছে বা অৱনমিত হৈছে তাকো মহিলাৰ মৰ্যাদা বিশ্লেষণ কৰাত সামৰি লোৱা হয়।

পোনতে আহিছো ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত নাৰীৰ ৰাজনৈতিক অৱস্থিতিৰ প্ৰসংগলৈ। প্ৰাচীন আৰু মধ্যযুগৰ ভাৰতবৰ্ষত নাৰীৰ সমগ্ৰ সক্ৰিয়তা মূলতঃ ঘৰুৱা তথা পাৰিবাৰিক বিভিন্ন কামৰ মাজতে সীমাবদ্ধ কৰি ৰখা হৈছিল। অধ্যাপক ইন্দ্ৰই প্ৰাচীন ভাৰতবৰ্ষৰ মহিলাসকলক যে ঘৰুৱা কাম কাজৰ বাদে যে আন কামৰ বাবে যোগ্য বুলি ভবা হোৱা নাছিল সেই প্ৰসংগত এনেদৰে কৈছে— 'In ancient India, women were never thought fit for any sphere other than the domestic life. The intricate question of administration and government were held to be beyond their comprehension'[১]। অথৰ্ব বেদত বিবাহ সম্বন্ধত আকৌ কোৱা হৈছে— 'ভগৱানে দম্পতীৰ মিলন ঘটায় যাতে

ঘৈনীয়েকজনীয়ে তেওঁৰ প্ৰভুৰ সতি-সন্ততিৰ জন্ম দিব পাৰে তথা ইয়াক বঢ়াব পাৰে আৰু সততে ঘৰৰ ভিতৰতে সোমাই থাকে।' অধ্যাপক ইন্দ্ৰৰ মতে প্ৰাচীন ভাৰতবৰ্ষত মহিলাক পুৰুষৰ সমানে মৰ্যাদা দিয়াৰ এক নীতিগত পৰম্পৰা আছিল যদিও বৈদিক আৰু বেদোত্তৰ সাহিত্যত মহিলাৰ মৰ্যাদা অৱনমিত হোৱাটো পৰিলক্ষিত হয়। তদুপৰি এই সাহিত্যতে মহিলাক কেৱল শাৰিৰীক সুখৰহে এক আহিলা বুলি অভিহিত কৰাৰ মানসিকতাও দেখা গৈছিল।[২] মনুৱে মহিলাক এক নিম্নস্তৰ জীৱ বুলি বিবেচনা কৰি এনেদৰে কৈছিল— 'এই পৃথিৱীত পুৰুষক মোহান্ধ কৰি ৰখাটোৱে মহিলাৰ চৰিত্ৰ, সেই কাৰণৰ বাবেই জ্ঞানী লোকে মহিলাৰ সংগত কেতিয়াও অসতৰ্ক হৈ নাথাকে... নাৰীয়ে এই পৃথিৱীত অবাটে নিব পাৰে আৰু আনকি এগৰাকী জ্ঞানী লোককো বাসনা আৰু খঙৰ দাস কৰি তুলিব পাৰে।'[৩]

গতিকে প্ৰাচীন ভাৰতীয় সমাজখনত মহিলাৰ অৱস্থিতি ঘৰৰ চাৰিসীমাৰ ভিতৰতে অবদ্ধ আছিল। কিছুসংখ্যক সাহিত্য, ধৰ্মীয় গ্ৰন্থত আলংকাৰিক অৰ্থত মহিলাক সমমৰ্যাদা দিয়া হোৱা বুলি দাবী কৰা হৈছে ঠিকেই, কিন্তু বাস্তৱত প্ৰত্নতাত্ত্বিক বা ঐতিহাসিক বিভিন্ন গৱেষণাত এই দাবীবোৰ এতিয়া পৰ্যন্ত সত্য বুলি প্ৰতিষ্ঠিত হোৱা নাই। সন্মিলিতভাৱে কৰা কামবোৰৰ সদায় পুৰুষৰ অধীনত কৰা হৈছিল আৰু সেইবোৰ কাৰ্য কৰিবলৈ মহিলাসকল অক্ষম বুলি ধৰা হৈছিল। দেশৰ ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত নাৰী সদায় অজ্ঞ আছিল আৰু সামাজিক গাঁথনিটো এনেদৰে নিৰ্মাণ কৰা হৈছিল যাতে ৰাজনৈতিক ব্যৱস্থাৱলীত নাৰীয়ে কোনো অৱস্থান ল'ব নোৱাৰে। সেয়েহে বৈদিক কোনো সাহিত্যতে ৰজাৰ জীয়ৰীক সিংহাসনৰ উত্তৰাধিকাৰ কৰা দেখা নাযায়। পৰৱৰ্তী সময়ত ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ প্ৰৱেশ ঘটিল যদিও সেই প্ৰৱেশৰ জৰিয়তে ভাৰতীয় নাৰীক ৰাজনৈতিক বা সামৰিক প্ৰশাসনৰ মুৰব্বীৰ স্থানত অধিষ্ঠিত কৰাৰ নজিৰ দেখা পোৱা নগ'ল। মহাভাৰত আৰু ৰামায়ণৰ নিচিনা মহাকাব্যত যিবোৰ মহিলাক ৰাজনৈতিক ক্ষেত্ৰখনত সক্ৰিয় চৰিত্ৰ হিচাবে অংকন কৰা হ'ল সেইসকলকো ৰাজনৈতিক বিশেষ মৰ্যাদা দিয়াৰ সলনি পুৰুষৰ সহযোদ্ধা আৰু সহায়ক হিচাবেহে দেখুওৱা হ'ল। অৱশ্যে তাৰ মাজতো প্ৰাচীন ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰক্ৰিয়াত এনে দুই এগৰাকী নাৰীৰ উল্লেখ পোৱা যায় যিসকলে সিংহাসনত অধীষ্ঠিত হৈ সম্পূৰ্ণ স্বতন্ত্ৰ শাসক হিচাপে শাসনকাৰ্য চলাইছিল। উদাহৰণ স্বৰূপে কাশ্মীৰৰ ৰাণী সুগন্ধা আৰু ৰাণী দিদাই সম্পূৰ্ণ স্বতন্ত্ৰভাৱে শাসনকাৰ্য চলাইছিল।[৪]

মধ্যযুগৰ ভাৰতবৰ্ষত ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ভালেসংখ্যক নাৰীয়ে গুৰুত্বপূৰ্ণ অৱস্থান লোৱা দেখিবলৈ পোৱা গ'ল। বহুতো ৰাজপুত মহিলাই স্বামীৰ মৃত্যুৰ পিছত কেৱল ৰাজ্যৰ শাসনভাৰেই চম্ভালি লোৱা নহয়, লগতে নিজ ৰাজ্যৰ সাৰ্বভৌমত্ব ৰক্ষাৰ স্বাৰ্থত প্ৰাণাহুতিও দিয়া দেখা গ'ল। উদাহৰণস্বৰূপে মেৱাৰৰ ৰজা চমাৰাছিৰ বিধৱা পত্নী কুৰ্মদেৱীয়ে কেৱল ৰাজ্যৰ শাসন নিজৰ হাতত তুলি লোৱাৰ লগতে মোগল সম্ৰাট কুতুবুদ্দিনৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত নিজ সৈন্যবাহিনীৰ নেতৃত্ব দিছিল।[৫] একেদৰে চিটোৰৰ ৰজা ৰাণা সংগৰ ৰাণী কৰ্ণাৱতী আৰু জৱাহৰবাইয়ে গুজৰাটৰ চুলতান বাহাদুৰ শ্বাহৰ বিৰুদ্ধে যুঁজ দি যুদ্ধক্ষেত্ৰত প্ৰাণত্যাগ কৰাৰ নিদৰ্শন পোৱা যায়। অনুৰূপভাৱে মাৰাঠা ইতিহাসৰ পৰা আমি কোলাহপুৰৰ তাৰাবাই, ইচালকাৰাঞ্জিৰ অনুবাই, ইণ্ডোৰৰ অহল্যাবাই আৰু ঝান্সিৰ লক্ষ্মীবাইৰ নিচিনা মহীয়সী যুঁজাৰু মহিলাৰ বিষয়ে জানিব পাৰো।

**মোগল শাসনত মহিলাৰ সামাজিক আৰু ৰাজনৈতিক স্থিতি ঃ**

ভাৰতবৰ্ষত মোগল সাম্ৰাজ্য বিস্তাৰৰ সমান্তৰালভাৱে মহিলাৰ সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক অৱস্থাৰ ভালেমান পৰিৱৰ্তন সাধন হৈছিল। ভালেমান ইছলামধৰ্মীয় ৰীতি-বিধি আদিয়ে মহিলাক কিছু অধিকাৰ প্ৰদান কৰিছিল বাবেই এনে পৰিৱৰ্তনবোৰ সম্ভৱ হৈছিল বুলি ক'ব পাৰি। পৰ্দা প্ৰথাৰ জৰিয়তে মহিলাবোৰক এক সুৰক্ষিত আৰু সন্মানীয় মৰ্যাদা প্ৰদান কৰা হৈছিল বুলি ইছলামধৰ্মীয় বিশেষজ্ঞসকলে ক'ব বিচাৰে। প্ৰথাগত স্ত্ৰীধন (Dower), নাৰীৰ সম্পত্তিৰ অধিকাৰ, বিধৱা বিবাহ আদিৰ ব্যৱস্থাৰ জৰিয়তে ইছলামধৰ্মী সমাজখনত মহিলাৰ অৱস্থা উন্নীতকৰণ কৰাৰ প্ৰয়াস কৰা দেখা গৈছিল।

পৱিত্ৰ কোৰাণত পৰ্দা প্ৰথাৰ সমৰ্থনত কোৱা হৈছিল যে মহিলাসকলে ঘৰৰ বাহিৰলৈ ওলালেই পৰ্দা পিন্ধিব লাগে আৰু এনেদৰে সাজপাৰ পিন্ধিব লাগে যাতে কোনো পথৰুৱাই তেওঁৰ প্ৰতি আকৃষ্ট নহয়। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল হিন্দু ধৰ্মত এনে এক ব্যৱস্থা মোগল অহাৰ বহু আগতেই প্ৰচলিত আছিল। ইছলামধৰ্মী অভিজাত শ্ৰেণীটোৱে পৰ্দা প্ৰথা খুব দৃঢ়ভাৱে পালন কৰিলেও ৰেজিয়া চুলতানা, নুৰজাহান আদিৰ দৰে সম্ৰাজ্ঞীয়ে এই পৰ্দাপ্ৰথা অৱজ্ঞা কৰি মুকলিভাৱে ৰাজহুৱা স্থানলৈ ওলাই আহিছিল। হিন্দু বিধৱাৰ তুলনাত মুছলমান মহিলাসকলৰ সামাজিক স্থান আছিল বহু ওপৰত। হিন্দু বিধৱাসকলে সকলোধৰণৰ যন্ত্ৰণা সহি এক বিচ্ছিন্ন পৰিৱেশত জীৱন অতিবাহিত কৰিব লগীয়া হোৱাৰ বিপৰীতে মোগল শাসনৰ সময়ছোৱাত জন্ম-মৃত্যু সম্পৰ্কীয় বিভিন্ন অনুষ্ঠান, উৎসৱ-পাৰ্বন আদিত মুকলিভাৱে মুছলমান বিধৱাসকলে অংশগ্ৰহণ কৰিব পাৰিছিল। তদুপৰি শিক্ষিত বিধৱা মহিলাসকলে অভিজাত তথা ৰাজকীয় পৰিয়ালৰ সদস্যসকলক শিক্ষা প্ৰদান কৰাৰ অধিকাৰো লাভ কৰিছিল। এনে বিধৱাসকলক শিক্ষাদান কৰাৰ বাবে যথাযথ মাননি দিয়াৰো ব্যৱস্থা কৰা হৈছিল।

তদুপৰি সম্পত্তিগত অধিকাৰৰ ক্ষেত্ৰত যিহেতু মুছলমান মহিলাসকলে হিন্দু মহিলাৰ তুলনাত কিছু পৰিমাণে অধিকাৰ লাভ কৰিছিল সেয়েহে কিছুমান সামাজিক অৱনমন মুছলমান সমাজখনত প্ৰচলিত নাছিল। উদাহৰণ স্বৰূপে উত্তৰ ভাৰত আৰু কাশ্মীৰৰ বেছিভাগ হিন্দু ৰাজ পৰিয়ালত ১৫০০-১৮০০

খ্ৰীষ্টাব্দৰ ভিতৰত সতী প্ৰথাৰ ব্যাপক প্ৰচলন আছিল। একে ব্যৱস্থা ৰাজপুত আৰু মাৰাঠীসকলৰ মাজতো ব্যাপক আছিল।[৬] ইয়াৰ বিপৰীতে বহুতো মুছলমান সম্ৰাটে 'সতী' প্ৰথাৰ বিৰোধিতা কৰি এই প্ৰথা ৰোধ কৰাৰ বাবে তৎপৰতা হাতত লৈছিল। হিন্দু ধৰ্মীয় ব্যৱস্থাত মহিলাসকলে নোপোৱা অধিকাৰসমূহৰ কিছু অংশ মুছলমান নাৰীয়ে লাভ কৰাৰ পিছতো কিন্তু মোগল শাসনকালত প্ৰশাসন আৰু ৰাজনৈতিক কৰ্মকাণ্ডত মুছলমান নাৰীৰ সক্ৰিয়তা আছিল তেনেই সামান্য। পৰ্দা প্ৰথাৰ কঠোৰ ৰূপায়ন, বহু বিবাহ, শিক্ষাৰ লাভৰ ক্ষেত্ৰত নাৰীক কৰা বঞ্চনা আদি অলেখ কাৰকৰ বাবে মুছলমান নাৰীৰ সামাজিক আৰু ৰাজনৈতিক অগ্ৰগতি অসম্ভৱ আছিল বুলি ক'ব পাৰি।

**অসমৰ পটভূমি ঃ**

ভাৰতবৰ্ষৰ সামাজিক প্ৰেক্ষাপটত মহিলাসকলে ঐতিহাসিকভাৱে যি এক সামাজিক বা ৰাজনৈতিক অৱদমন সহ্য কৰি আহিছে তাৰ তুলনাত অসম তথা উত্তৰ-পূব ভাৰতবৰ্ষৰ মহিলাসকলে ভালেখিনি স্বতন্ত্ৰ বুলি অভিহিত কৰিব পাৰি। বাল্য বিবাহ, সতীদাহ প্ৰথা আদিৰ দৰে এলাণ্ডুকলীয়া পৰম্পৰাৰ পৰা মুক্ত অসমৰ সমাজখনত মহিলাই তুলনাত্মকভাৱে বিশেষাধিকাৰ লাভ কৰাৰ মূল কাৰণটোৱেই হৈছে এই সমাজখনত নিহিত হৈ থকা মংগোলীয় উপাদান। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে এই প্ৰসংগত কৈছে— "Among the Mongoloid tribes, women had far greater freedom in marrige, divoice and other matters that we find in orthodox Hindu Society" ।[৭] অসমীয়া সমাজখনৰ বৰ্ণাঢ্য সাংস্কৃতিক সমাহাৰ, নৃ-গোষ্ঠীয়ভাৱে অষ্ট্ৰিক, অষ্ট্ৰো-এছিয়াটিক, আলপাইন, আৰ্য আৰু মংগোলীয় উপাদানৰ সংমিশ্ৰন ঘটাৰ বাবে অসমক আখ্যা দিয়া হৈছিল— 'Assam is a Country which at most periods of its history has remained outside the Indian Civilization' ।[৮] এনে এক সংমিশ্ৰণৰ ফলতে কোনো বিশেষ জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক, বা ব্যৱহাৰিক ৰীতি-নীতিবোৰে অসমৰ সমাজখনত অধিপত্য বিস্তাৰ কৰাৰ সলনি একাত্মকৰণ (assimilation) প্ৰক্ৰিয়াৰ প্ৰভাৱহে ইয়াত প্ৰবলভাৱে অনুভূত হয়। সেয়েহে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় অঞ্চলৰপৰা অসমলৈ প্ৰব্ৰজনকৰা ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকসকলেও এই অঞ্চলটোৰ আবহাৱাৰ সৈতে মিলিবলৈ কাপোৰ বোৱা, আমিষ ভোজন আদি ব্ৰাহ্মণ্য পৰম্পৰাবিৰোধী ৰীতিক আদৰি লৈছিল। মংগোলীয় সমাজখনত নাৰীয়ে লাভ কৰা সামাজিক-ৰাজনৈতিক অগ্ৰগামী স্থানৰ বাবেই হয়তো অসমৰ সমাজখনত কাহানিও বাল্য বিবাহ, সতীদাহ প্ৰথাৰদৰে ঘৃণ্য সামাজিক কু-সংস্কাৰৰ আৱিৰ্ভাৱ ঘটা নাছিল। গতিকে, এনে এক সামাজিক-সাংস্কৃতিক অৱস্থানৰ বাবে অসমৰ নাৰীসকলৰ সামাজিক, ধৰ্মীয় আৰু ৰাজনৈতিক ক্ষেত্ৰবোৰত স্থান আছিল গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষৰ বৰ্ণাশ্ৰয়ী সামাজিক স্তৰবদ্ধ অৱস্থাটোৰ বাবে মহিলাসকলে কেতিয়াও পুৰুষৰ অৱদমনৰ বিৰুদ্ধাচৰণ কৰি মুকলি কৈ ওলাই আহিব নোৱাৰাৰ পৰিঘটনাটোৰ তুলনাত অসমৰ সমাজখনত বৰ্ণব্যৱস্থাৰ প্ৰভাৱ আছিল তেনেই সীমিত। বৃহত্তৰ সংগোলীয় সমাজখন হিন্দু ধৰ্মৰ পৰিবৃত্তৰ বাহিৰত ৰৈ গৈছিল বাবে বৰ্ণবাদে আক্ৰান্ত কৰিছিল সমাজৰ তেনেই এক ক্ষুদ্ৰ অংশক। তদুৰি মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰচলন ঘটা নৱ-বৈষ্ণৱ আন্দোলনে জাতি তথা বৰ্ণপ্ৰথাক মোটামুটিভাৱে দুৰ্বল কৰাৰ ফলত এনে সংস্কাৰৰ অৱশেষ ৰৈ গৈছিল হিন্দুধৰ্ম আশ্ৰিত আৰ্য সমাজখনত। অৱশ্যে পৰৱৰ্তী সময়ত সংস্কৃতিকৰণ (Sanscritization) প্ৰক্ৰিয়াৰ ফলত জনজাতীয় সমাজখনতো যে বৰ্ণবাদ বা জাতিভেদ প্ৰথাৰ আৰম্ভ হোৱা নাছিল এনে নহয়। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল হিন্দু বৰ্ণাশ্ৰমধৰ্মৰ হুবহু অনুকৰণ অসম অঞ্চলত একেবাৰে হোৱা নাছিল বুলি ক'ব পাৰি। লিপি আদিত আমি যিটো বৰ্ণৰ কথা উল্লেখ পাওঁ সি কেৱল 'ব্ৰাহ্মণ'; এনে লিপিবোৰত বাকী দুই শক্তিশালী বৰ্ণ ক্ষত্ৰিয় আৰু বৈশ্যৰ বিষয়ে বিশেষ উল্লেখ পোৱা নাযায়। সেয়েহে ড° পি চি চৌধুৰীয়ে অসমীয়া হিন্দু সমাজখনক দুটা ভাগত বিভক্ত কৰিছে— ব্ৰাহ্মণ আৰু শূদ্ৰ।[৯] চৌধুৰীয়ে বৈশ্য বৰ্ণৰ বিষয়ে একো মত প্ৰকাশ কৰা নাই যদিও অসম মুলুকত এই বৰ্ণৰ অস্তিত্ব সম্পূৰ্ণ নাই বুলিও কোৱা নাই। অসমৰ মানুহে পালন কৰা বৃত্তি আৰু জাত সন্দৰ্ভত উইলিয়াম ৰবিনছনে স্পষ্টকৈ কৈছে— "In Assam there seems to have been little or no distinction of Castes from professions and each caste or tribe practiced all the arts which are known in the country. They were farmess, traders, blacksmiths, carpenters, extractors of oil, Potters, Weavers dyrs etc., but they had not the art of shaving-washing or bleaching-working in leather or of making of sweet-meats, butter and ghee."।[১০] অৰ্থাৎ অসমৰ লোকে জাতি-বৰ্ণ নিৰ্বিশেষে সকলো ধৰণৰ বৃত্তিত নিয়োজিত আছিল। অধ্যাপক বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে বৃত্তিগত দিশৰপৰা আৰম্ভ কৰি সামাজিক সকলো ক্ৰিয়া-কৰ্মতে এক সাম্যৰ ধাৰণা প্ৰতিষ্ঠা কৰাত শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ আছিল অসামান্য অৱদান।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলত মহিলাৰ সামাজিক মৰ্যাদাৰ বিষয়ে গভীৰভাৱে জনাৰ আগতে এই অঞ্চলত, বিশেষকে জনজাতীয় সমাজখনত প্ৰচলিত বৈবাহিক সম্পৰ্কৰ বিষয়ে এক সম্যক ধাৰণা লোৱাতো অতিকে প্ৰয়োজনীয়। ভাৰতবৰ্ষৰ বাকী প্ৰান্তত প্ৰচলিত যৌতুক প্ৰথাৰ বিপৰীতধৰ্মী এক প্ৰথা অসমৰ জনজাতীয় সমাজখনত বৰ্তি আছিল বাবে মহিলাৰ সন্মান বা মৰ্যাদাৰ প্ৰসংগটো এই অঞ্চলটোত আছিল সুকীয়া। জনজাতীয় সমাজবোৰত কইনাই দৰাক যৌতুক দিয়াৰ সলনি দৰাপক্ষৰপৰাহে যৌতুক দিয়াৰ নিয়ম প্ৰচলিত আছিল। জনজাতীয় সমাজখনে গ্ৰহণ কৰা এনেধৰণৰ প্ৰথাৰ প্ৰভাৱ

স্বাভাৱিকতে অ-জনজাতীয় সমাজখনৰ মাজতো শিপাইছিল।

এতিয়া আহিছো অসমীয়া মহিলাৰ সামাজিক আৰু ৰাজনৈতিক স্থিতিলৈ। এই বিষয়ত এক স্পষ্ট ধাৰণা ল'ব পৰা ঐতিহাসিক তথ্য, দলিল বা আন সমল পাব পৰা নাযায় যদিও সেই সময়ৰ সমাজখনৰ কিছুমান ৰীতি-নীতি, বিশ্বাস, পৰম্পৰা, ৰাজকীয় বিধি আদিৰ আঁত ধৰি আমি মহিলাৰ সামাজিক আৰু ৰাজনৈতিক স্থিতিৰ আভাস পাব পাৰো। পূৰ্ব আহোম যুগৰ মহিলাৰ সামাজিক-ৰাজনৈতিক স্থিতিৰ কথা জানিব পৰা সাক্ষ্য নাই যদিও সেই সময়ৰ খোদিত লিপিবোৰত ৰজাৰ নামৰ লগতে ৰাণীৰ নাম উল্লেখ থকাৰ পৰা আমি মহিলাৰ সন্মানজনক এক অৱস্থানৰ কথা ধাৰণা কৰি ল'ব পাৰো। ইন্দ্ৰপালৰ ৰাজত্বৰ সময়ত গুৱাহাটী তাম্ৰ ফলি, নগাঁৱৰ তাম্ৰ ফলি (তৃতীয় বলবৰ্মনৰ) বা খনামুখৰ ইন্দ্ৰপালৰ তাম্ৰ ফলিতত উল্লেখ কৰা ৰাজপত্নীসকলে ৰজাৰ সমানে যে মৰ্যাদা লাভ কৰিছিল তাৰ উমান পাব পাৰো।

আহোম ৰাজত্বৰ সময়ছোৱাত ৰজাৰ পত্নীৰ বা ৰাণীৰ ৰাজনৈতিক হস্তক্ষেপ বা প্ৰভাৱ আছিল চকুতপৰা ধৰণৰ। আহোম ৰজা ছুক্লেনমুঙ (১৫৩৯-১৫৫২)-ৰ পত্নী চাওচিঙৰ হস্তক্ষেপত ৰজাই 'বৰপাত্ৰ গোহাঁই' শীৰ্ষক তৃতীয় মন্ত্ৰীৰ পদটো সৃষ্টি কৰিছিল। আহোম ৰজা শিৱ সিংহই (১৭১৪-১৭৪৪) যেতিয়া তেওঁৰ ৰাজত্ব গ্ৰহদোষত অন্ত পৰিব বুলি ভয় খাইছিল তেতিয়া তেওঁ ৰাজ সিংহাসনৰ দায়িত্ব বৰৰাণী ফুলেশ্বৰীৰ হাতত অৰ্পন কৰিছিল। ফুলেশ্বৰীয়ে সিংহাসনৰ দায়িত্ব লৈ 'বৰৰজা'ৰ খিতাপ লৈছিল। ফুলেশ্বৰীৰ পিছত তেওঁৰ ভগ্নী অম্বিকা আৰু সৰ্বেশ্বৰীয়ে 'বৰৰজা'ৰ খিতাপ গ্ৰহণ কৰিছিল[১১]। গতিকে আহোম ৰাজ পৰিয়ালৰ ভিতৰত কিছুসংখ্যক নাৰীয়ে পুৰুষৰ সৈতে মোটামুটিভাৱে একেধৰণৰ এক ৰাজনৈতিক মৰ্যাদা লাভ কৰিছিল; অৱশ্যে কিছুমান বিশেষ পেক্ষাপটতহে আহোম ৰাণীসকলক ৰাজনৈতিক বিশেষাধিকাৰ বা মৰ্যাদাসমূহ দিয়া হৈছিল। আহোম ৰাজপৰিয়ালৰ কন্যাবোৰক স্বাভাৱিকভাৱে বা উত্তৰাধিকাৰ সূত্ৰে বিশেষ ৰাজনৈতিক পদবী বা মৰ্যাদা দিয়াৰ উদাহৰণ নাই বুলিয়েই ক'ব পাৰি।

এতিয়া প্ৰশ্ন হ'ল ৰাজপৰিয়ালৰ বাহিৰত সমাজৰ বাকী নাৰীসকলৰ সামাজিক বা ৰাজনৈতিক অৱস্থান কেনে আছিল! মধ্যযুগৰ কিছুসংখ্যক সাহিত্য কৰ্মত ইয়াৰ এক আভাস পাব পাৰি। কৃষ্ণগুৰু চৰিতৰ এঠাইত কোৱা হৈছে যেতিয়ালৈকে পত্নীক সকলোধৰণৰ সা-সুবিধা প্ৰদান কৰি থকা হয় তেতিয়ালৈকে তেওঁ কপটতাহীন আৰু সদাচাৰী হৈ থাকে। কিন্তু যেতিয়াই পত্নীয়ে নিজৰ ইচ্ছা পূৰণ কৰিব নোৱাৰা হয় তেতিয়াই তেওঁ নিজ স্বামীক অৱজ্ঞা কৰিবলৈ আৰম্ভ কৰে আৰু এনে ধৰণৰ কাৰ্য কৰিবলৈ আৰম্ভ কৰে যাৰ দ্বাৰা স্বামীৰ স্থিতি সংকটজনক হৈ পৰে[১২]। একেদৰে ৰাম চৰণ ঠাকুৰে তেওঁৰ গুৰু চৰিতত কৈছে যে নাৰীসকল হৈছে অধাৰ্মিক আৰু পাপী। মিছাৰ বাদে নাৰীয়ে আন একো নাজানে আৰু তেওঁলোকে সততে যৌনসম্ভোগৰ বাবেহে আসক্ত হয়।[১৩] আনকি মহাপুৰুষ শংকৰদেৱৰ নিচিনা তুলনাত্মকভাৱে প্ৰগতিশীল লোকজনেও নাৰীৰ ক্ষেত্ৰত ভালেমান ৰক্ষণশীল মনোভাৱ পোষণ কৰা দেখা গৈছিল।

অসমৰ গ্ৰাম্যজীৱনত সামাজিক বা ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াবোৰতো মহিলাৰ অংশগ্ৰহণ আছিল তেনেই সামান্য। গাঁৱৰবোৰত যিবোৰ সভা হৈছিল সেইবোৰত, অথবা গাঁৱৰ বিচাৰ সভা, নামঘৰ-কীৰ্ত্তনঘৰ আদিত বহা সভাত মহিলাৰ প্ৰৱেশ আছিল নিষিদ্ধ। অসমীয়া যিবোৰ সাধুকথাৰ পৰা মহিলাৰ ৰাজনৈতিক অংশগ্ৰহণৰ বিষয়ে জানিব পাৰি সেইবোৰত মহিলাৰ বীৰত্ব আৰু দেশৰ বাবে প্ৰাণত্যাগৰ বিষয়ে উল্লেখ থাকে ঠিকেই, পিছে এনে বীৰঙ্গনাই কাহানিও নিজৰ প্ৰাপ্য ৰাজনৈতিক-সামাজিক অধিকাৰ পোৱাৰ কথা এনে সাধুকথাবোৰত উল্লেখ নাথাকে। এই ক্ষেত্ৰত আমি কমলা কুৱঁৰীৰ সাধুকথাটোৰ উল্লেখ কৰিব পাৰো। এই সাধুকথাটোত ৰজাই যেতিয়া দেশৰ খৰাং আঁতৰোৱাৰ বাবে সপোনত নিজৰ মৰমৰ কুৱঁৰীক ত্যাগ কৰা দিহা পালে, তেতিয়া কুৱঁৰীয়ে দেশৰ আহুকাল আঁতৰোৱাৰ বাবে নিজৰ প্ৰাণ ত্যাগৰ সিদ্ধান্ত ল'লে। ৰজাই কুৱঁৰীৰ এনে সিদ্ধান্তৰ প্ৰতি পোনতে সন্মতি দিয়া নাছিল যদিও শেহত কুৱঁৰীৰ ইচ্ছাক সাৱোগত কৰি এটা প্ৰকাণ্ড খাল খন্দা হ'ল আৰু তাতে কমলা কুৱঁৰীয়ে নিজকে ডুবাই নিবলৈ ধৰিলে। যিমানেই কুৱঁৰী পানীত বুৰ যাবলৈ ধৰিলে সিমানে বৰষুণ আহিবলৈ ধৰিলে। এনেদৰে কমলা কুৱঁৰীৰ আত্মত্যাগৰ বলত ৰাজ্যখনৰ খৰাংপীড়িত জনগণে সকাহ লাভ কৰিলে। এই সাধুকথাৰ জৰিয়তে অসমীয়া নাৰীয়ে নিজৰ দেশ তথা জনগণৰ বাবে নিজৰ জীৱন তুচ্ছ কৰাৰ এক দৃষ্টান্ত দাঙি ধৰা হৈছে, কিন্তু অসমীয়া লোক সাহিত্যৰ সমলত এনে উপাদান পোৱা নাযায় য'ত নাৰীক পুৰুষৰ সমানে ৰাজনৈতিক বা সামাজিক অধিকাৰ লাভৰ বাবে উদ্বুদ্ধ কৰাৰ নজিৰ আছে।

**নাৰী শাসকসকল** ঃ আমি ইতিমধ্যে মধ্যযুগৰ সময়ছোৱাত নাৰী প্ৰশাসক কেইগৰাকীমানৰ বিষয়ে ওপৰত চমুকৈ উল্লেখ কৰিথো। আহোম ৰাজত্বকালৰ ভিতৰত যিগৰাকী নাৰীয়ে সিংহাসনলৈয়ে আহোম ৰাজসৈন্য সহিত চুতীয়াসকলৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হৈছিল তেওঁ আছিল তাওখামতি (১৩৮০-৮৯)। আহোম ৰজা চুকাফাক (১৩৬৪-৭৬) চুতীয়াসকলে এক বন্ধুত্বপূৰ্ণ ভ্ৰমণৰ সময়ত ষড়যন্ত্ৰমূলকভাৱে হত্যা কৰাৰ প্ৰতিশোধকল্পে তাওখামতিয়ে সিংহাসনত অধিষ্ঠিত হৈয়ে চুতীয়াসকলৰ বিৰুদ্ধে যুজত অৱতীৰ্ণ হৈছিল। শিৱ সিংহৰ তিনি গৰাকী পত্নী ক্ৰমে ফুলেশ্বৰী, অম্বিকা আৰু সৰ্বেশ্বৰীয়ে সফলতাৰে ৰাজকাৰ্য পৰিচালনা কৰাৰ কথা আমি ইতিমধ্যে উল্লেখ কৰিছো। একেদৰে সামৰিক ক্ষেত্ৰখনত আমি কেবাগৰাকী মহিলা যেনে মূলাগাভৰু (আহোম সেনাপতি ফ্ৰাছেনমুঙ বৰগোহাঁইৰ পত্নী মূলাগাভৰুৱে তুৰ্বক খানৰ বিৰুদ্ধে যুদ্ধ কৰি স্বামীৰ মৃত্যুৰ হোৱাৰ পিছত নিজে মুছলমান সৈন্যৰ বিৰুদ্ধে অস্ত্ৰ হাতত তুলি লৈছিল আৰু এই যুঁজত প্ৰাণত্যাগ কৰিছিল) ভাতুকী আৰু ভাবুলি (মোৱামৰীয়া বিদ্ৰোহৰ নেতা

নাহৰ খোৱাৰ এই দুজনী পত্নীয়ে ৰাধা আৰু ৰুক্মিণী নাম গ্ৰহণ কৰিছিল। ১৭৬৯ চনৰ অক্টোবৰ মাহত মোৱামৰীয়াসকলে আহোম ৰাজত্বৰ অন্তৰ্গত লোকক মৰাণ এলেকাত কাঠ কটাত বাধা আৰোপ কৰে আৰু নিজৰ স্বাধীনতা ঘোষণা কৰে। এই বিদ্ৰোহ দমন কৰিবলৈ আহোম ৰজা লক্ষ্মী সিংহই টেকেলা বৰুৱাৰ অধীনত প্ৰায় দুহেজাৰ সৈন্যৰ এটি দল প্ৰেৰণ কৰে। এই আহোম সেনাৰ দলটোক ৰাধা-ৰুক্মিণীৰ অধীনত মোৱামৰীয়া সৈন্যই শোচনীয়ভাৱে পৰাস্ত কৰে। [১৪]) আদি কেবাগৰাকীও মহিলাই যুদ্ধত নিজৰ ৰাজ্যৰ বাবে যুঁজ দি অসীম বীৰত্ব প্ৰদৰ্শন কৰিছিল। মধ্যযুগৰ অসমত ৰাজকাৰ্য পৰিচালনাৰ কূট-কৌশল নিৰ্মাণ, সামৰিক কৌশলগত অভিযান আদিত মহিলাৰ সক্ৰিয় ভূমিকাৰ বাদেও ৰাজনৈতিক ক্ষেত্ৰখনত মহিলাৰ পৰোক্ষ হস্তক্ষেপৰ অলেখ উদাহৰণ আমি সেই সময়ৰ ইতিহাসৰপৰা উল্লেখ কৰিব পাৰো।

এইটো নহয় যে কেৱল আহোম ৰাজপৰিয়ালৰ নাৰীয়েহে ৰাজনৈতিক ক্ৰিয়া-কাণ্ডত অংশ লৈছিল। ১৬৩৬-৩৮ ৰ সময়ত আহোম-মোগল যুদ্ধত মোগলৰ বিৰুদ্ধে যুঁজিবলৈ সাধাৰণ মহিলাসকলেও ৰাজ সৈন্যদলত ভৰ্তি হোৱাৰ দৃষ্টান্ত পোৱা যায়। ১৬৩৮ চনৰ অক্টোবৰ মাহত মোমাই তামুলী বৰবৰুৱাৰ নেতৃত্বত যেতিয়া আহোম সৈন্যই মোগল সৈন্যক শোচনীয়ভাৱে পৰাজিত কৰিছিল তেতিয়া মোগল সেনাই গুৱাহাটীলৈ পিছুৱাই আহিছিল। মোগল সৈন্যই তেনেদৰে পিছুৱাই অহাৰ সময়তে অসমীয়া মহিলাই বাহৰ লাঠিৰে কোবাইছিল। সাধাৰণ অসমীয়া মহিলাৰ এনে ধৰণৰ সাহসী স্থিতিৰ কথা অসম বুৰঞ্জীত অলেখ পোৱা যায়।

**ঊনবিংশ আৰু বিংশ শতিকাত অসমীয়া মহিলা ঃ**

এক ৰাজতান্ত্ৰিক শাসন ব্যৱস্থাত অসমৰ মহিলাসকলে ৰাজনৈতিক আৰু সামাজিকভাৱে নিজৰ যি স্থিতি প্ৰদৰ্শন কৰিছিল তাত নাৰীৰ স্বতন্ত্ৰ ৰাজনৈতিক-সামাজিক স্বা-ভিমানৰ উন্মেষ ঘটাৰ সুযোগ নাছিল বুলিয়েই ক'ব পাৰি। তৎসত্ত্বেও ভাৰতবৰ্ষৰ বাকী প্ৰান্তৰ তুলনাত অসম তথা উত্তৰ-পূৱৰ সামগ্ৰিক নাৰী সমাজখন হিন্দুধৰ্মকেন্দ্ৰীক এলাহ্মকলীয়া অৱদমন, সতীদাহ প্ৰথা, পৰ্দা প্ৰথা আদিৰপৰা মুক্ত আছিল। হিন্দুধৰ্মীয় ৰীতি-পৰম্পৰাৰ পৰা মুক্ত উত্তৰ-পূৱৰ জনজাতীয় সমাজখনত মহিলাৰ সন্মানজনক স্থিতিও হয়তো ইয়াৰ এক উল্লেখনীয় কাৰণ হ'ব পাৰে।

সি যি কি নহওক, ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ সময়ৰে পৰা ভাৰতীয় মহিলাসকলে ৰাজনৈতিক বিষয়ত নিজস্ব স্থিতি জাহিৰ কৰাৰ এক অভূতপূৰ্ব সুযোগ লাভ কৰে। অৱশ্যে পাৰ্থ চেটাৰ্জীৰ মতে জাতীয় আন্দোলনটোৱে মহিলাৰ ৰাজনৈতিক-সামাজিক প্ৰশ্নবোৰ সামৰি ল'ব পৰা নাছিল আৰু ভাৰতীয় সমাজৰ পুৰুষতান্ত্ৰিক গাঁথনিটোক এই আন্দোলনটোৱে স্পৰ্শ কৰিব পৰা নাছিল। [১৫]

আনহাতে অসমীয়া জাতীয়তাবাদক সু-সংঘবদ্ধ কৰাৰ স্বাৰ্থত, ভাৰতীয় জাতীয়তাবাদ নিৰ্মাণৰ লেখিয়াকৈ কিছুমান ঐতিহাসিক আৰু পুৰা কাহিনীৰ চৰিত্ৰক নকৈ পুনৰজ্জীৱিত কৰাৰ প্ৰয়াস কৰা হৈছিল। অসমৰ যিটো শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে ভাৰতৰ স্বাধীনতা আন্দোলন, অসমীয়া ভাষা উন্নতি সাধিনী সভা, অসম সাহিত্য সভা আদি অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল সেইসকলে অসমক ভাৰতীয় সোণালী বৈদিক যুগ (Golden Age)ৰ আৰ্হিটোত অন্তৰ্ভুক্ত কৰিব বিচাৰিছিল। যেনেদৰে বৃহত্তৰ ভাৰতীয় জাতীয়তাবাদ গঢ়াৰ স্বাৰ্থত 'ভাৰত মাতা'ৰ ধাৰণাটো বিকশিত হৈছিল একেদৰে বংগত ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্যিক ক্ৰিয়া-কৰ্মৰ জৰিয়তে 'বংগ মাতৃ'ৰ ধাৰণাটোৰ বিকাশ সাধন কৰা হৈছিল। অসমত ঐতিহাসিক 'জয়মতী' চৰিত্ৰতোৰ পুনৰুজ্জীৱনৰ জৰিয়তে বিংশ শতিকাৰ প্ৰাৰম্ভণিতে 'আই অসম' বা 'অসমী আই' ৰ ধাৰণাটো গঢ়ি তোলা হৈছিল।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনটোৱে ভাৰতীয় ৰক্ষণশীল সমাজখনৰ বহু আবুৰ আঁতৰাই ভাৰতীয় নাৰীক ৰাজনৈতিক আন্দোলনত সক্ৰিয় কৰি তুলিছিল ঠিকেই কিন্তু এই আন্দোলনটোৱে ভাৰতীয় ৰক্ষণশীল সমাজখনৰ পুৰুষতান্ত্ৰিক বিন্যাসটোক তচনচ কৰি দিব পৰা নাছিল। ফলত আন্দোলনকাৰী পুৰুষসকলৰ মাজতো প্ৰকট আছিল ভালেমান ৰক্ষণশীল মনোভাৱ। আনকি মহাত্মা গান্ধীৰ দৃষ্টিতো দেখা গৈছিল এক ৰক্ষণশীল মনোভাৱ। মহিলাৰ সমতাৰ প্ৰসংগত তেওঁ কৈছিল— 'Essentially equal to men and had a right of freedom, liberty and supreme place in their own sphere of activity, yet both the sexes should follow different vocations suitable to their different physical and emotional temperament.'

মহিলাৰ ৰাজনৈতিক-সামাজিক সমাধিকাৰৰ প্ৰসংগত পশ্চিমৰ নাৰীবাদী চিন্তাত যিবোৰ দৰ্শনৰ প্ৰতিফলন ঘটিছিল তাৰ প্ৰভাৱ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত পৰিছিল সামান্য। আনকি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ লেখিয়া অগ্ৰণী স্বাধীনতা যুঁজাৰুৱে পশ্চিমীয়া নাৰীবাদী চিন্তা হিংসাত্মক আৰু উশৃংখল বুলি মুকলিকৈ সমালোচনা কৰিছিল[১৬]। সি যি কি নহওক ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ জৰিয়তে প্ৰথমবাৰৰ বাবে ভাৰতীয় নাৰীয়ে মুকলিভাৱে আধুনিক গণতন্ত্ৰ আৰু সমতাৰ বিভিন্ন ধাৰাবোৰৰ সৈতে পৰিচিত হ'ল আৰু দেশখনৰ স্বাধীনতাৰ পিছত ৰাজনীতি, প্ৰশাসন, আমোলাতন্ত্ৰ আদি সকলোতে নাৰীৰ অংশগ্ৰহণ সীমিত পৰিসৰত হ'লেও সুনিশ্চিত হ'ল।

স্বাৰাজোত্তৰ অসমত ৰাজনৈতিক অধিকাৰৰ প্ৰসংগত, বিশেষকৈ নীতি-নিৰ্দ্ধাৰণ বিষয়ত মহিলাৰ প্ৰতি কৰা বৈষম্য চকুত পৰিবলগীয়া। উদাহৰণস্বৰূপে ১৯৭৯-১৯৮৫ চনলৈ সুদীৰ্ঘকালীন আন্দোলনৰ পিছত যিখন আঞ্চলিক চৰকাৰ অসমত গঠন হৈছিল তাত ১২৬ খন আসনৰ ভিতৰত অসম গণ পৰিষদ দলে মাথো দুখন আসন মহিলাৰ বাবে এৰি দিছিল।

**১৯৫২ ৰ পৰা ২০১৬ চনলৈ অসম বিধান সভাত মহিলাৰ প্ৰতিনিধিত্ব**

| বৰ্ষ | সৰ্বমুঠ প্ৰতিদ্বন্দ্বী | পুৰুষ | মহিলা | নিৰ্বাচিত পুৰুষ | নিৰ্বাচিত মহিলা | শতকৰা হিচাপত মহিলা প্ৰতিনিধি |
|---|---|---|---|---|---|---|
| ১৯৫২ | ৪৫৮ | ৪৪৯ | ৬ | ১০৫ | ২ | ১.৯০ |
| ১৯৫৭ | ৩১২ | ৩০৪ | ৬ | ১০২ | ৫ | ৪.৬৮ |
| ১৯৬২ | ৪০৯ | ৪০৫ | ৪ | ১০১ | ৪ | ৩.৮১ |
| ১৯৬৭ | ৪৯২ | ৪৮৬ | ৬ | ১২১ | ৪ | ৩.১৭ |
| ১৯৭২ | ৫২২ | ৫১০ | ১২ | ১১৪ | ০ | ০ |
| ১৯৭৮ | ৯৩৮ | ৯১৬ | ২২ | ১২৫ | ১ | ০.৭৯ |
| ১৯৮৫ | ১১৩৩ | ১১২৪ | ২৯ | ১২১ | ৫ | ৩.৯৬ |
| ১৯৯১ | ১৬৫৭ | ১৬০৭ | ৫০ | ১২১ | ৫ | ৩.৯৭ |
| ১৯৯৬ | ১২২৮ | ১১৮৩ | ৪৫ | ১১৬ | ৬ | ৪.৭৬ |
| ২০০১ | ৯১৬ | ৮৬১ | ৫৫ | ১১৬ | ১০ | ৭.৯৪ |
| ২০০৬ | ৯৯৭ | ৯২৯ | ৭০ | ১১৩ | ১৩ | ১০.৩১ |
| ২০১১ | ৯৮১ | ৮৯৬ | ৮৫ | ১১২ | ১৪ | ১১.১১ |
| ২০১৬ | ১০৬৪ | ৯৭৩ | ৯১ | ১১৮ | ৮ | ৬.৩৪ |

(উৎস ঃ Reports of Election Commission of India)

ওপৰৰ তালিকাখনৰপৰা অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত মহিলা প্ৰতিনিধিৰ ভূমিকা সংখ্যাগত দিশৰপৰা কেনে হ'ব পাৰে তাৰ এক সম্যক ধাৰণা পাব পাৰো। দুৰ্ভাগ্যৰ কথা যে ৰাজনৈতিক দলসমূহৰ পুৰুষতান্ত্ৰিক আধিপত্যবাদৰ কবলত পৰি অসমৰ মহিলা সমাজে আজি পৰ্যন্ত নীতি-নিৰ্দ্ধাৰণ, আঁচনি প্ৰস্তুতকৰণ, বিধি প্ৰস্তুত আদি বিষয়ত সবলভাৱে নিজৰ স্থিতি জাহিৰ কৰিব পৰা নাই। অসমৰ বাঁওপন্থী দলসমূহে দলৰ বাহিৰে-ভিতৰে মহিলাৰ ৰাজনৈতিক-সামাজিক স্থিতি সবলীকৰণ বিষয়ত আগভাগ নল'লে বাকী সোঁপন্থী দলবোৰে যে মহিলাক সঁচা অৰ্থত ৰাজনৈতিকভাৱে ক্ষমতাশালী কৰিবলৈ চেষ্টা কৰিব সি স্বাভাৱিকতে সন্দেহনীয়।

**টোকা ঃ**

১। Indra, 1940, *The Status of Women in Ancient India*, Lahore

: The Minerva Bookshop, Anarkali, পৃষ্ঠা-১৫০

২। পূৰ্বোক্ত গ্ৰন্থ পৃষ্ঠা- ১৪

৩। পূৰ্বোক্ত গ্ৰন্থ পৃষ্ঠা- ১৪

৪। পূৰ্বোক্ত গ্ৰন্থ পৃষ্ঠা-১৪৬

৫। A.S Altekar, 2016, *The position of Women in Hindu Civilization*, পৃষ্ঠা- ১৮৬

৬। পূৰ্বোক্ত A.S Altekar ৰ গ্ৰন্থ, পৃষ্ঠা- ১৩০

৭। Dr. Suniti Kr Chatterjee, *The Cultural Heritage of India*, Vol. II পৃষ্ঠা-৯০

৮। E. J. Rapson (edt) *Cambridge History of India,* Vol. I পৃষ্ঠা-১১-১২

৯। P.C. Choudhury, 1959, *The History of Civilization of the people of Assam to the Twelth Century AD.* Guwahati: Govt. of Assam, Department of Historical and Antiquarian Studies, পৃষ্ঠা-৩১৬

১০। B.K. Barua, 1969. *A Cultural History of Assam*, Guwahati: Lawyers Book Stall, পৃষ্ঠা-৫৯

১১। E. Gait 1981. *A History of Assam,* Guwahati, পৃষ্ঠা-১৮৮

১২। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু (সম্পাদিত), ১৯৫২, *কথাগুৰু চৰিত*, পৃষ্ঠা-১৮২

১২। ৰামচৰণ ঠাকুৰ, গুৰু *চৰিত*, V ৩৮৩৮

১৪। Swarna Lata Barua, 1985, *A Comprehensive History of Assam,* পৃষ্ঠা-৩০৯

১৫। Parth Chatterjee, *The Nation and its Fragments-colonial and postcolonial Histories,* Oxford University Press, New Delhi, 1999, পৃষ্ঠা-১১৭

১৬। ৰাধিকামোহন ভাহৰতী, ১৯৯৮, *অসমীয়াৰ পোহৰত অসমীয়াৰ চাৰি দশকৰ ইতিহাস*, নলবাৰী, পৃষ্ঠা- ৮৭

*(লেখক বিশিষ্ট নিবন্ধকাৰ, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা গ্ৰাম্য বিকাশ মঞ্চৰ শুভাকাংক্ষী)*

# 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ কাৰ্যনিৰ্বাহক সদস্য/সদস্যা আৰু বিষয়ববীয়াসকল (২০১৬-২০১৭ বৰ্ষ)



**কমলেশ্বৰ ভূঞা**
সভাপতি



**পৃথ্বিভূষণ ডেকা**
সঞ্চালক



**প্ৰাঞ্জল চক্ৰৱৰ্তী**
উপ-সভাপতি



**দিবাকৰ ডেকা**
সম্পাদক



**ৰোহিত লহকৰ**
কাৰ্যনিৰ্বাহক সদস্য



**চন্দন চক্ৰৱৰ্তী**
কাৰ্যনিৰ্বাহক সদস্য



**হেমেন ডেকা**
কোষাধ্যক্ষ



**সুভাষ দাস**
সহকাৰী সম্পাদক



**পদ্মাৰতী বড়ো**
কাৰ্যনিৰ্বাহক সদস্যা



**ডাঃ ৰাজুমণি শৰ্মা**
কাৰ্যনিৰ্বাহক সদস্য



**বুলু মজুমদাৰ**
কাৰ্যনিৰ্বাহক সদস্যা




গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত কৃষকলৈ কেন্দ্ৰীয় চৰকাৰৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ জীৱিকা সাহাৰ্য,
ছবিত স্থানীয় বিধায়ক অশোক শৰ্মা আৰু অন্যান্য বিষয়াবৰ্গ।





'নেচনেল ফাউণ্ডেছন অৰ ইণ্ডিয়া ৰ সাহাৰ্যৰে গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়ণ কৰা কৃষিভিত্তিক প্ৰকল্পৰ উৎসাহজনক ফচল




পি ডি বি আই প্ৰকল্পৰ অধীনত নিৰ্মিত সেউজঘৰ



পি ডি বি আই প্ৰকল্পৰ অধীনত নিৰ্মিত কৃষি নলা



'উষা ইণ্টাৰনেচনেল'ৰ সহযোগত ৰাজ্যৰ কেইবাটাও স্থানত 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ দ্বাৰা ৰূপায়িত
উষা চিলাই স্কুলৰ প্ৰকল্পত জড়িত যুৱতীসকল



'গ্ৰাম্য বিকাশ মঞ্চ'ৰ সঞ্চালক আৰু অন্যান্যসকলৰ সৈতে মঞ্চৰ এগৰাকী অন্যতম শুভাকাংক্ষী, টাটা ইনষ্টিটিউট অৱ ছ'ছিয়েল চায়েন্সেছৰ সঞ্চালক এছ. পৰশুৰাম



গ্ৰাম্য বিকাশ মঞ্চৰ তত্ত্বাৱধানত প্ৰাণ পাই উঠা কৃষি পাম



আই টি ই প্ৰকল্পই তথ্য-প্ৰযুক্তিৰ প্ৰতি
উৎসাহিত কৰিছে অঞ্চলটোৰ নতুন প্ৰজন্মক



বিশুদ্ধ পানীৰ অন্বেষণ... বড়িগোগ গাঁৱত স্থাপন কৰা আইৰণমুক্ত জল প্ৰকল্পৰ পৰা পানী সংগ্ৰহ কৰিছে এজন গঞাই।





মহিলা কৃষক সবলীকৰণ প্ৰকল্পৰ অধীনত নলবাৰী আৰু বাগছা জিলাৰ উৎসাহী মহিলা কৃষকসকলে দেখুৱাইছে পোহৰৰ বাট...



মঞ্চৰ উদ্যোগত আয়োজিত বিশ্ব নাৰী দিৱসৰ কাৰ্যসূচীত
সমবেত হৈছে সহস্ৰাধিক গ্ৰাম্যবাসী মহিলা

বাধাগ্ৰস্ততা কেতিয়াও শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে। নিজৰ আত্ম-বিশ্বাস আৰু সাহস থাকিলে, লগতে সমাজৰ ব্যক্তিসকলে সুবিধা দিলে তেওঁলোকেও নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে। হেলেন কেলাৰে নিজৰ বাধাগ্ৰস্ততাক নেওচি (যিগৰাকী মনীষাই চকুৰে নেদেখিছিল, কাণেৰে নুশুনিছিল আৰু কথা ক'ব পৰা নাছিল) নিজৰ চেষ্টাত ইংৰাজী বিষয়ত স্নাতক হোৱাৰ উপৰিও কেবাখনো গ্ৰন্থ ৰচনা কৰিবলৈ সক্ষম হৈছিল। লুই ব্ৰেইল, প্ৰসন্ন কুমাৰ পিন্চা, কিশোৰী মোহন ভট্টাচাৰ্যই নিজৰ দৃষ্টি শক্তি হেৰালেও সমাজৰ-দেশৰ দহৰ হকে কাম কৰি আছে। আমি বাধাগ্ৰস্ত ব্যক্তিসকলক সন্মান কৰিব লাগে, কিন্তু পুতৌ কৰিব নালাগে। সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে বাধাগ্ৰস্ত ব্যক্তিসকলক সমাজৰ অংগ বুলি ভাবিলে তেওঁলোকেও নিজৰ সামৰ্থ প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হ'ব।

---

# বিশেষভাৱে সক্ষম লোক আৰু সামাজিক দায়বদ্ধতা

✍ গীতিকা দত্ত শৰ্মা
জিলা প্ৰলোচিকা, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান

'যত্ন কৰিলে ৰত্ন মিলে'। সৰু থাকোঁতে ককা-আইতাৰ মুখত প্ৰায়েই শুনিবলৈ পাইছিলোঁ। অৰ্থাৎ আমি যত্ন কৰিলে যিকোনো কামতে কৃতকাৰ্য হ'ব পাৰোঁ। মাত্ৰ ইয়াৰ বাবে প্ৰয়োজন হয় প্ৰবল ইচ্ছাশক্তি, আন্তৰিকতা, কষ্টসহিষ্ণুতা, অধ্যৱসায় আৰু মনৰ একাগ্ৰতা।

ভগৱান সৃষ্টিকৰ্তাই পৃথিৱীত সকলো জীৱৰ সৃষ্টি কৰিছে। কিন্তু সকলো জীৱকে সমানভাৱে সৃষ্টি কৰা নাই। মানুহৰ ক্ষেত্ৰত আমি স্পষ্টভাৱে অনুধাৱন কৰিব পাৰোঁ। কিয়নো জীৱ শ্ৰেষ্ঠ মানুহৰ বিসংগতি তৎক্ষণাত লক্ষ্য কৰিব পাৰি। পৃথিৱীত এনেকুৱা কিছুমান বিশেষ লোক আছে যিসকলৰ শৰীৰটোৰ সমস্ত একেই, কিন্তু কাণেৰে নুশুনে, সমস্ত দেখিবলৈ একেই, কিন্তু মানসিক বুদ্ধিমত্তা একে বয়সৰ লোক বা ব্যক্তিৰ দৰে একে নহয়, সকলো অংগ প্ৰত্যংগ একে, কিন্তু ভাৰসাম্য ৰক্ষা কৰিব বা থিয় হ'ব নোৱাৰে। এই ব্যক্তিসকলক বিশেষভাৱে সক্ষম বা অন্য ধৰণে সক্ষম বুলি কোৱা হয়। সমাজত এই ব্যক্তিসকলৰ জন্মৰ কাৰণ বহুতে মাক-দেউতাকৰ পূৰ্বজন্মৰ ফল বুলি বিশ্বাস কৰিলেও ই সঁচা নহয়, ই এক ভ্ৰান্ত ধাৰণাহে। অধ্যয়নৰ পৰা গম পোৱা গৈছে যে বাধাগ্ৰস্ত শিশুসকলৰ বাধাগ্ৰস্ততাৰ কাৰণ কেবাটাও। তাৰ ভিতৰত—

১। জন্মৰ আগৰ কাৰণ।

২। জন্মৰ সময়ৰ কাৰণ।

৩। জন্মৰ পিছৰ কাৰণ।

মাতৃগৰ্ভত স্থিতি লোৱাৰ সময়ত যদি কোনো মাতৃৰ পৰিপুষ্টিৰ অভাৱ হয়, লগতে মাতৃগৰাকী যদি কোনো জটিল ৰোগত আক্ৰান্ত হয় বা পিতৃ-মাতৃৰ তেজৰ গ্ৰুপৰ যদি বিসংগতি থাকে, বা তেজৰ সম্পৰ্ক থকা ব্যক্তিৰ লগত বিবাহ পাশত আৱদ্ধ হয়, তেন্তে বাধাগ্ৰস্ত শিশুৰ জন্ম হ'ব পাৰে। লগতে মাতৃগৰাকী

যদি বেয়াকৈ দুখ পায় বা মানসিকভাৱে ভাগি পৰে বা অতি তীব্ৰ প্ৰাবল্যৰ শব্দ সৃষ্টি কৰা কোম্পানীত গৰ্ভাৱস্থাত কাম কৰিলে শ্ৰৱণ বাধাগ্ৰস্ত শিশুৰ জন্ম হ'ব পাৰে। ক্ৰম'জমৰ বিসংগতিৰ বাবেও মানসিক বাধাগ্ৰস্ত শিশুৰ জন্ম হ'ব পাৰে।

জন্মৰ সময়ৰ বিভিন্ন বিসংগতিৰ বাবেও বাধাগ্ৰস্ত শিশুৰ জন্ম হ'ব পাৰে। যেনে— বহুত সময় ধৰি মাতৃগৰাকীয়ে প্ৰসৱ বেদনাত ভূগি থাকিলে নাইবা ফ'ৰচেপ ব্যৱহাৰ কৰি শিশু প্ৰসৱ কৰালে শিশুটোৰে যদি মূৰত দুখ পায় লগতে জন্মৰ সময়ত অক্সিজেনৰ অভাৱ অনুভৱ হ'লে নীলা বৰণীয়া শিশুৰ জন্ম হয় আৰু এনেকুৱা শিশু বাধাগ্ৰস্ত হয়। জন্মৰ সময়ত মূৰত দুখ পালে বাধাগ্ৰস্ত হোৱাৰ লগতে যদি জণ্ডিচ বা কিবা জটিল ৰোগত ভোগে, তেন্তে বাধাগ্ৰস্ত হয়।

জন্মৰ পিছতো শিশু এটি বা ব্যক্তি এজন বাধাগ্ৰস্ত হ'ব পাৰে। শিশু এটি অপুষ্টিত ভূগিলে বা অতিমাত্ৰা পুষ্টিসম্পন্ন হ'লে, বা কিবা জটিল ৰোগত আক্ৰান্ত হ'লে বা কিবা দুৰ্ঘটনাত যদি পতিত হয়, তেন্তে বাধাগ্ৰস্ত হ'ব পাৰে। সময়মতে প্ৰতিষেধক চিটা বা বেজী নিদিলেও বাধাগ্ৰস্ত বিশেষভাৱে সক্ষম হ'ব পাৰে।

বাধাগ্ৰস্ত ব্যক্তিৰ (সমান সুযোগ, অধিকাৰৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশগ্ৰহণ) ১৯৯৫, আইন মতে ০-১৮ বছৰৰ সকলো শিশুৰে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা আছে। শিক্ষা প্ৰদানৰ ব্যৱস্থা চৰকাৰী স্কুলৰ জৰিয়তে ব্যক্তিগত বিদ্যালয় আৰু স্থানীয় নিকায়ৰ জৰিয়তে কৰাতো বাধ্যতামূলক বুলি এই আইনত সন্নিৱিষ্ট কৰা আছে। এই আইনৰ অধীনত মুঠ ৭টা বাধাগ্ৰস্ততাক সামৰি লোৱা হৈছে।

১. দৃষ্টি বাধাগ্ৰস্ততা
২. দৃষ্টিহীনতা
৩. শ্ৰৱণ বাধাগ্ৰস্ততা
৪. অঙ্গ সঞ্চালন বাধাগ্ৰস্ততা
৫. মানসিক ৰোগ
৬. মানসিক বাধাগ্ৰস্ততা
৭. কুষ্ঠ ৰোগৰ পৰা সুস্থ হোৱা লোক

এই আইনখনৰ জৰিয়তে অকল শিক্ষাৰ ক্ষেত্ৰতে নহয়, বাধাগ্ৰস্ত ব্যক্তিসকলৰ ভ্ৰমণ, চাকৰিৰ ক্ষেত্ৰতো এই আইনখনে সা-সুবিধা প্ৰদান কৰিছে।

ৰাষ্ট্ৰীয় ন্যাস আইন, ১৯৯৯ৰ জৰিয়তে চাৰি প্ৰকাৰৰ বাধাগ্ৰস্ত লোকক সামৰি লোৱা হয়। মানসিক বাধাগ্ৰস্ত অ'টিজিম, মগজুৰ পক্ষাঘাট আৰু একাধিক বাধাগ্ৰস্ত লোকৰ কল্যাণৰ বাবে এই আইনখন প্ৰৱৰ্তন কৰা হয়।

বাধাগ্ৰস্ত শিশুসকলক সমাজৰ সকলোৰে প্ৰথমতে এগৰাকী শিশু হিচাপে ভাবিব লাগে। বাধাগ্ৰস্ততাটো এটা অৱস্থাহে মাত্ৰ। তেওঁলোকক সমান সুযোগ, সুবিধা, অধিকাৰ আৰু সকলোতে অংশগ্ৰহণৰ সুবিধা দিব লাগে। প্ৰতিগৰাকী শিশুৰে যাতে মৌলিক অধিকাৰ হিচাপে শিক্ষা গ্ৰহণৰ সুবিধা পায় সেয়া নিশ্চিত কৰিব লাগিব। সকলোৰে তেওঁলোকৰ ওচৰতে থকা বিদ্যালয়ত নামভৰ্তি কৰাৰ সুবিধা কৰি দিব লাগে যাতে তেওঁলোকেও শিক্ষাৰ পৰা বঞ্চিত নহয়। সমন্বিত শিক্ষা ব্যৱস্থাৰ জৰিয়তে বাধাগ্ৰস্ত শিশুসকলক প্ৰাথমিক তথা উচ্চ প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাৰ ব্যৱস্থা আছে যদিও অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা ছোৱালীবোৰ অন্যান্য বাধাগ্ৰস্ত শিশুৰ লগত একেখন বেঞ্চত বহাটো নিবিচাৰে। শিক্ষকসকলেও এতিয়াও বাধাগ্ৰস্ত শিশুৰ শিক্ষা ব্যৱস্থাৰ বাবে কৰণীয় যথেষ্ট আছে।

অসমত বাধাগ্ৰস্ত শিশুৰ (৬-১৪ বছৰৰ) সংখ্যা, বিদ্যালয়ত নামভৰ্তি আৰু গৃহভিত্তিক পাঠদানৰ ব্যৱস্থা তলত উল্লেখ কৰা হ'ল—

১. মুঠ বাধাগ্ৰস্ত শিশুৰ সংখ্যা- ৮১৭৮২, ল'ৰা-৪৫১৩১, ছোৱালী-৩৬৬৫১

ক. বিদ্যালয়ত নামভৰ্তি শিশুৰ সংখ্যা-৭৪১০০, ল'ৰা-৪১৮৮৭, ছোৱালী-৩২২১৩

খ. গৃহভিত্তিক শিক্ষাৰ ব্যৱস্থা-৭৬৮২, ল'ৰা- ৩২৪৪, ছোৱালী-৪৪৩৮

২. নলবাৰী জিলাত বাধাগ্ৰস্ত শিশুৰ সংখ্যা- ২০৯৪, ল'ৰা- ১১৪৫, ছোৱালী-৯০৯

ক. বিদ্যালয়ত নাম ভৰ্তি কৰা শিশুৰ সংখ্যা- ১৯০৭, ল'ৰা-১০৮৭, ছোৱালী-৮১৬

খ. গৃহভিত্তিক শিক্ষাৰ ব্যৱস্থাৰ মুঠ সংখ্যা-১৯১, ল'ৰা-৯৮, ছোৱালী-৯৩

(উৎস : U-DISC, 2017-18)

অসমত ১৪-১৮ বছৰ বয়সৰ বিদ্যালয়ত নামভৰ্তি কৰা শিশুৰ সংখ্যা ৩১৩৪ তাৰ ভিতৰত ল'ৰাৰ সংখ্যা ১৫১০ আৰু ছোৱালীৰ সংখ্যা ১৬২৪। নলবাৰী জিলাত এই শিশুৰ সংখ্যা ২৯৭ গৰাকী। বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বাধাগ্ৰস্ততাক নেওচি সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি থকাৰ উপৰিও বিভিন্ন বিভাগত নিজকে সংস্থাপিত কৰাৰ সুবিধা লাভ কৰিছে।

বাধাগ্ৰস্ততা কেতিয়াও শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে। নিজৰ আত্ম-বিশ্বাস আৰু সাহস থাকিলে, লগতে সমাজৰ ব্যক্তিসকলে সুবিধা দিলে তেওঁলোকেও নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে। হেলেন কেলাৰে নিজৰ বাধাগ্ৰস্ততাক নেওচি (যিগৰাকী মনীষাই চকুৰে নেদেখিছিল, কাণেৰে নুশুনিছিল আৰু কথা ক'ব পৰা নাছিল) নিজৰ চেষ্টাত ইংৰাজী বিষয়ত স্নাতক হোৱাৰ উপৰিও কেবাখনো গ্ৰন্থ ৰচনা কৰিবলৈ সক্ষম হৈছিল। লুই ব্ৰেইল, প্ৰসন্ন কুমাৰ পিন্চা, কিশোৰী মোহন ভট্টাচাৰ্যই নিজৰ দৃষ্টি শক্তি হেৰালেও সমাজৰ-দেশৰ দহৰ হকে কাম কৰি আছে। আমি বাধাগ্ৰস্ত ব্যক্তিসকলক সন্মান কৰিব লাগে, কিন্তু পুতৌ কৰিব নালাগে। সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে বাধাগ্ৰস্ত ব্যক্তিসকলক সমাজৰ অংগ বুলি ভাবিলে তেওঁলোকেও নিজৰ সামৰ্থ প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হ'ব।

মুঠতে আমি আমাৰ জীৱনত যি কামেই নকৰো তাক গুণগত মানেৰে সময়ৰ সৎ ব্যৱহাৰ কৰাটো অতি প্ৰয়োজন। যদিহে আমি নিজকে সময়ৰ ওচৰত জলাঞ্জলি দি বিসৰ্জন দিওঁ তেতিয়া হ'লে কোনো ধৰণৰ সুফল পাব নোৱাৰিম। গতিকে আহক, আমি আমাৰ জীৱন সুন্দৰ কৰিবলৈ সময়ৰ সু-ব্যৱহাৰ কৰি এগৰাকী দায়িত্বশীল নাগৰিক হিচাপে সমাজত প্ৰতিষ্ঠিত হওঁ।

# সময় গতিশীল নে কেৱল প্ৰত্যাহ্বান

✍ **হীৰকজ্যোতি বৰ্মন**
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

**এ**ক মূল্যবোধৰ প্ৰক্ৰিয়াৰে ভাৰতবৰ্ষক এখন উন্নত, সমৃদ্ধিশালী, সমতাপূৰ্ণ, শোষণমুক্ত আৰু স্বাস্থ্যৱান জাতিলৈ ৰূপান্তৰিত কৰিবলৈ হ'লে নিজৰ অৰিহণা সকলোতকৈ বেছি হোৱাটো অতি গুৰুত্বপূৰ্ণ। সমাজ কল্যাণ বা সমাজৰ হকে কাম কৰাটো অত্যন্ত প্ৰয়োজন বুলি সকলোৱে স্বীকাৰ কৰে যদিও বা নিজৰ ফালৰ সময়ত বহু সংখ্যকে পিছ হুহুকা দেখা যায়।

পাৰ্থিৱ সকলো বস্তুৰে নিজ নিজ গুণৰ ওপৰত ভিত্তি কৰি এই পৃথিৱীত বিৰাজমান। যদিহে ভাগৱত গীতাৰ কৰ্মযোগৰ কিছু বিশ্লেষণ কৰিব যাওঁ তেতিয়া হ'লে আমি পাম যে- পৃথিৱীৰ সকলো বস্তুৱে গতিশীল আৰু সকলোৰে নিজস্ব গতি আছে। প্ৰকৃতিৰ সকলো জীৱ তথা বস্তুৰে নিজৰ ধৰণে এই গতিশীল আৰু সকলোৰে নিজস্ব গতি আছে। প্ৰকৃতিৰ সকলো জীৱ তথা বস্তুৰে নিজৰ ধৰণে এই গতিশীল জগতক মাত্ৰা প্ৰদান কৰি আহিছে। যিহেতু এই জগতখনৰ প্ৰতিটো নিয়মেই হৈছে গতিশীল বা নিজৰ কৰ্মত একাগ্ৰ হোৱাৰ, সেয়েহে প্ৰকৃতিৰ সকলো বস্তুৱে গতি কৰি থাকে, সেয়েহে ই হৈছে চিৰ প্ৰৱাহমান, যদি আমি উদাহৰণ হিচাপে লওঁ যে— পৃথিৱীয়ে নিজৰ কক্ষপথত ঘূৰে, যদিহে ই নিজৰ কক্ষপথত এক পলৰ বাবেও ঘূৰা বন্ধ কৰে তেতিয়া হ'লে জীৱ-জগতত আহুকালৰ সৃষ্টি হ'ব। ঠিক সেইদৰে জীৱ জগতৰ প্ৰত্যেকটি উপাদানকেই সমভাৱে প্ৰকৃতিয়ে সময় দিছে, মাত্ৰ কথা হ'ল যে আমি মানৱ জাতিয়ে তাক কেনেদৰে ব্যৱহাৰ কৰিছোঁ। যিজনে  নিজৰ সময় ঠিক মতে ব্যৱহাৰ কৰিছে তেওঁ সফলতাৰ শিখৰত প্ৰতিষ্ঠিত হ'ব পাৰিছে আৰু যিয়ে ইয়াৰ ব্যতিক্ৰম তেওঁ হয়তো বৃদ্ধ অৱস্থাত বলকিছে যে— 'জীৱনটোত একো কৰিবই নোৱাৰিলো।'

সময় হৈছে অপৰিসীম কিন্তু আমাৰ প্ৰত্যেকৰে বাবে ই সীমিত বা সসীম। মাত্ৰ কেইটামান বছৰৰ বাবে আমি মানৱ হিচাপে আমাৰ বাস্তৱ জগতৰ বাবে আহো আৰু অৰিহণা আগবঢ়াও। পৃথিৱীত মানুহ জন্ম হওঁতে 'নৰ' হিচাপে জন্ম লওঁ, কিন্তু অনাগত সময়ত থিৰাং হয় যে- নৰ অধম/নৰ পশু হৈ সমাজত প্ৰতিষ্ঠিত হ'ব, নে নৰ নাৰায়ণ হৈ...? চয়তান নে চুলতান হৈ...? ইত্যাদি। গতিকে সকলোবোৰ নিশ্চিত হয় ব্যৱহাৰ্য সময়ৰ ওপৰত।

কোনো গুণী লোকে কোৱা মনত পৰে যে— পৃথিৱীত সকলোতকৈ ভক্তি কৰা আৰু ভয় লগা বিষয়টোৱে হৈছে সময় কাৰণ আমি কেতিয়াওঁ অইনৰ সময় নষ্ট কৰাটো উচিত নহয় আৰু ই এক প্ৰকাৰৰ অপৰাধ। বহু ক্ষেত্ৰত দেখা যায় যে কিছু লোকে সময় দি নিজে সময়ত উপস্থিত নহয় আৰু গোটখোৱা মানুহবো সময়খিনি নষ্ট কৰে। ইফালে সেই গোটটিত ৫জন মানুহৰ এক ঘণ্টা কৈ সৰ্বমুঠ ৫ ঘণ্টা সময় নষ্ট হ'ল। গতিকে প্ৰত্যেক দিনাই ৰাতিপুৱা উঠি নিজৰ দিনটোৰ সময়খিনি কি ধৰণে ব্যৱহাৰ কৰিব তাৰ এক পৰিকল্পনা নিজৰ মন-মগজুত কৰি লোৱাটো অতিকৈ দৰকাৰ। কাৰণ আমাৰ দৈনন্দিন জীৱনত বহুখিনি সময় গম নোপোৱাকৈ অতিবাহিত হয় আৰু শেষত দৌৰা-দৌৰি লাগে। গতিকে সময় থাকোতে আমি আমাৰ সীমিত সময়খিনি কেনেদৰে ব্যৱহাৰ কৰিম তাৰ এক অনুশীলন কৰো আহক। আশা কৰো তলৰ তালিকাখনে পাঠকক নিশ্চিতভাৱে সহায় কৰিব।

| পাঠকৰ অনুশীলন সহায়িকা | | | |
|---|---|---|---|
| বিষয় | দিনটোত কিমান সময় খৰছ কৰা হ'ব | সাতদিন | মুঠ |
| পুৱা ব্যায়ামৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| ব্ৰাছ/মুখ ধোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| দিনটোত চাহ খোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| শৌচ কৰাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| গা-ধোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| ভাত খোৱাৰ বাবে খৰছ কৰা সময় (পুৱা + দুপৰীয়া + ৰাতি) | | × ৭ | = |
| যাতায়াতৰ বাবে খৰছ কৰা সময় (কৰ্মক্ষেত্ৰলৈ অহা-যোৱা) | | × ৭ | = |
| কৰ্মক্ষেত্ৰ বা স্কুলৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| দিনটোত চাহ খোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| বাতৰি পঢ়াৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| WhatsApp (হোৱাটচএপ)/facebook (ফেচবুক) কৰাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| ফোনত কথা পতাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| বন্ধুবৰ্গৰ সৈতে কথা পতাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| লিখা-মেলাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| টি.ভি. চোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| খেলা-ধুলা কৰাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| পৰিয়ালৰ সৈতে কথা-বতৰা তথা পৰিয়ালৰ খা-খবৰ লোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| কিতাপ পঢ়া/অধ্যয়নৰ বাৰে খৰছ কৰা সময় | | × ৭ | = |
| জিৰণি লোৱাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| নিজৰ চাফ-চিকুনতাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| সামাজিক কাম কৰাৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| টোপনিৰ বাবে খৰছ কৰা সময় | | × ৭ | = |
| অন্যান্য | | | |
| দিনটোৰ সৰ্বমুঠ খৰছ কৰা সময় | ২৪ ঘণ্টা বা ১৪৪০ মিনিট | ১৬৮ ঘণ্টা বা ২৪১৯২০ মিনিট | ১৬৮ ঘণ্টা বা ২৪১৯২০ মিনিট |

* এই আৰ্হি তালিকাখন নিজৰ প্ৰয়োজন অনুসৰি সজাই ল'ব পাৰে আৰু সপ্তাহৰ শেষত হিচাপ কৰিব যে কিহত বেছি সময় দিয়া হ'ল, কি বিষয়ত দিয়া হোৱা নাই আৰু কিহত সময় বেছি দিব লাগিছিল ইত্যাদি কেতবোৰ বিষয়বস্তু সঠিক নিৰূপন কৰিব শিকিব।

**সঠিক মতে ব্যৱহাৰৰ ক্ষেত্ৰত কি কি কৰিব ঃ**

- নিজৰ সামৰ্থ্য অনুযায়ী কাম কৰক।
- উদ্দেশ্য বিহীন কামৰ পৰা বিৰত থাকক।
- প্ৰতিটো কামৰ বাবে বাস্তৱসন্মত তালিকা প্ৰস্তুত কৰক।
- প্ৰয়োজন অনুসৰি কামসমূহক অগ্ৰাধিকাৰ দিয়ক।
- কেনেদৰে আগবাঢ়িব তাৰ পৰিকল্পনা কৰক।

**যদি সময় কম হোৱা বুলি ভাবে তেনেহ'লে সময় উলিয়াবলৈ কি কি কৰিব?**

- পুৱা সোনকালে উঠক।
- টিভি কমকৈ চাওক।
- আপোনাৰ সময়ক বেলেগে যাতে নষ্ট কৰিবলৈ সুবিধা নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখক।
- নিজৰ কামসমূহ যথাক্ৰমে ভগাই লওঁক।
- ফোনত অযথা সময় নষ্ট নকৰিব বা অপ্ৰয়োজনীয় কথা পাতি ফোনত ব্যস্ত নাথাকিব।
- প্ৰথমে ভাবক, পিছতহে কামটোত হাত দিয়ক।
- মানসিকভাৱে সক্ৰিয় হৈ থকাৰ সময়তহে কঠোৰ পৰিশ্ৰম কৰক।
- প্ৰত্যেকটো ডাঙৰ কাম কৰাৰ আগত নিজকে সোধক যে সঁচাকৈয়ে এই কামটোৰ প্ৰয়োজন আছেনে?
- কাম কৰি ভাগৰ লাগিলে বাহিৰলৈ ওলাই আহক আৰু সতীৰ্থসকলৰ সৈতে খুহুতিয়া আলাপ কৰক।
- শোৱাৰ বিষয়ে শিকক আৰু নিজকে সতেজ কৰি ৰখাৰ চেষ্টা কৰক।
- নিজৰ সীমাবদ্ধতাৰ বিষয়ে বুজক।

সময়ক ঠিকমতে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি ষ্টিফেন কনভে (Stephen Convey)ৰ টেবুলখনৰ ব্যৱহাৰ কৰি আমাৰ জীৱনত সু-ফল পাব পাৰো...

| | জৰুৰী | জৰুৰী নহয় |
|---|---|---|
| গুৰুত্বপূৰ্ণ | ✓লগে লগে কৰক (গুৰুত্বপূৰ্ণ আৰু জৰুৰী) ১ | ২ ✓পৰিকল্পনা কৰক (গুৰুত্বপূৰ্ণ কিন্তু জৰুৰী নহয়) |
| গুৰুত্বপূৰ্ণ নহয় | ✓বেলেগৰ সহায় লওঁক (গুৰুত্বপূৰ্ণ নহয় কিন্তু জৰুৰী) ৩ | ৪ ✓পেলায় থওঁক (গুৰুত্বপূৰ্ণ নহয় আৰু জৰুৰীও নহয়) |

**১. নং অংশ ঃ** গুৰুত্বসহকাৰে আৰু জৰুৰীভাৱে যি কাম থাকে তাক সময় মতে সম্পূৰ্ণ কৰা।

**২. নং অংশ ঃ** কামটো যদিও গুৰুত্বপূৰ্ণ কিন্তু জৰুৰী নহয় তেতিয়াহ'লে আমি তাক হাতত নলৈ ভৱিষ্যতৰ বাবে পৰিকল্পনা কৰা উচিত।

**৩.নং অংশ ঃ** সকলো কাম কেতিয়াবা সিমান গুৰুত্বপূৰ্ণ নহয় কিন্তু জৰুৰী তেতিয়াহ'লে আমি অইনৰ সহায়তো কাম কৰা উচিত।

**৪.নং অংশ ঃ** যিবোৰ কাম গুৰুত্বপূৰ্ণ নহয় আৰু জৰুৰীও নহয়, তেনে কামত আমি সময় নষ্ট নকৰি তাক পেলায় থোৱাই মংগল।

মুঠতে আমি আমাৰ জীৱনত যি কামেই নকৰো তাক গুণগত মানেৰে সময়ৰ সৎ ব্যৱহাৰ কৰাটো অতি প্ৰয়োজন। যদিহে আমি নিজকে সময়ৰ ওচৰত জলাঞ্জলি দি বিসৰ্জন দিওঁ তেতিয়া হ'লে কোনো ধৰণৰ সুফল পাব নোৱাৰিম। গতিকে আহক, আমি আমাৰ জীৱন সুন্দৰ কৰিবলৈ সময়ৰ সু-ব্যৱহাৰ কৰি এগৰাকী দায়িত্বশীল নাগৰিক হিচাপে সমাজত প্ৰতিষ্ঠিত হওঁ।



## শৈশৱ

✍ জ্যোতিষ দাস
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

শৈশৱ মানে এটি শব্দ নহয়, কিতাপত জিলিকি থকা
নহয় মাথোন এটি সপোন, মৰীচিকাৰ পিছে পিছে ঘূৰা,
অন্ধকাৰ ভেদি কুঁৱলীৰ মাজেৰে অতিক্ৰম কৰি
পূৱ আকাশত উদিত নতুন উৎস।। জীৱনৰ উৎস।।
বুজিবলৈ অসাধ্য মনৰ যে ক'ত কথা
দৌৰি দৌৰি ভাগৰি পৰে, মনৰ পৰ্দাত পখিলা উৰে
বাটৰ ধূলিবোৰেও মৰমত সাবটি ধৰে
ৰং-বিৰঙৰ পখিলাবোৰেও উৰি গৈ গৈ...
ফুলৰ পাহিবোৰত চুমা আঁকি দিয়ে।।
দুখ নাই বেজাৰ নাই... অবিৰত যাত্ৰা
হিংসা নাই, কপটতা নাই সকলোৰে যে সঁচা
ভোক নাই, পিয়াহ নাই, নাই কুটিলতা
মৰম চেনেহেৰে ভৰা এনেহেন ধৰা।।
বাৰে বাৰে ভাঙি যোৱা, বালিঘৰ সাজি...
কপালেৰে বৈ অহা ঘামৰ টোপালবোৰেও
দুগালত বোকাৰ ফাকুৱা সানে
তথাপিও নপৰে চকুত বিষাদৰ চিন।।
জোনাকী পৰুৱাবোৰেও সাধু কয় পৰীৰ দেশত
চোতালৰ আগৰ শেৱালিজুপীয়ে বা দিয়ে মৰমৰে
ৰাতিৰ আকাশৰ তলত পাটি ধাৰাত শুই
আইতাই কয় জোনবাইৰ দেশৰ কথা।।
পশ্চিম আকাশত উৰি ফুৰা, বগলীজাকেও বাতৰি আনে
ধূলিৰে লুতুৰি-পুতুৰি হৈ মাতৃৰ বুকুত উচুপি উঠে
দূৰত বাজি উঠা মন্দিৰৰ শংখধ্বনিয়ে যে...
পবিত্ৰ কৰে মন প্ৰাণ দুখ ভাগৰ।।
হে সময় ঘূৰাই দিয়া না শৈশৱৰ ক্ষণ
আকৌ এবাৰ খেলিবৰ মন
বালিঘৰ সাজি সাজি...
সৃষ্টি পাতনি মেলাৰ মন।।

## সেইবোৰ হেনো বতাহৰ সাধুকথা আছিল

✍ চম্পক শৰ্মা
স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ

এই যে ফুল এপাহ ফুলিছিল
তিকতিকিয়া ৰঙা
গমেই পোৱা নাছিলোঁ জানানে

আন্ধাৰ কাৰাগাৰত বন্দীৰ উছাহৰ কি দাম
আহোঁ বোলা ঋতু আহিবই, যাবই।
মইতো নাজানো
খিৰিকীৰ সিপাৰে কি আছে,
কেনেকৈ গাভৰু হৈ আছে পৃথিৱী
কিদৰে উৰিছে নীলবৰণীয়া পক্ষী।

সাৰে থকা নিশাবোৰতো কেতিয়াবা উচপ খাই উঠোঁ
শূন্যতাতো তোমাৰ খোজৰ শব্দ শুনোঁ
সূৰুয উঠা পুৱাবোৰ ক'ৰবাত হেৰাই থাকিল
নে কোনোবাই চুৰি কৰি নিলে!

আজিকালি জীয়াই জীয়াই মৰি থকাৰ আখৰা কৰোঁ
সকলোৰে কয়
কাৰাগাৰত মই হেনো অসুস্থ।

বিভীষিকা আছিলনে আমাৰ সংকল্পবোৰ
নৈপৰীয়া বাটবোৰে কিয় গাইছিল
বিপ্লৱৰ গান
মুক্তিৰ গান
যুক্তিৰ গান

পাৰ চৰাইবোৰ আকাশত উৰি নুফুৰে আজি
সকলো ভাগৰুৱা; তুমিও
মই অকলশৰে থকাৰ খবৰ কোনেও নলয় আজি
শিলৰ দেৱালত তোমাৰ নাম লিখি লিখিয়েই
বাট চাই আছোঁ
যদিও জানো এইবোৰ বতাহৰ সাধু কথা
বতাহতে উৰি গুচি গ'ল কোনোবা সন্ধিয়া।

# চাতি মাতি বাই

✍ নৱজ্যোতি পাঠক

চাতি ঃ বাই এ বাই পিঠা খাবাৰ মন যাই
মাতি ঃ ধান নাই চাউল নাই কিহেদি খাবি
চাতি ঃ চুৰ কৰিম এ বাই
জিভাই কোলি পেটে মাইতলি চোৰ কৰিম
মাতি ঃ অলৌ তেনাহলি
পচ্‌ৰাখান মোনা কৰি বান্ধ
চাতি ঃ মই বাঘাৰ বাৰীত সুমাম
খৰি লুৰিম
মাতি ঃ হ'বো দে, মই ভাগ্রীত সিন্ধি দিম...

চাতি মাতি বাই
বাঘাৰ বাৰীত বাট পাহৰি নেযাবি হেৰাই
কেনেদৰে চলিছে দিন কুশলে নে বাই
ভোগালীৰ জুহালত জ্বলিছিলনে এইবেলি জুই
শুকান খৰি জ্বলাই সেকিছিলিনে মাটিৰ চৰু

মুদ্রা নাই বাই— বিমুদ্রা
খৰি নাই, নাই গবৰে তুঁহে পিহা সুঠা
বাই, ইটা চাইৰো সহয় গেছ্বৰ জুই
কলোত গেছ আমত গেছ সৈফ্রামত গেছ
গেছোত পুৰা কোইলজা
উগাৰ আহে ভাগাৰ চাৰে
বোৰে পুৰাৰ পাই পাচা ৰাতিক লেগি

তথাপি তহঁত বাই-ভনী হালক পহৰা নাই
দিনৰ ব্যস্ততাত গধূলিৰ বৈঠকত ৰাতিৰ সপোনত
তহঁত হালৰ সাক্ষাৎ বিচাৰি মই বিনীত প্ৰাৰ্থী
কেতিয়া আহিবি বাই একেলগে দুয়োজনী
মোৰ নিচুকাবলে' মোৰ পত্নীক নিচুকাবলে' মোৰ বজ্জাত ল'ৰাটোক নিচুকাবলে'

আমি আহি আহি সময়ৰ স্তৰ অতিক্ৰমী য'ত থিয় হৈছো
তহঁতৰ কথা ক'লে কোনেও বিশ্বাস নকৰে
সময় এতিয়া অসময়
স্তৰ এতিয়া ওজন স্তৰৰ ভংলা ফুটা
আলট্ৰা ভায়'লেট ৰশ্মিৰ প্ৰৱেশ চাটি ফুটি
ক'ত আৰু চাতি-মাতি
চৌদিশে এলাৰ্জী খজুৰতি দেহৰ চাল পুৰা বেমাৰ

তহঁত হাল আছনে ঠিকেই
অন্তত লঘোণত নমৰাকৈ
ঘৰে ঘৰে আবু-আতাৰ শেতেলীয়ে শেতেলীয়ে
গ্ৰীষ্মৰ তিলক তোলা মকাল বাঁহৰ বিচনিৰ বা লৈ
শীতত লৈ কানি-কাঠাৰ উম

ব'হাগ আহে বাই
আহে কঙালি আহে ভোগালী
খাব পৰাই খায় টকালি পাৰি
যাৰ নাই পেটত পেৰি পেৰি গামোছা গাঁথি

নাই মানে বাই বহু কথা নাই
দিনতে গেজেপনি মৰা এন্ধাৰ হাবি
ৰ'দ নপৰা বৰষুণ নসৰা
একোৱেই নাই বাই
খৰি ক'ত লুৰিবি
মাঘৰ চৰু উতলাবলৈ

বাঘা কিন্তু আছে বাই আজিও আছে বাঘা
তহঁতে খৰি লুৰা বাৰী কাটি দালান সাজি
চাৰিওফালে চিপাহী-চন্তৰী ক'লা চকু ৰঙা চকু
কেনেকে সাৰিবি বাই বাঘাৰ ডিজিটেল চন্দুক
ইয়াতে মাৰিবা টিপা গড়গাঁও পাবগৈ শিপা
নেটৱৰ্ক বাই নেটৱৰ্ক
সংখ্যাত প্ৰেম সংখ্যাত জীৱন সংখ্যাত মৃত্যু
ই-যুগ ডিজিটেল যুগ...

চুইছ বেংক ব্লেক মানি
পাৰাৰী লেন্সৰ চশমা পিন্ধি
বাৰে বাৰে নোটত বহে গান্ধী
ফুলৰ গান্ধী হাতৰ গান্ধী বাটৰ গান্ধী

বাই তহঁত সাধুকথাৰহে হে চুৰুণি
কেনেকৈ হেক কৰিবি বাঘাৰ পাছৱৰ্ড
দুখন পিঠাৰে পুৰাবলৈ ভোকাতুৰ পেট

বাঘাৰ জিভা কোচাবাক লেগি
ঢেঁকীৰ ফিচাত থ চুণ ইটা চুণশিল
এখান দেশোৰ পাই সেখাই দেশোক লেগি
মস্তো বেপাৰ— আন্তৰ্জাতিক বাণিজ্য
মাটি পানী অন্নজানৰ বিনিময়।

চাতি মাতি
কি বুলি কউ তুহনাক
বধ্‌দিছু এগ্লা পাকত নপইৰবি

বন্নি ধানৰ পিঠা খোৰা দিনবোৰ গ'ল বাই
ভোগালী-ভোগজৰা বহুজাতিক বিনাচ
বন্ধকীত গৈছে ধানৰ সীহ বোটলা পথাৰ
সুতৰ হাল সুতৰ ভুঁই সুতৰ নৰা
মুঠতে পিঠা খাবা নৰা

চাতি ঃ বাই এ মাতি বাই, বাঘাৰ বাৰী আছে না নাই?
মাতি ঃ নাই এ চাতি, ধানো নাই চাউলো নাই।
চাতি ঃ নেওতা আখৰ ভাজি দি তাৰে খাওঁ পিঠা
মাতি ঃ সদ নাই বদ নাই এ চাতি, সিঠা সিঠা
চাতি ঃ ও ৰাই পিঠা খাবাৰ আৰ মন নাই
সঁচা হৈছি আমাৰ সাধুকথা



**টোকা ঃ** কবিতাটি নামনি অসমৰ লোক জীৱনত প্ৰচলিত এটি ৰূপকথাক আধাৰ কৰি ৰচনা কৰা হৈছে। কবিতাটি কামৰূপ-নলবাৰীৰ থলুৱা শব্দও ব্যৱহাৰ কৰা হৈছে। যথা ঃ পচ্‌ৰা- গৰম কাপোৰ, সৈফ্ৰাম- মধুৰিআম, বোৰেৰ পুৰা- বোৰাৰী পুৰা, পাচাৰাতি- শেষ নিশা, কোইলজা- কলিজা, ভংলা- ডাঙৰ ফাট বা ফুটা, বধ্‌দিছু- শপত দিয়া, কউ- কোৰা, এগ্লা- এইবিলাক বা এইবোৰ, নাখং- নাখাও, সদবদ- সোৱাদ বা জুঁতি।





# কবিতা

✍ শান্তনু শৰ্মা

**ম**ই কবিতা নিলিখিলে বাৰু কাৰ কি হ'ব পাৰে

খুব বেছি এজন মানুহে সপোন নেদেখিব
খুব বেছি এজন মানুহে চকুপানী নুটুকিব
খুব বেছি এজন মানুহ অমানুহ হৈ যাব

অপবাদ- ৰটনা হ'ব, খুব বেছি...

আৰু যদি এইবোৰ নহয়ো
খুব বেছি কি হ'ব পাৰে বাৰু
আপুনি প্ৰিয় পাঠক, সমঝদাৰ শ্ৰোতা, কওঁকচোন...

কবিতাৰ কি এনে শক্তি আছে যে বেলিৰ বাটত
আপোনাক পাম বুলি বিশ্বাস কৰিব পাৰো
কবিতাৰ কি এনে শক্তি আছে যাৰ বাবে
বনগাহৰিৰ যুঁজৰ সপোন দেখি মৃত্যুৰ
মুখামুখী হ'বলৈ ওলাই আহিব উন্নসিক কবি

কবিতাৰ কি এনে শক্তি আছে যে
অৰণ্যমুখৰ মানুহৰ বুকুত এদিন বাজি উঠিব আকাশৰ বিজুলী গান

কবিতাৰ কি এনে শক্তি আছে যে শব্দৰ যাদুৰে
পাৰ হ'ব পাৰি সকলো নিৰ্বাসন আৰু আত্মগোপনৰ সময়...

সমঝদাৰৰ দৰেই যদি আপুনি মোৰ এই আত্মহননক স্বীকাৰ কৰে
তেন্তে আপোনাক চিনি পোৱাটো দুৰুহ নহ'ব
আৰু যদি বিৰোধিতা কৰে তেন্তে কোনে কৰে পৃথিৱীৰ মৃত্যু ঘোষণা
কোনে কাঢ়ি নিব পাৰে কবিৰ আমৃত্যু স্বাধীনতা।

কবি নৱজ্যোতি পাঠক আৰু শান্তনু শৰ্মা দুয়োগৰাকী প্ৰতিষ্ঠিত কবি তথা গ্ৰাম্য বিকাশ মঞ্চৰ শুভাকাংক্ষী

# শ্ৰীদেৱী

✍ হিমাংশু প্ৰসাদ দাস (হিমু)

**মা**নুহে ক'লে— 'তুমি ধুনীয়া'
বজাৰে ক'লে— 'তুমি ধুনীয়া হৈ থাকিব লাগিব সদায়'

এনেদৰেই দিনবোৰ গৈ আছিল
অটোগ্ৰাফ চিকাৰীৰ বিমুগ্ধ চাৱনি
সাংবাদিকৰ কেমেৰাৰ ফৰিংফুটা পোহৰ
ৰঙীণ আলোচনীৰ উমাল আলোচনা

এনেদৰেই দিনবোৰ গৈ আছিল
বজাৰত বিক্ৰী হয় শ্ৰীদেৱীৰ ৰাতিপুৱা
বজাৰত বিক্ৰী হয় শ্ৰীদেৱীৰ দুপৰীয়া
বজাৰত বিক্ৰী হয় শ্ৰীদেৱীৰ গধূলি
বজাৰত বিক্ৰী হয় শ্ৰীদেৱীৰ ৰাতি

কেৱল বিক্ৰী নহয়
শেষ নিশাৰ সংশয়ী বিষাদ

এনেদৰেই আহ্নিক নিয়মৰ বাবে
এদিন বজাৰো সলনি হয়
বজাৰৰ অস্তিত্বৰ বাবে

কিন্তু শ্ৰীদেৱীয়ে বিচাৰে শ্ৰীদেৱী হৈ থাকিবলৈ
আৰু এনেদৰেই আৰম্ভ হয়
সময়ৰ বিৰুদ্ধে- সময়ক হৰুৱাবলৈ
শ্ৰীদেৱীৰ নিৰ্বোধ অভিমানী যুঁজ

কিয়নো বজাৰেই তেওঁক বিশ্বাস দিছিল
তুমি ৰূপৰ ৰাণী
পূৰ্ণিমাৰ স্নিগ্ধ জোনালী

প্ৰিয় পাঠক
ভুল নকৰিব
হৃদক্ৰিয়া বন্ধ হৈ শ্ৰীদেৱীৰ মৃত্যু ঘটা নাই
অথবা বাথটাবত পিচলি

মই কওঁ শুনক
শ্ৰীদেৱীক হত্যা কৰা হৈছে
হত্যা কৰা হৈছে

ছিন্নমূল পৃথিৱীত মৰিচিকা খেদি খেদি ভাগৰি পৰা শ্ৰীদেৱীক
বজাৰে হত্যা কৰিছে নিৰ্মমতাৰে
বজাৰৰ চক্ৰবেহুত বজাৰে হত্যা কৰিছে তাইক

যিটো কথা
কোনো পোষ্টমৰ্টেমৰ ৰিপোৰ্টত লিখা নাথাকিব।



কবি এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন নাট্যকাৰ, পৰিচালক আৰু চলচ্চিত্ৰ নিৰ্মাতা তথা গ্ৰাম্য বিকাশ মঞ্চৰ শুভাকাংক্ষী

# ENGLISH SECTION

***Though the above itself should have been reason enough to highlight the achievement and strength of the SSNs , however it has been in the news for last three or four years for some very curious reasons. Very strangely after the Loksabha elections in 2014, and more so after the Assembly election in the state in 2016, people started talking about Rastriya Swayam Sevak Sangha (RSS) and its sister organizations playing a major role in political mobilization in leading to major political shift both in the centre and the state.***

# The story of the schools that learn- and those that fail to do so

✍ **Mukut Lochan Kalita**

Behind everything there is a story. You will have to be sensitive enough to listen to that story, then document it and articulate it for a different audience....

**And every story has a Moral...**

The Moral of this story is that learning and living goes together. In fact the one cannot happen without the other. There can be no life without learning and no learning in absence of life! Though they are tautological often we forget them while looking at actual learning whether be in schools or in the case of organizations. The questions of living and livelihood impact learning, or rather lack of it, both in schools as well as the agencies responsible for delivering education for the masses.

Here are some stories of schools, organizations that learn and of those who fail to do so...

Broadly speaking these are stories of mostly government schools, their history, present plight and future hopes and worries. How they evolved, what challenges they faced and still do face, how they could overcome them- if indeed they could do so. Technically speaking it's a SWOT analysis of these government schools and role of a few key agencies in practically capitalizing upon the strengths, reducing the weaknesses, seizing upon opportunities and flagging the threats for the system or those who are responsible for or capable of facing them.

Yes, stories of a few private schools too appear. But, they are there basically to provide a contrast or to be more exact, a background.

**Focus group discussion**

The major device used for this study was focus group discussion with teachers and SMC members as well as the management and teachers of the private school visited. We also tried to gain insights from similar interactions with those involved in the Legacy project Community based Initiatives for reviving government schools designed and implemented by Actionaid in the districts of Kamrup (Rural), Nalbari and Morigaon.

It proved to be fulcrum of the study as it provided us with important patterns helping us to understand both the strength and weaknesses not only of the government schools but of the whole government system. On the basis of it we will try to do a kind of SWOT analysis of the public education delivery mechanism here.

**Summary of findings**

***Strengths of the Government Schools***

Strengths of the Government sector is often unnoticed hence remain underemphasized. We tend to forget that though not always playing the big brother's role, government is ever present in our lives influencing every aspect of it. It's the most powerful network in a country. Though, in modern times, governments don't try to bulldoze individual citizen's lives, theoretically it's always capable to do so. We shouldn't forget, whether we like it or not, the government of the day has the backing of highest numbers who care about governance. In our FGDs all, including those involved with private schools, acknowledged the major role of government in education. What government can do, once determined to do so, none else can dream of doing. Government has massive machinery to implement policies that it frames time to time. The other advantage is the kind of compliance it can get from people, no other agency is capable of.

Now coming to government schools, they have the advantage of infrastructure. Almost every government school has its own land. One can realize what a strength it is when one looks at from the perspective of private schools. A large number of private schools run from rented premises. Those crossing the breakeven point too have to bother a lot to procure a piece of land of adequate size or in a convenient location. Having such relatively big plot of land gives such schools much long term maneuverability.

Even the school buildings are better for the government sector. Even if they are not, they can always be built well with government funding within a very short time. Government is a major spender/ construction agent with much public fund at its disposal. This is also something the private sector can't compete with except for the big corporates or industrial houses having school networks. They too find it difficult raising money for school construction. Smaller schools can't dream of raising that kind of fund merely from fee collection. Even Shankardev Shishu Niketans, allegedly run by Rashtriya Swayamsevak Sangha, found it very difficult to arrange for construction of good school buildings. They admitted that the decision of local MLAs to school construction grants to them has been a major relief for them.

Next, again thanks to its huge mechanism and the kind of fund it has access to, government can always recruit well qualified and well paid ( sufficiently ) teachers whenever required. It becomes only a matter of policy decisions. Just through appointment of required number of qualified teachers government education system can do wonders. This, too, is something private schools can't usually do. Private school teachers are mostly underpaid. So whenever opportunity comes private school teachers migrate to government school causing damage to the former.

Similarly these days the government schools have access to much more facilities than the private ones can provide. Once again it's not possible to provide such costly facilities just from fee collection. On the other hand the government sector, especially since launching of SSA, is trying to provide almost every facility required for good education free.

Last but not the least is the access to further training and academic support and the benefit of monitoring that the government school teachers have is huge. Again this can

not be done in the private sector unless the schools are part of bigger networks.

**Weaknesses**

